C M Y K

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত


■ ইলন মাস্কৰ ৰকেটৰ আঘাতত ৬০ ফুটৰ গাঁত চন্দ্ৰপৃষ্ঠত

■ ১৬ অনূৰ্ধ্বৰ বাবে সামাজিক মাধ্যম নিষিদ্ধ নিউজিলেণ্ডত

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



প্ৰেম আৰু ভয় একেলগে থাকিব নোৱাৰে, যদি এই দুটাৰ মাজৰ কোনোবা এটা বাছি ল'বলগীয়া হয়, ভয়তকৈ প্ৰেমক বাছি লোৱাটো নিৰাপদ হ'ব।

নিক'লো মেকিয়াভেলি
*ইটালীৰ দাৰ্শনিক*

৭ দিল্লীত ছোৱাইন ফ্লুত আক্ৰান্তৰ সংখ্যা ১,৭৭৭ লৈ বৃদ্ধি

৫ গ্ৰন্থ মূৰত লৈ শোভাযাত্ৰা কৰা জাতিটো

১১ ক্ৰীড়া দিৱসত তৰুণ প্ৰজন্মক 'খেলো ইণ্ডিয়া'ৰ বাৰ্তা দিব মোদীয়ে

RNI-Regd No. 62953/96 ■ একত্ৰিংশত্তম বছৰ ● ৩১৭ তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৭ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২৫ আগষ্ট ২০২৬ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 25 August 2026 মূল্য ঃ ৯.০০ টকা

■ ১০ দিনতে ৫০ শতাংশ বৃদ্ধি পিঁয়াজৰ মূল্য ■ অক্টোবৰৰ তৃতীয় সপ্তাহলৈ মূল্যবৃদ্ধি অব্যাহত থকাৰ আশংকা ■ অসমত ৬৫ টকালৈ বৃদ্ধি পালে প্ৰতি কিলোগ্ৰামৰ খুচুৰা মূল্য



## ৰাষ্ট্ৰীয় গড় পৰিমাণতকৈ অসমত ২০ টকাৰো অধিক হৈছে পিঁয়াজৰ খুচুৰা মূল্য

অসাধু চক্ৰৰ দৌৰাত্ম্যত ৰাজ্যত মূল্যবৃদ্ধিৰ তাণ্ডৱ ■ চৰম বিপৰ্যয়ৰ সন্মুখীন সাধাৰণ জনতা ■ নিৰ্বিকাৰ চৰকাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** বজাৰত চেনিৰ পাছত এইবাৰ পিঁয়াজৰ মূল্য অভাৱনীয় হাৰত বৃদ্ধি পাইছে। সাধাৰণ গ্ৰাহকৰ মূৰত মাধমাৰ শোধাই মাত্ৰ ১০ দিনৰ ভিতৰত পিঁয়াজৰ খুচুৰা মূল্য বজাৰত ৫০ শতাংশলৈ বৃদ্ধি হৈছে। সাধাৰণ জনতাৰ মূৰত মাধমাৰ শোধোৱা এই মূল্যবৃদ্ধিৰ ধাৰাবাহিকতা দীঘলীয়া সময়লৈ অব্যাহত থাকিব বুলি নিশ্চিত কৰিছে পিঁয়াজৰ বৃহৎ ব্যৱসায়ী গোষ্ঠীয়ে। ৰাজ্য চৰকাৰৰ বজাৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ নিশকতীয়া ৰূপ, যোগান বিভাগ আৰু অসাধু ব্যৱসায়ীৰ গোপন মিতিৰালি, *আঠ পৃষ্ঠাত চাওক*



*কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰে সাক্ষাৎ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ, নতুন দিল্লীত।*

## ইণ্ডিয়া গেটৰ পৰা দিল্লী আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈ প্ৰতিবাদী সমদল চিজেপিৰ

মোদী চৰকাৰৰ বিৰুদ্ধে বিশ্বাসঘাতকতাৰ অভিযোগ উত্থাপন কৰি পুনৰ ৰাজপথত আন্দোলনৰ ঘোষণা

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ আগষ্ট ঃ** কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে প্ৰৱঞ্চনাৰ অভিযোগ উত্থাপন কৰি অহা পাঁচ ছেপ্টেম্বৰত শিক্ষক দিৱসৰ দিনাই ইণ্ডিয়া গেটৰ পৰা নতুন দিল্লী আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈ ককৰোচ জনতা পাৰ্টি (চিজেপি)য়ে যুৱ প্ৰতিবাদী সমদল উলিয়াব। দেশৰ শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ দাবীত দিল্লীৰ যন্তৰ-মন্তৰত চিজেপিৰ *আঠ পৃষ্ঠাত চাওক*

■ দুবছৰ পলমকৈ দাখিল কৰা প্ৰতিবেদনক লৈ বিতৰ্কৰ সূত্ৰপাত ■ পুঁজিৰ ঘোষিত লক্ষ্য আৰু বাস্তৱৰ ব্যৱহাৰক লৈ প্ৰশ্ন উত্থাপন ■ ২০২৪-২৫ বৰ্ষত মাত্ৰ ৮৮ লাখ টকাহে ব্যয়


# পিএম কেয়াৰ পুঁজিত অব্যৱহৃত ৮,৪৫২ কোটি



*ৰেল বিভাগৰ ভূমিত উচ্ছেদ অভিযানত সৃষ্টি হোৱা উত্তেজনাপূৰ্ণ মুহূৰ্ত, মহানগৰীৰ বামুণীমৈদানত সোমবাৰে।*

■ ১৬ পৃষ্ঠাৰ হিচাপ পৰীক্ষকৰ বিশেষ টোকাত থকা ধনৰ সবিশেষ খতিয়ান ৰাজহুৱা নকৰাৰ অভিযোগ ■ হেজাৰ হেজাৰ কোটি টকাৰ ব্যৱহাৰ আৰু গোপনীয়তাক লৈ প্ৰশ্ন

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ আগষ্ট ঃ** প্ৰধানমন্ত্ৰীৰ জৰুৰীকালীন সাহায্য পুঁজি (পিএম কেয়াৰ ফাণ্ড)ৰ শেহতীয়া হিচাপ-নিকাচৰ প্ৰতিবেদন প্ৰকাশৰ পাছতে দেশজুৰি এক নতুন বিতৰ্কৰ সূচনা হৈছে। চলিত বৰ্ষৰ ১৮ আগষ্টত পিএম কেয়াৰ পুঁজিৰ ৱেবছাইটত উপলব্ধ শেহতীয়া তথ্য অনুসৰি ২০২০ৰ মাৰ্চত গঠন হোৱাৰে পৰা এই পুঁজিত অভিলেখ সংখ্যক ধন জমা হৈছে। ২০২৩-২৪ আৰু ২০২৪-২৫ৰ বাবে প্ৰকাশ পোৱা এই হিচাপ পৰীক্ষাৰ তথ্যই বিভিন্নজনৰ চকু কপালত তুলিছে। এই মৰ্মে পুঁজিত ২০২৫ৰ ৩১ মাৰ্চলৈ জমা হৈছে ৮,৪৫২ কোটি টকা। ২০২৩-২৪ৰ বিত্তীয় বৰ্ষৰ সামৰণিত এই ধনৰ পৰিমাণ আছিল



৭,১৭৩ কোটি। সামগ্ৰিকভাৱে এই কৰপাছ পুঁজিৰ ২০২৩-২৪ৰ পৰা ২০২৪-২৫লৈ ১,২৭৯.৯ কোটি বৃদ্ধি হৈছে। এই হিচাপ প্ৰতিবেদন অনুসৰি ২০২২-২৩ত পুঁজিৰ ধন আছিল ৬,২৮৩ কোটি।

উল্লেখ্য যে প্ৰধানমন্ত্ৰীৰ কেয়াৰ পুঁজিত ২০২৪-২৫ বৰ্ষত লাভ কৰা ঘৰুৱা দানৰ পৰিমাণ ৪৭৯.০৪ কোটি আৰু একেটা বৰ্ষতে বিদেশৰ পৰা লাভ কৰা বৰঙণিৰ পৰিমাণ ৯২.৮৩ লাখ টকা। ইপিনে, ২০২৩-২৪ত এই পৰিমাণ আছিল ঘৰুৱা দান ৬৮১.৮ কোটি টকা আৰু বিদেশৰ পৰা অহা দান ১.১৩ কোটি টকা; অৰ্থাৎ উক্ত বছৰতকৈ পৰৱৰ্তী বৰ্ষত বৰঙণিৰ পৰিমাণ কিছু হ্ৰাস পাইছে। *আঠ পৃষ্ঠাত চাওক*

## প্ৰতিৰোধ সত্ত্বেও বামুণীমৈদামৰ ৰেল বিভাগৰ ভূমিত উচ্ছেদ

বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকক আক্ৰমণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** ৰেল বিভাগে আজি মহানগৰীৰ বামুণীমৈদাম ৰেলৱে কল'নীত বৃহৎ উচ্ছেদ অভিযানক লৈ উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। উত্তৰ-পূব সীমান্ত ৰেলৱেই জিলা প্ৰশাসন আৰু আৰক্ষীৰ *আঠ পৃষ্ঠাত চাওক*

## বুকুত দুটা গুলি লৈ মৃত্যুৰে যুঁজিছে দুধনৈৰ ব্যৱসায়ী আবু ছায়েদে

দুৰ্বৃত্তৰ শুংসূত্ৰ উলিয়াব পৰা নাই আৰক্ষীয়ে

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ২৪ আগষ্ট ঃ** মৃত্যুৰে যুঁজিছে দুৰ্বৃত্তৰ দ্বাৰা যোৱা নিশা গুলিবিদ্ধ গোৱালপাৰা জিলাৰ দুধনৈৰ ব্যৱসায়ী আবু ছায়েদ। ব্যৱসায়ীজনৰ *আঠ পৃষ্ঠাত চাওক*

■ আটাছুৰ নেতৃত্বত প্ৰতিবাদী সমদল ■ মুখ্যমন্ত্ৰীলৈ দাবী পত্ৰ প্ৰেৰণ ■ মাত্ৰ ১০ শতাংশ লোকক ১৫ হেজাৰ দিয়েই দায়িত্ব সামৰিছে


## বান সাহায্যৰ নামত ৰাজ্য চৰকাৰৰ প্ৰৱঞ্চনাৰ বিৰুদ্ধে বৃহৎ প্ৰতিবাদ

■ তিনি জিলাৰ ক্ষতিগ্ৰস্তৰ সাহায্য-পুনৰ সংস্থাপনৰ বাবে কেন্দ্ৰৰ পৰা ১০ হেজাৰ কোটিৰ ক্ষতিপূৰণ দাবী ■ দাবী কৰা পেকেজ নিদিলে ১০ ছেপ্টেম্বৰত শিৱসাগৰত উত্তাল প্ৰতিবাদৰ ঘোষণা ■ বান সমস্যাৰ স্থায়ী সমাধানৰ দাবী



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৪ আগষ্ট ঃ** শিৱসাগৰ আৰু চৰাইদেউ জিলাত বানৰ সংহাৰত ক্ষতিগ্ৰস্ত পৰিয়ালবোৰক উপযুক্ত ক্ষতিপূৰণ প্ৰদান আৰু পুনৰ সংস্থাপনৰ দাবীত আজি তাই আহোম ছাত্ৰ সন্থা (আটাছু)ই শিৱসাগৰত বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। *দুই পৃষ্ঠাত চাওক*

■ গুৱাহাটীৰ লগত যাতায়াত স্বাভাৱিক হ'লেও সেৰেঙা পৰিৱেশ অব্যাহত শ্বিলঙত ■ খাচি ছাত্ৰ সন্থাৰ সহকাৰী সাংগঠনিক সম্পাদকক গ্ৰেপ্তাৰ ■ চাৰিজনলৈ বৃদ্ধি গ্ৰেপ্তাৰৰ সংখ্যা



## আইন হাতত লোৱাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থাৰ সকীয়নি মুখ্যমন্ত্ৰী চাংমাৰ

■ বিজয় নগৰত দুৰ্বৃত্তই তুৰা অভিমুখী মেঘালয়ৰ বাহনক আক্ৰমণ ■ গৰিহণা গাৰো পাহাৰ টেক্সি সন্থাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** মেঘালয়ৰ পৰ্যটক বাহন চালক সন্থাৰ কালি সন্ধিয়া অৱৰোধ প্ৰত্যাহাৰৰ পাছৰে পৰা পুনৰ স্বাভাৱিক হৈছে যোৰাবাটেদি গুৱাহাটী-শ্বিলঙৰ মাজত যোগাযোগ ব্যৱস্থা। আজি অসমৰ টুৰিষ্ট বাহনে যোৰাবাটৰে মেঘালয়লৈ যাত্ৰা কৰাৰ সমান্তৰালকৈ মেঘালয়ৰ বাহনৰো গুৱাহাটীলৈ আগমন হয়। ইয়াৰ মাজতে আজি মেঘালয় আৰক্ষীয়ে খাচি ছাত্ৰ সন্থাৰ আন এজন শীৰ্ষ নেতাক আত্মগোপন কৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰে। যোৱা ১৯ আগষ্টত ছাত্ৰ সংগঠনটোৱে উলিওৱা প্ৰতিবাদী সমদলৰ সময়ত শ্বিলঙত যি হিংসাত্মক ঘটনাৰ সূত্ৰপাত হৈছিল তাৰ ফলতে গুৱাহাটী আৰু শ্বিলঙৰ মাজত যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰে। অসমৰ বাহনৰ ক্ষতিসাধন কৰাৰ লগতে যাত্ৰীকো আক্ৰমণ কৰাৰ প্ৰতিবাদ স্বৰূপে *আঠ পৃষ্ঠাত চাওক*

## নাবালিকাক ফুচুলাই আনি মহানগৰীৰ হোমষ্টেত ধৰ্ষণ, ধৃত পাঁচ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/শুৱালকুছি/ হাজো, ২৪ আগষ্ট ঃ** গুৱাহাটীৰ সাওকুছিৰ এটা হোমষ্টেত ফুচুলাই আনি এগৰাকী নাবালিকাক দলবদ্ধ ধৰ্ষণৰ ভয়ংকৰ ঘটনা সংঘটিত হৈছে। যোৱা নিশা সংঘটিত এই *দুই পৃষ্ঠাত চাওক*

## কৃত্ৰিম বানৰ কৱলত গুৱাহাটী, জুবিন ক্ষেত্ৰৰ সন্মুখৰ পথতো একাঁঠু পানী

ডুবিল মহানগৰীৰ ন ন অঞ্চল ঃ মজিয়া বুৰিল অগপৰ মুখ্য কাৰ্যালয়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** পুনৰ কৃত্ৰিম বানত বুৰিল গুৱাহাটীৰ বৃহৎ অঞ্চল। লক্ষ্যণীয়ভাৱে সাধাৰণতে এনে বানৰ সৃষ্টি হোৱা কে'বাটাও অঞ্চলৰ পৰিৱৰ্তে আজি মহানগৰীৰ আন কেইটামান অঞ্চল পানীত বুৰ যায়। তদুপৰি অঞ্চলভেদে একঁকাল পৰ্যন্ত পানী হয়। আজি বিয়লি অহা এজাক বৰষুণত *দুই পৃষ্ঠাত চাওক*



## গোলাঘাটৰ দুই নম্বৰ নেঘেৰিবিল নগালেণ্ডৰ বুলি দাবী

অসমৰ প্ৰশাসনক কাম-কাজ বন্ধ কৰিবলৈ সকীয়নি

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ অসম-নগালেণ্ডৰ মেৰাপানী সীমান্তৰ দুই নম্বৰ নেঘেৰীবিল অঞ্চলটো নগালেণ্ডৰ অংশ বুলি লোথা ল'ৰাৰ *আঠ পৃষ্ঠাত চাওক*

■ গুদাম ঘৰসদৃশ পৰিৱেশত চলিছে ন্যায়িক ব্যৱস্থা ■ স্থায়ী ঠিকনা নিদিয়ালৈকে উকীল সন্থাৰ ঐতিহ্যমণ্ডিত গৃহ এৰি নিদিয়াৰ ঘোষণা

## মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ দুৰৱস্থাক লৈ সৰৱ গুৱাহাটী উকীল সন্থা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** গুৱাহাটীৰ উকীল সন্থাৰ ঐতিহ্যমণ্ডিত ভৱন চৰকাৰে ভাঙিবলৈ সাজু হোৱাৰ বিপৰীতে অতি অনুপযুক্ত স্থানলৈ মুখ্য ন্যায়িক দণ্ডাধীশ আদালত *আঠ পৃষ্ঠাত চাওক*



## বিজেপিক ভোট নিদিয়া বাবেই অৰুণোদয়ৰ পৰা নাম কৰ্তন

খোৱাঙত বঞ্চিত মহিলাৰ উত্তাল প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**খোৱাং, ২৪ আগষ্ট ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলো দৰিদ্ৰ মহিলাই অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব বুলি ঘোষণা কৰিছে যদিও খোৱাং বিধানসভা সমষ্টিত ৰাজনৈতিক *আঠ পৃষ্ঠাত চাওক*

## ছলনাময়ী যুৱতীৰ প্ৰেমত পিতৃ-মাতৃৰ অলংকাৰ-নগদ ধন লুটিলে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৪ আগষ্ট ঃ** যুৱ প্ৰজন্মৰ স্খলনৰ আন এক ঘটনাই পুনৰ জোঁকাৰিছে যোৰহাট। প্ৰেমিকাৰূপী এগৰাকী যুৱতীক সন্তুষ্ট কৰিবৰ বাবেই নিজৰ ঘৰতে লুটপাট *দুই পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৬° |
| ডিব্ৰুগড় | ৩১° | ২৭° |
| দিল্লী | ৩৩° | ২৭° |
| কলকাতা | ৩১° | ২৮° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ৩৩° | ২৬° |
| বাংগালুৰু | ২৬° | ২১° |
| শ্বিলং | ৩৩° | ২২° |

*২৪ আগষ্ট, ২০২৬*

অৰুণাচলীৰ গুলিবৰ্ষণৰ বিৰুদ্ধে পুনৰ উত্তপ্ত ধেমাজি ■ হুঁচিয়াৰ ধ্বনিৰে উত্তাল হৈ পৰিল মিংমাং বদতি ■ শীঘ্ৰে দুৰ্বৃত্তক গ্ৰেপ্তাৰৰ দাবী ■ আঘাতপ্ৰাপ্ত পৰিয়ালক ক্ষতিপূৰণৰ দাবী

## চৰকাৰ-প্ৰশাসনৰ বিৰুদ্ধে ওলাই আহিল হেজাৰ হেজাৰ মহিলা, আৰক্ষীৰে হতাহতি

**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ২৪ আগষ্টঃ** অসম চৰকাৰ আৰু ধেমাজি জিলা প্ৰশাসনৰ বিৰদ্ধে আজি পুনৰ ৰাজপথলৈ ওলাই



আহিল হেজাৰ হেজাৰ মহিলা। অসম চৰকাৰৰ চূড়ান্ত ব্যৰ্থতাৰ বাবেই চুবুৰীয়া অৰুণাচল প্ৰদেশৰ স'তে সীমা বিবাদক লৈ উত্তপ্ত হৈ থকা ধেমাজি জিলাৰ মিংমাং বদতিত আজি অৰুণাচলী দুৰ্বৃত্তৰ গুলিবৰ্ষণৰ বিৰুদ্ধে ওলাই আহি মহিলাসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অসম-অৰুণাচল সীমান্তৱৰ্তী বদতি মহিলা সমিতি আৰু বদতি ৰাইজৰ উদ্যোগত উলিওৱা এই সমদলত প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত হতাহতিৰো সৃষ্টি হয়। প্ৰতিবাদকাৰীসকলে 'অৰুণাচলী দুৰ্বৃত্তক শীঘ্ৰে গ্ৰেপ্তাৰ কৰক', 'বিবাদমান অঞ্চলৰ পৰা *আঠ পৃষ্ঠাত চাওক*

গুৰুতৰ ৰূপ ধাৰণ নগা-কুকিৰ সংঘাতৰ ■ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ

## মণিপুৰত অগ্নিসংযোগ বহু গৃহত, দুই পক্ষৰ গুলিত আহত চিআৰপিৰ বিষয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** পুনৰ উত্তপ্ত মণিপুৰ। ৰাজ্যখনৰ সেনাপতি জিলাত এইবাৰ কুকি আৰু নগাৰ সংঘৰ্ষত চিআৰপিএফৰ ৩৪ বেটেলিয়নৰ উপ-অধীক্ষক প্ৰদীপ সিং আহত হয়। আজি পুৱা এই সংঘৰ্ষত দুই পক্ষই বহু সংখ্যক ঘৰত অগ্নিসংযোগ কৰাক লৈ তীব্ৰ উত্তেজনা বৃদ্ধি পায়। মণিপুৰৰ সেনাপতি জিলাৰ উপৰি সংলগ্ন কাংপ'কপি জিলালৈ উত্তেজনা বিয়পি পৰে। পুৱতি নিশা প্ৰায় ২-৪০ বজাত প্ৰথমটো অগ্নিসংযোগৰ ঘটনা সংঘটিত হয়। স্থানীয় সূত্ৰত প্ৰকাশ যে দাওদাওকৈ জ্বলি উঠা ঘৰবোৰৰ জুই নুমাবলৈ পুৱা প্ৰায় ৩-৩০ বজাত অহা অগ্নিনিৰ্বাপক বাহিনীৰ বাহনৰ প্ৰৱেশতো একাংশ লোকে বাধা দিয়ে। পুৱা চাৰি বজাৰ পাছত পুনৰ অগ্নিসংযোগৰ ঘটনা সংঘটিত হয়। আৰক্ষীয়ে জনোৱা মতে, নগা সম্প্ৰদায়ৰ লোকক ইয়াৰ লক্ষ্য কৰি লোৱা হয়। *আঠ পৃষ্ঠাত চাওক*

দৈনিক
# অগ্ৰদূত

গুৱাহাটী, ২৫ আগষ্ট, ২০২৬, মঙলবাৰ পৃষ্ঠা ২

**মাটি বিক্ৰী**

৪ কঠা আবাসিক মাটি, চাংসাৰি, উত্তৰ গুৱাহাটী। ফোন ঃ 7002563047

**নাম শুধৰণি**

নগাঁও আদালতত ২১ আগষ্ট ২০২৬ তাৰিখে কৰা Affidavit মতে মাটিৰ জমাবন্দী কপিত ভুলবশতঃ মোৰ প্ৰকৃত নামটো শচীন্দ্ৰ দাসৰ সলনি শশিন্দ দাস আৰু চচিন্দ দাস হৈ আছে। শচীন্দ্ৰ দাস আৰু শশিন্দ দাস আৰু চচিন্দ দাস একেজন ব্যক্তিহে হয়।

Sachinadra Das
S/O Late Bapuram Das
Vill- Fakali
P. O- Gerjaipam
P.S- Kachua, Nagaon.

**NAME CORRECTION**

I, NARJIMA BEGUM, Sahidur Rahman, Village- Jhagrarpar P-II, P.O.- Jhagrarpar, P.S. & Dist.- Dhubri (Assam), do hereby declare before the Executive Magistrate , Golakganj on 17-08-2026 that my name has been wrongly recorded in my Aadhaar Card vide No- 5729 1185 0080, as "NARJINA KHATUN" in place of my actual and correct name is "NARJIMA BEGUM".

**NAME CHANGE**

I, Dukhushri Boro Basumatary do hereby declare vide affidavit no Reg. no 14786 UDL 06 notary Udalguri on 24/08/2026, that my name has been changed from Dukhushri Basumatary to Dukhushri Boro Basumatary which is inserted my AADHAR card no 9273-4792-4517,Pan no BTEPB1786N.

**NAME CORRECTION**

I, Sri ANESHWAR PEGU , S/o Bongali Pegu, Riri Gaon, P.o : Bonkuwal, District Golaghat, Assam, declared vide an affidavit before the Notary Bokakhat on 24-08-2026 that my name has been wrongly recorded as "ANESHWAR TAI" in the land records instead of my correct name "ANESHWAR PEGU". ANESHWAR TAI and ANESHWAR PEGU refer to one and the same person.

**NAME CORRECTION**

NAME CORRECTION I Montu Daimari, R/O Vill- Naharani, P.O.- Dighaljuli, Dist- Sonitpur, Assam, do hereby declare vide an Affidavit before Notary at Tezpur on 19/08/2026 that my son's name was wrongly recorded as MOHIT in his school records instead of his correct name MOHIT DAIMARI.

**ৰাজহুৱা ঘোষণা**

মোৰ দেউতা স্বৰ্গীয় দণ্ডিৰাম তালুকদাৰ, গাঁও-নিজখানা, ডাকঘৰ- জলখানা, মৌজা আৰু থানা-টিহু, জিলা- নলবাৰী (অসম) যোৱা 31/08/2018 ইং তাৰিখে নিজ বাসগৃহত মৃত্যু হয়।

শ্ৰীৰঞ্জিত তালুকদাৰ (পুত্ৰ)
গাঁও-নিজখানা, ডাকঘৰ-জলখানা
থানা- টিহু, জিলা-নলবাৰী
(অসম)
ফোন নং- 7099416248

**LOST**

I have lost my HS original Mark sheet, Certificate Roll- 0337, No-10412 of the year 2024.

Gunu Narzary
D/O Hiran Narzary
9101092626

**NAME CORRECTION**

I do hereby declare through Notary Chirang that my correct name is Muhuruddin Hussain, S/O- Lt.Golam Hussain. But in my land document measuring land 00B-01K-08L, covered by dag No.188 and 01B-00K-08L, under Dag No.189 of Patta No.195 , situated at Barpather, under Dangtol Revenue Circle Bongaigaon, my name has been wrongly recorded as Muhuruudin" instead of Muhurudddin Hussain. Both names are same and one person none else.

Muhuruddin Hussain,
S/O- Lt. Golam Hussain
Barpather,
New Bongaigaon,
Bongaigaon

**NAME CORRECTION**

I do hereby declare through Notary Chirang that my correct name is Basiran Nessa, S/O-Tajimuddin. But in my land document measuring land 00B-01K-13L, covered by dag No.513 and patta No.112 , situated at Satipur, under Sidli Revenue Circle, Chirang, my name has been wrongly recorded as Johura Khatun Instaed of "Basiran Nessa. Both names are same and one person none else.

Basiran Nessa
S/O-Tajimuddin.
Khandakarpara,Josihatipara,
Howly, Barpeta

# উত্তৰ-পূৰ সীমান্ত ৰেলৱেৰ (নিৰ্মাণ)ৰ মহাপ্ৰবন্ধকৰ জিৰিবাম-ইম্ফল নতুন ৰেলপথ প্ৰকল্পৰ পৰিদৰ্শন

**গুৱাহাটী, ২৪ আগষ্ট ঃ** উত্তৰ-পূৰ সীমান্ত ৰেলৱে (নিৰ্মাণ)ৰ মহাপ্ৰবন্ধক আশীষ বানছালে শেহতীয়াকৈ গুৰুত্বপূৰ্ণ জিৰিবাম-ইম্ফল নতুন ৰেলপথ প্ৰকল্পৰ অধীনত জিৰিবাম-খোংচাং, খোংচাং-আৱাংখুল আৰু আৱাংখুল-ইম্ফল অংশসমূহ পৰিদৰ্শন কৰে। তেওঁ চলি থকা বিভিন্ন নিৰ্মাণ কাৰ্যৰ অগ্ৰগতি পৰ্যালোচনা কৰাৰ লগতে প্ৰকল্পটোৰ ৰেলপথৰ কাষে কাষে চলি থকা গুৰুত্বপূৰ্ণ ৰেলৱে আন্তঃগাঁথনিমূলক কামসমূহৰ স্থিতি পৰ্যালোচনা কৰে। আশীষ বানছালে য়াৰ্ডসমূহৰ অন্তৰ্ভুক্তিৰে খোংচাং-আৱাংখুল খণ্ডটোও পৰিদৰ্শন কৰে। খোংচাং-আৱাংখুল খণ্ডৰ য়াৰ্ডসমূহকে ধৰি বিভিন্ন অংশ পৰিদৰ্শন কৰি বিশেষকৈ অক্টোবৰ, ২০২৬ত পৰিকল্পিত চিআৰএছ পৰিদৰ্শনৰ বাবে প্ৰস্তুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে সুৰংগ নম্বৰ ২৮ আৰু ১২ পৰিদৰ্শন কৰি প্ৰকল্পটোৰ সুৰংগ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিও পৰ্যালোচনা কৰে।

জিৰিবাম-ইম্ফল নতুন ৰেলপথ প্ৰকল্পটোৰ মুঠ দৈৰ্ঘ্য ১১০.৬২৫ কিলোমিটাৰ আৰু ই উত্তৰ-পূৰ্বাঞ্চলত ৰূপায়ণ হৈ থকা আটাইতকৈ ৰূপায়ণ হৈ থকা অন্যতম প্ৰত্যাহ্বানমূলক ৰেল আন্তঃগাঁথনিমূলক প্ৰকল্প। প্ৰকল্পটো দুৰ্গম আৰু পাহাৰীয়া ভূখণ্ডৰ মাজেৰে অতিক্ৰম কৰিছে আৰু ইয়াত বিস্তৃত সুৰংগ আৰু সেতু নিৰ্মাণৰ কাম অন্তৰ্ভুক্ত আছে। নতুন ৰেলপথটোৰ জৰিয়তে মণিপুৰৰ ৰাজধানী ইম্ফললৈ পোনপটীয়া ৰেল যোগাযোগ স্থাপন কৰাৰ লক্ষ্য লোৱা হৈছে, যাৰ ফলত ৰাজ্যখনৰ লগতে সমগ্ৰ অঞ্চলটোৰ পৰিবহণ যোগাযোগ ব্যৱস্থা অধিক শক্তিশালী হ'ব।

এই প্ৰকল্পটোৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ বিস্তৃত সুৰংগ নেটৱৰ্ক। প্ৰকল্পটোৰ অধীনত মুঠ ৫৪ টা সুৰংগ আছে, যাৰ সন্মিলিত দৈৰ্ঘ্য প্ৰায় ৬৬.৪৭ কিলোমিটাৰ। দুৰ্গম ভূতাত্ত্বিক আৰু পাহাৰীয়া ভূখণ্ডৰ মাজেৰে এই সুৰংগসমূহ নিৰ্মাণ কৰাটো এক উল্লেখযোগ্য অভিযান্ত্ৰিক কৃতিত্ব। এই কামৰ বাবে উন্নত নিৰ্মাণ প্ৰযুক্তিৰ লগতে উচ্চমানৰ সুৰক্ষা ব্যৱস্থা আৰু গুণগত মান নিশ্চিত কৰাটো অত্যন্ত প্ৰয়োজনীয়।




প্ৰকল্পটোত ১৫ খন বৃহৎ সেতু আৰু ১১৬ খন সৰু সেতু অন্তৰ্ভুক্ত আছে। ইয়াৰ ভিতৰত ননীস্থিত ১৬৪ খন সেতু সবাতোকৈ ওখ, যাৰ পিয়াৰৰ উচ্চতা ১৪১ মিটাৰ। এই দলংসমূহ ৰেলপথৰ কাষেৰে ৰেলৰ লগতে পথ পৰিবহণৰ সুৰক্ষিত আৰু নিৰৱচ্ছিন্ন চলাচল নিশ্চিত কৰাৰ বাবে নিৰ্মাণ কৰা হৈছে।

জিৰিবাম-ইম্ফল নতুন ৰেলপথত মুঠ ১১ টা ৰেল ষ্টেছন আছে। এই ষ্টেছনসমূহ হৈছে- জিৰিবাম, ভাংগাইচুংপাও, ৰাণী গাইদিনলিউ, কেম্বিৰন হল্ট, থিংগৌ, খোংচাং, আৱাংখুল, ননী, টুপুল, হাওচং ৰোড হল্ট আৰু ইম্ফল। এই ষ্টেছনসমূহে চৌপাশৰ অঞ্চলত বসবাস কৰা লোকসকলৰ বাবে উন্নত ৰেল যোগাযোগৰ সুবিধা প্ৰদান কৰাৰ লগতে যাত্ৰী আৰু সামগ্ৰী পৰিবহণৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে সেৱা আগবঢ়াব।

প্ৰকল্পটোৰ বাকী খণ্ডসমূহ পৰ্যায়ক্ৰমে সম্পূৰ্ণ কৰাৰ দিশত অগ্ৰসৰ হৈছে। জিৰিবাম-ভাংগাইচুংপাও খণ্ডটো বিগত ২০১৭ৰ ফেব্ৰুৱাৰীত আৰু ভাংগাইচুংপাও-খোংচাং খণ্ডটো বিগত ২০২২ৰ ছেপ্টেম্বৰ মাহত ৰেল চলাচলৰ বাবে মুকলি কৰা হয়। বাকী খণ্ডসমূহো পৰ্যায়ক্ৰমে সম্পূৰ্ণ হোৱাৰ দিশত আগবাঢ়ি আছে।

পৰিদৰ্শনকালত আশীষ বানছালে সৰ্বোচ্চ সুৰক্ষা মান, নিৰ্মাণৰ গুণগত মানসম্পন্ন নিৰ্মাণ আৰু সময়মতে কাম সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ সংশ্লিষ্ট বিষয়াবৰ্গ আৰু ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মচাৰীবৰ্গৰ স'তে প্ৰকল্পটোৰ কাম সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে কামৰ অগ্ৰগতি পৰ্যালোচনা কৰি নিৰ্মাণ কাৰ্যসমূহ নিবিড়ভাৱে নিৰীক্ষণ আৰু সমস্যাসমূহ তাৎক্ষণিকভাৱে সমাধান কৰিবলৈ নিৰ্দেশ দিয়ে।

জিৰিবাম-ইম্ফল নতুন ৰেলপথে তাৎপৰ্যপূৰ্ণভাৱে মণিপুৰ আৰু দেশৰ বাকী প্ৰান্তৰ মাজত যোগাযোগ ব্যৱস্থা যথেষ্ট উন্নত কৰি তুলিব।


# নিৰুদ্দিষ্ট পুত্ৰৰ সন্ধান বিচাৰি পিতৃ-মাতৃৰ অনশন কুমাৰ ভাস্কৰ বৰ্মা সেতুত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ আগষ্ট ঃ** দুমাহে সন্ধানহীন পুত্ৰৰ সম্ভেদ উলিওৱাৰ দাবীৰে আজি গুৱাহাটীৰ এক দম্পতীয়ে কুমাৰ ভাস্কৰ বৰ্মা সেতুত অনশন কাৰ্যসূচী ৰূপায়ণ কৰা ঘটনাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। অৱশ্যে পাছত ভৰলুমুখ আৰক্ষীয়ে পত্নীসহ সুৰেন ৰাজবংশী নামৰ লোকজনক দলঙৰ পৰা বলপূৰ্বক থানালৈ লৈ আহে। উল্লেখ্য যে যোৱা ২৯ জুনৰ নিশাৰ পৰা দম্পতীৰ একমাত্ৰ পুত্ৰ তথা ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ স্নাতক চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ সুৰজিৎ ৰাজবংশী সন্ধানহীন হয়। সুৰজিতে সামগ্ৰীৰ অনলাইন ডেলিভাৰীৰ কামো কৰিছিল। সুৰেন ৰাজবংশীয়ে কয় যে সুৰজিৎ জীৱিত থকা বুলি তেওঁ নাভাবে। গতিকে তেওঁৰ পুত্ৰৰ মৃতদেহ তেওঁক লাগে। একো নহ'লেও পুত্ৰৰ হাড় এডালকে উদ্ধাৰ কৰিব লাগে। কিন্তু আজিলৈকে আৰক্ষীয়ে সন্ধাহীন পুত্ৰৰ একো তথ্য তেওঁক দিব পৰা নাই।

সুৰেন ৰাজবংশীয়ে কয় যে পুত্ৰ সন্ধানহীন হোৱাৰ বহু তথ্য তেওঁ নিজাববীয়াকৈ সংগ্ৰহ কৰিছে। সেই তথ্য আৰক্ষীকো দিছে। তেনে তথ্য সদৰী কৰি ৰাজবংশীয়ে কয়, দুজন বন্ধুৰ স'তে ঘটনাৰ দিনা নিশা সুৰজিৎ চেগুনবাৰীত শিৱনন্দপুৰ অঞ্চলত আছিল। মাতৃয়ে ফোন কৰি তাক ঘৰলৈ আহিবলৈ মাতিছিল। আধাঘণ্টাৰ ভিতৰত ঘৰলৈ আহিব বুলি মাকক জনাইছিল; কিন্তু অহা নাছিল। ফলত মাজনিশা প্ৰায় ১-৩৪ বজাত মাকে পুনৰ ফোন কৰিছিল। তেতিয়াও ঘৰলৈ আহি থকা বুলি কৈছিল; কিন্তু নাহিল। ৰাজবংশীয়ে কয় যে তেওঁ সংগ্ৰহ কৰা চিচি টিভিৰ ফুটেজ অনুসৰি সুৰজিৎ নিশা ১-৫৫ বজাত কুমাৰ ভাস্কৰ শৰ্মা সেতুত আছিল। তাৰ পাছত আৰু পুত্ৰৰ সন্ধান নাই। এই ঘটনাত এগৰাকী যুৱতী জড়িত থকা বুলিও তেওঁলোকে গভীৰভাৱে সন্দেহ কৰে। পুত্ৰৰ সন্ধান বিচাৰি ৰাজবংশীয়ে ফটাশিল আমবাৰী থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰত তিনিটা নাম উল্লেখ কৰে। নামকেইটা হ'ল অসিমি চাংমা, মিত্ৰদেৱ কোঁৱৰ আৰু সনৎ কুমাৰ দাস।

## শব্দবেহু ঃ ২৫ আগষ্ট ২০২৬




**পথালিয়ে**

১। অৱকাশ, আজৰি, বিশ্ৰাম (৪)
৫। নলৰা, লৰচৰ নকৰা (৩)
৬। ধৰ্মৰ লগত জড়িত বিশেষ দিনত হোৱা উৎসৱ (২)
৭। হুকুম, আদেশ, বেতন (৩)
৮। অঞ্জন, চকুৰ পিৰিকতিত ঘঁহা ক'লা ৰং (৩)
৯। ৰং-চং, আড়ম্বৰ (৫)
১০। মৰণশীল, নশ্বৰ (২)
১২। আইন, নিয়ম, বিধি-ব্যৱস্থা (৩)
১৫। সদাগৰ, মুদৈ, বণিক (৩)
১৬। বাতিল, অগ্ৰাহ্য (২)
১৮। ৰজাৰ পুত্ৰ (৫)
১৯। নানা প্ৰকাৰৰ, বিভিন্ন (৩)
২০। বিয়াৰ যোগেদি হোৱা সম্বন্ধ (৩)
২২। যোগ-শাস্ত্ৰত উল্লেখিত শৰীৰৰ পঞ্চবায়ুৰ অন্যতম (২)
২৩। দয়া, কৃপা (৩)
২৪। অন্যায়-অধৰ্মৰ যুগ বা কাল (৪)

**থিয়কৈ**

১। সুধা, অতি সোৱাদ বস্তু (৩)
২। সৰ্বজ্ঞ ব্যক্তি (৫)
৩। কে'বাজনো কাকতীৰ ওপৰৰ মুখিয়াল বিষয়া (৫)
৪। অহংকাৰ, গপ (২)
৫। অযোগ্য, অপাত্ৰ, গুণ নথকা (৪)
৬। বেলি, বিলম্ব (৩)
১১। কোনো বস্তুৰ প্ৰাপ্তি স্বীকাৰ কৰি দিয়া কাকত (৩)
১২। ঘন অৰণ্য, দুৰ্গম পথ (৩)
১৩। খণ্ডন, মিছা বুলি প্ৰমাণ কৰা কাৰ্য (৫)
১৪। মনৰ ইচ্ছা, অভিলাষ, বাসনা (৪)
১৫। একেলগে মিহলি হৈ থকা (৫)
১৭। পোৱা কাৰ্য, জুই (৩)
২১। ৰসপূৰ্ণ, সৰস (৩)
২২। ৰোগ, বেমাৰ (২)

**উত্তৰ অহা সংখ্যাত**

**২৪ আগষ্ট ২০২৬ সংখ্যাৰ উত্তৰ**

**পথালিয়ে**

২। সাগৰ ৪। নাবালক ৭। গদ্য ৯। ৰজক ১০। ৰাজহী ১২। তালু ১৩। পানা ১৬। ছাল ১৮। অৰ্থ ১৯। মানস ২১। ধমক ২২। বোধ ২৪। লবেজান ২৫। ৰুচুল

**থিয়কৈ**

১। মহাভাৰত ৩। ৰহঘৰা ৪। নাগ ৫। বাদ্য ৬। কমণ্ডলু ৮। দিকপাল ১১। জন্ম ১৪। মূলধন ১৫। মন ১৭। মকৰধ্বজ ১৮। অবিকল ২০। সৰোবৰ ২২। বোজা ২৩। ধন

# ডিব্ৰুগড়ত স্বামী শহুৰৰ দ্বাৰা আক্ৰমণ বোৱাৰী ঃ সংকটজনক অৱস্থাত চিকিৎসাধীন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৪ আগষ্ট ঃ** ডিব্ৰুগড় লাহোৱালৰ বকুল মাজ গাঁৱত চাঞ্চল্যকৰ ঘটনা। দাৰে বোৱাৰীক আক্ৰমণৰ অভিযোগ শহুৰ আৰু স্বামীৰ বিৰুদ্ধে। লাহোৱাল থানাৰ অন্তৰ্গত বকুল মাজ গাঁৱত আজি সংঘটিত এক চাঞ্চল্যকৰ ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এগৰাকী মহিলাক চোকা অস্ত্ৰৰে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন হৈছে তেওঁৰ শহুৰ আৰু স্বামীৰ বিৰুদ্ধে।

অভিযোগ অনুসৰি, বকুল মাজ গাঁৱৰ নিবাসী অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া ধ্ৰুৱজ্যোতি শইকীয়াই পুত্ৰ কল্যাণ শইকীয়াৰ স'তে মিলি কল্যাণ শইকীয়াৰ পত্নী পৰিস্মিতা গগৈ শইকীয়াক দাৰে উপযুপৰি আক্ৰমণ কৰে।

আক্ৰমণত পৰিস্মিতা গগৈ শইকীয়াৰ হাত আৰু ডিঙিত গুৰুতৰ আঘাত পায়। সংকটজনক অৱস্থাত তেওঁক ডিব্ৰুগড়ৰ আদিত্য নাৰ্ছিং হোমত ভৰ্তি কৰোৱা হৈছে। ইফালে, ঘটনাৰ পাছতে লাহোৱাল আৰক্ষীয়ে পৰিস্মিতাৰ শহুৰ ধ্ৰুৱজ্যোতি শইকীয়াক আটক কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ঘটনাটোৰ আঁৰৰ কাৰণ আৰু আক্ৰমণৰ সম্পূৰ্ণ ঘটনাক্ৰম জানিবলৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আনহাতে স্বামী পলাতক বুলি জানিব পৰা গৈছে।

## আজিৰ দিনটো



**কিৰো ইয়ং, বস্ত্ৰ কুবেৰ জেমছ এণ্ড জুৱেলাৰী**
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ : ৮৮২৯-১১১৭১, ৯০৬৫৯৪৩০০৯

**৭ ভাদ মঙলবাৰ ২৫ আগষ্ট**

**সূৰ্যোদয় ঃ** ঘঃ ৫।২।৩৫, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৪৮।১৬। **তিথি ঃ** শুক্লা দ্বাদশী, দং ১।৩১।৩০ প্ৰাতঃ ঘঃ ৫।৩৯।২১ **নক্ষত্ৰ ঃ** উত্তৰাষাঢ়া, দং ৪৫।৫১।৫৮ ৰাত্ৰঘঃ ১১।২৩।২২ **যোগ ঃ** আয়ুষ্মান, দং ১০।৪১।২১ ঘঃ ৯।১৯।৭ **কৰণ ঃ** বালৱ। **জন্মত ঃ** মকৰৰাশি, শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ, গৰুৰ অষ্টি, অগ্নিযোগ, অষ্টোত্তৰী বৃহস্পতি, বিংশোত্তৰী ৰবিৰ দশা, ৰাঘঃ ১১।২৩।২২ যোৱাত লেৰপণ, কুষ্ঠীবৰ অস্থি, বিংশোত্তৰী চন্দ্ৰৰ দশা। **আদ্যান্ধক্ষু হ'লে ঃ** সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ** পূৰ্ণদোষ, প্ৰাতঃঘ ৫।৩৯।১১ যোৱাত ত্ৰিপাদ, ৰাঘ ১১।২৩।২২ যোৱাত একপাদ। **যোগিনী** নৈঋত কোণত, প্ৰাতঃঘঃ ৫।৩৯।১১ যোৱাত দক্ষিণত। **যাত্ৰা ঃ** শুভ অমৃতযোগ, উত্তৰত নাই, প্ৰাতঃ ঘ ৫।৩৯।১১ যোৱাত শুভ সিদ্ধিযোগ। **শুভকৰ্ম ঃ** দীক্ষা, আৰোগ্যস্নান, গ্ৰহপূজা, শান্তিস্বস্ত্যয়ন, হালযাত্ৰা, ওটিশিচা, গছৰোৱা, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয়। **ভক্ষ্যাভক্ষ্য ঃ** পুঁৰৈশাক খোৱা আৰু প্ৰাতঃশিত নিষেধ, প্ৰাতঃঘঃ ৫।৩৯।১১ যোৱা বেঙেনা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** এই ৰাশিৰ জাতক-জাতিকাই ফুৰা-চকাৰ ক্ষেত্ৰত সাৱধান থাকিব। নিৰামিষ আহাৰ গ্ৰহণ কৰিব। বিদ্যাৰ্থীসকলৰ বাবে ভাল। প্ৰেমত শুভ। শুভ ৰং ৰঙা। শুভ সংখ্যা ৮।

**বৃষ ঃ** আজি যাত্ৰা নকৰাই ভাল। সেউজীয়া ৰঙৰ কাপোৰ পিন্ধিব। শিৱৰ আৰাধনা কৰিব আজি। প্ৰেমত শুভ। শুভ সংখ্যা ২।

**মিথুন ঃ** ঘৰৰ বাহিৰত শনিৰ আসন বনাই তিল-তেলেৰে প্ৰদীপ জ্বলাই শনিৰ আৰাধনা কৰিব। ব্যৱসায়ত ভাল। বিদ্যাৰ্থীৰ বৰ ভাল দেখা নাযায়। শুভ ৰং নীলা। সংখ্যা ২।

**কৰ্কট ঃ** আজি মনৰ ইচ্ছা পূৰ্ণ হোৱাৰ যোগ। প্ৰেমত শুভ। বিদ্যাৰ্থীসকলে যত্ন কৰা উচিত। ব্যৱসায়ী আৰু অভিনেতাৰ কাৰণে শুভ। শুভ ৰং নীলা। সংখ্যা ৮।

**সিংহ ঃ** বিদ্যাৰ্থীৰ কাৰণে শুভ। সামাজিক কামত ব্যস্ততা দেখা যায়। চাকৰি ক্ষেত্ৰত অশান্তি। ব্যৱসায়ত নতুন কাম আৰম্ভ কৰিব পাৰিব। শুভ সংখ্যা ৭, শুভ ৰং হালধীয়া।

**কন্যা ঃ** খৰচ বৃদ্ধি। ব্যৱসায়ৰ ক্ষেত্ৰত কিছু জটিলতা থাকিব। বিদ্যাৰ্থীৰ কাৰণে শুভ। দিনটো মনোকষ্ট ভুগিব লাগিব। শুভ ৰং বগা। শুভ সংখ্যা ৮।

**তুলা ঃ** বিবাহৰ ক্ষেত্ৰত আগবাঢ়িব পাৰে। শুভ কৰ্ম কৰিলে ভাল ফল পাব। প্ৰেম-প্ৰণয়ত উন্নত। ভ্ৰমণত শুভ। শুভ ৰং সোণালী। শুভ সংখ্যা ৬।

**বৃশ্চিক ঃ** সন্তান আৰু পিতৃৰ স্বাস্থ্যক লৈ চিন্তা থাকিব। চাকৰি ক্ষেত্ৰত আগবাঢ়িব পাৰে। দিনটো শুভ। শুভ ৰং আকাশী নীলা। শুভ সংখ্যা ৮।

**ধনু ঃ** অনাদায়ী কিছু ধন আদায় হোৱাৰ যোগ দেখা যায়। বিভিন্ন ক্ষেত্ৰত সুযোগ আহিব। বিদ্যাৰ্থীসকলে যত্ন কৰিলে ভাল ফল পাব। শুভ ৰং বগা। শুভ সংখ্যা ৭।

**মকৰ ঃ** নীলা কাপোৰ পৰিধান কৰি ওঁ ঐঁ হ্ৰীং শ্ৰীং শনৈশ্চৰায় নমঃ এই মন্ত্ৰ আঠবাৰ জপ কৰিব। ঘৰৰ অতিথিৰ আগমন। শুভ ৰং সেউজীয়া। শুভ সংখ্যা ২।

**কুম্ভ ঃ** প্ৰেমত শুভ। দূৰ ভ্ৰমণ। যান-বাহনৰ পৰা সাৱধানে থাকিব। নতুন কৰ্মত হাত দিব পাৰিব। দিনটো শুভ। শুভ ৰং ৰঙা। শুভ সংখ্যা ৬।

**মীন ঃ** নিৰামিষ ব্ৰত পালন কৰিব। বিদ্যাৰ্থীৰ ভাল। প্ৰেম আৰু দাম্পত্যত ভালেই দেখা যায়। পিতৃৰ অসুখৰ চিন্তা। শুভ ৰং বগা। শুভ সংখ্যা ২।

# মৰিয়নিৰ সাংবাদিকৰ মাতৃৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৪ আগষ্ট ঃ** মৰিয়নি নগৰৰ ছয় নম্বৰ ৱাৰ্ড নিজৰাপাৰৰ নিবাসী ছাহিদা বেগম শইকীয়া (৫৬)ৰ যোৱা নিশা নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। পৰিশ্ৰমী আৰু কৰ্মঠ ছাহিদা বেগম শইকীয়া বিগত কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি আছিল। মৰিয়নিৰ লগতে যোৰহাট, তিতাবৰ, গুৱাহাটী আনকি হায়দৰাবাদতো চিকিৎসা কৰাই আছিল ছাহিদা বেগম শইকীয়াৰ। কিন্তু তাৰ মাজতে যোৱা নিশা তেওঁৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত ততাতৈয়াকৈ মৰিয়নিৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ যোৱা হয় যদিও তাত চিকিৎসক নোপোৱাত যোৰহাটৰ এখন বেচৰকাৰী চিকিৎসালয়লৈ নিয়া হয় আৰু তাতেই চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে । চিকিৎসকৰ মতে তাৰ কিছু সময়ৰ পূৰ্বেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰে, তাৰ পৰাই ছাহিদা বেগম শইকীয়াৰ ঘৰতে মৃত্যু হোৱা বুলি অনুমান কৰা হৈছে। শইকীয়া মৰিয়নি প্ৰেছ ক্লাৱ আৰু ই-মেডিয়া সন্থাৰ সক্ৰিয় সদস্য তথা ছেটেলাইট চেনেল ডি ৱাই ৩৬৫-ৰ মৰিয়নিৰ সংবাদদাতা সপোন ৰহমান শইকীয়াৰ মাতৃ আছিল। মৃত্যুৰ সময়ত তেওঁ সাংবাদিক পুত্ৰ সপোন ৰহমান শইকীয়াৰ লগতে বোৱাৰী, নাতিসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ গৈছে। আজি দিনৰ ভাগত বহু লোকৰ উপস্থিতিত মৰিয়নিৰ কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। শইকীয়াৰ মৃত্যুত মৰিয়নি প্ৰেছ ক্লাব, মৰিয়নি ই-মিডিয়া সন্থা, কিংশুক ক্ৰীড়া সাংস্কৃতিক চ'ৰা, ক্ৰীড়া সন্থা, আজু যোৰহাট জিলা সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# কৃত্ৰিম বানৰ কৱলত গুৱাহাটী, জুবিন

*এক পৃষ্ঠাৰ পৰা* আমবাৰী, লেম্বৰোড একাঁঠু পানীত বুৰ যায়। পানীয়ে বুঢ়াই অসম গণ পৰিষদৰ আমবাৰীস্থিত মুখ্য কাৰ্যালয়ৰ ভূমি মহলাৰ মজিয়াও। কাৰ্যালয়টোত অৱস্থিত উপ-পথটোও একাঁঠু পানীয়ে বুৰাই পেলায়। একেদৰে পানীত বুৰ যায় চানমাৰিৰ ৰাজপথ। পাহাৰৰ পৰা নামি অহা পানীৰ ধলৰ সোঁতত দুচকীয়া বাহন চলাই অহা কে'বাজনো লোক বাগৰি পৰে। ইয়াৰ উপৰি উলুবাৰী, আৰজি বৰুৱা পথতো প্ৰৱল বানৰ সৃষ্টি হয়। দীঘলীয়া সময়জুৰি কৃত্ৰিম বানে এই সমগ্ৰ অঞ্চলত যাতায়াত ব্যৱস্থা ব্যাহত কৰে। কাহিলিপাৰাৰ জটীয়াৰ মূল পথো পানীয়ে বুৰাই পেলায়। ইপিনে, ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সৰুসজাইৰো পথৰ এটা অংশ পানীত বুৰ যোৱাত দুচকীয়া আৰু চাৰিচকীয়া বাহনৰ চলাচল সম্পূৰ্ণ বন্ধ হয়। গড়চুকৰ ছাৰ্ভিচ পথো পানীত বুৰ যায়। বেহাৰবাৰী ৰাষ্ট্ৰীয় পথটোও পানীয়ে বুৰাই পেলায়। ইপিনে, বৰষুণ হ'লেও আজি যোৱাবাটত সামান্যভাৱেহে কৃত্ৰিম বানৰ সৃষ্টি হয়। তাৰ পৰিৱৰ্তে কমাৰকুছিৰ জুবিন ক্ষেত্ৰৰ সন্মুখৰ পথছোৱা সম্পূৰ্ণৰূপে পানীত বুৰ যায়। মহানগৰীখনত এনেদৰে এজাক বৰষুণতে কৃত্ৰিম বানৰ প্ৰকোপ বৃদ্ধি হোৱাটো এইবাৰ যেন এক সাধাৰণ ঘটনাত পৰিণত হৈছে। ইয়াৰ ফলত এফালে নাগৰিকৰ অধিকাৰ হৰণ হৈছে আৰু আনফালে মহানগৰীখনৰ উন্নয়নৰ লগত জড়িত বিভাগ আৰু সংস্থাবোৰৰ অকৰ্মণ্যতা স্পষ্ট হৈছে।

# নাবালিকাক ফুচুলাই আনি মহানগৰীৰ



*এক পৃষ্ঠাৰ পৰা* ঘটনাত জড়িতৰ অভিযোগত দদৰা আৰক্ষীয়ে পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত লোককেইজন হ'ল পৰমেশ্বৰ নাথ, ৰিকিব আলী, হীৰকজ্যোতি দাস, বিশাল বৰুৱা আৰু লক্ষ্যধৰ নাথ। এই ভয়ংকৰ কাণ্ড সংঘটিত হয় 'ৰংমন গ্ৰেণ্ড' নামৰ এটা হোমষ্টেত। ধৃত লক্ষ্যধৰ আৰু বিকাশ এই হোমষ্টেৰ কৰ্মচাৰী। উল্লেখ্য যে কামৰূপ জিলাৰ পছৰীয়াৰ অষ্টম শ্ৰেণীত পঢ়ি থকা এগৰাকী নাবালিকা কালি দুপৰীয়াৰ পৰা সন্ধানহীন হয়। ইয়াকে লৈ পৰিয়ালৰ লোকে দদৰা আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। আজি পুৱা গুৱাহাটীৰ শুক্ৰেশ্বৰ ঘাটত আৰক্ষীয়ে এগৰাকী নাবালিকাক বিধ্বস্ত অৱস্থাত উদ্ধাৰ কৰে। পাছত এইগৰাকী নাবালিকাই পছৰীয়াৰ পৰা সন্ধানহীন নাবালিকাগৰাকী বুলি চিনাক্ত কৰা হয়। তাৰ পাছতে সমগ্ৰ ঘটনা পোহৰলৈ আহে।

নাবালিকাগৰাকীৰ পৰা উদ্ধাৰ কৰা তথ্যৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই ইজনৰ পাছত সিজন অভিযুক্তক কৰায়ত্ত কৰে। আৰক্ষীৰ তথ্য অনুসৰি, গোৱালপাৰাৰ বাসিন্দা পৰমেশ্বৰ নামৰ যুৱকজনে নাবালিকাগৰাকীক কালি দুপৰীয়া শিঙিমাৰীৰ পৰা ফুচুলাই গুৱাহাটীৰ হোমষ্টেটোলৈ আনে। তাৰ পাছত নাবালিকাগৰাকীৰ ওপৰত নিজৰ কুকাৰ্য চৰিতাৰ্থ কৰে। পৰমেশ্বৰক সংগ দিয়ে হীৰকজ্যোতি, বিশাল আৰু লক্ষ্যধৰে। আনহাতে, ৰেকিব নামৰ যুৱকজনে আজি পুৱতি নিশা নাবালিকাগৰাকীক শুক্ৰেশ্বৰ ঘাটৰ ওচৰত থৈ পলায়ন কৰে।

# ছলনাময়ী যুৱতীৰ প্ৰেমত পিতৃ-মাতৃৰ

*এক পৃষ্ঠাৰ পৰা* চলালে যোৰহাটৰ এজন প্ৰতিষ্ঠিত ব্যৱসায়ীৰ সন্তানে। পিতৃ-মাতৃৰ উপাৰ্জিত সমস্ত অলংকাৰ আৰু নগদ ধনৰে যুৱতীগৰাকীৰে উপভোগ কৰিলে ৰঙীণ সময়। যোৰহাটৰ নগৰৰ নিৰ্মল চাৰিআলিৰ নিৱাসী ব্যৱসায়ীজনে পৰিয়ালসহ যোৱা ২৮ জুলাইত এক অনুষ্ঠানত অংশ ল'বলৈ ৰাজ্যৰ বাহিৰলৈ গৈছিল। ঘৰত অকলে আছিল পুত্ৰ য়শ ধুনুকা। সেইদিনাই য়শে দুজন ব্যক্তিৰ সহযোগত লকাৰ ভাঙি নগদ ডেৰ লাখ টকা চুৰি কৰাৰ আৰু সোণৰ অলংকাৰ বিক্ৰীৰ পৰিকলপনা কৰে। সহযোগী দুজন হ'ল প'ৰ্টেল সাংবাদিক জিতেন্দ্ৰৰ সোমানী আৰু ৰোহিত প্ৰসাদ। দুয়োজনক তথাকথিত প্ৰেমিকাৰ কথা কওঁতে জিতেন্দ্ৰ আৰু ৰোহিতে য়শক লকাৰত থকা পিতৃ-মাতৃ অলংকাৰ বিক্ৰী কৰিবলৈ পৰামৰ্শ দিয়ে। এই অলংকাৰ গহনাৰ দোকানত বিক্ৰী কৰিবলৈ দায়িত্ব লয় জিতেন্দ্ৰই। ইয়াৰ পাছত অলংকাৰসমূহ এদিন এদিনকৈ দুদিন জিতেন্দ্ৰক য়শে অলংকাৰবোৰ হাতত তুলি দিয়ে। জিতেন্দ্ৰই অলংকাৰ বিক্ৰী কৰি দুদিনত প্ৰায় সাত লাখ টকা য়শক দিয়ে। অথচ এই অলংকাৰৰ মূল্য আছিল ৬০ লাখৰ অধিক। অলংকাৰ বিক্ৰীৰ টকাৰে য়শে প্ৰেমিকাক ডেৰ লাখ টকাৰ এটা আই ফোন উপহাৰ দিয়ে। তদুপৰি অৰুণাচল ফুৰিবলৈ দুই লাখ টকা দিয়ে। এই দিনকেইটাত য়শে প্ৰেমিকাৰ নামত প্ৰায় পাঁচ লাখ টকা ব্যয় কৰে। তদুপৰি দুয়ো যোৰহাটত তিনিটাকৈ হ'মষ্টেত আৰু এখন বিলাসী হোটেলত নৈশ যাপন কৰা বুলি য়শে সদৰী কৰিছে। ছলনাময়ী যুৱতীগৰাকীৰ ঘৰ যোৰহাটৰ বালি গাঁৱত। পোহৰলৈ অহা তথ্য অনসুৰি য়শৰ লগত যুৱতীগৰাকীৰ প্ৰায় ছয়- সাত বছৰৰ চিনাকি আছিল। সেই সূত্ৰে দুয়োৰে প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল। প্ৰেমত অন্ধ হৈ সমস্ত ধন ব্যয় কৰিছিল। কিন্তু শেষত যুৱতীগৰাকীৰ প্ৰতাৰণাৰ বলি হ'ল য়ুশ নামৰ যুৱকজন। পিতৃ-মাতৃ ঘৰলৈ ঘূৰি অহাৰ পাছত সমস্ত ঘটনা পোহৰলৈ অহাত য়শে আহমেদাবাদলৈ পলায়ন কৰে যদিও আৰক্ষীয়ে উদ্ধাৰ কৰি যোৰহাটলৈ আনে। এই সন্দৰ্ভত যুৱকজনৰ পিতৃয়ে আৰক্ষীৰ কাষ চাপিছে আৰু আৰক্ষীয়ে বিষয়টোৰ অনুসন্ধান আৰম্ভ কৰিছে। ইফালে এই ঘটনাত নাম সাঙোৰ খোৱা সাংবাদিক জিতেন্দ্ৰ সোমানিয়ে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছে। জিতেন্দ্ৰই দাবী কৰা মতে, সমগ্ৰ পৰিকল্পনা য়শ ধুনুকাই কৰিছিল। তেওঁ মাত্ৰ অলংকাৰ বিক্ৰীৰ বাবে যোগাযোগহে কৰি দিছিল। ইতিমধ্য অলংকাৰ বিক্ৰীৰ বাবদ পোৱা ১২ লাখ টকা য়শক দিয়া হৈছে বুলিও দাবী কৰে।

# বান সাহায্যৰ নামত ৰাজ্য চৰকাৰৰ

*এক পৃষ্ঠাৰ পৰা* ইয়াৰ অংশ হিচাপে শিৱদ'লৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখলৈ এক বিশাল সমদলো উলিওৱা হয়। এই প্ৰতিবাদত আন কে'বাটা সংগঠনেও অংশগ্ৰহণ কৰে। সমদলৰ পাছত সংগঠনটোৱে জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ দহদফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। এই স্মাৰকপত্ৰত বানবিধ্বস্ত ৰাইজৰ বাবে শীঘ্ৰে ১০ হেজাৰ কোটি টকা মোকলাই দিয়াৰ দাবী জনোৱা হয়। বিধ্বস্ত জিলা দুখনৰ জনসাধাৰণৰ পুনৰ সংস্থাপন আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে এই ধন মোকলাই দিবই লাগিব বুলি প্ৰতিবাদকাৰীসকলে চৰকাৰক সকীয়াই দিয়ে।

এই কাৰ্যসূচীত এখন প্ৰতিবাদী সভাও অনুষ্ঠিত হয়। আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে সভাত ভাষণ দি কয় যে শিল-কয়লা খনন আৰু অবাধ বন ধ্বংসৰ ফলত নগালেণ্ডৰ পৰা নামি অহা পানীৰ ধলে শিৱসাগৰ আৰু চৰাইদেউ জিলা দুখনক ধ্বংসস্তূপত পৰিণত কৰিছে। এই প্ৰলয়ৰ পাছত এতিয়াও তিনিশৰো অধিক লোকৰ মৃতদেহ পলস আৰু বোকাৰ মাজত সোমাই থকাৰ আংশকা কৰা হৈছে। জিলা দুখনৰ জনসাধাৰণ আৰ্থিকভাৱে কমেও ২০ বছৰ পিছুৱাই গ'ল। অথচ এই ক্ষেত্ৰত চৰকাৰে প্ৰয়োজনীয় গুৰুত্ব নিদিয়াতো পৰিলক্ষিত হৈছে। গগৈয়ে লগতে কয়, 'কিহৰ কাৰণে এই বান হ'ল তাৰ উত্তৰ আমাক লাগে। এয়া প্ৰাকৃতিক দুৰ্যোগ নে মানুহে সৃষ্টি কৰা দুৰ্যোগ—সেই কথা আমি জানিব লাগিব। আমি কে'বাগৰাকীও বিশেষজ্ঞ, প্ৰতিষ্ঠান আদিৰ লগত কথা পাতিছো। এই বানৰ প্ৰকৃত কাৰণ অবৈজ্ঞানিকভাৱে কৰা খনন। চৰকাৰৰ দায়িত্ব হ'ল জনসাধাৰণৰ জীৱন-সম্পত্তিৰ নিৰাপত্তা প্ৰদান কৰা। থলগিৰি খিলঞ্জীয়াৰ পক্ষত থাকি কাম কৰিব বুলি কোৱা এইখন চৰকাৰে ওলোটাই ৰাইজক ৰাজপথত নামিবলৈ বাধ্য কৰিছে, দিশহাৰা কৰিছে, পথভ্ৰষ্ট কৰিছে।' গগৈয়ে উন্মুক্ত হৈ থকা মথাউৰি নিৰ্মাণ কৰা, প্ৰয়োজনত নতুন মথাউৰি নিৰ্মাণ কৰিবলৈ চৰকাৰক দাবী জনায়। যদিহে নকৰে, তেন্তে অসম উত্তপ্ত হ'ব বুলি তেওঁ সকীয়াই দিয়ে। ইয়াৰ লগতে গগৈয়ে ঘোষণা কৰে যে অহা ১০ ছেপ্টেম্বৰত শিৱসাগৰত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰা হ'ব। সেই প্ৰতিবাদত যদি চৰকাৰে গুৰুত্ব নিদিয়ে, তেন্তে উজনি অসম বন্ধৰ ঘোষণাও ভাবুকি দিয়ে।

আটাছুৰ শিৱসাগৰ জিলাৰ সভাপতি মুকুল আহোমে কয় যে অসমৰ সুৰক্ষা আৰু জাতিৰ সুৰক্ষাৰ কথা কৈ ড° হিমন্ত বিশ্ব শৰ্মাই চৰকাৰ গঠন কৰিছিল। সেই দায়িত্ব পালন কৰক। তদুপৰি সভাপতিজনে কয়, 'চৰকাৰে প্ৰথম পৰ্যায়ত ১৫ হেজাৰ টকা আৰ্থিক সাহায্য ঘোষণা কৰিছিল। সেই টকাটোও দিবলৈ চৰকাৰ আজিলৈকে সক্ষম নহ'ল। মাত্ৰ ১০ শতাংশ লোকক ১৫ হেজাৰ টকা দি দায়িত্ব সামৰিছে। চৰকাৰে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ ক্ষতিগ্ৰস্ত ৰাইজৰ বাবে সদৌ তাই আহোম ছাত্ৰ সন্থাই দাবী কৰা ১০ হেজাৰ কোটি টকা আদায় দিবই লাগিব। যদিহে অসম চৰকাৰে অনতিপলমে এই সাহায্য ঘোষণা নকৰে, তেন্তে সদৌ তাই আহোম ছাত্ৰ সন্থাই তীব্ৰ আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব।' একেদৰে জিলা সম্পাদক পাৰ্থ গগৈয়েও কয় যে চৰকাৰে জৰুৰীকালীনভাৱে প্ৰদান কৰা ১৫ হেজাৰ টকাটো এতিয়াও ৰাইজে পোৱা নাই। এই ক্ষেত্ৰত জিলা আয়ুক্তই যি ভূমিকা পালন কৰিব লাগিছিল তাত সম্পূৰ্ণ ব্যৰ্থ হৈছে। ভাষণত নেতাজনে বান সমস্যাৰ স্থায়ী সমাধানৰ দাবী জনায়। এই ক্ষেত্ৰত দিখৌ আৰু দিচাঙৰ মথাউৰি নিৰ্মাণৰ কাম যুদ্ধকালীন প্ৰস্তুতিৰে কৰিবলৈও দাবী জনায়। গগৈয়ে এইবুলিও কয় যে এইবাৰ যি পৰিস্থিতিৰ সৃষ্টি হ'ল তাৰ পৰা এই কথা স্পষ্ট হৈছে যে অনাগত দিনতো শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ ৰাইজে প্ৰতি মুহূৰ্ততে বানৰ লগত মোকাবিলা কৰি থাকিব লাগিব। সেয়েহে চৰকাৰে সময় থাকোতে বান প্ৰতিৰোধী কাৰ্যসূচী সম্পাদন কৰি নিজৰ সৎ সাহৰ পৰিচয় প্ৰদান কৰিব লাগে।

প্ৰতিবাদী সভাত ৰাজনীতিৰ ভেদাভেদ পাহৰি মন্ত্ৰী সুশান্ত বৰগোহাঁই, বিধায়ক অখিল গগৈ, ময়ূৰ বৰগোহাঁই, ধৰ্মেশ্বৰ কোঁৱৰৰ দৰে জনপ্ৰতিনিধিসকলে মুখ্যমন্ত্ৰীৰ স'তে আলোচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা ১০ হেজাৰ কোটি টকাৰ বান সাহায্যৰ পেকেজ আঁজুৰি আনিবলৈও বক্তাসকলে দাবী জনায়।

প্ৰতিবাদী কাৰ্যসূচীত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মণিৰুল ইছলাম বড়ায়ো কয় যে এতিয়াও শিৱসাগৰ আৰু চৰাইদেউৰ বানাক্ৰান্ত ৰাইজে চৰকাৰৰ পৰা পাবলগীয়া ১৫ হেজাৰ টকাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ তাতি-বাটি কাঢ়িবলগীয়া হৈছে। ইয়াৰ দ্বাৰা চৰকাৰে অসমীয়া দুৰ্ভগীয়া লোকসকলক ভিক্ষাৰীৰ দৰে ব্যৱহাৰ কৰিছে। সেয়েহে জনতাৰ মাজত প্ৰৱল ক্ষোভৰ সৃষ্টি হৈছে।

*No.DPRD/BTC/15FC/UT-IX/TMP-13/2026/* *Dated Kokrajhar the 19th August 2026*

**PRESS NOTICE**

The Director, P&RD, BTC, Kokrajhar invites bids for work "Const. of ICBP road from Nuriddin Ali house to Ibrahim Ali house at Khandikar (Activity Code-128484234)" under the award of 15th FC (untied Grant) for the year 2025-26 during 2026-27, for A/A amount of **Rs. 50,00,000/-** (Rupees fifty lakh) only from the registered contractors of Class – II (A,B & C) category of Assam PWD (Roads)/ (Building)/PHED, BTC.

Details may be seen at website http://assamtenders.gov.in and also at the Office of the undersigned during office hours.

Sd/- Director,
Panchayat & Rural Development,
BTC, Kokrajhar

***IPR(BTC)/C/2026-27/1383***

CMYK



## উত্তৰ গুৱাহাটী মণিকৰ্ণেশ্বৰত ভূমিস্খলন

**উত্তৰ গুৱাহাটী, ২৪ আগষ্ট ঃ** কিছু দিনৰ পৰা হৈ থকা বৰষুণৰ ফলত পাহাৰবোৰৰ মাটি ঢিলা হৈ পৰিছে। উত্তৰ গুৱাহাটী মণিকৰ্ণেশ্বৰত আজি পাহাৰৰ মাটি খহি ভয়ংকৰ ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। আজি বিয়লি অহা মুষলধাৰ বৰষুণৰ ফলত উত্তৰ গুৱাহাটী ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৫ আগষ্ট ২০২৬ মঙলবাৰ পৃষ্ঠা তিনি

## ৰাজ্যত অব্যাহত অবৈধ কয়লাৰ ছিণ্ডিকেট ঃ চাৰিজন গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৪ আগষ্ট ঃ** ডবকা আৰক্ষী থানাত ৰুজু হোৱা ১৪৪/২০২৬ নম্বৰৰ গোচৰৰ তদন্তৰ অংশ হিচাপে আৰক্ষীয়ে এখন কয়লাভৰ্তি ট্ৰাক জব্দ কৰাৰ লগতে চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, এএছ-২৬-এচি-০৬৫৫ নম্বৰৰ ট্ৰাকখনত কয়লা ডিপোৰ ছয় পৃষ্ঠাত চাওক

■ চৰকাৰী বিল-জলাশয়ত বেদখলকাৰীৰ আগ্ৰাসনৰ বাবেই বৈ যাব পৰা নাই জলধাৰা

# কৃত্ৰিম বানৰ কবলত গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা

**ষ্টাফ ৰিপৰ্টাৰ**

**নগাঁও, ২৪ আগষ্ট ঃ** কৃত্ৰিম বানপানীৰ কবলত পৰিছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱা। থানখনৰ মূল তোৰণৰ সন্মুখত এফালে আৰু আকাশী গংগা সংযোগী পথো কৃত্ৰিম বানৰ কবলত পৰিছে। ফলত যমৰ যাতনা ভুগি বটদ্ৰৱা থানত দৰ্শনাৰ্থীয়ে আশীষ গ্ৰহণ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে।



বটদ্ৰৱাৰ নৰোৱা সত্ৰ আৰু শলগুৰি সত্ৰৰ প্ৰায় সংখ্যক বাসগৃহতে সৃষ্টি হৈছে কৃত্ৰিম বানপানী। যাৰ ফলত আতংকিত হৈ পৰিছে স্থানীয় ৰাইজ। স্থানীয় লোকৰ অভিযোগ, চৰকাৰী বিল-জলাশয়ৰ একাংশ অবৈধ বেদখলৰ ফলত পানীৰ স্বাভাৱিক প্ৰবাহ বাধাগ্ৰস্ত হৈছে। ফলত বৰষুণতে সৃষ্টি হৈছে কৃত্ৰিম বানপানীৰ।

এই পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলেও। উল্লেখ্য যে ৰাজ্য চৰকাৰে কোটি কোটি টকা ব্যয় কৰি বটদ্ৰৱাক ধৰ্মীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তুলিছে। কিন্তু বিজ্ঞানসন্মত পানী নিষ্কাশন ব্যৱস্থা নথকাৰ বাবেই এনে পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি ৰাইজে অভিযোগ কৰিছে। গুৰুজনাৰ জন্মস্থান ছয় পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ৰ বকপাৰাত তিনিখনকৈ বাহনৰ সংঘৰ্ষ ঃ এজনৰ মৃত্যু, কণমানিসহ আহত ছয়

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৪ আগষ্টঃ** ডিব্ৰুগড়ৰ বকপাৰাৰ বাইপাছত আজি এক পথ দুৰ্ঘটনাত এজন অট' চালকৰ মৃত্যু হয়। বাইপাছৰ এখন মাৰুটি এল্ট', এখন স্কুটি আৰু এখন অট'ৰ মাজত সংঘটিত এই ঘটনাত অট' চালক ৰাজগড়ৰ ধৰ্মকান্ত গগৈৰ ঘটনাস্থলীতে মৃত্যু হয়। আনহাতে, মাৰুতিখনত এক দম্পতীও আঘাতপ্ৰাপ্ত হোৱাৰ লগতে অট'ত থকা মহিলাসহ এগৰাকী কণমানি গুৰুতৰভাৱে আহত হয়। তদুপৰি স্কুটিখনত থকা দুজন যুৱক কম-বেছি পৰিমাণে আঘাতপ্ৰাপ্ত হয়। ঘটনাটোৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। উল্লেখ্য যে এই অঞ্চলটোত দীৰ্ঘদিন ধৰি যান-বাহন আইন মানি নচলাত দুৰ্ঘটনা সংঘটিত হৈ আহিছে।



ৰাজ্যিক পৰ্যায়ৰ কৃষি-কৃষক কৰ্মশালাত মন্ত্ৰী পীযুষ হাজৰিকাক আদৰণি, গুৱাহাটীত সোমবাৰে।

## চীনা আগ্ৰাসন ঃ টাকচিঙৰ আৱাসীৰ মাজত উদ্বিগ্নতা অব্যাহত

### যৌথ পৰ্যবেক্ষণৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ প্ৰতিবেদন দাখিলৰ দাবী ঃ বিআৰঅ'ৰ বিকল্প নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ২৪ আগষ্ট ঃ** দেশৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত অৰুণাচল প্ৰদেশৰ ভূমিত চীনা সৈন্যৰ আগ্ৰাসনৰ বিষয়টো নতুন দিল্লীয়ে অস্বীকাৰ কৰি আহিছে যদিও দেশৰ সীমান্তৱৰ্তী ৰাজ্যখনৰ একাধিক দল -সংগঠনে এই ক্ষেত্ৰত ধাৰাবাহিকভাৱে উদ্বেগ প্ৰকাশ কৰি আহিছে। শেহতীয়াভাৱে অৰুণাচল প্ৰদেশৰ আপছু, আটছু আদি সংগঠনে যৌথভাৱে সীমান্ত অঞ্চল পৰিদৰ্শন কৰি এই সন্দৰ্ভত এক কাৰ্যব্যৱস্থা গ্ৰহণৰ প্ৰতিবেদন দাখিল কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে উজনি সোৱনশিৰি জিলাৰ ভাৰত-চীন সীমান্তত চীনৰ সন্দেহজনক কাৰ্যকলাপক লৈ শেহতীয়াকৈ অৰুণাচল প্ৰদেশত উদ্বেগ বৃদ্ধি পাইছে। আনকি পৰিস্থিতি অপৰিৱৰ্তিত থাকিলে অৰুণাচল প্ৰদেশৰ মানুহ অদূৰ ভৱিষ্যতে চীনৰ নাগৰিক হ'ব বুলিও সামাজিক মাধ্যমত একাংশ স্থানীয় লোকে মন্তব্য কৰিছে। এনে পৰিস্থিতিৰ মাজতে ছয় পৃষ্ঠাত চাওক

■ সাধাৰণ জনতাৰ বাবে কিমান সষ্টম মৰিগাঁও আৰক্ষী ■ ভুক্তভোগীৰ ভয়ংকৰ অভিযোগ পায়ো ১৪ দিন শুই থকা আৰক্ষীয়ে মুখ্যমন্ত্ৰীক ভাবুকিৰ এঘণ্টাৰ ভিতৰত সাৰ পালে কেনেকৈ

## হত্যা-বলাৎকাৰৰ ভাবুকি পোৱা ভুক্তভোগীয়ে নাপায় আৰক্ষীৰ সহায়



অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২৪ আগষ্ট ঃ** মৰিগাঁও জিলা আৰক্ষীৰ নজিৰবিহীন দায়িত্বহীনতা উন্মোচিত কৰিলে এটি ঘটনাই। ১৫ আগষ্টত মুখ্যমন্ত্ৰীৰ ফেচবুক লাইভত হত্যাৰ ভাবুকি দিয়াৰ দৰেই এক আগষ্টতে মৰিগাঁৱত সংঘটিত হৈছিল ভয়ংকৰ ভাবুকি প্ৰদানৰ আন এটা ঘটনা। 'দৈনিক অগ্ৰদূত'ৰ ক্ষেত্ৰ ভিত্তিক তদন্তত পোহৰলৈ আহিছে এই ভয়ংকৰ ঘটনাৰ লগতে মৰিগাঁও আৰক্ষীৰ দায়িত্বহীনতাৰ নগ্ন ছবি। আমি লাভ কৰা তথ্য মতে এক আগষ্টত আবেলি প্ৰায় চাৰি মান বজাত মৰিগাঁও সদৰ থানাৰ অন্তৰ্গত উদৰি গাঁৱৰ মহিকান্ত দাস নামৰ লোকজনৰ ম'বাইলত ৮৯১০৬৪৩৯৫২ নম্বৰৰ পৰা এটা হোৱাটছএপ মেছেজ আহিছিল। উক্ত মেছেজৰ জৰিয়তে দুষ্কৃতিকাৰীয়ে তীব্ৰ ভাবুকি প্ৰদান কৰিছিল মহিকান্ত দাসক। মেছেজটোত দুষ্কৃতিকাৰীটোৱে লেখিছিল, '২৪ ঘণ্টাৰ ভিতৰত তলত দিয়া ম'বাইল নম্বৰ ৯৯৫৪৩৯০৪০০ত জিপে কৰি এক লাখ টকা ছয় পৃষ্ঠাত চাওক

## ওদালগুৰিত পৰকীয়া প্ৰেমৰ সন্দেহত পত্নীক হত্যা

### গুজৰাটৰ পৰা আহিয়ে কাজিয়াত লিপ্ত স্বামী



অগ্ৰদূত বাৰ্তা

**টংলা, ২৪ আগষ্টঃ** পৰকীয়া প্ৰেমৰ সন্দেহত স্বামীয়ে পত্নীক নৃশংসভাৱে হত্যা কৰাৰ ঘটনা সংঘটিত হৈছে ওদালগুৰি জিলাৰ ডিমাকুছিত। তথ্যমতে ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত বৰঙাজুলি চাহ বাগিচাৰ অমিত ভূঁয় কৰ্মসূত্ৰে কে'বাবছৰ ধৰি বহিঃৰাজ্য গুজৰাটত কাম কৰি আহিছিল। আজি গুজৰাটৰ পৰা আহি অমিতে ঘৰত পত্নী গংগা ভূয়ৰ ছয় পৃষ্ঠাত চাওক

কে'বাটাও দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ

## বান সমস্যা সমাধান-বানত ক্ষতিগ্ৰস্ত পৰিয়ালক উপযুক্ত অৰ্থসাহায্য প্ৰদানৰ দাবীত শিৱসাগৰত চিপিআইৰ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৪ আগষ্ট ঃ** উজনি অসমৰ চাৰিখন জিলাত অভূতপূৰ্ব প্ৰলয়ংকৰী বিধ্বংসী বানে অৰ্থনীতিৰ ভেটি ছাৰখাৰ কৰাৰ লগতে শতাধিক লোকৰ প্ৰাণ লোৱা উপৰি হেজাৰ হেজাৰ পৰিয়ালে ঘৰ-দুৱাৰ, সম্পত্তি আৰু জীৱিকা হেৰুৱাই এক চৰম সংকটৰ গৰাহত পৰাত আজি ভাৰতৰ কমিউনিষ্ট পাৰ্টি (চিপিআই)-এ গভীৰ উদ্বেগ প্ৰকাশ কৰি এই বান সমস্যা সমাধান আৰু বানত ক্ষতিগ্ৰস্ত পৰিয়ালক উপযুক্ত অৰ্থসাহায্য প্ৰদানৰ দাবীত দলৰ শিৱসাগৰ জিলা পৰিষদৰ আহ্বানত শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত 'অৱস্থান ধৰ্মঘট'ৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাছত দাবী সম্বলিত স্মাৰকপত্ৰ শিৱসাগৰ জিলা আয়ুক্তৰ যোগেদি চৰকাৰলৈ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা দাবীসমূহৰ ভিতৰত উজনি অসমৰ বান বিভীষিকাৰ প্ৰকৃত কাৰণ বিচাৰি উলিয়াই আৰু ভৱিষ্যতে ইয়াৰ পুনৰাবৃত্তি ৰোধ কৰাৰ উদ্দেশ্যে এখন বিশেষজ্ঞ কমিটী গঠন আৰু এই দুৰ্যোগক ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাপে ঘোষণা, অসমৰ বান-গৰাখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা, অসম আৰু নাগালেণ্ডৰ বিভিন্ন ঠাইত অবাধ গতিত চলি থকা মুক্ত কয়লা খনন শীঘ্ৰে বন্ধ, দিখৌ নদীত চলি থকা অবাধ শিল খনন শীঘ্ৰে বন্ধ, মুক্ত কয়লা খনন আৰু দিখৌ নদীত নীতিবৰ্হিভূতভাৱে অবাধ গতিত শিল খননৰ স'তে জড়িতক দৃষ্টান্তমূলক শাস্তি, বান বিভীষিকাত মৃত্যু হোৱা পৰিয়ালকেইটাক ন্যূনতম ৫০ লাখকৈ আৰ্থিক সাহায্য প্ৰদান, বানত গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ন্যূনতম ১০ লাখকৈ আৰু কমকৈ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ন্যূনতম পাঁচ লাখকৈ আৰ্থিক সাহায্য প্ৰদান, স্বজনতোষণ আৰু দলীয়কৰণৰ উৰ্ধ্বত থাকি এককালীন সাহায্য হিচাপে ১৫,০০০ টকাকৈ সকলো বানপীড়িত পৰিয়ালক শীঘ্ৰে প্ৰদান, শস্যহানি আৰু পশুধনৰ মৃত্যুৰ বাবে নিৰ্ধাৰিত ছয় পৃষ্ঠাত চাওক

## বিহপুৰীয়াৰ জ্ঞানেন্দ্ৰ শৰ্মাৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৪ আগষ্ট ঃ** বিহপুৰীয়া ব্ৰাহ্মণ গাঁৱৰ নিবাসী তথা অৱসৰপ্ৰাপ্ত আৰক্ষী (জামাদাৰ) জ্ঞানেন্দ্ৰ নাথ শৰ্মা (৮০)ৰ কালি মৃত্যু হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। ১৯৬৭ত দেৰগাঁওস্থিত আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰত যোগদান কৰি অসম আৰক্ষীৰ সেৱাত নিয়োজিত শৰ্মাই অসমৰ বিভিন্ন স্থানত নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন ছয় পৃষ্ঠাত চাওক

উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্তৰ দাবী পৰিয়ালৰ লগতে ৰাইজৰ


## অস্ত্ৰোপচাৰৰ আঠদিন পাছত খুমটাইৰ মেধাৱী ছাত্ৰীৰ মৃত্যু ঃ চিকিৎসাত গাফিলতিৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**খুমটাই, ২৪ আগষ্টঃ** চিকিৎসকৰ গাফিলতিৰ বাবে এগৰাকী ১৮ বছৰীয়া মেধাৱী ছাত্ৰীৰ মৃত্যু হোৱা বুলি অভিযোগ কৰিছে গোলাঘাট জিলাৰ খুমটাইৰ ভুক্তভোগী পৰিয়ালৰ লগতে স্থানীয় ৰাইজে। খুমটাই আৰক্ষী চকীৰ অন্তৰ্গত কচুপথাৰ গাঁৱৰ প্ৰয়াত কুমুদ বৰা আৰু ববিতা বৰাৰ কন্যা জ্যোৎস্মিতা বৰাৰ যোৱা ২৫ জুলাইত গোলাঘাটৰ এইচজিএম নাৰ্চিং হোমত পিত্তথলীত পাথৰৰ অস্ত্ৰোপচাৰ কৰা হয়। উল্লেখ্য যে জ্যোৎস্মিতাই নুমলীগড়ৰ তেলগৰমস্থিত 'আল্ট্ৰা হেল্থ কেয়াৰ'ত চিকিৎসক ডাঃ ভাস্কৰ হাজৰিকাৰ তত্ত্বাৱধানত চিকিৎসা গ্ৰহণ কৰি আছিল বুলি পৰিয়ালৰ লোকে সদৰী কৰিছে। চিকিৎসকৰ পৰামৰ্শ অনুসৰি পিত্তথলীত হোৱা পাথৰৰ অস্ত্ৰোপচাৰৰ বাবে ২৫ জুলাইত এইচজিএম নাৰ্চিংহোমত ভৰ্তি কৰাই তাতে অস্ত্ৰোপচাৰ কৰা হয়। পৰিয়ালে অভিযোগ কৰা অনুসৰি, অস্ত্ৰোপচাৰৰ অষ্টমদিনা জ্যোৎস্মিতাক ঘৰলৈ যাবলৈ দিয়া হয়। কিন্তু ঘৰলৈ যোৱাৰ পাছতে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটাত ডাঃ হাজৰিকাৰ পৰামৰ্শ মতে পুনৰ এইচজিএনাৰ্চিংহোমত ভৰ্তি কৰোৱা হয়। সেই সময়ত ছাত্ৰীগৰাকীৰ ৰক্তক্ষৰণ হোৱা বুলি চিকিৎসকে পৰিয়ালক অৱগত কৰাৰ লগতে পুনৰ অস্ত্ৰোপচাৰৰ প্ৰয়োজন হ'ব বুলি কয়। পৰিয়ালে ইয়াত সন্মতি নিদি উন্নত চিকিৎসাৰ বাবে আন চিকিৎসালয়লৈ স্থানান্তৰৰ উদ্দেশ্যে চিকিৎসকৰ ফালৰ পৰা স্থানান্তৰ পত্ৰ প্ৰদান কৰা হয়। পৰৱৰ্তী সময়ত উপায়ান্তৰ হৈ পৰিয়ালটোৱে ছাত্ৰীগৰাকীক উন্নত চিকিৎসাৰ বাবে জিএমচি হাস্পতালত ভৰ্তি কৰায় যদিও চিকিৎসাধীন অৱস্থাতে যোৱা ২০ ছয় পৃষ্ঠাত চাওক




## বিশিষ্ট সমাজকৰ্মী-প্ৰাক্তন ছাত্ৰ নেতা চন্দ্ৰকান্ত মহন্তৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৪ আগষ্ট ঃ** মৰিগাঁৱৰ বিশিষ্ট সমাজকৰ্মী তথা দলৈচুবা নিবাসী চন্দ্ৰকান্ত মহন্ত (৬৯)ৰ যোৱা নিশা চিকিৎসাধীন অৱস্থাত জিএমচি হাস্পতালত মৃত্যু হয়। অসম ৰাজ্যিক পৰিবহণ নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মহন্ত কামৰূপ জিলাৰ শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। এজন ধৰ্মপ্ৰাণ আৰু সমাজকৰ্মীৰূপে অঞ্চলটোৰ সুপৰিচিত মহন্ত অসম সাহিত্য সভাৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত আছিল। পত্নীসহ দুই কন্যাক এৰি যোৱা মহন্তৰ মৃত্যুত বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

## ডবকাত শ্ৰমিকৰ প্ৰাপ্য মজুৰি আদায়ৰ দাবীত যুৱ-ছাত্ৰ পৰিষদৰ উত্তাল প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৪ আগষ্ট ঃ** শ্ৰমিকৰ প্ৰাপ্য মজুৰি আদায় নিদিয়াৰ অভিযোগক কেন্দ্ৰ কৰি আজি ডবকাৰ মদাৰতলিস্থিত আসাম এএচি ব্লক উদ্যোগৰ সন্মুখত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ হোজাই জিলা সমিতিয়ে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। শ্ৰমিকসকলক লগত লৈ যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বত সংগঠনটোৰ কৰ্মী-সমৰ্থকসকলে উদ্যোগটোৰ সন্মুখত বহি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। অভিযোগ অনুসৰি উদ্যোগটোৰ কৰ্মৰত বহু সংখ্যক শ্ৰমিকক দীৰ্ঘদিন ধৰি প্ৰাপ্য মজুৰি আদায় দিয়া হোৱা নাই। বাৰে বাৰে শ্ৰমিকসকলে তেওঁলোকৰ প্ৰাপ্য ধন বিচাৰি উদ্যোগ কৰ্তৃপক্ষৰ কাষ চাপিও কোনো ধৰণৰ সঁহাৰি লাভ কৰিবলৈ সক্ষম হোৱা নাই। ফলত শ্ৰমিকসকলৰ প্ৰাপ্য মজুৰি আদায়ৰ দাবীত সংগঠনটোৱে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হোৱা বুলি যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বই জানিবলৈ দিয়ে। দীৰ্ঘ সময় ধৰি প্ৰতিবাদ চলাৰ ছয় পৃষ্ঠাত চাওক

## নেলী প্ৰাথমিক শিক্ষা কেন্দ্ৰৰ সম্পাদক হৰিচৰণ হাজৰিকাৰ মৃত্যু




অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২৪ আগষ্ট ঃ** মৰিগাঁও জিলাৰ মায়ং শিক্ষক ক্ৰীড়া সংঘৰ অন্তৰ্গত কুঠৰী চাহ বাগিচাৰ সহকাৰী শিক্ষক তথা নেলী প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ সম্পাদক হৰিচৰণ হাজৰিকা (৫২)ৰ আজি অকাল মৃত্যু হয়। যকৃত আৰু স্নায়ু ৰোগত আক্ৰান্ত হৈ থকা শিক্ষকজনক চিকিৎসালয়লৈ নি থকা পথত মৃত্যু হয়। মৃত্যুৰ সময়লৈকে লোকপিয়লৰ গণনাকাৰীৰূপে নিয়োজিত হাজৰিকাই সৰল মনৰ আৰু ছয় পৃষ্ঠাত চাওক

■ বাদ্যৰত্নৰ আকস্মিক বিয়োগত তেজপুৰত শোক

## সংগীতশিল্পী, জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ লিখন শৰ্মাৰ মৃত্যু



**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ২৪ আগষ্ট ঃ** ৰাজ্যখনৰ এজন বিশিষ্ট সংগীতশিল্পী, অসমৰ প্ৰথমখন সংগীত শিক্ষাৰ অনুষ্ঠান জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ, অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অৱসৰপ্ৰাপ্ত সংগ্ৰহালয় সহায়ক, অসম চৰকাৰৰ শিল্পী পেন্সন লাভ কৰা, প্ৰসিদ্ধ তবলাবাদক তেজপুৰৰ লিখন শৰ্মা আৰু নাই। শাস্ত্ৰীয় সংগীতৰ একনিষ্ঠ সাধক তথা জাতীয়তাবাদী শিল্পীজনৰ কালি নিশা প্ৰায় এক বজাত হৃদযন্ত্ৰজনিত ৰোগত আকস্মিকভাৱে ৭১ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটাত তেজপুৰৰ লগতে সমগ্ৰ জিলাখনৰ উপৰি ৰাজ্যখনতে শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে তেজপুৰ পাৰ্বতী নগৰ প্ৰাচ্য বিদ্যালয়ৰ সমীপৰ নিবাসী তথা ককা, স্বাধীনতা সংগ্ৰামী মহাদেৱ শৰ্মাৰ নাতি অস্থিয়ে-মজ্জাই শিল্পীজনৰ জন্ম হৈছিল ১৯৫৫ চনৰ আঠ ছেপ্তেম্বৰত। স্থানীয় গৌৰীমাতা প্ৰাথমিক বিদ্যালয়ৰ পাছত তেজপুৰ একাডেমীত হাইস্কুলীয়া শিক্ষাৰ পাছত দৰং মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি লক্ষ্ণৌ ছয় পৃষ্ঠাত চাওক

## অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন্দ্ৰনাথ ভট্টৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৪ আগষ্ট ঃ** ৰঙিয়া বিছেন্নলা নিবাসী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন্দ্ৰনাথ ভট্ট (৯০)ৰ আজি বাৰ্ধক্যজনিত ৰোগত নিজ বাসগৃহত মৃত্যু হয়। সুবক্তা আৰু জনপ্ৰিয় শিক্ষক হিচাপে অঞ্চলটোৰ ৰাইজৰ মাজত এক বিশেষ স্থান দখল কৰা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকজনে সৰ্বজন শ্ৰদ্ধেয় আছিল। অত্যন্ত অমায়িক আৰু নীতি নিষ্ঠ হিচাপে তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ অত্যন্ত সমাদৰ লাভ কৰিছিল। তেওঁ মধ্য পাণ্ডুৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰি সমাজৰ বিভিন্ন উন্নয়নমূলক কামত জপিয়াই ছয় পৃষ্ঠাত চাওক

কলকাতাত অসম সাহিত্য সভাৰ উদ্যোগত ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন

## 'মানুহে মানুহৰ বাবে' শীৰ্ষক গীতটো কেৱল এটি গীত নাছিল, ই আছিল মানুহৰ প্ৰতি মানুহৰ দায়বদ্ধতাৰ এক সাৰ্বজনীন প্ৰতীক ঃ ছৈয়দ হাসমত জালাল

**গুৱাহাটী, ২৪ আগষ্ট ঃ** 'মানুহে মানুহৰ বাবে' শীৰ্ষক গীতটো কেৱল এটি গীত নাছিল, ই আছিল মানুহৰ প্ৰতি মানুহৰ দায়বদ্ধতাৰ এক সাৰ্বজনীন প্ৰতীক। অসমীয়া ভাষাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই যি মানৱীয় প্ৰমূল্যবোধৰ গীত পৰিৱেশন কৰিছিল বংগৰ সাংস্কৃতিক পৰিসৰতো সেই গানেই লাভ কৰিছিল এক নতুন উদ্যম। তেওঁৰ কণ্ঠত বাংলা গান হৈ উঠিছিল একে সময়তে আধুনিক আৰু গভীৰভাৱে মানৱতাবাদৰ নিদৰ্শন স্বৰূপ।' অসম সাহিত্য সভাৰ উদ্যোগত কলকাতা শাখা সাহিত্য সভাৰ সহযোগত কলকাতাৰ অসম ভৱনত যোৱা ২২ আগষ্টত অনুষ্ঠিত ছয় পৃষ্ঠাত চাওক





## গোৱালপাৰা জিলা সাহিত্য সভাৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**আগিয়া, ২৪ আগষ্ট ঃ** গোৱালপাৰা জিলা সাহিত্য সভাৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস দেওবাৰে এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বৰদামাল ৰাজহুৱা ভৱনত বৰদামাল শাখা সাহিত্য সভা আৰু ৰাইজৰ সহযোগত উদ্‌যাপন কৰা হয়। আজি পুৱা ছয় পৃষ্ঠাত চাওক

Advertisement Service

বিজ্ঞাপন সেৱা

'দৈনিক অগ্ৰদূত'ত ৰঙীণ
(Display- Clour, Black & white)
আৰু শ্ৰেণীবদ্ধ বিজ্ঞাপন
(Classified) প্ৰকাশৰ বাবে
তলৰ নম্বৰত যোগাযোগ কৰক।
9957222140 (WhatsApp), 98648 97175

বিজ্ঞাপন বিভাগ, দৈনিক অগ্ৰদূত
অগ্ৰদূত ভৱন, দিছপুৰ-৬

CMYK

দৈনিক
# অগ্ৰদূত
গুৱাহাটী মঙলবাৰ ৭ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২৫ আগষ্ট ২০২৬



# কি হ'ব পৰিণাম?

**যোৱা** কেইটামান দশকত পৃথিৱীত যে জনসংখ্যা অনিয়ন্ত্ৰিত গতিত বৃদ্ধি পাইছে, সেই কথা অস্বীকাৰ কৰাৰ উপায় নাই। জনসংখ্যা বৃদ্ধিৰ ফলত নিবনুৱা সমস্যা বাঢ়িছে, খাদ্য সংকটে দেখা দিছে, দৰিদ্ৰতা বাঢ়িছে, শৈক্ষিক বিকাশ বাধাপ্ৰাপ্ত হৈছে। উন্নয়ন অতি লেহেমীয়া হৈছে নাইবা উন্নয়নৰ আঁচনিসমূহ সফল হোৱা নাই। তৎসত্ত্বেও জনসংখ্যা বৃদ্ধিৰ বাবে মানৱ জাতি ধ্বংসৰ মুখত পৰিব বুলি কোনেও কোৱা নাই। অৰ্থাৎ জনসংখ্যা বৃদ্ধিৰ বাবে মানৱ সমাজৰ ভৱিষ্যৎ ভাবুকিৰ সন্মুখীন হোৱা নাই। বৰ্তমান বিশ্বৰ জনসংখ্যা আঠশ কোটিতো অধিক। সোনকালেই বিশ্বৰ জনসংখ্যাই নশ কোটি অতিক্ৰম কৰিব বুলি প্ৰকাশ পাইছে। বিশেষকৈ ভাৰতকে ধৰি আঠখনমান দেশৰ জনসংখ্যা বৃদ্ধিয়ে বিশ্বৰ জনসংখ্যা বৃদ্ধিত সহায় কৰিছে; কিন্তু জনসংখ্যা বৃদ্ধি বিশেষকৈ উন্নয়নশীল দেশবোৰৰ বাবে সমস্যা হৈ পৰাৰ বিপৰীতে ইতিমধ্যে চীন, জাপান, দক্ষিণ কোৰিয়া, একাংশ ইউৰোপীয় দেশত জনসংখ্যা হ্ৰাস পোৱাৰ ফলত সমস্যাই দেখা দিছে। আনহাতে, জাপানৰ জনসংখ্যা ক্ষিপ্ৰগতিৰে হ্ৰাস পোৱাত দেশখনৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহিছে বুলি সেই দেশৰ চৰকাৰে সতৰ্ক কৰি দিছে। জাপানৰ জনসংখ্যা যিদৰে হ্ৰাস পাবলৈ ধৰিছে, সেই গতি অব্যাহত থাকিলে জাপানৰ অস্তিত্বই শেষ হ'ব বুলি আশংকা ব্যক্ত কৰা হৈছে। উল্লেখ্য যে বৰ্তমান জাপানী মহিলাৰ উৰ্বৰতাৰ হাৰ গড়ে ১.৩০ লৈ নামিছে। অৰ্থাৎ জাপানৰ একেগৰাকী মহিলাই তেওঁৰ জীৱনকালত এটা নাইবা এটাতকৈ সামান্য অধিক কিন্তু দুটাতকৈ কম সন্তানহে জন্ম দিছে। ইয়াৰ ফলত বৰ্তমান যি জনসংখ্যা সেই জনসংখ্যা সুস্থিৰ ৰখা সম্ভৱ হোৱা নাই। জনসংখ্যা সুস্থিৰ ৰাখিবলৈ হ'লে বছৰত যিমান লোকৰ মৃত্যু হয় সিমান সংখ্যক সন্তানৰ জন্ম হ'ব লাগিব; কিন্তু জাপানত জন্মতকৈ মৃত্যু হোৱা লোকৰ সংখ্যা বেছি। প্ৰকাশিত তথ্য অনুসৰি এবছৰত জাপানত সন্তান জন্ম হৈছে আঠ লাখতকৈ কম; কিন্তু মানুহৰ মৃত্যু হৈছে ১৫ লাখ ৫৮ হেজাৰ। ইয়াৰ পৰা স্পষ্ট ইংগিত পোৱা যায় জাপানত জনসংখ্যা কিদৰে হ্ৰাস পাইছে আৰু জনসংখ্যা হ্ৰাস পোৱাটো দেশখনৰ কাৰণে কিদৰে ভয়ংকৰ ভাবুকি হৈ পৰিছে। এইদৰে জনসংখ্যা হ্ৰাস পাই থাকিলে জাপানৰ অস্তিত্বই এদিন শেষ হ'ব। উল্লেখ্য যে জাপানৰ বৰ্তমান মুঠ জনসংখ্যা ১২ কোটি ৪০ লাখ। বহুতে প্ৰশ্ন উত্থাপন কৰিছে— জাপানত এইদৰে জনসংখ্যা হ্ৰাস পাইছে কিয়? জাপানৰ জনসংখ্যা সুস্থিৰ হৈ থাকিবলৈ হ'লে উৰ্বৰতাৰ হাৰ ২.১ হ'ব লাগিব বুলি কোৱা হৈছে; কিন্তু জাপানী মহিলাৰ উৰ্বৰতাৰ হাৰ হ্ৰাসৰ সন্দৰ্ভত বিশেষজ্ঞসকলে একাধিক কাৰণ দাঙি ধৰিছে। বিশেষজ্ঞসকলৰ মতে বৰ্তমান দেশখনত বসবাসৰ বাবে খৰচ যথেষ্ট বৃদ্ধি পাইছে। বহুগুণে খৰচ বৃদ্ধি পোৱাৰ সময়তে বসবাসৰ বাবে ঠাইৰ অভাৱ। সন্তানৰ পিতৃ-মাতৃ হ'লে সিহঁতৰ যত্ন লোৱাটো পিতৃ-মাতৃসকলৰ বাবে অত্যন্ত কষ্টকৰ বা সমস্যা হৈ পৰিছে। দেশৰ চৰকাৰে সন্তান জন্ম দিয়াৰ বাবে আকৰ্ষণীয় সাহায্য ঘোষণা কৰিছে; কিন্তু এনে ধৰণৰ সাহায্যৰ প্ৰতি জাপানী মহিলা বা পুৰুষসকল আকৰ্ষিত হোৱা নাই। তেওঁলোকে জানে যে এনে ধৰণৰ সাহায্যই তেওঁলোকৰ সমস্যাসমূহৰ সমাধান কৰিব নোৱাৰে, যিহেতু মহিলাসকল পুৰুষৰ সমানেই শিক্ষিত। সেয়ে তেওঁলোকো পুৰুষৰ দৰেই কৰ্মসংস্থাপন বিচাৰে, কাম কৰিব বিচাৰে। ঘৰত থাকি সন্তানৰ যত্ন ল'বলৈ তেওঁলোক আগ্ৰহী নহয়। মহিলাসকলেও মুক্তভাৱে জীৱন অতিবাহিত কৰিব খোজে, জীৱন উপভোগ কৰিব খোজে। সন্তান জন্ম দি এইবিলাকৰ পৰা বঞ্চিত হ'ব নিবিচাৰে। বিশেষকৈ দৰিদ্ৰতা নাই যদিও জীৱন যাপনৰ বাবে অত্যধিক খৰচৰ বোজাৰ পৰা সৰ্বসাধাৰণ জাপানীসকল মুক্ত হ'ব পৰা নাই। জীৱন সংগ্ৰাম অতি কঠিন হৈ পৰিছে। একে অৱস্থা চীনতো আৰম্ভ হৈছে। চীন দেশতো মহিলাৰ উৰ্বৰতা সৰ্বনিম্ন হৈছে। জাপান, চীন, দক্ষিণ কোৰিয়া আদি দেশবোৰত জ্যেষ্ঠ নাগৰিকৰ সংখ্যা অভূতপূৰ্ব হাৰত বৃদ্ধি পাইছে। ফলত কৰ্মদক্ষ বা কাম কৰিব পৰা লোকৰ সংখ্যা হ্ৰাস পাইছে। দেশৰ অৰ্থনীতিৰ ওপৰত ই ক্ষতিকাৰক প্ৰভাৱ পেলাইছে। জনসংখ্যা সুস্থিৰ কৰি ৰাখিবলৈ অগণতান্ত্ৰিক পন্থা লৈ দুটা সন্তান বাধ্যতামূলক কৰিব লাগিব; কিন্তু ইয়াৰ পৰিণাম কি হ'ব ক'ব নোৱাৰি।

## খোলা মঞ্চ

# যুৱ সমাজক স্বাৱলম্বী কৰি তুলিবলৈ চৰকাৰৰ সদিচ্ছা থকা বুলি ভাবেনে?

**আমাৰ** দেশৰ আটাইতকৈ চিন্তা কৰিবলগীয়া দিশটো হৈছে যুৱ সমাজ। দেশত নিবনুৱা সমস্যাই বৰ্তমান সমাজক চিন্তনীয় কৰি তুলিছে। যুৱকসকলেও নিজকে কৰ্মত নিয়োজিত হ'ব লাগে। কিয়নো তেওঁলোকৰ উন্নত মানৰ কাৰ্য্যক্ৰমে সমাজখনক উন্নতিৰ জখলাত আগুৱাই নিয়াৰ পথ সুগম কৰি দিব। শিক্ষিত যুৱক-যুৱতীসকলে চাকৰিৰ আশাত বিভিন্ন ধৰণৰ, বিভিন্ন বিভাগৰ পদসমূহত সফল হ'ব নোৱাৰি ভাগৰি পৰা দেখা যায়। ইয়াৰ কাৰণ হৈছে চৰকাৰী কমসংখ্যক পদৰ বিপৰীতে সৰহসংখ্যক শিক্ষিত যুৱক-যুৱতী হোৱাৰ ফলত সীমিত সংখ্যক পৰীক্ষাৰ্থীয়েহে চৰকাৰী চাকৰি লাভ কৰা দেখা যায়। বৰ্তমান শিক্ষিত-শিক্ষিতা যুৱক-যুৱতীৰ সংখ্যা বৃদ্ধি লাভ কৰিছে অতি দ্ৰুতগতিত। চৰকাৰৰ পৰা কোনো কোনোৱে বিত্তীয় সাহায্য লাভ কৰি কিমানদূৰ উদ্যমী যুৱকসকল আগবাঢ়িছে জনা নাযায়।

১। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল অসম অভিযানৰ যোগেদি দুই লাখকৈ বিত্তীয় সাহায্য প্ৰদান কৰিছে। ২। স্বামী বিবেকানন্দ অসম, যুৱ সৱলীকৰণ আঁচনিৰ যোগেদি ৫০ হেজাৰকৈ আৰ্থিক অনুদান দি চৰকাৰে বিভিন্নখণ্ডত আত্মনিৰ্ভৰশীল হ'বলৈ উৎসাহ যোগাইছে। ৩। তদুপৰি মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ যোগেদি বিভিন্ন কৰ্মসংস্থাপনৰ বাবে শিক্ষিত উপযুক্ত যুৱক-যুৱতীক সংস্থাপন নোপোৱা পৰ্য্যন্ত এমাহৰ বাবে ২৫০০ টকা দিয়াৰ ব্যৱস্থা কৰিছে। ৪। কৃষি, পশুপালন, মীনপালন, হস্ততাঁত বস্ত্ৰশিল্পৰ বাবেও বেংকৰ পৰা ঋণ লোৱাৰ সুবিধা আছে। ৫। অসম দক্ষতা বিকাশ আঁচনিৰ যোগেদি দক্ষতা বিকাশ শিক্ষানুষ্ঠান স্থাপন কৰি যুৱক-যুৱতীসকলক উপযুক্ত কৰাৰ দিহা কৰা হৈছে।

**হিৰণ্যময়ী বৰুৱা**

এইকেইটা দিশৰ উপৰি যুৱ সমাজৰ প্ৰতি লক্ষ্য ৰাখি ক'ব বিচাৰিছো যে তেওঁলোকেও সদইচ্ছা আৰু সুকৰ্ম্মৰ জৰিয়তে নিজৰ ব্যক্তিত্ব প্ৰকাশ কৰিব পাৰিব লাগিব। তেওঁলোকৰ লাগিব ধৈৰ্য্য, সাহস আৰু অৰ্থনৈতিক দিশৰ প্ৰতি সচেতনতা আৰু আত্মবিশ্বাস। যুৱক-যুৱতীসকলে দেশ চাই ভেশ ধাৰণ কৰি নিজকে কৃষি অথবা মীন পালন কৰি, পশুপালন আদি কৰি নিজকে যথেষ্ট সবল কৰি তুলিব পাৰে। দেশৰ লগতে যুৱক-যুৱতীসকলৰ নিজা প্ৰচেষ্টাৰেও ক্ষুদ্ৰ ব্যৱসায়ৰ জৰিয়তে নিজকে স্বাৱলম্বী হ'বলৈ মনে-প্ৰাণে সাজু কৰি ল'ব লাগিব।

যুৱক-যুৱতীসকলক স্বাৱলম্বী কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে, শিক্ষা প্ৰতিষ্ঠান, বিত্তীয় সংস্থা আৰু ব্যক্তিগতখণ্ডৰ মাজত যোগাযোগৰো সমানেই প্ৰয়োজন। চহৰত বসবাস কৰা শিক্ষিত যুৱক-যুৱতীতকৈ গ্ৰামাঞ্চলত বসতি লাভ কৰোতা শিক্ষিত যুৱক-যুৱতীসকলে বিভিন্ন সুযোগ-সুবিধাৰ বিষয়ে সম্পূৰ্ণ তথ্য নোপোৱাৰ ফলত তেনেবোৰ সুবিধাৰ পৰা বঞ্চিত হ'বলগীয়াত পৰে। এনেবোৰ জীৱনত সময়ত ব্যৱসায় আদিত কিছুমান ক্ষেত্ৰত সফলতা আৰু কিছুমান ক্ষেত্ৰত বিফলতাও দেখা পোৱা যায়। শিক্ষিত যুৱপ্ৰজন্মক স্বাৱলম্বী কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰখনো সমানে দায়বদ্ধ। চৰকাৰে কেৱল আচনি ঘোষণা কৰিলেই উদ্দেশ্য পূৰণ নহয়, সেই আঁচনিৰ বিষয়ে যুৱক-যুৱতীসকলক সঠিক তথ্য প্ৰদান কৰাটো তেওঁলোকৰো দায়িত্ব আছে বুলি ভাবো।

*ফোন ঃ ৯৯৫৪২০৬২৫*

# সেউজীয়াৰ সংকট

**আজিকালি** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত বৃহৎ পৰিমাণৰ গছ পুলি ৰোৱা কাৰ্যসূচী ৰূপায়ণৰ কথা সততে শুনিবলৈ পোৱা যায়। সেইবিলাক কাৰ্যসূচীৰ কথা শুনি এনে লাগে যেন অহা কেইবছৰমানত অসমত লক্ষ লক্ষ গছ বাঢ়িব আৰু সেইবিলাক এদিন ফলে-ফুলে জাতিষ্কাৰ হৈ সকলোৰে মন জুৰাব; কিন্তু বাস্তৱিকতে



কথাবিলাক তেনেকুৱা নহয়। গছপুলি ৰোৱাৰ সমান্তৰালভাৱে সেইবিলাকৰ প্ৰতিপালনৰ বিষয়টোও খুবেই গুৰুত্বপূৰ্ণ, যিটো বিষয় গছপুলিবিলাক ৰোৱাৰ পাছত সততে উপেক্ষা কৰা হয়। এই বিষয়টো মানুহৰ ক্ষেত্ৰতো খাটে। ভালদৰে প্ৰতিপালন নকৰিলে মানৱ সন্তান এটিও বিভিন্ন বেমাৰ-আজাৰত আক্ৰান্ত হৈ অথবা দুৰ্ঘটনা আদিত পতিত হৈ কোমল বয়সতে মৃত্যুক আঁকোৱালি ল'ব লগা হ'ব পাৰে। তেনেদৰে গছপুলি এটাও যত্নৰ অভাৱত, প্ৰয়োজনীয় সাৰ-পানীৰ অভাৱত অথবা গৰু-ছাগলীৰ উপদ্ৰৱত সোনকালেই মৰহি যাব পাৰে। সেয়েহে গছপুলি এটাকো প্ৰয়োজন হয় সঠিক প্ৰতিপালন আৰু নিৰাপত্তাৰ। কিন্তু এনে প্ৰতিপালন তথা নিৰাপত্তা, বৃক্ষৰোপণ কাৰ্যসূচীত থকা কেইটা গছ পুলিয়ে পায়? সেই বৃহৎ সংখ্যক গছ পুলিৰ ভিতৰত কেইটা পুলি নিৰাপদে ডাঙৰ হৈ ১০-১২ বছৰৰ পাছত পূৰ্ণ পৰ্যায়ৰ বৃক্ষৰ ৰূপ লয়গৈ, সেয়া এসময়ত বৃক্ষৰোপণ কাৰ্যসূচীৰ স'তে জৰিত বিশিষ্ট ব্যক্তিসকলে পৰৱৰ্তী সময়ত হিচাপ কৰি চায়নে? সেয়েহে বৃক্ষৰোপণ আৰু সেইবিলাকৰ প্ৰতিপালনৰ মাজত থকা সামঞ্জ্যহীনতাই যাতে বৃক্ষৰোপণৰ কাৰ্যসূচীটোক এক প্ৰহসনলৈ ৰূপান্তৰিত কৰিব নোৱাৰে, সেই বিষয়ে কাৰ্যসূচী ৰূপায়ণৰ স'তে জৰিত বিষয়-ববীয়াসকলৰ লগতে সৰ্বসাধাৰণ ৰাইজেও বিশেষভাৱে গুৰুত্ব দিয়া প্ৰয়োজন।

সাম্প্ৰতিক সময়ত গছপুলি ৰোৱাটো খুবেই প্ৰয়োজনীয় কথা। কিয়নো বৰ্তমান মানুহৰ অবাধ অত্যাচাৰত দ্ৰুত গতিত বন ধ্বংস হৈছে। তদুপৰি দেশৰ বিভিন্ন প্ৰান্তত দেখা গৈছে যে চহৰ-নগৰৰ সৌন্দৰ্যবৰ্ধন, ৰাষ্ট্ৰীয় ঘাইপথ, প্ৰধান পথ তথা কল-কাৰখানা, উদ্যোগ আদি নিৰ্মাণৰ নামতে চৰকাৰীভাৱে শত-সহস্ৰ গছৰ নিধন যজ্ঞ চলিছে। তেনেদৰে বন মাফিয়াৰ অতপালিৰ লগতে কিছুসংখ্যক লোকৰ বনাঞ্চল বেদখলৰ বাবে অৰণ্যৰ পৰিসৰ দ্ৰুতগতিত হ্ৰাস পাইছে। এনেদৰে বনাঞ্চল ধ্বংসৰ কুফল কিন্তু এদিন মানৱ জাতিয়েই ভোগ কৰিব লাগিব। লাহে লাহে পৰিৱেশৰ ভাৰসাম্য নোহোৱা হৈ আহিছে, অতিবৃষ্টি-অনাবৃষ্টিয়ে সৰ্বত্ৰতে বিৰূপ প্ৰভাৱ পেলাইছে, উৎকত গৰমে জন-জীৱন বিপৰ্যস্ত কৰি তুলিছে ইত্যাদি ইত্যাদি। সেয়েহে গছ-বনৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰি বন সংৰক্ষণ আৰু সুৰক্ষাত সকলোৱে সমানেই গুৰুত্ব দিয়া উচিত আৰু সেইমতে বাস্তৱসন্মত পদক্ষেপো গ্ৰহণ কৰা বাঞ্ছনীয়।

যোৱা জুনত 'গ্ল'বেল ফৰেষ্ট ৱাচ' নামৰ বিশ্বব্যাপ্ত বনাঞ্চল নিৰীক্ষণকাৰী সংস্থাটোৰ এক প্ৰতিবেদনত প্ৰকাশ পাইছে যে ২০০১ৰ পৰা ২০২৫ৰ ভিতৰত অসমে প্ৰায় ৩.৬০ হেক্টৰ বৃক্ষ আৱৰণ হেৰুৱাইছে। এই পৰিমাণ সমগ্ৰ ভাৰতৰ ভিতৰতে সৰ্বাধিক বুলি চিহ্নিত কৰা হৈছে। এনেদৰে বনাঞ্চল নিশ্চিহ্ন হোৱাৰ ফলত বায়ুমণ্ডললৈ প্ৰায় ১৮০ লাখ মেট্ৰিক টন পৰিমাণৰ কাৰ্বন-ডাই-অক্সাইড নিৰ্গমণ হৈছে, যিয়ে গোলকীয় উষ্ণতা বৃদ্ধিত অৰিহণা যোগাইছে। তেনেদৰে ২০২৪ত কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ৰ দ্বাৰা প্ৰকাশিত 'ভাৰতত বনৰ অৱস্থা-২০২৩' শীৰ্ষক প্ৰতিবেদনত উল্লেখ কৰা হৈছিল যে অসমত ২০২১ৰ পৰা ২০২৩ৰ সময়ছোৱাত ৮৩.৯২ বৰ্গ কিলোমিটাৰ ভূমিৰ বনাঞ্চল হ্ৰাস পাইছে। অৰ্থাৎ বছেৰেকত ২৭ বৰ্গ কিলোমিটাৰতকৈও অধিক পৰিসৰৰ বনভূমি নিশ্চিহ্ন হৈছে। সেই প্ৰতিবেদনমৰ্মে তেতিয়া ৰাজ্যখনত থকা বনাঞ্চলৰ মুঠ মাটিকালি আছিল ২৮,৩১৩.৫৫ বৰ্গ কিলোমিটাৰ। গতিকে বছৰে বছৰে এনেদৰে অবাধে বন ধ্বংস হোৱা কাৰ্যই অসমক অদূৰ ভৱিষ্যতে বিপদৰ মুখলৈ ঠেলি দিয়াটো নিশ্চিত। তেনেদৰে জলবায়ু সংকটেও সাধাৰণ জনজীৱন বিপৰ্যস্ত কৰি তোলাৰ আশংকা বাঢ়িছে। অৱশ্যে এই বনাঞ্চল ধ্বংস কাৰ্যত ৰাজ্যৰ মুঠ জনসংখ্যাৰ তেনেই কম সংখ্যক মানুহহে প্ৰত্যক্ষভাৱে জৰিত থাকে। ইয়াৰে এচামে হয়তো ধনৰ লোভত পৰি গছ-গছনি কাটি বিক্ৰী কৰিছে আৰু আন এচামে বনাঞ্চলবিলাক বেদখল কৰি ঘৰ-দুৱাৰ সাজি গজ-গজিয়াকৈ বহি গৈছে। কিন্তু ৰাজ্যৰ অধিকাংশ বাসিন্দাই গছ-গছনিৰ প্ৰয়োজনীয়তাৰ কথা ভালদৰেই জানে আৰু বুজে। অৱশ্যে প্ৰয়োজনীয় বুলি জানিলেও তেওঁলোকে অসংখ্য গছপুলি নিজৰ বাৰীত ৰুব নোৱাৰে। কিয়নো একঠা-দুকঠা মাটিত ঘৰ-দুৱাৰ সাজি বসবাস কৰা অধিকাংশ লোকৰে একাধিক পৰিমাণৰ গছপুলি ৰুবলৈ ঠাইৰ অভাৱ। গতিকে ইচ্ছা থাকিলেও তেওঁলোকৰ উপায় নাই।

আমাৰ বনাঞ্চলসমূহ যে ক্ৰমাৎ ধ্বংসৰ মুখলৈ গৈ আছে, সেই বিষয়ে চৰকাৰো অৱগত নোহোৱাকৈ থকা নাই। এনেদৰে বনাঞ্চল নিশ্চিহ্ন হোৱাৰ সমান্তৰালভাৱে পাহাৰসমূহো সংকটৰ গৰাহত পৰিছে। গতিকে সময় থাকোতেই চৰকাৰী পক্ষই এনে কাৰ্য প্ৰতিৰোধৰ বাবে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। কিয়নো এখন বনাঞ্চল ধ্বংসৰ বাবে হোৱা ক্ষতি সৰ্বসাধাৰণে ৰোৱা কেইজোপামান গছে কেতিয়াও পূৰণ কৰিব নোৱাৰে। তেনেদৰে চৰকাৰে গছ পুলি ৰোপণৰ সমান্তৰালভাৱে, বৃক্ষ প্ৰতিপালনৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব দিয়া উচিত। তেতিয়াহে সেই গছপুলিবিলাক যথাসময়ত ডাঙৰ হৈ অসমৰ সেউজ আৱৰণ বঢ়াই তুলিবগৈ পাৰিব। এনেদৰে ৰাজ্যখনৰ সেউজ আৱৰণটো বাঢ়িলেহে পৰিৱেশ সুন্দৰ হ'ব আৰু তেতিয়াহে 'সেউজী ধৰণী ধুনীয়া' বুলি গৌৰৱ কৰিব পৰা যাব আৰু গছ পুলি ৰোপণৰ কাৰ্যসূচীসমূহো প্ৰকৃতাৰ্থত সফল আৰু সাৰ্থক হৈ উঠিব।

**ৰূপক জি. দুৱৰা**
ফোন - ৬০২৬৪-৭৩৭৩৪

# স্ক্ৰীনত বন্দী শৈশৱ

**শৈশৱ** হৈছে মানুহৰ জীৱনৰ আটাইতকৈ আনন্দময় আৰু স্মৰণীয় সময়। এই সময়ত শিশুৱে খেল-ধেমালি, হাঁহি-ধেমালি, বন্ধুত্ব, পৰিয়াল আৰু প্ৰকৃতিৰ মাজেৰে



জীৱনৰ প্ৰথম পাঠবোৰ শিকে; কিন্তু বৰ্তমান প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ ফলত শিশুৰ শৈশৱৰ পৰিৱেশ যথেষ্ট সলনি হৈছে। বিশেষকৈ স্মাৰ্টফোন, টেবলেট আৰু অন্যান্য ডিজিটেল পৰ্দাৰ সহজলভ্যতাই একৰ পৰা ১০ বছৰীয়া শিশুৰ দৈনন্দিন জীৱনতো গভীৰ প্ৰভাৱ পেলাইছে।

আজিৰ বহু শিশুৱে খেলপথাৰত খেলাৰ সলনি ম'বাইলত কাৰ্টুন চোৱা, গেম খেলা বা ভিডিঅ' চোৱাত অধিক সময় কটায়। আনকি বহু ঘৰত শিশুৱে খাবলৈ নিবিচাৰিলে বা কান্দিলে ম'বাইলত ভিডিঅ' দেখুৱাই শান্ত কৰাৰ অভ্যাস গঢ় লৈ উঠিছে। ফলত ম'বাইলটো শিশুৰ বাবে কেৱল মনোৰঞ্জনৰ সামগ্ৰী হৈ নাথাকি দৈনন্দিন জীৱনৰ এক অভ্যাসত পৰিণত হৈছে।

আগৰ দিনত শিশুৰ আজৰি সময় মানেই আছিল ঘৰৰ বাহিৰত খেলাধূলা কৰা, সমনীয়াৰ স'তে দৌৰা-দৌৰি কৰা, ককা-আইতাৰ পৰা সাধু শুনা, মাক-দেউতাকৰ স'তে কথা পতা অথবা ছবি আঁকা। শিশুৱে প্ৰকৃতিৰ স'তে পৰিচিত হৈছিল আৰু নিজৰ কল্পনাশক্তিৰে খেলৰ নতুন নতুন পদ্ধতি সৃষ্টি কৰিছিল; কিন্তু এতিয়া বহু শিশুৰ আজৰি সময় ম'বাইলৰ পৰ্দাৰ স'তে জড়িত। কাৰ্টুন, গেম আৰু বিভিন্ন অনলাইন ভিডিঅ' শিশুৰ বাবে সহজে উপলব্ধ। এবাৰ কোনো এটা ভিডিঅ' চোৱাৰ পাছত আন এটা ভিডিঅ' চাবলৈ মন যায়। এইদৰে সময় কেনেকৈ পাৰ হয় শিশুৱে নিজেই বুজি নাপায়। আজিৰ সমাজত দেখা পোৱা এক সাধাৰণ দৃশ্য হৈছে—শিশুৱে খাবলৈ নিবিচাৰিলে মাক-দেউতাকে ম'বাইলত কাৰ্টুন বা ভিডিঅ' চলাই দিয়ে। শিশুটোৱে পৰ্দালৈ চাই চাই খাবলৈ আৰম্ভ কৰে। প্ৰথমতে এইটো অভিভাৱকৰ বাবে সহজ উপায় যেন লাগে; কিন্তু নিয়মিতভাৱে এনেদৰে খুৱাই থাকিলে শিশুটোৱে ম'বাইল অবিহনে খাবলৈ অনীহা প্ৰকাশ কৰিব পাৰে। খাদ্য খোৱাৰ সময়টো কেৱল পেট ভৰোৱাৰ সময় নহয়; ই পৰিয়ালৰ স'তে কথা পতা আৰু একেলগে সময় কটোৱাৰো এক সুযোগ। শিশুৱে যদি প্ৰতিবাৰেই ম'বাইল চাই খাবলৈ অভ্যস্ত হৈ পৰে, তেন্তে সেই পাৰিবাৰিক যোগাযোগৰ সুযোগটো কমি যায়।

শিশুৰ ম'বাইল ব্যৱহাৰৰ ক্ষেত্ৰত কেৱল শিশুক দোষ দিয়াটো উচিত নহয়। বৰ্তমান সময়ত মাক-দেউতাকো বিভিন্ন কামত ব্যস্ত থাকে। ঘৰুৱা কাম, চাকৰি, ব্যৱসায় অথবা আন দায়িত্বৰ মাজত শিশুক কিছু সময়ৰ বাবে ব্যস্ত কৰি ৰাখিবলৈ ম'বাইল ব্যৱহাৰ কৰাটো সহজ হৈ পৰিছে। শিশুৱে ম'বাইল বিচাৰিলে অভিভাৱকে সহজতে ফোনটো হাতত দি দিয়ে। ফলত শিশুৰ মনোযোগ অন্য কামৰ পৰা পৰ্দাৰ ফালে অধিক আকৰ্ষিত হয়। সেয়েহে শিশুৰ অভ্যাস সলনি কৰিবলৈ হ'লে প্ৰথমে ঘৰৰ পৰিৱেশ আৰু অভিভাৱকৰ ভূমিকাৰ ওপৰতো গুৰুত্ব দিব লাগিব।

শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে খেল-ধেমালি অতি গুৰুত্বপূৰ্ণ। দৌৰা, জপিওৱা, বল খেলা, চাইকেল চলোৱা, বন্ধুৰ স'তে খেলাৰ দৰে কামে শিশুক সক্ৰিয় কৰি ৰাখে; কিন্তু অধিক সময় পৰ্দাৰ সন্মুখত বহি থাকিলে বাহিৰত খেলাৰ সময় কমি যাব পাৰে। শিশুৰ বাবে খেল কেৱল আনন্দৰ বিষয় নহয়। খেলৰ জৰিয়তে শিশুৱে সহযোগিতা, নিয়ম মানি চলা, জয়-পৰাজয় গ্ৰহণ কৰা, বন্ধুত্ব কৰা আৰু সমস্যা সমাধানৰ দৰে বহু কথা শিকে। সেয়েহে ম'বাইলৰ বাবে যদি খেলপথাৰৰ স'তে শিশুৰ সম্পৰ্ক কমি যায়, তেন্তে ই শৈশৱৰ স্বাভাৱিক অভিজ্ঞতাত প্ৰভাৱ পেলাব পাৰে।

অভিমত

ম'বাইলৰ অত্যধিক ব্যৱহাৰে শিশুৰ পৰিয়ালৰ স'তে যোগাযোগৰ ওপৰতো প্ৰভাৱ পেলাব পাৰে। শিশুৱে যদি সদায় নিজৰ প্ৰিয় কাৰ্টুন, গেম বা ভিডিঅ' লৈ ব্যস্ত থাকে, তেন্তে মাক-দেউতাক, ককা-আইতা বা ভাই-ভনীৰ স'তে কথা পতাৰ সময় কমি যাব। শিশুৰ ব্যক্তিত্ব গঠনত পৰিয়ালৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। পৰিয়ালৰ লগত কথা পাতি শিশুৱে ভাষা, আচৰণ, মৰম, শিষ্টাচাৰ আৰু সামাজিক সম্পৰ্কৰ বিষয়ে শিকে। সেয়েহে ম'বাইলৰ লগতে মানুহৰ স'তে শিশুৰ যোগাযোগো সমানেই প্ৰয়োজনীয়।

ম'বাইলৰ সকলো ব্যৱহাৰ বেয়া নহয়। শিক্ষামূলক ভিডিঅ', ডিজিটেল কিতাপ বা জ্ঞানমূলক বিষয়ৰ সহায়ত শিশুৱে বহু নতুন কথা শিকিব পাৰে; কিন্তু যদি শিক্ষামূলক ব্যৱহাৰৰ সলনি অধিক সময় কেৱল গেম আৰু মনোৰঞ্জনত পাৰ হয়, তেন্তে শিশুৰ পঢ়া-শুনাৰ প্ৰতি মনোযোগ কমিব পাৰে। শিশুৰ সৃষ্টিশীলতা বিকাশৰ বাবে ছবি আঁকা, গল্প কোৱা, কাগজেৰে বস্তু বনোৱা, গান গোৱা, কিতাপ পঢ়া আদি কামৰ প্ৰয়োজন। এইবোৰে শিশুক নিজৰ কল্পনাৰে নতুন কিবা সৃষ্টি কৰিবলৈ উৎসাহিত কৰে। সেয়েহে শিশুৰ দৈনন্দিন জীৱনত এনে কামৰ বাবে সময় ৰখাটো প্ৰয়োজনীয়।

ম'বাইল সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাই সমাধান নহয়। বৰ্তমান যুগত শিশুক প্ৰযুক্তিৰ পৰা সম্পূৰ্ণ আঁতৰাই ৰখাটো বাস্তৱসন্মত নহয়। প্ৰযুক্তি শিক্ষা আৰু জ্ঞান আহৰণৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হৈ পৰিছে। সেয়েহে সমাধানটো ম'বাইল সম্পূৰ্ণ নিষিদ্ধ কৰা নহয়; বৰঞ্চ শিশুৰ বয়স আৰু প্ৰয়োজন অনুসৰি সীমিত, নিৰাপদ আৰু উদ্দেশ্যপূৰ্ণ ব্যৱহাৰ নিশ্চিত কৰা।

অভিভাৱকে শিশুৱে কি চাইছে, কিমান সময় চাইছে আৰু কিয় চাইছে সেই বিষয়ে সচেতন হোৱা উচিত। শিশুৰ স'তে একেলগে সময় কটোৱা আৰু পৰ্দাৰ বাহিৰেও আনন্দ পাব পৰা বহু কামৰ সুযোগ সৃষ্টি কৰাটো অধিক ফলপ্ৰসূ।

শিশুক কেৱল এটা ম'বাইল দি ব্যস্ত কৰি ৰখাৰ সলনি তেওঁলোকক ঘৰৰ ওচৰত খেলিবলৈ সুযোগ দিয়া, কিতাপ পঢ়িবলৈ উৎসাহিত কৰা, ছবি আঁকিবলৈ দিয়া, সাধু কোৱা, প্ৰকৃতিৰ লগত চিনাকি কৰোৱা আৰু পৰিয়ালৰ স'তে বিভিন্ন কামত জড়িত কৰা উচিত।

মাক-দেউতাকেই শিশুৰ প্ৰথম আদৰ্শ। যদি ঘৰৰ ডাঙৰসকলেই সকলো সময় ফোনত ব্যস্ত থাকে, তেন্তে শিশুক কেৱল ম'বাইল নাচাবলৈ কোৱাটো কঠিন। সেয়েহে শিশুৰ সন্মুখত অভিভাৱকেও ম'বাইল ব্যৱহাৰৰ ক্ষেত্ৰত সংযম দেখুওৱা প্ৰয়োজন। প্ৰযুক্তি আমাৰ জীৱনৰ এক প্ৰয়োজনীয় অংশ। ম'বাইল ফোনে শিক্ষা, যোগাযোগ আৰু মনোৰঞ্জনৰ বহু দুৱাৰ মুকলি কৰিছে; কিন্তু শিশুৰ ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰত সঠিক ভাৰসাম্য ৰক্ষা কৰাটো অতি গুৰুত্বপূৰ্ণ। একৰ পৰা ১০ বছৰীয়া শিশুৰ বাবে শৈশৱ মানে কেৱল এখন পৰ্দা নহয়। শৈশৱ মানে খেলপথাৰ, বন্ধুত্ব, পৰিয়াল, কিতাপ, ছবি, প্ৰকৃতি, হাঁহি আৰু অসংখ্য সৰু সৰু অভিজ্ঞতা। সেইবাবে শিশুৰ হাতত ম'বাইল দিয়াৰ লগতে তেওঁলোকক সময়, মনোযোগ, খেলিবলৈ ঠাই আৰু মৰম দিয়াটোও সমানেই প্ৰয়োজনীয়। আজিৰ শিশুৱেই কাইলৈৰ সমাজ গঢ়িব। সেয়েহে তেওঁলোকৰ শৈশৱ যাতে কেৱল স্ক্ৰীনৰ মাজতে সীমাবদ্ধ হৈ নাথাকে, তাৰ বাবে অভিভাৱক, বিদ্যালয় আৰু সমাজ-সকলোৱে একেলগে সচেতন হ'ব লাগিব।

**নিকিতা আহমেদ**
*ফোন ঃ ৬০০০৯০২৮৬০*

# বৰ্তমান অসমৰ বান পৰিস্থিতি এক চিন্তন

**অসম** মানেই যেন নদী, সেউজীয়া পথাৰ, পাহাৰ আৰু বৰষুণৰ এক অপূৰ্ব সমন্বয়। ব্ৰহ্মপুত্ৰৰ বিশাল বুকুত গঢ় লৈ উঠা এই ৰাজ্যখন প্ৰকৃতিৰ অপূৰ্ব সৌন্দৰ্যৰে ভৰপূৰ; কিন্তু এই প্ৰকৃতিয়েই কেতিয়াবা অসমবাসীৰ বাবে কঢ়িয়াই আনে সীমাহীন দুখ, যন্ত্ৰণা আৰু দুৰ্যোগ। বাৰিষা অহাৰ লগে লগে অসমৰ আকাশত যেতিয়া ক'লা ডাৱৰে ভিৰ কৰে, তেতিয়া বহু মানুহৰ মনত আনন্দৰ পৰিৱৰ্তে এক অজানিত আশংকাই ঠাই লয়। কাৰণ, বৰষুণৰ প্ৰতিটো টোপালৰ স'তে যেন বানৰ ভয় কঢ়িয়াই আহে।

বৰ্তমান অসমৰ বহু অঞ্চলত বানপানীৰ পৰিস্থিতিয়ে জনজীৱনলৈ পুনৰ অশনি সংকেত কঢ়িয়াই আনিছে। বিশেষকৈ উজনি অসমৰ বহু অঞ্চলত এইবাৰৰ বান পৰিস্থিতিয়ে মানুহৰ জীৱনলৈ এক গভীৰ চিন্তা আৰু উদ্বেগ কঢ়িয়াই আনিছে। কোনো ঠাইত নদীৰ পানী বিপদসীমাৰ ওপৰেৰে বৈছে, কোনো ঠাইত পানীয়ে বাট-পথ বুৰাই পেলাইছে, আকৌ কোনো ঠাইত মানুহে নিজৰ ঘৰ-ভেটি এৰি নিৰাপদ স্থানলৈ যাবলগীয়া হৈছে। বানৰ পানী ক্ৰমাৎ বৃদ্ধি পোৱাৰ লগে লগে মানুহৰ চিন্তা আৰু উদ্বেগো বৃদ্ধি পাইছে। যি ঘৰখনত কালি হাঁহি-আনন্দেৰে দিন পাৰ হৈছিল, আজি সেই ঘৰখনতেই পানীৰ সোঁত। যি পথাৰখনত কৃষকে সেউজীয়া ধানৰ সপোন দেখিছিল, আজি সেই পথাৰখনেই পানীৰ বিশাল সমুদ্ৰত পৰিণত হৈছে।

এইবাৰৰ উজনি অসমৰ বান পৰিস্থিতিৰ স'তে মোৰ ব্যক্তিগত অনুভৱো গভীৰভাৱে জড়িত হৈ পৰিছে। মোৰ জন্মৰ পৰা এতিয়ালৈকে উজনি অসমৰ এনে বান মই প্ৰথমবাৰৰ বাবে দেখিছো। বানৰ কথা আমি সৰুৰে পৰা শুনি আহিছো, বাতৰি কাকতত পঢ়িছো, টেলিভিছনৰ পৰ্দাত বানপীড়িত মানুহৰ ছবি দেখিছো; কিন্তু নিজ চকুৰে ইমান ওচৰৰ পৰা বানৰ এই ভয়াৱহ ৰূপ দেখাৰ অনুভৱ সম্পূৰ্ণ পৃথক।

পানীৰে বুৰি যোৱা ঘৰ, পথাৰ, বাট-পথ, মানুহৰ অসহায় মুখ আৰু আশ্ৰয়ৰ সন্ধানত থকা পৰিয়ালবোৰ দেখিলে মনটো এক গভীৰ বিষাদেৰে ভৰি পৰে। কেতিয়াবা এনে লাগে যেন প্ৰকৃতিৰ বিশাল শক্তিৰ সন্মুখত মানুহ কিমান অসহায়! যি নদীখনক আমি জীৱনদায়িনী বুলি জানো, সেই একেখন নদীয়েই যেতিয়া নিজৰ সীমা অতিক্ৰম কৰে, তেতিয়া মানুহৰ জীৱন, সপোন আৰু পৰিশ্ৰম সকলো যেন এক মুহূৰ্ততে অনিশ্চয়তাৰ মাজলৈ ঠেলি দিয়ে।

এই দৃশ্যবোৰ কেৱল চকুৰে দেখা কিছুমান ছবি নহয়; এইবোৰ মানুহৰ জীৱনৰ বাস্তৱ কাহিনী। বানৰ পানীৰ মাজত কোনোবাই নিজৰ ঘৰখন ৰক্ষা কৰাৰ চেষ্টা কৰিছে, কোনোবাই পোহনীয়া জীৱ-জন্তুবোৰক নিৰাপদ স্থানলৈ নিয়াৰ চিন্তা কৰিছে, কোনোবাই আকৌ নিজৰ সন্তানক লৈ আশ্ৰয় বিচাৰিছে। বহু পৰিয়ালৰ বাবে এই বান কেৱল এটা প্ৰাকৃতিক দুৰ্যোগ নহয়, বৰঞ্চ জীৱনৰ এক কঠিন পৰীক্ষা। সেয়েহে এইবাৰৰ উজনি অসমৰ বান পৰিস্থিতি মোৰ বাবে কেৱল এটা বাতৰিৰ বিষয় নহয়; ই এক গভীৰ মানৱীয় অভিজ্ঞতা, যিয়ে মোক প্ৰকৃতি, মানুহ আৰু জীৱনৰ অনিশ্চয়তাৰ বিষয়ে নতুনকৈ ভাবিবলৈ বাধ্য কৰিছে।

বানপানীৰ আটাইতকৈ বেছি প্ৰভাৱ পৰে সাধাৰণ মানুহৰ জীৱনত। দিনটো কঠোৰ পৰিশ্ৰম কৰি পৰিয়াল পোহপাল দিয়া কৃষকজনৰ বাবে বান কেৱল পানী নহয়; ই তেওঁৰ এবছৰৰ আশাৰ ওপৰত পৰা এক ডাঙৰ আঘাত। কষ্ট কৰি ৰুই থোৱা ধান, শাক-পাচলি আৰু অন্যান্য শস্য পানীত ডুব যায়। বহু কৃষকৰ গৰু-ম'হ, হাঁহ-কুকুৰা আদি পোহনীয়া জীৱ-জন্তুও বানৰ কবলত পৰে। এক মুহূৰ্ততে এজন মানুহৰ বহুদিনৰ কষ্ট, পৰিশ্ৰম আৰু সাঁচি ৰখা সপোনবোৰ পানীৰ সোঁতে উটুৱাই লৈ যায়।

বানৰ প্ৰভাৱ কেৱল গাঁও অঞ্চলতে সীমাবদ্ধ নাথাকে। বহু নগৰ আৰু চহৰ অঞ্চলতো কৃত্ৰিম বানৰ সমস্যাই মানুহক জুৰুলা কৰে। বৰষুণৰ পানী সঠিকভাৱে নিষ্কাশন নোহোৱা, নলা-নৰ্দমা বন্ধ হৈ থকা, জলাশয় আৰু পুখুৰী পুতি পেলোৱা আদি কাৰণতো অলপ সময়ৰ বৰষুণতে বহু অঞ্চল জলমগ্ন হৈ পৰে। ফলত যান-বাহন চলাচল ব্যাহত হয়, বিদ্যালয়-মহাবিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ অসুবিধা হয় আৰু সাধাৰণ জনজীৱন স্তব্ধ হৈ পৰে।

বানপানীৰ আন এক ভয়ংকৰ ৰূপ হৈছে গৰাখহনীয়া। নদীৰ সোঁতে কেতিয়াবা কেৱল পানী নানে, লগত লৈ আহে মানুহৰ ঘৰ-দুৱাৰ, কৃষিভূমি আৰু বছৰ বছৰ ধৰি গঢ়ি তোলা জীৱনৰ স্মৃতি। নদীৰ পাৰতে বাস কৰা বহু পৰিয়ালে প্ৰতিবছৰে নিজৰ মাটি হেৰুৱাই নতুন ঠাই বিচাৰি যাবলগীয়া হয়। এদিন যিখিনি মাটি নিজৰ বুলি ভাবি মানুহে ঘৰ



সাজিছিল, পিছদিনা সেই মাটিয়েই নদীৰ বুকুত বিলীন হৈ যায়। গৰাখহনীয়াৰ এই নিৰৱ ধ্বংসই বহু পৰিয়ালক অস্থায়ী জীৱন যাপন কৰিবলৈ বাধ্য কৰিছে। তেওঁলোকৰ বাবে ঘৰ হেৰুওৱা মানে কেৱল এখন ঘৰ হেৰুওৱা নহয়; হেৰাই যায় শৈশৱৰ স্মৃতি, পূৰ্বপুৰুষৰ চিন, আপোন মাটিৰ স'তে থকা আত্মিক সম্পৰ্ক আৰু বহু বছৰৰ সপোন।

বানৰ সময়ত শিশুসকলৰ জীৱনো যথেষ্ট প্ৰভাৱিত হয়। বিদ্যালয় বন্ধ হৈ পৰে, পঢ়া-শুনাত ব্যাঘাত জন্মে। বহু ঠাইত বিদ্যালয়ৰ ঘৰ বানপীড়িত লোকৰ আশ্ৰয়স্থলী হিচাপে ব্যৱহাৰ কৰিবলগীয়া হয়। ফলত ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া শিক্ষা ব্যাহত হয়। বিশেষকৈ দৰিদ্ৰ পৰিয়ালৰ শিশুসকলৰ বাবে এই ক্ষতি পূৰণ কৰাটো সহজ নহয়। বানৰ পানী নামি যোৱাৰ পাছতো বহুদিনলৈ তেওঁলোকৰ স্বাভাৱিক জীৱনলৈ ঘূৰি আহিবলৈ সময় লাগে।

বানপানীৰ পাছত দেখা দিয়ে আন এক নতুন সংকট— বিশুদ্ধ খোৱাপানী আৰু স্বাস্থ্যৰ সমস্যা। চাৰিওফালে লেতেৰা পানী জমা হৈ থকাৰ ফলত বিভিন্ন পানীজনিত ৰোগৰ আশংকা বৃদ্ধি পায়। বানপীড়িত অঞ্চলত খাদ্য, ঔষধ আৰু বিশুদ্ধ পানীৰ যোগান নিশ্চিত কৰাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰে। সেয়ে বানৰ সময়ত উদ্ধাৰ অভিযানৰ লগতে স্বাস্থ্যসেৱা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰতো বিশেষ গুৰুত্ব দিব লাগে।

অসমৰ বান সমস্যাৰ আঁৰত প্ৰাকৃতিক কাৰণৰ লগতে মানুহৰ ভুল কাৰ্যকলাপো দায়ী। বনাঞ্চল ধ্বংস, পাহাৰ কটা, জলাশয় পুতি পেলোৱা, নদীৰ স্বাভাৱিক গতিপথত বাধা সৃষ্টি কৰা আৰু অপৰিকল্পিত নগৰায়নে পৰিৱেশৰ ভাৰসাম্য নষ্ট কৰিছে। বৰষুণৰ পানী স্বাভাৱিকভাৱে বৈ যাব পৰা পথ বন্ধ হৈ পৰাৰ ফলত বহু ঠাইত বানৰ পৰিস্থিতি অধিক ভয়াৱহ হৈ উঠে। সেয়েহে বানৰ স্থায়ী সমাধানৰ বাবে কেৱল মথাউৰি নিৰ্মাণ বা তাৎক্ষণিক সাহায্যই যথেষ্ট নহয়; প্ৰকৃতিৰ সৈতে সামঞ্জস্য ৰাখি দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰাটোও সমানেই প্ৰয়োজনীয়।

বানৰ স'তে যুঁজিবলৈ চৰকাৰী ব্যৱস্থাৰ লগতে জনসাধাৰণৰ সচেতনতাও অতি জৰুৰী। নদী আৰু জলাশয় সংৰক্ষণ, বৃক্ষৰোপণ, বনাঞ্চল ৰক্ষা, বানৰ আগজাননী ব্যৱস্থা শক্তিশালী কৰা আৰু বানপ্ৰৱণ অঞ্চলত বিজ্ঞানসন্মতভাৱে বসতি স্থাপনৰ ব্যৱস্থা কৰিব লাগিব। বানৰ সময়ত উদ্ধাৰকাৰী দল, প্ৰশাসন আৰু স্থানীয় ৰাইজে একেলগে কাম কৰিলে বহু জীৱন আৰু সম্পত্তি ৰক্ষা কৰিব পৰা যায়। লগতে বানৰ পাছত ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপন আৰু জীৱিকা পুনৰুদ্ধাৰৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব দিব লাগিব।

কিন্তু এই সকলোবোৰৰ মাজতো এটা কথা স্বীকাৰ কৰিবই লাগিব যে বান অসমৰ জীৱনৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে অসমক যেনেকৈ উৰ্বৰতা আৰু জীৱন দিছে, তেনেকৈয়ে কেতিয়াবা বান আৰু গৰাখহনীয়াৰ ৰূপত মানুহৰ জীৱনলৈ বিপৰ্যয়ো কঢ়িয়াই আনিছে। সেয়েহে নদীক কেৱল শত্ৰু হিচাপে চোৱাৰ পৰিৱৰ্তে নদীৰ স্বাভাৱিক চৰিত্ৰক বুজি, নদীৰ স'তে সহাৱস্থানৰ এক সুস্থ আৰু বিজ্ঞানসন্মত পথ বিচৰাটোৱেই হ'ব আমাৰ ভৱিষ্যতৰ অন্যতম প্ৰধান দায়িত্ব।

তথাপি, বানে অসমক সম্পূৰ্ণৰূপে পৰাজিত কৰিব পৰা নাই। প্ৰতিবছৰে বান আহে, মানুহৰ জীৱনলৈ দুখ আৰু যন্ত্ৰণা কঢ়িয়াই আনে, কিন্তু বানৰ পানী নামি যোৱাৰ পাছত অসমবাসীয়ে পুনৰ নতুনকৈ জীৱন আৰম্ভ কৰে। কৃষকে পুনৰ পথাৰত নামে, মানুহে পুনৰ ঘৰ সাজে, শিশুৱে পুনৰ বিদ্যালয়লৈ যায়। ধ্বংসস্তূপৰ মাজতো মানুহে সপোন দেখে, ভাঙি পৰা জীৱনক পুনৰ গঢ়ি তোলে। এই পুনৰ উঠি থিয় হোৱাৰ শক্তিয়েই অসমবাসীৰ সাহস, ধৈৰ্য আৰু জীৱনসংগ্ৰামৰ পৰিচয়।

মোৰ জন্মৰ পৰা প্ৰথমবাৰৰ বাবে উজনি অসমৰ বানৰ এনে এক ভয়াৱহ ৰূপ দেখিলেও, এই দৃশ্যই কেৱল ভয় বা দুখেই দিয়া নাই; ই মোক বহু কথাও শিকাইছে। প্ৰকৃতিৰ বিৰুদ্ধে যুঁজ কৰি মানুহে কেতিয়াও জয় লাভ কৰিব নোৱাৰে। প্ৰকৃতিক বুজিব লাগিব, নদীক সন্মান কৰিব লাগিব আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰিব লাগিব। বানৰ সময়ত এজনে আনজনৰ কাষত থিয় দিয়াৰ মানৱীয়তা, বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাৰ মানসিকতা আৰু সকলোৱে মিলিত প্ৰচেষ্টাইহে এই দুৰ্যোগৰ স'তে যুঁজিবলৈ আমাক শক্তি দিয়ে।

সঁচা অৰ্থত, অসমৰ বান কেৱল পানীৰ সমস্যা নহয়; ই এক সামাজিক, অৰ্থনৈতিক আৰু পৰিৱেশগত সমস্যা। এই সমস্যাক স্থায়ীভাৱে মোকাবিলা কৰিবলৈ চৰকাৰী আঁচনি, বিজ্ঞানসন্মত নদী ব্যৱস্থাপনা আৰু জনসাধাৰণৰ সহযোগিতা একেলগে আগবঢ়াব লাগিব। নদীক বন্ধ কৰি ৰাখিবলৈ চেষ্টা কৰাৰ সলনি নদীৰ স্বাভাৱিক চৰিত্ৰ বুজি তাৰ স'তে সহাৱস্থানৰ পথ বিচাৰিব লাগিব।

কাৰণ ব্ৰহ্মপুত্ৰ কেৱল এখন নদী নহয়— ই অসমৰ জীৱন, অসমৰ ইতিহাস আৰু অসমৰ অস্তিত্বৰ এক অবিচ্ছেদ্য অংশ। নদীৰ বুকুতেই অসমে বহু যুগ ধৰি জীৱনৰ গান গাই আহিছে; কিন্তু সেই নদীৰ বুকুত যেতিয়া বানৰ ঢৌ উঠে, তেতিয়া সেই ঢৌৱে যেন আমাক সোঁৱৰাই দিয়ে— প্ৰকৃতিক জয় কৰাৰ নহয়, প্ৰকৃতিৰ স'তে মিলি জীয়াই থকাৰ সময় আহি পৰিছে। বান আহিব, পানী বাঢ়িব, হয়তো আকৌ গৰাখহনীয়াই মানুহৰ ঘৰ-ভেটি উটুৱাই নিব; কিন্তু মানুহৰ আশা, সাহস আৰু নতুনকৈ জীৱন গঢ়াৰ ইচ্ছাক কোনো বানেই উটুৱাই নিব নোৱাৰে। সেই আশাৰেই, সেই সাহসৰেই, অসম আকৌ এবাৰ উঠি থিয় হ'ব।

**মৃদুপৱন গোস্বামী**
যোৰহাট

# গ্ৰন্থ মূৰত লৈ শোভাযাত্ৰা কৰা জাতিটো



"Bless the LORD, O you his angels, you mighty ones who do his word, obeying the voice of his word"

বাস্তৱিকতে এনেকুৱা জ্ঞান আৰু ভক্তিৰ গ্ৰন্থ সংস্কৃত ভাষাত আন এখন নাই। অকল সংস্কৃতত কিয়, পৃথিৱীত আন কোনো সভ্য জাতিৰ ভাষাতো এনে গ্ৰন্থ নাই। কয়-ভাগৱত নিগম-কল্পতৰুৰ শুকমুখ বিগলিত অমৃত ফল। সেই ফলত বাকলি, সিটা আৰু গুটি নাই ; তাত মাথোন ৰস আৰু ৰস। দ্বাদশ-স্কন্ধ ভাগৱতৰ ভিতৰত দশম-স্কন্ধ শ্ৰেষ্ঠ। ভাগৱতৰ পাঁচোটা অধ্যায়ত ৰাসলীলা বৰ্ণিত হৈছে। ইয়াতেই কৃষ্ণক-'পৰম-শকতি সম' আৰু 'নাৰীক-প্ৰকৃতি'ৰ ৰূপতে ভাৱনা কৰিলে সকলো সন্দেহ নিৰাকৰণ যে হয় তাকেই আমি এই লেখাত ঠাই দি এই আলচটি আগ বঢ়াইছোঁ।

ইয়াত অতি আমোদৰ কথা হৈছে 'পৰম শক্তিৰ ইচ্ছাটো' ঃ আৰু এইখিনিতে ৰচয়িতাৰ উদ্দেশ্য ফটফটীয়া হৈ পৰিছে! জন-মানসক বা জন-মানসিকতাক এক সুশৃংখল পথেৰে আগুৱাই লৈ যোৱাৰ।

যি পুথিত এই ঘোষণা ঘোষিত হৈ ৰৈছে— সেই পুথিখনকে এক সৌন্দৰ্য-বৰ্ধনকাৰী কৰি লৈ সমাজ-জীৱনত ইয়াৰ মৌ-ৰসখিনি আকাশে-বতাহে বোৱাই আমাৰ গণজীৱনৰ কোঁহে-কোঁহে সুমুৱাই দিবলৈকে-এই শোভাযাত্ৰাৰ আয়োজন। এই শোভাযাত্ৰাত মূৰত লৈ আগবাঢ়ে সেই-সেই অঞ্চলৰ বয়োজ্যেষ্ঠজন-সন্মানীয়জন। শোভাযাত্ৰাকাৰীসকল আগবাঢ়ি গৈ থাকোঁতে কাষৰ দৰ্শক ৰাইজখিনিয়ে সেই ভাগৱতক সেৱা কৰি মন-প্ৰাণ ধন্য কৰে, গা-জুৰ কৰে, ৰস পান কৰে-বীক্ষণৰ জৰিয়তেই। নপঢ়োতেই বা নপঢ়াকৈয়ে ৰসাস্বাদন কৰে! নিজক ধন্য কৰে। তাকেই পুণ্য কৰা বুলি ৰাইজখনে অনুভৱ কৰে। ই এক কলাত্মক অনুভৱ ঠিক শৰৎ কালৰ উৎফুল্ল মল্লিকা ৰাত্ৰি দেখি পৰম-শক্তিৰ যি ইচ্ছাৰ দৰেই। মায়াৰ সহযোগত নাৰী! প্ৰকৃতিৰে ৰমণ কৰাৰ হেঁপাহটো— এয়া কিমান যে গভীৰতম নান্দনিক অনুভৱ-তাক বুজোতাইহে বুজে বা উপলব্ধি কৰিব পাৰে! প্ৰকৃতিৰ অনুকূলতাৰ পৰিৱেশত পৰম-শক্তিৰ ইচ্ছাটো এক ইংগিতপূৰ্ণ উচ্ছাসসম-, যৌক্তিকতাৰ ফালৰ পৰাও যে কৃষ্ণ বা 'পৰম শক্তি'ৰ মন যোৱা তথা ইচ্ছাখিনিৰ এক জাগতিক ব্যাখ্যা ৰৈ যোৱা কথাটো কোনো অলৌকিকতাৰ ৰেশ থকা বা অতি-শক্তিৰ ব্যাপনৰ কথা মুঠেই যে নহয়, সেই অনুভৱটো আমি ভালদৰেই উপলব্ধি কৰিব পাৰো দেখোন! 'আৱেগ-কাতৰ' নাৰীৰ সন্তাপ মৰিষণ কৰিবলৈ চন্দ্ৰোদয়ৰ ধাৰণাটো কোন সমাজত দিছে কোন প্ৰতিভাধৰে, আমি নাজানো-পিছে, আমাৰ জনজীৱনত সেই মহা-ভাগৱততে গুৰুজনাই সেই চিত্ৰ অংকন কৰি গৈছে-এক অতি-নান্দনিক স্তৰৰ 'কাজ-সম' কৰি। এই 'অনুৰাগী-ভাৱনা'ক এৰাই গৈ কিমান স্বাভাৱিক-মনোবৈজ্ঞানিক আৰু পৰিশীলিত জীৱন-শৈলীৰ অধিকাৰী হ'লেহে তেনে নৈব্যক্তিক মনোহৰণকাৰী সৃষ্টি হ'ব পাৰে, এয়া আমাৰ অসমীয়া জনমানস বা গণ-জীৱনতহে প্ৰতিফলিত হ'ব পাৰে!

আজিৰ সমাজখনৰ 'অত্যামাৰ্জিত-অৱক্ষয়ী' পৰিৱেশত এনে চিন্তা-ভাৱনাৰ যে

**ড° খনীন চৌধুৰী**

অতি প্ৰয়োজন, সেয়া আমি হ'লে মনে-প্ৰাণেই উচিত বুলিয়েই বিবেচনা কৰো। ইয়াত 'ধৰ্মীয়-এলাৰ্জি'ৰ কোনো 'অহৈতুক-প্ৰৱেশ'ৰ থল নাই। সেই পৰম-শক্তিয়েও নুই কৰা নাই চন্দ্ৰৰে উপস্থিতিত শৰতৰ শান্ত সমাহিত মন জুৰোৱা পৰিৱেশনো মানৰ মনত কেনে শৰীৰ মন নিৰুজ কৰি লৈ যোৱা নৈব্যক্তিক প্ৰেক্ষাপটৰ প্ৰভাৱ পেলায়। মানৱৰ মংগল সাধনকাৰী নান্দনিকতাৰ সহায় লয়— তাকে দেখোন জগতৰ সেই পৰম-শক্তিটোৰেই পৰোক্ষভাৱেই প্ৰকাশ কৰি গৈছে। ভাগৱত মহাগ্ৰন্থই তাকেই বাৰে-বাৰে গাই গৈ আছে। আন বহুতো মূল্যমান জড়িত বতৰাৰ মাজতেই! তাকেই শিৰত লৈ যে ঃ মানৱ-মন সতেজ সৰল, মুখৰ হৈ ৰ'ব লাগে সেইখিনিকেই এই শোভাযাত্ৰাৰ মূল বতৰাখিনি। আমাৰ জনজীৱনটোৰ 'গণসমাজ'খনে সেই মহীয়ান বতৰাখিনিকে গুৰুত্ব প্ৰদানি, সেই মহাগ্ৰন্থক শিৰত তুলি লৈ নগৰ পৰিভ্ৰমণ কৰে। ইয়াতো গুৰুজনাৰ সমাজ-পৰিশোধনৰ এক অতি দূৰদৰ্শী-চিন্তায়েই প্ৰতিফলিত হয়। ভাগৱতৰ এই চাক্ষুষ মহানতা প্ৰদৰ্শনৰ মাধ্যমটোৰে, জনমানসত ইয়াৰ অন্তৰ্নিহিত হৈ ৰোৱা ভাৱ-বতৰাখিনিৰে এক পৰোক্ষ-ব্যাপনৰ সহায় লয়। এই দৃশ্যক চকুৰে চাই প্ৰতিজন ভক্তৰ 'মন-গহন'ত তাৰ বতৰাই খোপনি লয়। ভক্তিৰ মাধ্যমেৰে-জ্ঞানলৈ ৰূপান্তিৰত হয়। অন্তৰৰ গভীৰত প্ৰৱেশ কৰে-এক সহজ উপায় হিচাপে। আমাৰ সমাজ জীৱনৰ এনেবোৰ বাস্তৱ প্ৰেক্ষাপটৰ শ্বাস-প্ৰশ্বাস বিজড়িত হৈ ৰোৱা, বৈ যোৱা, জাগতিক কৰ্ম-কাণ্ডসমূহকে গুৰুজনাই সাহসেৰে বোৱাই নিছিল। এয়াও হয়তোবা গুৰুজনাই দেখুৱাই যোৱা পথৰ এক 'অনুঘটকীয় প্ৰতিফলন'। গ্ৰন্থ শিৰত ধৰি কৰা শোভাযাত্ৰাৰ গুৰুত্বখিনি শংকৰ-মাধৱে দেখুৱাই যোৱা নামধৰ্মৰ অন্য এক বাখৰ-তুল্য।

শৰত কালৰ ৰাত্ৰি অতি বিতোপন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।।
পূৱত উদয় হৈ আহিছে চন্দ্ৰ-'হৰিয়ে দেখিছে' অখণ্ড মণ্ডলৰ চন্দ্ৰ। সেই 'পৰম শকতি'য়ে অনুভৱ কৰিছে সন্তাপ মৰিষণ কৰিব পৰা-অপূৰ্ব 'অনুকূল-অনুৰাগ।' পদ্মসম কুংকুম ৰঞ্জিত হৈ ৰোৱা বন-বনিয়েও চন্দ্ৰ ৰশ্মিৰে ৰঞ্জিত হৈ বৈ ৰৈছে। সুস্বৰ মধুৰ কৰি হৰিয়ে সেইগৰাকী পাৰ্থিৱ ঈশ্বৰজন নহ'লেওতো কোনো কথা নাই! গীত গোৱা বৰ্ণনাখিনি দেখোন অতি অনাখৰীজনেও বুজি পায় বা উপলব্ধি কৰিব পাৰেঃ ভগৱানে বা ঈশ্বৰেনো কিহৰ মাধ্যমত গীত জুৰিব পাৰে এনে এক পৰিৱেশত? তাক ব্যাখ্যাৰ কিবা প্ৰয়োজন আছে জানো?

সেই শোভাযাত্ৰা দেখি অসমীয়া জনজীৱনৰ অন্তৰ ভকতিৰে ভৰি পৰি হজুৰা-হালোৱাৰো মূৰ দোঁ খায়-হিয়া মন উথলি উঠে। পুনৰবাৰ গুৰু দুজনাৰ কৃতিকৰ্মৰ প্ৰতি এক অসীম তৃষা বা পিপাসাৰে ব্যাকুল হৈ পৰে!....আকৌ এবাৰ যদি পান কৰিব পাৰিলোঁ হয় এই অমৃত ধাৰা -থাউকতে এই ক্ষণতে, এই ঠাইতে, কেতিয়াবা ভাগৱতৰ লগতে 'কলহ' এটায়ো ঠাই পায়- এই শোভা যাত্ৰাত। ইয়াতো সেই একেই মূল্যমান বহন কৰি লোৱা এক ইংগিত। সেই 'কলহটো'ৰেই সূচায় 'অমৃত ভাণ্ডৰ-ভকতি-ৰস'ৰ। এনে মহান এনে ৰসে ভৰা আমাৰ সংস্কৃতি— 'পৃথিৱীৰ ক'তো বিচাৰি নোপোৱা জনমটো কৰিলেও পাত।' ভাগ্যৱান অতি এই অসমীয়া জাতি-যিমানেই প্ৰতিকূলতাৰ মাজত আমি দিন অতিবাহিত কৰি নাথাকোঁ কিয়!

এনেকুৱা অনুকূল কালত ভগৱন্তই গোপীসকলক আহ্বান কৰিলে— এক সুমধুৰ আৰু সঙ্গীতময়, সেই আহ্বান। Bless the LORD, O you his angels, you mighty ones who do his word, obeying the voice of his word.

পৰম শক্তিৰে অনুৰাগ ৰঞ্জিত হৈ কামনা পূৰাবলৈ অধীৰ হয়-নিজৰ আপোনজনৰ স'তে অতি অন্তৰংগ মুহূৰ্তৰ সেই মধুৰ ক্ষণক ত্যজিও। নাৰীসকলে-প্ৰকৃতিয়ে দৌৰিছে একেসংগে সেই সুমধুৰ-সুৰৰ ফালে। এনে ঘটনা ক'তনো ঘটিব পাৰে— এই অসম ভূমিতে গুৰুৰ বৰ্ণনাৰ মাজত। নহয়-সকলোতে আৰু তাকেই শিৰত লৈ নগৰ পৰিভ্ৰমে শংকৰ-প্ৰিয়ই। চকু জুৰ পৰা সেই দৃশ্য, মন জুৰোৱা সেই ক্ষণ আমাৰ জনজীৱনৰ.. এক যেন বৃন্দাৱনী বীক্ষণ।

লৰালৰিকৈ যাবলৈ গোপীসকলৰ উৎকণ্ঠা কি অদম্য —

লৰালৰিত তেওঁলোকৰ বস্ত্ৰ-অলংকাৰ বিপৰ্যস্ত হ'য়।

কিন্তু তথাপি তেওঁলোকে কোনো বিঘিনি বা প্ৰতিবন্ধক নামানে। কৃষ্ণকৃষ্ট-সেই নৈসৰ্গিকতাত মন ভজি ৰোৱা মানুহৰ বাটত কোনো বিঘিনি থাকিবই নোৱাৰে। তেওঁলোকে মুগ্ধ অৰ্থাৎ স্মপ্সৰব্দন্দব্দব্দন্দস্ত হৈ লৰিল; বিঘিনিয়ে বাটত অগা-ভেটা কৰি কি ৰাখিব?

কোনো কোনোজনী যাব নোৱাৰি বিৰহত কৃষ্ণৰ ধ্যানত মগ্ন হ'ল। আৰু ধ্যানত অৰ্থাৎ সমাধিত অচ্যুতৰ আলিংগন লভে। অৰ্থাৎ পুণ্যবন্ধন ক্ষয় হৈ মুক্তি পায়। এয়া দেখোন এক অতি মধুৰ ব্যাপন-প্ৰকৃতিৰে পৰম শকতিৰ মংগলময়ী ভাৱ-ভাৱনাৰ! ইয়াৰ কাৰণ, বস্তু-শক্তিয়ে বুদ্ধিলৈ অপেক্ষা নকৰে। নাজানি অমৃত পান কৰিলেও পান কৰোতাজনে অমৃতৰ ফল পায়। পৰীক্ষিতৰো এই সন্দেহ হৈছিল আৰু সেইদেখি তেওঁ শুকদেৱক তাৰ কাৰণ সুধিছিল। উত্তৰত শুকদেৱে ওপৰত দিয়া কাৰণৰ ভাৱাৰ্থখিনি আছিল এনে: 'জীৱৰ হৃদয়ত থকা ব্ৰহ্ম আবৃত। কিন্তু 'সুন্দৰৰ প্ৰতীক' শৰীৰী-শ্ৰীকৃষ্ণ 'অনাবৃত-ব্ৰহ্ম' সম। তাত বুদ্ধিৰ অপেক্ষা নাই। যেনে— তেনে মতে ভগৱন্তলৈ আসক্তি হ'লেই মুক্তি হয়।' অৰ্থাৎ যি সদায় কাম, ক্ৰোধ, ভয়, স্নেহ, ঐক্য, সম্বন্ধ আৰু সৌহাদ্য ভক্তি হৰিত নিয়োজিত কৰিব পাৰে, সি তাৰ দ্বাৰায়, ঈশ্বৰেৰে স'তে তন্ময় হয়। আৰু তন্ময় হলেই মুক্তি ; এই যে 'ভাৱনাটো ঃ তন্ময় হলেই মুক্তি' ঃ

এক আপ্ত বাক্য সদৃশ বতৰা। কাৰণ শ্ৰীকৃষ্ণৰ দ্বাৰা স্থাৱৰাদিৰো মুক্তি হয় ।যি এক আৰু বৰ্ণহীন, প্ৰাণীসকলৰ প্ৰয়োজন জানি বহু প্ৰকাৰৰ শক্তিৰ দ্বাৰা বিবিধ কাম্য বস্তু বিধান কৰিছে সমুদায় ব্ৰহ্মাণ্ড য'ত ব্যাপ্ত হৈ ৰৈছে যি আমাক শুভ বুদ্ধি দিছে সেই দীপ্যমান পৰমশক্তিক উপলব্ধি কৰি চলিব পাৰিলোহেঁতেন যদি, তেন্তে আমাৰনো কিহৰ চিন্তা? ঈশ্বৰক অৱহেলা কৰি পোৱা শিক্ষাই ধৰ্ম, নীতি, বৰ্জিত শিক্ষাৰ বাবেই সদাচাৰ বিহীনতাৰে আমাক ফোঁপোলা কৰিছে। এৰা হয়- সেই পৰম শক্তিৰ বিষয়ে ভাবি একো লাভ নাই। হয়, আমি ঈশ্বৰৰ বিষয়ে ভাবি একো ঠিক কৰিব নোৱাৰো-গতিকে তেনে চিন্তা কৰাটো বা তেনে চিন্তাত মূৰ ঘমোৱাটো বৃথা। পিছে কথাটো হৈছে-এয়া সম্ভৱ জানো? অলপ গমি চলেই উত্তৰটো পোৱা যায়! তুমি যে সেই পৰম শক্তিৰেই অংশ, জ্ঞানময় এক জীৱন। এটা বিজ্ঞান ইয়াতে আহি পৰে।

অজ্ঞানৰ আৱৰণে তোমাক যিমানেই আচ্ছাদন কৰি নাৰাখক কিয়, ইয়াৰ প্ৰতিক্ৰিয়া হিচাপেই সেই আৱৰণ ভেদিবলৈ তোমাৰ হ'ব পৰা চেষ্টাটো এক অৱশ্যম্ভাৱী প্ৰতিক্ৰিয়া যে! তুমি যে সেই শক্তিৰ কোনো অংশৰ অধিকাৰী হৈয়েই আছা। সেই প্ৰতিক্ৰিয়াটো মানসিকেই হওক বা আভিযান্ত্ৰিকেই হওক, বা দাৰ্শনিকেই হওক। এনে এক মহাগ্ৰন্থক 'জনতাৰ !ৰাইজৰ শিৰত ঠাই দি' শোভাযাত্ৰা কৰি যোৱা এই শোভাবৰ্ধনকাৰী নান্দনিক দৃশ্যই জনতাক উদ্বুদ্ধ কৰে সেই ভাৱনাত নিজকে সমৰ্পণ বা অৰ্পণ কৰিবলৈ!

এই ধৰাতললৈ কিছুমান এনে মানুহৰ আগমন হয় যিসকলে নিজৰ দুঃসাহসিক কৰ্মৰ দ্বাৰা চিৰকালৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰে। সকলো প্ৰত্যাহ্বান নেওচি আপোন উচ্চাকাংক্ষাক সফলভাৱে প্ৰতিষ্ঠা কৰে। হতাশাক কেতিয়াও প্ৰশ্ৰয় নিদিয়া তেনে এজন ব্যক্তি হৈছে পৰ্বতাৰোহী নিৰ্মল পুৰ্জা বা নিৰ্মসদাই। তেওঁ আমাৰ মাজত নাই কিন্তু তেওঁৰ 'হাৰ মনা তেজত নাই মহাশয়' এই উক্তিৰ গুঞ্জন এতিয়া সমগ্ৰ বিশ্বতে সাহসৰ বাণী হৈ বিয়পি পৰিছে।

# নিৰ্মসদাই

## সাহসৰ এক অমৰ প্ৰতীক

**মাহজেবিন আৰা**

এই ধৰাতললৈ কিছুমান এনে মানুহৰ আগমন হয় যিসকলে নিজৰ দুঃসাহসিক কৰ্মৰ দ্বাৰা চিৰকালৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰে। সকলো প্ৰত্যাহ্বান নেওচি আপোন উচ্চাকাংক্ষাক সফলভাৱে প্ৰতিষ্ঠা কৰে। হতাশাক কেতিয়াও প্ৰশ্ৰয় নিদিয়া তেনে এজন ব্যক্তি হৈছে পৰ্বতাৰোহী নিৰ্মল পুৰ্জা বা নিৰ্মসদাই। তেওঁ আমাৰ মাজত নাই কিন্তু তেওঁৰ 'হাৰ মনা তেজত নাই মহাশয়' এই উক্তিৰ গুঞ্জন এতিয়া সমগ্ৰ বিশ্বতে সাহসৰ বাণী হৈ বিয়পি পৰিছে।

নিৰ্মল পুৰ্জাই ১৯৮৩ৰ ২৫ জুলাইত নেপালৰ মিয়াগদি জিলাৰ এখন সৰু গাঁৱত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ সম্পূৰ্ণ নাম নিৰ্মল পুৰ্জা কিন্তু তেওঁ 'নিমস' বা 'নিমসদাই' নামেহে বেছি জনপ্ৰিয় হৈছিল। তেওঁৰ পিতৃ নন্দ বাহাদুৰ পুৰ্জা ভাৰতীয় সেনাৰ এজন গোৰ্খা সৈনিক আছিল। মাতৃ পূৰ্ণা কুমাৰী হৈছে এগৰাকী কৃষি কৰ্মৰ স'তে জড়িত মহিলা।


নিৰ্মল পুৰ্জাৰ শৈশৱ কাল নেপালতে পাৰ হৈছিল। আনুষ্ঠানিক শিক্ষা সাং কৰি তেওঁ প্ৰথমতে সামৰিক সেৱাত যোগদান কৰে। ২০০৩ত তেওঁ ব্ৰিটিছ সেনাৰ ব্ৰিগেড অৱ গোৰ্খাত যোগদান কৰে। তাৰ পাছত তেওঁ ২০০৯ত যুক্তৰাজ্যৰ স্পেচিয়েল বোট ছাৰ্ভিচ এছবিএছত যোগদান কৰা প্ৰথমজন নেপালী নাগৰিক হিচাপে পৰিগণিত হোৱাৰ গৌৰৱ অৰ্জন কৰে। এছবিএছত থকা সময়ছোৱাত পুৰ্জাই শীত কালৰ যুদ্ধ বিশেষজ্ঞ হিচাপে কাম কৰিছিল। এই তীব্ৰ কঠিন সামৰিক প্ৰশিক্ষণে তেওঁৰ মনটোক লোৰ দৰে দৃঢ় কৰি তুলিছিল। চৰম কটকিন পৰিৱেশৰ স'তে সহাবস্থান কৰিব পৰাৰ কৌশল শিকিছিল। এই অভিজ্ঞতাৰে তেওঁৰ পৰৱৰ্তী কালত পৰ্বতাৰোহণলৈ দৰে দুঃসাহসিক ভেটি স্থাপন কৰিছিল। তেওঁ পৰ্বতাৰোহণৰ প্ৰতি আকৃষ্ট হৈ ২০১৮ত ব্ৰিটিছ সামৰিক বাহিনীৰ চাকৰি ত্যাগ কৰি সম্পূৰ্ণভাৱে কেৱল পৰ্বতাৰোহণত মনোনিবেশ কৰে। তাৰ বাবে চাকৰি এৰাৰ সময়ত তেওঁৰ পূৰ্বৰ ব্ৰিটিছ মিলিটাৰী পেন্সনো ত্যাগ কৰিবলগীয়া হৈছিল, যাক তেওঁ জীৱন সলনি কৰিব পৰা এক বৃহৎ পৰিমাণৰ ধন বুলি অভিহিত কৰিছিল।

২০১৯ত নিৰ্মল পুৰ্জা, মিংমা ডেভিদ শ্বেৰ্পা আৰু মিংমা তেনজি শ্বেৰ্পাই মিলি 'এলিট এক্সপেড' নামে এক সংস্থা প্ৰতিষ্ঠা কৰি আৰু 'Project Possible' নামৰ এক অভিযান আৰম্ভ কৰে । ঐতিহাসিক 'প্ৰজেক্ট পচিবল' অভিযানত পৃথিৱীৰ মুঠ ১৪ টা সৰ্বোচ্চ শৃংগ আৰোহণ কৰে। তেওঁৰ পৰ্বতাৰোহণৰ এই অভিযানে পূৰ্বৰ অভিলেখ ভংগ কৰিছিল। উল্লেখ্য যে ইয়াৰ পূৰ্বৰ এই অভিলেখ আছিল সাত বছৰতকৈও অধিক কাল। তেওঁৰ এই দুঃসাহসিক কৰ্মৰ দ্বাৰা সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। আঠ হেজাৰ মিটাৰতকৈ অধিক উচ্চতাৰ বিশ্বৰ আটাইতকৈ ওখ আটাইকেইটা শৃংগ নিম্নতম সময়ত আৰোহণ কৰা তেওঁৰ এই দুঃসাহসিক কৰ্মই পৰ্বতাৰোহণৰ ইতিহাসত নতুন অধ্যায়ৰ সূচনা কৰে।

২০১৯ৰ ২৯ অক্টোবৰত পুৰ্জাই তিব্বতৰ শিচাপাংমাত ভৰি থৈ মাত্ৰ ছমাহ আৰু ছদিনৰ ভিতৰত সম্পূৰ্ণ কৰা এই প্ৰকল্পৰ যুগান্তকাৰী কৃতিত্ব ২০২১ৰ বিশ্বজুৰি প্ৰশংসিত নেটফ্লিক্স ডকুমেন্টৰী '১৪ পিকচ ঃ নাথিং ইজ ইম্পচিবল'ত বন্দী কৰা হৈছিল। এই ধুমুহাৰ দৰে অভিযানৰ সময়ত তেওঁ মাত্ৰ ৪৮ ঘণ্টাৰ ভিতৰত মাউণ্ট এভাৰেষ্ট, লহোটচে আৰু মাকালু আৰোহণ কৰি গতিৰ অভিলেখ ভংগ কৰিছিল। উইণ্টাৰ কেচ (২) প্ৰজেক্ট পচিবলে তেওঁৰ অনিৰুদ্ধ গতি প্ৰমাণ কৰি ২০২১ৰ শীতকালত তেওঁ পৰ্বতাৰোহণৰ ইতিহাসত নিজৰ স্থান চিৰস্থায়ী কৰিছিল। বিশ্বৰ দ্বিতীয় সৰ্বোচ্চ আৰু আটাইতকৈ বিপজ্জনক পাহাৰ কেচ-এ ইতিহাসৰ প্ৰতিটো শীতকালীন প্ৰচেষ্টাক তীব্ৰভাৱে প্ৰতিহত কৰিছিল। ২০২১ৰ ১৬ জানুৱাৰীত পুৰ্জাই এক ১০ জনীয়া সম্পূৰ্ণ নেপালী দলক নেতৃত্ব দি ইতিহাসত প্ৰথমবাৰৰ বাবে শীতকালত কেচ আৰোহণ কৰাত সফলতা লাভ কৰে। পুৰ্জাই কোনো অতিৰিক্ত অক্সিজেন অবিহনে হাড় কঁপোৱা ঠাণ্ডাক প্ৰত্যাহ্বান জনাই আৰোহণ সম্পূৰ্ণ কৰিছিল। এক শক্তিশালী একতা প্ৰদৰ্শন কৰি, দলটোৱে হাতত হাত ধৰি নেপালৰ ৰাষ্ট্ৰীয় সংগীত গাই একেলগে শিখৰত ভৰি থৈছিল।

'হাৰ মনাটো আমাৰ তেজত নাই।' এইটোৱেই আছিল নিমসদাই পুৰ্জাৰ জীৱনৰ সৰল মন্ত্ৰ। তেওঁ সমগ্ৰ বিশ্বক প্ৰমাণ কৰি দেখুৱালে যে সঠিক আৰু সফল মানসিকতা থাকিলে মানুহৰ সফলতাৰ সম্ভাৱনা সীমাহীন। ২০২৬ৰ ৩০ জুলাইত নিৰ্মল 'নিমছসাই' পুৰ্জাৰ নেতৃত্বত ১০ জনীয়া পৰ্বতাৰোহী দলে পাকিস্তানৰ কাৰাকোৰাম পৰ্বতমালাৰ 'ব্ৰড পিক' (Broad Peak) আৰোহণ কৰাৰ সময়ত এক ভয়ংকৰ তুষাৰস্খলনৰ কবলত পৰি ৪৩ বছৰ বয়সত মৃত্যুবৰণ কৰে। দুই আগষ্টত উদ্ধাৰকাৰী দলে পৰ্বতখনৰ প্ৰায় ৫,৭০০ মিটাৰ উচ্চতাৰ পৰা নিৰ্মল পুৰ্জাৰ মৃতদেহ উদ্ধাৰ কৰে। ব্ৰড পিকত তেওঁৰ কৰুণ মৃত্যুৱে বিশ্ব ক্ৰীড়া জগতৰ বাবে এক শোকাবহ দিন কঢ়িয়াই আনিলে যদিও তেওঁৰ কৃতিত্ব পৰ্বতাৰোহণৰ ইতিহাসৰ বুকুত চিৰদিনৰ বাবে খোদিত হৈ ৰ'ব। তেওঁ কেৱল এজন ৰেকৰ্ড ভংগকাৰী হিচাপেই নহয়, বৰঞ্চ প্ৰকৃতিৰ এক প্ৰচণ্ড শক্তি হিচাপে স্মৰণীয় হৈ থাকিব, যিয়ে পৃথিৱীক আটাইতকৈ ওখ শিখৰবোৰলৈ চাই বিশ্বাস কৰিবলৈ শিকাইছিল যে কোনো কামেই প্ৰকৃততে অসম্ভৱ নহয়।

নিমসদাইৰ উত্তৰাধিকাৰী এতিয়া হিমালয়ত ফুল হৈ ফুলিছে। নিৰ্মল পুৰ্জা 'নিমসদাই'-এ মাত্ৰ ছয় মাহৰ এক অভিলেখ সময়ৰ ভিতৰত পৃথিৱীৰ ৮,০০০ মিটাৰতকৈ অধিক উচ্চতাৰ ১৪টা শৃংগ আৰোহণ কৰি এক অনন্য কৃতিত্ব অৰ্জন কৰিছিল। তেওঁ ভালপোৱা হিমালয়ৰ পৰিৱেশ সংৰক্ষণৰ বিষয়েও জনসচেতনতা সৃষ্টি কৰিছিল। সেয়ে তেওঁৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ এবিধ নতুনকৈ আৱিষ্কৃত ফুলৰ গছৰ নাম তেওঁৰ নামেৰে নামকৰণ হৈছে। উদ্ভিদবিজ্ঞানী ভক্ত বাহাদুৰ ৰাস্কোটি আৰু ৰীতা আলেই নেপালৰ মিয়াগদি জিলাৰ প্ৰায় ২,৯০০ মিটাৰ উচ্চতাত আৰ্দ্ৰ বনাঞ্চলৰ ঢালত এই নতুন প্ৰজাতিটো চিনাক্ত কৰে। স্থানীয়ভাৱে 'তিবুৰী' নামেৰে পৰিচিত এই উদ্ভিদবিধ Impatiens পৰিয়ালৰ অন্তৰ্গত। তেওঁলোকে ইয়াৰ নাম ৰাখিলে Impatiens nimspurjai। এই নামটো 'Nims Purja' আৰু 'jai'— জেচমিন ফুলৰ বাবে ব্যৱহৃত নেপালী শব্দ— এই দুটা শব্দৰ সংমিশ্ৰণ। তেওঁৰ নাম ফুলৰ সুগন্ধিৰ দৰেই যেন সমগ্ৰ পৃথিৱীত বিয়পিছে। ৰাস্কোটিয়ে কেতিয়াও পুৰ্জাক লগ পোৱা নাছিল। কিন্তু তেওঁ পুৰ্জাৰ কৃতিত্ব, সাহস আৰু বিশেষকৈ পৰিৱেশ সংৰক্ষণৰ কাম-কাজ অনুসৰণ কৰিছিল। এভাৰেষ্ট, কে২ আৰু মানাস্লুত পুৰজাই নেতৃত্ব দিয়া পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযানসমূহৰ জৰিয়তে তেওঁৰ দলে পাহাৰৰ পৰা পেলাই থোৱা পাঁচশ কিলোগ্ৰামতকৈও অধিক সামগ্ৰী আঁতৰাইছিল। ৰাস্কোটিয়ে, 'এদিন যে মই তেওঁৰ বিষয়ে অতীত কালত কথা পাতিব লাগিব, সেই কথা মই কেতিয়াও কল্পনা কৰা নাছিলো। কিন্তু এতিয়া তেওঁৰ নামেৰে নামকৰণ কৰা এই প্ৰজাতিটোৱে তেওঁৰ উত্তৰাধিকাৰৰ এটা সৰু অংশ আগুৱাই লৈ গৈছে বুলি অনুভৱ কৰো।' এই ফুলবিধ পুৰ্জাই এসময়ত ভৰি থোৱা সুউচ্চ শৃংগবোৰৰ হিমালয়ৰ পৰিৱেশত গজে। সেই পৰিৱেশৰ সংৰক্ষণৰ বাবে তেওঁ আজীৱন কাম কৰিছিল।




নিৰ্মল পুৰ্জাৰ কৃতিত্ব পৰ্বতাৰোহণৰ ইতিহাসত কেৱল এজন ৰেকৰ্ড ভংগকাৰী হিচাপেই নহয়, বৰঞ্চ প্ৰকৃতিৰ এক প্ৰচণ্ড শক্তি হিচাপে স্মৰণীয় হৈ থাকিব, যিজনে পৃথিৱীক আটাইতকৈ ওখ শিখৰবোৰত দৃষ্টি ৰাখি বিশ্বাস কৰিবলৈ শিকাইছিল যে কোনো কামেই প্ৰকৃততে অসম্ভৱ নহয়।

ফোন ঃ ৯১০১২৬৪২৭৩



তাঁতশাল আৰু শিপিনী হ'ল অসমীয়া সমাজৰ চহকী সংস্কৃতি, পৰম্পৰা আৰু স্বাভিমানৰ মূল বিষয়। 'অসমীয়া শিপিনীয়ে তাঁতশালত সপোন ৰচে' —তাহানিতেই কৈ থৈ যোৱা জাতিৰ পিতা মহাত্মা গান্ধীৰ কথাষাৰ অসমীয়া সমাজত আজিও বিদ্যমান। গামোছা, মেখেলা-চাদৰ, পাট-মুগা আৰু এড়ি কাপোৰ অসমীয়াৰ গৌৰৱ। ৰঙালী বিহুৰ সময়ত শিপিনীসকলে তাঁতশালত ব্যস্ত হৈ পৰে, পৰম্পৰাক জীয়াই ৰাখে। সেয়েহে সাতবিহুৰ অন্যতম তাঁতৰ বিহু অতি আদৰৰ, চেনেহৰ।

# তাঁতিপাৰাৰ তাঁতশাল আৰু শিপিনী

তাঁতশাল আৰু শিপিনী হ'ল অসমীয়া সমাজৰ চহকী সংস্কৃতি, পৰম্পৰা আৰু স্বাভিমানৰ মূল বিষয়। 'অসমীয়া শিপিনীয়ে তাঁতশালত সপোন ৰচে' — তাহানিতেই কৈ থৈ যোৱা জাতিৰ পিতা মহাত্মা গান্ধীৰ কথাষাৰ অসমীয়া সমাজত আজিও বিদ্যমান। গামোছা, মেখেলা-চাদৰ, পাট-মুগা আৰু এড়ি কাপোৰ অসমীয়াৰ গৌৰৱ। ৰঙালী বিহুৰ সময়ত শিপিনীসকলে তাঁতশালত ব্যস্ত হৈ পৰে, পৰম্পৰাক জীয়াই ৰাখে। সেয়েহে সাতবিহুৰ অন্যতম তাঁতৰ বিহু অতি আদৰৰ, চেনেহৰ। অতীজৰ দিনত প্ৰতিগৰাকী অসমীয়া নাৰীৰ বাবে তাঁতশাল হৈ পৰিছিল হিয়াৰ আমঠু আৰু একপ্ৰকাৰ এৰাব নোৱৰা সংগী, যাক দোকমোকালিতেই গৈ এবুকু মৰমেৰে সাবটি ধৰে । মাকো, যঁতৰ, মহুৰা, ৰাঁচ আদি বিভিন্ন সঁজুলিৰে তাঁতশালখন সাজু কৰি হস্তশিল্পৰ মাধ্যমেৰে অসমীয়া নাৰীয়ে শিপিনীৰ ৰূপেৰে নতুন ছবি আঁকিবলৈ লয়। আজিৰ আধুনিকতাৰ মাজতো গ্ৰাম্য অঞ্চলৰ শিপিনীবোৰে এই শিল্পৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ যত্ন কৰে।

মূলতঃ কপাহ বা কপাহী সূতাৰ পৰা কাপোৰ তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা যন্ত্ৰকে তাঁতশাল বোলে। আধুনিক বস্ত্ৰ কাৰখানাত স্বয়ংক্ৰিয় তাঁতশাল ব্যৱহাৰ কৰা হয় যদিও অসমীয়া সমাজত তাঁতশালহে অধিক জনপ্ৰিয়। তাঁতশালৰ আছে স্বকীয় বৈশিষ্ট্য। সাধাৰণতে তাঁতশাল নামৰ যন্ত্ৰটোত সূতা কুণ্ডলীৰ ৰূপত সুমুৱাই দিয়া

**ৰূপক বৈশ্য**

হয়। তাঁতশালৰ আকৃতি আৰু ইয়াত ব্যৱহাৰ কৰা কৌশলসমূহো বেলেগ বেলেগ হ'ব পাৰে। 'হাতে বোৱা কাপোৰ' শব্দটো 'তন্তু বায়ন'ৰ পৰা উদ্ভৱ হৈছে। তাঁতশাল অসমীয়া মানুহৰ বাবে অন্যতম এক জাতীয় শিল্পস্বৰূপ। এই শাল অসমীয়া লোকশিল্পৰ লগত ওতপ্ৰোতঃভাৱে জড়িত। অতীজত অসমত অসমীয়া মহিলাই তাঁত ববলৈ নজনাটো এটা যেন লাজৰ কাৰণেই আছিল। অতি প্ৰাচীন কালৰে পৰাই অসমৰ তাঁতৰ কাপোৰৰ সুখ্যাতি আছে। তাহানিৰ অসমত অসমীয়া মহিলাই তাঁতশালত একেনিশাই স্বামীৰ বাবে ৰক্ষা কবচ কাপোৰ বৈ দিয়াৰ কথা বুৰঞ্জীত পোৱা যায়। কোঁচৰজা মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰচেষ্টাত তাঁতীকুছিত বোৱা বৃন্দাবনী বস্ত্ৰ বিশেষভাৱে উল্লেখনীয়।

তাঁতশালেৰে স্বাৱলম্বী হোৱা নলবাৰী জিলাৰ নিজ পকোৱা গাঁৱৰ চুবুৰি তাঁতিপাৰাত সোমাই আছে এক কলা, যিয়ে মানুহৰ মৌলিক প্ৰয়োজনীয় অন্যতম বস্তুবিধৰ প্ৰয়োজনীয়তাক এক শিল্পলৈ ৰূপান্তৰিত কৰিছে। নামটোৰেই তাৎপৰ্য বহন কৰা এই তাঁতিপাৰা চুবুৰিটোৰ পুৰুষসকল এসময়ত কেৱল কৃষিকৰ্ম আৰু মহিলাসকল বোৱনী বা শিপিনী হিচাপেই কৰ্মৰত আছিল। হাতশালৰ পৰা তাঁতশালৰে বিখ্যাত হৈ পৰা চুবুৰিটোৰ নামেই য'ত হৈ পৰিছিল তাঁতিপাৰা। আজিৰ প্ৰজন্মই ইয়াৰ ইতিহাস জনাটো প্ৰয়োজনীয়। পুৰুষসকলে খাদ্য যোগানৰ নিমিত্তে কৃষিকাৰ্যত নিয়োজিত হৈছিল আৰু বিপৰীতে মহিলসকলে ৰন্ধা-বঢ়াৰ লগতে পৰিয়ালটোৰ প্ৰতিগৰাকী সদস্যৰ বাবে প্ৰয়োজনীয় কাপোৰ প্ৰস্তুত কৰিছিল। পূৰ্বতে চুবুৰিটোৰ প্ৰতিখন ঘৰতেই একোখনকৈ তাঁতশাল আছিল আৰু আজিও চুবুৰিবাসীয়ে সেয়া এক পৰম্পৰাৰ দৰে ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে। অৰ্থাৎ চুবুৰিটোৰ নামটোৰ যথাৰ্থতা বহন কৰোৱাই ৰাখিবলৈ আজিকোপতি সক্ষম হৈছে চুবুৰিটোৰ বাসিন্দাসকল। অৱশ্যে সময়ৰ সোঁতত আজি গাঁওখনক একপ্ৰকাৰ নগৰসদৃশ পৰিৱেশে আৱৰি ধৰা যেন লাগে যদিও সেই মান, স্বাভিমান অটুট ৰাখিছে। অতীজৰ পৰম্পৰা হিচাপেই হওক বা উপাৰ্জনৰ কাৰণেই হওক, বহুতো জীয়ৰী-বোৱাৰীয়ে তাঁতশালত ৰচি গৈ আছে সপোনবোৰ। আজিও নিজৰ তাঁতশালখনৰ পৰাই আপোনজনক বিহুৱান যঁচাৰ সংস্কৃতিক জীপাল কৰি ৰাখিছে। ককা-আইতা, আই-পিতাৰ চুৰিয়াখন, গামোছাখন, মেখেলা চাদৰযোৰ তাঁতশালখনতেই বৈ উলিয়াই আছে চুবুৰিটোৰ শিপিনীসকলে । ব'হাগ বিহুৰ প্ৰাক্ ক্ষণত তাঁতশালখনৰ শব্দই চুবুৰিটোক এক অনন্য মাত্ৰা প্ৰদান কৰে, যি শুনিলেই হিয়া-মন জুৰ পৰে। তাঁতশালখনেই অসমীয়া সমাজৰ ঐতিহ্যক মহীয়ান কৰি তোলে। তাঁতিপাৰা চুবুৰিটোৰ আজিও এনে বহু পৰিয়াল আছে, যিয়ে কেৱল তাঁতশালখনৰ পৰাই উপাৰ্জন কৰা ধনৰাশিৰে পৰিয়ালৰ ভৰণ-পোষণ দিয়াত এক মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। নামঘৰলৈ গ'লে আয়তীসকলৰ লগতে পুৰুষসকলৰ একাংশই গৃহিণীগৰাকীয়ে নিজ হাতে প্ৰস্তুত কৰি দিয়া পোছাক-পৰিচ্ছদ পৰিধান কৰিয়েই আঠু লয়। বিহু সংক্ৰান্তি, পূজা-পাৰ্বন আদিতো বিভিন্নজন গঁৱলীই হাতেবোঁৱা পোছাক পৰিধান কৰি আনন্দিত হোৱা দেখা যায়। চুবুৰিটোৰ প্ৰতিখন ঘৰত আজিও তাঁতশালখনত বোৱা এড়ি কাপোৰ আছে। আঠুৱাখনকে আদি কৰি বিছনা চাদৰ, বিভিন্ন ৰং-বিৰঙৰ নানান ডিজাইন ছাৰ্টৰ কাপোৰ ইত্যাদি তাঁতশালখনত বৈয়েই প্ৰিয়জনক যঁচাৰ যি আবেগিক সম্পৰ্ক সেয়া কিমান যে মধুৰ তাক হয়তো ভাষাৰে বৰ্ণাব নোৱাৰি। জন্মসূত্ৰে নিজেই এগৰাকী তাঁতিপাৰাৰ লোক বুলি চিনাকি দি গৌৰৱবোধ কৰো। শিপিনীৰ হাতৰ পৰশত প্ৰাণ পাই উঠা মৰম, আদৰ, চেনেহবোৰেই হৃদয়ৰ শিল্পৰূপে আজিও তাঁতিপাৰা চুবুৰিক জিলিকাই ৰাখিছে, যাৰ বাবে নলবাৰী জিলাখনৰ সমগ্ৰ অঞ্চলৰ ভিতৰতেই তাঁতশালৰ বাবেই বিখ্যাত হৈ পৰা আমাৰ আদৰৰ তাঁতিপাৰা চিৰদিন চিৰকাল তাঁতিপাৰা হৈয়েই ৰওক।

ফোন ঃ ৯১০১০০৮৫৮৭



# তেজপুৰৰ সুৰুজ ডেকাৰ বিয়োগ

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ২৪ আগষ্ট ঃ** তেজপুৰৰ নিকটৱৰ্তী বিহগুৰি কলিতা গাঁও নিবাসী সুৰুজ ডেকা (৪৮)ৰ যোৱা ২২ আগষ্টত সন্ধিয়া প্ৰায় সাত বজাত বিয়োগ ঘটিছে। উল্লেখ্য যে তেওঁ ছাগলীআহত অঞ্চলৰ ব্ৰহ্মপুত্ৰ পাব্লিক স্কুলৰ প্ৰধান শিক্ষক আছিল। শৈক্ষিক ক্ষেত্ৰখনত এজন মেধাৱী ব্যক্তি হিচাপে পৰিচিত ডেকাই ২০১০ৰ পৰা বিহগুৰিৰ শংকৰদেৱ জাতীয় বিদ্যালয়ত শিক্ষকতা কৰাৰ পাছত ২০১৬ত আন দুজন সহযোগীৰ স'তে ব্ৰহ্মপুত্ৰ পাব্লিক স্কুলখন স্থাপন কৰি তেওঁ বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰে। যোৱা কিছুদিন ধৰি তেওঁ কৰ্কট ৰোগত আক্ৰান্ত হৈ চিকিৎসা গ্ৰহণ কৰি আছিল যদিও যোৱা ২২ আগষ্টত তেওঁৰ বিয়োগ ঘটে। বিয়োগৰ সময়ত তেওঁ পত্নীৰ লগতে দুগৰাকী কন্যা সন্তান এৰি গৈছে। এজন সৰবৰহী ব্যক্তি হিচাপে পৰিচিত ডেকাৰ বিয়োগত অঞ্চলটোৰ লগতে তেওঁৰ ঘনিষ্ঠ মহলত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে বিহগুৰি কলিতাগাঁৱত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বহুসংখ্যক লোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত বিহগুৰি কলিতাগাঁৱৰ ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। ডেকাৰ নশ্বৰদেহত মুখাগ্নি কৰে তেওঁৰ ১৬ বছৰীয়া জ্যেষ্ঠ কন্যাই।

# চীনা আগ্ৰাসন ঃ টাকচিঙৰ আৰাসীৰ

*তিনি পৃষ্ঠাৰ পৰা* টাকচিং অঞ্চলৰ বাসিন্দাসকলে অভিযোগ কৰিছে যে শেহতীয়াকৈ চীনে এনে কিছু অঞ্চলত পথ নিৰ্মাণ কৰিছে আৰু একাধিক সেনা চকী স্থাপন কৰিছে, যিবোৰ অঞ্চললৈ পূৰ্বে অৰুণাচল প্ৰদেশৰ বাসিন্দাসকলৰ অবাধ যাতায়াত আছিল। উল্লেখ্য যে সদৌ অৰুণাচল প্ৰদেশ ছাত্ৰ সন্থাই গ্ৰহণ কৰা টাকচিং চলো, ভাৰত বচাও অভিযানৰ অংশৰূপে সংগঠনটোৰ সাধাৰণ সম্পাদক মাটো বুইৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধি দলৰ শেহতীয়া ভ্ৰমণৰ সময়ত এই বিষয়টো পোহৰলৈ আহে। প্ৰতিনিধি দলটোৱে ১৩ আগষ্টত টাকচিঙত উপস্থিত হয় আৰু ১৫ আগষ্টত টাকচিং চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয়ত দেশৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। প্ৰতিনিধি দলটোৰ স'তে হোৱা বাৰ্তালাপত স্থানীয় ৰাইজে অভিযোগ কৰে যে পূৰ্বে এই অঞ্চলত চীনৰ কেৱল এটা সামৰিক চকী আছিল, কিন্তু ২০২০ৰ পৰা চীনৰ কে'বাটাও নতুন চকী গঢ়ি উঠিছে। আপছুৰ নেতৃত্বৰ আগত তেওঁলোকে লগতে দাবী কৰে যে স্থানীয় বাসিন্দাসকলে পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি অহা অঞ্চলবোৰত চীনৰ দিশৰ পৰা পথ নিৰ্মাণৰ কাম কৰা হৈছে আৰু ভাৰতীয় ভূখণ্ড বুলি গণ্য কৰা অঞ্চলসমূহতো এতিয়া সাধাৰণ নাগৰিকৰ চলাচল সীমিত কৰি দিয়া হৈছে। ফলত চিকাৰৰ লেখিয়া পৰম্পৰাগত জীৱিকা আৰু কাৰ্যকলাপ ব্যাহত হৈছে। একাংশ বাসিন্দাই ভৌগোলিক মানচিত্ৰক লৈও উদ্বেগ প্ৰকাশ কৰি কয় যে ইয়াত জিঅ'-টেগিঙৰ জৰিয়তে পৰীক্ষা কৰিলে কিছুমান পৰম্পৰাগত অঞ্চল ভাৰতীয় ভূখণ্ডৰ বাহিৰত থকা দেখুৱায়। একেদৰে আপছুৰ সাধাৰণ সম্পাদক মাটো বুইয়ে স্থানীয় সংবাদমাধ্যমৰ আগত কয়, 'সীমান্তৰ বাসিন্দাসকলে উত্থাপন কৰা এই সমস্যাসমূহ হৃদয়ংগম কৰিবলৈ তথা সত্যতা নিৰূপণ কৰিবলৈ প্ৰতিনিধি দলটোৱে এই সীমান্ত অঞ্চল ভ্ৰমণ কৰে। দলটোৱে অঞ্চলটোৰ প্ৰথমখন গাঁও বুলি পৰিচিত গালেমোৰ লগতে মাজা আৰু অন্যান্য স্থানসমূহ পৰিদৰ্শন কৰে।'

আনহাতে, অল তাগিন ষ্টুডেন্টছ ইউনিয়নেও টাকচিং-গালেমো সীমান্ত অঞ্চলত চীনৰ সেনাৰ উপস্থিতিৰ খবৰ পোৱাৰ পাছত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক জৰুৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ পৃথকে দাবী জনাইছে। আটছুৰ সভাপতি তাদাক পাকবাই কালি উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰি এই খবৰৰ সত্যতা নিৰূপণ আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। আটছুৰ মতে, তেওঁলোকৰ দলেও সীমান্তৱৰ্তী গাঁওসমূহ ভ্ৰমণ কৰি বাসিন্দাসকলৰ স'তে মত বিনিময় কৰাৰ সময়ত স্থানীয় ৰাইজে তেওঁলোকৰ সুৰক্ষাক লৈ গভীৰ আশংকা প্ৰকাশ কৰিছিল। ছাত্ৰ সংগঠনটোৱে সীমান্তৱৰ্তী জনসাধাৰণে সন্মুখীন হোৱা দুৰ্বল পথ যোগাযোগ, অত্যাৱশ্যকীয় সেৱাৰ অভাৱ আৰু দুৰ্বল আন্তঃগাঁথনিৰ কথা উল্লেখ কৰে। আটছুৱে চৰকাৰৰ ওচৰত নদফীয়া দাবী সম্বলিত এখন পত্ৰও দাখিল কৰিছে। ইয়াৰ ভিতৰত স্থানীয়ভাৱে শ্বেৰা-চতুৰ্থ, শ্বেৰা-পঞ্চম, চিপি-পঞ্চম আৰু চিপি-ষষ্ঠ খ্যাত অঞ্চলসমূহত চীনা সৈন্যৰ উপস্থিতিৰ তদন্ত কৰা, নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰা, পহৰা বা নিৰীক্ষণ বৃদ্ধি কৰা আৰু অনুপ্ৰৱেশ নিশ্চিত হ'লে যিকোনো অননুমোদিত বিদেশী শক্তিক বহিষ্কাৰ কৰাৰ দাবী কৰা হৈছে। সংগঠনটোৱে সীমান্ত পথ নিৰ্মাণকাৰী সংস্থাৰ কাম-কাজৰ পৰ্যালোচনা কৰিবলৈও দাবী জনাইছে। তেওঁলোকে অভিযোগ কৰে যে গুৰুত্বপূৰ্ণ সামৰিক পথ প্ৰকল্পসমূহৰ কামত অত্যধিক পলম হৈছে, গতিকে খৰতকীয়া কামৰ বাবে বিকল্প সংস্থাক দায়িত্ব দিয়াৰ কথাও বিবেচনা কৰিব লাগে। তদপৰি, অনুমোদিত গুৰুত্বপূৰ্ণ পথ নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণৰ কাম সম্পূৰ্ণ কৰা, টাকচিঙত এজন ৰাজহ চক্ৰ বিষয়া নিযুক্তি দিয়া আৰু ম'বাইল তথা ইণ্টাৰনেট সংযোগৰ জৰুৰী উন্নতি সাধন কৰাৰ দাবীৰ লগতে সীমান্ত অঞ্চলত পথ, দলং, বিদ্যুৎ, স্বাস্থ্যসেৱা আৰু শিক্ষাৰ দৰে সা-সুবিধাসমূহৰ দ্ৰুত উন্নয়নৰ দাবী জনায়।

তদুপৰি, এই সীমান্ত অঞ্চলৰ পৰিস্থিতি পৰ্যালোচনাৰ বাবে এটা উচ্চস্তৰীয় যৌথ পৰিদৰ্শনকাৰী দল গঠনৰ আহ্বান জনাই সংগঠনটোৱে এটা সময়সীমা নিৰ্ধাৰিত কৰা কাৰ্যপন্থা আৰু ব্যৱস্থা গ্ৰহণৰ দাবী কৰিছে। দুয়োটা ছাত্ৰ সংগঠনেই সীমান্তৰ সুৰক্ষা কেৱল সামৰিক দিশতে সীমাবদ্ধ নহয় বুলি প্ৰকাশ কৰি ইয়াৰ বাবে আন্তঃগাঁথনিৰ উন্নয়ন, যোগাযোগ ব্যৱস্থাৰ সুদৃঢ়কৰণ আৰু এই গুৰুত্বপূৰ্ণ অঞ্চলটোত বসবাস কৰা লোকসকলৰ কল্যাণ সাধন কৰাটো অত্যন্ত জৰুৰী বুলিও কয়। প্ৰণিধানযোগ্য যে অৰুণাচল প্ৰদেশৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ একাধিক অঞ্চলত বৰ্তমানলৈকে একোখন দলং নিৰ্মাণ তথা দূৰসংযোগ ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত ভাৰতক বাৰণ কৰি আহিছে চীনে।

# 'মানুহে মানুহৰ বাবে' শীৰ্ষক গীতটো

*তিনি পৃষ্ঠাৰ পৰা* ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কলকাতা নিবাসী, সাহিত্য একাডেমী বঁটা বিজয়ী সাহিত্যিক ছৈয়দ হাসমত জালালে এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ কয়, 'বাংলাৰ শ্ৰোতাই ভূপেনদাৰ গানক নিজৰ গান হিচাপে গ্ৰহণ কৰিছিল। ফলত অসমৰ এগৰাকী শিল্পীয়ে বাংলা ভাষাৰ সাংস্কৃতিক পৰিসৰত এনদৰে প্ৰবেশ কৰিছিল যে তেওঁক অসমৰ শিল্পী বুলি পৃথককৈ কোৱাৰ প্ৰয়োজন নাথাকিল। তেওঁ হৈ উঠিল বাংলাৰো আপোন শিল্পী।' অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত 'অসম-বংগৰ সাংস্কৃতিক সেতুবন্ধন ড° ভূপেন হাজৰিকাৰ অৱদান' শীৰ্ষক এক গাম্ভীৰ্যপূৰ্ণ আলোচনা সত্ৰ উদ্বোধন কৰে কলকাতাস্থিত অসম ভৱনৰ আৱাসিক আয়ুক্ত ৰশ্মীৰ কুমাৰ দাসে। আলোচনা সত্ৰখনত আলোচক হিচাপে বিশিষ্ট সংগীত শিল্পী কমল কটকী, সাহিত্যিক গৱেষক ড° দেৱজিৎ ভুঞা, ড° ভূপেন হাজৰিকা আন্তৰ্জাতিক ফাউণ্ডেছনৰ সচিব ৰঞ্জন কুমাৰ দত্ত আৰু বিশিষ্ট নাট্যকাৰ ধ্ৰুবজ্যোতি শৰ্মাই বক্তব্য আগবঢ়ায়।

সভাপতিৰ ভাষণত ড° গোস্বামীয়ে কয়, 'অসম সাহিত্য সভাৰ উদ্যোগত আৰু কলকাতা শাখা সাহিত্য সভাৰ সহযোগত পশ্চিমবংগৰ কলকাতাস্থিত অসম ভৱনত বৰ্ণাঢ্য কাৰ্যসূচীৰে বিশ্বৰত্ন, ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ স্মৰণ কৰিবলৈ পোৱাটো আমাৰ সকলোৰে বাবে গৌৰৱৰ কথা। মৃত্যুৰ পাছত ড° হাজৰিকাৰ প্ৰিয় চহৰ কলকাতাত উলহ-মালহেৰে জন্ম শতবাৰ্ষিকীৰ কাৰ্যক্ৰম উদযাপন কৰাটো জাতিৰ বাবে আশাৰ বতৰা হিচাপে পৰিগণিত হ'ব।' অনুষ্ঠানত অসম আৰু পশ্চিমবংগৰ মাজত সাংস্কৃতিক সম্পৰ্ক সুদৃঢ় কৰাত ড° ভূপেন হাজৰিকাৰ অনবদ্য অৱদানৰ গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। পুৱা ছল্ট লেকস্থিত অসম ভৱনৰ প্ৰাংগণত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে সাহিত্য সভাৰ সভাপতি ড° গোস্বামীয়ে আৰু অনুষ্ঠানৰ পতাকা উত্তোলন কৰে অসম সাহিত্য সভাৰ কলকাতা শাখাৰ সভাপতি জীৱন নয়ে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্জ্বলন কৰাৰ পাছত মুকলি সভাৰ বিষয়ববীয়া আৰু কলকাতা শাখা সাহিত্য সভাৰ সদস্যসকলৰ সম্মিলিত কণ্ঠেৰে সভাৰ আৰম্ভণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী' পৰিৱেশন কৰে। আলোচনা সত্ৰৰ পাছত ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে এক শ্ৰদ্ধাৰ্ঘ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। আকাশবাণী দিল্লীৰ প্ৰাক্তন বাতৰি পৰিৱেশক নেকিব আহমেদে উদ্বোধন কৰা এই অনুষ্ঠানত কমল কটকী, কাশ্মিৰী কটকী মালিক, সৌৰভ সাহা, পৰিমল দাস, ৰঞ্জন কুমাৰ দত্ত, স্বৰগম গোস্বামীয়ে গীত পৰিৱেশন কৰাৰ উপৰি নৃত্যশিল্পী অঞ্জিতা বৰুৱা, প্ৰৱিশা দাস, বিদিশা সাহিয়ে নৃত্য পৰিৱেশন কৰে। অসম আৰু পশ্চিমবংগৰ কে'বাগৰাকী বিশিষ্ট শিল্পীয়ে ড° ভূপেন হাজৰিকাৰ কালজয়ী সৃষ্টিৰে অনুষ্ঠান জীপাল কৰি তোলে। সাহিত্য সভাৰ সভাপতি ড° গোস্বামী, উপ-সভাপতি পদুম কুমাৰ শৰ্মা আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই এই অনুষ্ঠানতে অসম সাহিত্য সভাৰ তৰফৰ পৰা বিশিষ্ট সংগীত শিল্পী ডলী ঘোষ, মণিপুৰী নৃত্য বিশেষজ্ঞ, সংগীত নাটক একাডেমী বঁটা বিজয়ী মীনাক্ষী চিনহা, পত্ৰ ভাৰতীৰ পৃষ্ঠপোষক আৰু কিশোৰ ভাৰতীৰ সম্পাদক, সাহিত্য একাডেমী সন্মানেৰে বিভূষিত ত্ৰিদিব চেটাৰ্জী আৰু এ এল ব্ৰাণৰ অধ্যক্ষা শিক্ষাব্ৰতী ৰেখা চলিহা বসুক ড° ভূপেন হাজৰিকা জন্ম শতবৰ্ষ স্মাৰক সম্মান প্ৰদান কৰে। অনুষ্ঠানৰ আন এক উল্লেখযোগ্য কাৰ্যসূচী হিচাপে ৰঞ্জন কুমাৰ দত্তই সম্পাদনা কৰা ভূপেন্দ্ৰ সংগীতৰ অসমীয়া, বাংলা আৰু হিন্দী ভাষাৰ একত্ৰ সংকলন আৰু 'Song of Confluence' নামৰ অনুবাদ সংকলন আৰু ড° ভূপেন হাজৰিকাৰ গীতৰ ইংৰাজী অনুবাদ সংকলন দুখন উন্মোচন কৰা হয়। অসম সাহিত্য সভাৰ কলকাতা শাখাৰ সম্পাদক মনীষা শৰ্মা বৰঠাকুৰে অনুষ্ঠান সফল কৰি তোলাৰ বাবে সকলো বিষয়ববীয়া, শিল্পী, সাহিত্যিক, অতিথি আৰু সাহিত্যপ্ৰেমী ৰাইজলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

# সংগীতশিল্পী, জ্যোতি কলা কেন্দ্ৰ সংগীত

*তিনি পৃষ্ঠাৰ পৰা* ভাটখাণ্ডেৰ পৰা তবলা বিভাগত বি মিউজ আৰু এম মিউজ লাভ কৰি ১৯৮৫ত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত তেজপুৰৰ জ্যোতি ভাৰতীত সংগ্ৰহালয় সহায়ক হিচাপে যোগদান কৰে। আনহাতে ইয়াৰ মাজতে ১৯৭৫ত অসমৰ প্ৰথমখন সংগীত শিক্ষাৰ অনুষ্ঠান জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ তবলা বিভাগৰ শিক্ষক হিচাপে যোগদান কৰি ২০১৫ৰ পৰা বৰ্তমান সময়লৈকে অধ্যক্ষৰ আসনত থাকি সুদীৰ্ঘ ৫০ বছৰতকৈও অধিক কাল ধৰি সংগীত মহাবিদ্যালয়খনৰ উত্তৰণ আৰু বিকাশৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছিল বিশিষ্ট সংগীতশিল্পীজনে কালি নিশা হঠাতে বুকুৰ বিষ অনুভৱ কৰাত পৰিয়ালৰ লোকে তেওঁক তৎস্থাৎ তেজপুৰৰ ডকিনা হাস্পতাললৈ নিয়ে যদিও নিশা প্ৰায় একবজাত চিকিৎসকে মৃত ঘোষণা কৰে। এই খবৰ বিয়পি পৰাত সমগ্ৰ তেজপুৰবাসী শোকাচ্ছন্ন হৈ পৰে। উল্লেখ্য যে সদৌ অসম মইনা পাৰিজাতৰ অন্যতম হোতা কলা মহাদেৱ শৰ্মাৰ নাতি শৰ্মাই তেজপুৰৰ মইনা পাৰিজাত গঠনত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি মইনা পাৰিজাত শাখা গঠনৰ অহোপুৰুষাৰ্থ কৰিছিল আৰু নিজেও মইনা পাৰিজাতৰ স'তে ঘনিষ্ঠভাৱে জড়িত হৈ পৰিছিল। ২০১৫ত জ্যোতি ভাৰতীৰ পৰা অৱসৰ গ্ৰহণ কৰা সংগীতশিল্পী শৰ্মাই অসম আন্দোলনৰ সময়ত সুৰ বাহিনীৰ সক্ৰিয় শিল্পী হিচাপে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল। সেই সময়ত তেজপুৰৰ নাট্যানুষ্ঠান সৰগমৰ এগৰাকী সক্ৰিয় সদস্য হিচাপে প্ৰয়াত প্ৰসিদ্ধ আবৃত্তিকাৰ আৰু কণ্ঠশিল্পী দিলীপ চৌধুৰী আদিৰ স'তে সুৰবাহিনীৰ লগতে বাণ পানীৰ সময়তো সুৰ বাহিনীৰ জৰিয়তে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সাংগীতিক অভিযান আৰম্ভ কৰিছিল। আনহাতে নাট্যানুষ্ঠান সৰগম, জংগম আৰু বাণ থিয়েটাৰৰ জৰিয়তে মঞ্চস্থ হোৱা অসংখ্য নাটকৰ সংগীত পৰিচালনাৰ দায়িত্বৰ সমান্তৰালভাৱে অসংখ্য সংগীতালেখ্য পৰিচালনাত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰা আৰু ১৫০তকৈ অধিক সাংস্কৃতিক অনুষ্ঠানৰ আৰু সংগীতৰ স'তে জড়িত শৰ্মা ভাৰত বিকাশ পৰিষদৰ স'তেও জড়িত হৈ দেশৰ বিভিন্ন প্ৰান্তত সংগীত অনুষ্ঠানত পাৰদৰ্শিতা প্ৰতিপন্ন কৰাই নহয় সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স'তে বহু সাংস্কৃতিক অনুষ্ঠানত তবলা সংগত কৰিছিল। ১৯৭২ত দৰং মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠানত তবলা বাদনৰে ৰাইজৰ অন্তৰ জয় কৰা শৰ্মাই ১৯৭৫ৰ পৰা অসমৰ প্ৰথমখন সংগীত শিক্ষাৰ অনুষ্ঠান জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰি বৰ্তমান সময়লৈকে অব্যাহত ৰাখিছিল। দীৰ্ঘ সময়ৰ শিক্ষকতাৰ জীৱনত তেওঁ ১৩ টাকৈ বিভাগৰ জৰিয়তে বহু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ শিল্পীৰ জন্ম দিয়া বিশিষ্ট সংগীতশিল্পীজনে অসম চৰকাৰৰ একালীন শিল্পী পেঞ্চন, কলকাতাৰ সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদৰ পৰা 'বাদ্যৰত্ন' উপাধি লাভ কৰাৰ লগতে চলিত বৰ্ষত সংগীত সত্ৰৰ দ্বাৰা 'বংশেশ্বৰ শইকীয়া বঁটা'ৰে বিভূষিত হৈছিল। আনহাতে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ খ্যাতিসম্পন্ন শাস্ত্ৰীয় শিল্পী আৰু আধুনিক সংগীতৰ শিল্পীৰ স'তে তবলা সংগত কৰি দৰ্শকক অৰ্জন কৰাৰ লগতে শ্ৰেষ্ঠ সংগীতকাৰীৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। অসমৰ মাধ্যমিক শিক্ষা পৰিষদৰ অধীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ এজন পৰীক্ষকৰ যোগ্যতা অৰ্জন কৰাৰ উপৰি কলিকতাৰ সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদৰ পৰীক্ষকৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। বিভিন্ন গীতৰ কৰ্মশালা, আলোচনাচক্ৰ আদিত এজন সফল প্ৰশিক্ষক হিচাপে পৰিচিত আৰু সময়ানুবৰ্তিতা, নিয়মানুবৰ্তিতাৰ ক্ষেত্ৰত কোনো ক্ষেত্ৰতে আপোচ নকৰা সৎ, ভদ্ৰ ব্যক্তি হিচাপে পৰিচিত অজাতশত্ৰু শৰ্মাৰ নশ্বৰ দেহত পুৱা বাসগৃহত তেওঁৰ বহুতো অনুৰাগীয়ে শ্ৰদ্ধা জনায়। বৰ্তমান জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ প্ৰাঙ্গণত শৰ্মাৰ নশ্বৰদেহত শিক্ষকতা জীৱনৰ সোণালী জয়ন্তী অতিক্ৰম কৰা জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ নিয়াৰ সময়ত প্ৰথমেই পৰিচালনা সমিতিৰ সভাপতি ড° প্ৰাঞ্জিৎ হাজৰিকা, সহকাৰী সম্পাদক পংকজ বৰুৱা, শিক্ষক ৰমেশ চন্দ্ৰ ডেকা, মনোজ নাথ, ৰঞ্জিত শৰ্মা, শিক্ষয়িত্ৰী সোণালী সৰকাৰ, প্ৰেৰণা বৈশ্য, ইৰাণী মহন্তকে ধৰি সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু একাংশ শিক্ষাৰ্থীয়ে চকুলো টুকি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

# ওদালগুৰিত পৰকীয়া প্ৰেমৰ

*তিনি পৃষ্ঠাৰ পৰা* স'তে কাজিয়াত লিপ্ত হয়। অভিযোগ অনুসৰি পত্নীক এজন যুৱকৰ স'তে পৰকীয়া প্ৰেমৰ প্ৰেম থকাৰ উমান পাইছিল অমিতে। সেয়েহে আজি গৃহত উপস্থিত হৈয়ে পত্নীৰ স'তে কাজিয়াত লিপ্ত হৈ মাৰপিট আৰম্ভ কৰে। অমিতৰ লাঠিৰ প্ৰচণ্ড কোবত ঠিতাতে মৃত্যু হয় পত্নী গংগাৰ। পাছত ঘটনাস্থলীত ডিমাকুছি আৰক্ষী উপস্থিত হৈ হত্যাকাৰীক আটক কৰাৰ লগতে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ওদালগুৰিলৈ প্ৰেৰণ কৰে।

# বিহপুৰীয়াৰ জ্ঞানেন্দ্ৰ শৰ্মাৰ মৃত্যু

*তিনি পৃষ্ঠাৰ পৰা* কৰিছিল। লীলাবাৰীস্থিত ১৩ নম্বৰ অসম আৰক্ষী বেটেলিয়নৰ জামাদাৰৰূপে সেৱা আগবঢ়াই ২০০৪ত তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। বিহপুৰীয়াৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰে জড়িত শৰ্মা অঞ্চলটোত এজন সৰল, কৰ্মনিষ্ঠ আৰু সমাজপ্ৰেমী ব্যক্তিৰূপে পৰিচিত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ-কন্যাক এৰি যায়।

# নেলী প্ৰাথমিক শিক্ষা কেন্দ্ৰৰ

*তিনি পৃষ্ঠাৰ পৰা* সুদক্ষ সংগঠকৰূপে জনাজাত আছিল। মাতৃ, পত্নী আৰু দুগৰাকী কন্যাক এৰি যোৱা হাজৰিকাৰ মৃত্যুত মৰিগাঁও জিলা শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকা, সাধাৰণ সম্পাদক মানস প্ৰতিম পাতৰ, মায়ং খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকা আৰু সম্পাদক জীতেন শইকীয়া প্ৰমুখ্যে বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

# কৃত্ৰিম বানৰ কবলত গুৰুজনাৰ

*তিনি পৃষ্ঠাৰ পৰা* বটদ্ৰৱাক কৃত্ৰিম বানপানীৰ পৰা মুক্ত কৰিবলৈ শীঘ্ৰে স্থায়ী আৰু বিজ্ঞানসন্মত পানী নিষ্কাশন ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজে। উল্লেখ্য যে নগাঁও জিলা প্ৰশাসনে ছয়মাহ পূৰ্বে চৰকাৰী বিল জলাশয় আদিত উচ্ছেদ অভিযান চলাইছিল যদিও প্ৰশাসনৰ সোপা ঢিলা নীতিৰ বাবেই পুনৰ বোৰতী জলধাৰাত বান্ধ নিৰ্মাণ কৰি একাংশই মৎস্য পালন কৰি আহিছে। যাৰ ফল ভোগ কৰিবলগীয়া হৈছে বটদ্ৰৱাবাসীয়ে।

# ডবকাত শ্ৰমিকৰ প্ৰাপ্য মজুৰি

*তিনি পৃষ্ঠাৰ পৰা* পাছত অৱশেষত দুজন লোকৰ মধ্যস্থতাত উদ্যোগৰ মালিক প্ৰতিবাদকাৰীসকলৰ কাষত উপস্থিত হয়। আলোচনাৰ অন্তত অহা সোমবাৰৰ ভিতৰত শ্ৰমিকসকলৰ প্ৰাপ্য ধন আদায় দিয়াৰ প্ৰতিশ্ৰুতি দিয়াত প্ৰতিবাদ সাময়িকভাৱে স্থগিত ৰাখে। যুৱ-ছাত্ৰ পৰিষদৰ হোজাই জিলাৰ প্ৰাক্তন সভাপতি পাৰভেজ লস্কৰ, হোজাই জিলাৰ মুখ্য আহ্বায়ক হেলাল মেহমুদ আৰু মকুল বৰুৱাৰ নেতৃত্বত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ হয়। শ্ৰমিকসকলৰ প্ৰাপ্য মজুৰি সময়মতে আদায় নিদিলে অনাগত সময়ত সংগঠনটোৱে অধিক গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ প্ৰদান কৰে।

# উত্তৰ গুৱাহাটী মণিকৰ্ণেশ্বৰত

*তিনি পৃষ্ঠাৰ পৰা* মণিকৰ্ণেশ্বৰত পাহাৰৰ মাটি খহি আহি অচলা দাস নামৰ এগৰাকী মহিলাৰ ঘৰটো হেঁচি ধৰে। ভূমিস্খলনত ঘৰটো পাহাৰৰ মাটিয়ে পুতি পেলায়। ভূমিস্খলনৰ ফলত অচলা দাস নামৰ মহিলাগৰাকীৰ কথমপি প্ৰাণ ৰক্ষা পৰে যদিও ঘৰৰ এপদো সামগ্ৰী উলিয়াবলৈ সক্ষম হোৱা নাই। ঘটনাৰ সময়ত মহিলাগৰাকীৰ বাহিৰে পৰিয়ালৰ আন সদস্য ঘৰটোত নাছিল। স্থানীয় লোকে ঘৰটোৰ সামগ্ৰী উদ্ধাৰ কৰাৰ বাবে তৎপৰতাৰে কাম কৰি আছে।

# অস্ত্ৰোপচাৰৰ আঠদিন পাছত

*তিনি পৃষ্ঠাৰ পৰা* আগষ্টত ছাত্ৰীগৰাকীৰ মৃত্যু হয়। জ্যোৎস্মিতাৰ মৃত্যুৰ পাছতে পৰিয়ালে চিকিৎসাত গাফিলতিৰ অভিযোগ উত্থাপন কৰিছিল। সামাজিক মাধ্যমতো বিষয়টো লৈ বিশেষ চৰ্চিত হোৱাত অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সেয়েহে অস্ত্ৰোপচাৰৰ পূৰ্বে প্ৰয়োজনীয় পৰীক্ষা-নিৰীক্ষাকে ধৰি স্বাস্থ্য পৰীক্ষণ আদি সন্দৰ্ভত তদন্তৰ ব্যৱস্থা কৰিবলৈ স্থানীয় ৰাইজৰ লগতে পৰিয়ালে দাবী জনাইছে। ইফালে, ঘটনাটোক কেন্দ্ৰ কৰি গোলাঘাটৰ ব্যক্তিগত চিকিৎসা ব্যৱস্থাৰ ওপৰতো প্ৰশ্ন উত্থাপিত হৈছে। পৰিয়ালৰ অভিযোগ অনুসৰি জ্যোৎস্মিতাৰ গোলাঘাটৰ এইচজিএম নাৰ্ছিংহোমত অস্ত্ৰোপচাৰ কৰাৰ ক্ষেত্ৰত চিকিৎসকৰ পৰামৰ্শ আৰু ভূমিকা তদন্ত কৰা উচিত। স্থানীয় ৰাইজৰ মতে ১৮ বছৰীয়া এগৰাকী মেধাৱী ছাত্ৰীৰ অকল মৃত্যু কোনো সাধাৰণ ঘটনা নহয়। চিকিৎসাত গাফিলতি হৈছিল নে নাই সেয়া নিৰপেক্ষ তদন্তৰ জৰিয়তে হ'ব লাগে। যদি কোনোপক্ষৰ গাফিলতি বা দায়িত্বহীনতা প্ৰমাণিত হয় তেন্তে আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনায় স্থানীয় ৰাইজৰ লগতে দল-সংগঠনে।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক

*তিনি পৃষ্ঠাৰ পৰা* পৰিছিল। তেওঁ ৰঙিয়া বিছেন্নলাৰ ঐতিহাসিক যজ্ঞ মহোৎসৱ পৰিচালনা সমিতি আৰু যজ্ঞ মন্দিৰ পৰিচালনা সমিতিৰ একেৰাহে প্ৰায় ৩২ বছৰ সভাপতি আৰু পৰৱৰ্তী সময়ত সম্পাদকৰ পদ অলংকৃত কৰি অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশৰ সূচনা কৰাত অৰিহণা যোগাইছিল। অঞ্চলটোৰ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অহোপুৰুষাৰ্থ কৰা প্ৰয়াত শিক্ষকজনে ছহিদ সুনন্দ শালৈ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপেও শিক্ষানুষ্ঠানখনলৈ অবদান আগবঢ়াইছিল। তেওঁ বৃহত্তৰ বিছেন্নলা অঞ্চলৰ প্ৰায় সকলো ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত আছিল। আজি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পাৰ লগে লগে অঞ্চলটোৰ ৰাইজে তেওঁৰ বাসভৱনত উপস্থিত হৈ তেওঁক শ্ৰদ্ধা জ্ঞাপন কৰে। পাছত অসংখ্য গুণমুগ্ধই সমদল কৰি তেওঁৰ নশ্বৰ দেহ তেওঁ শিক্ষকতা আৰু সভাপতিৰ পদ অলংকৃত কৰা শিক্ষানুষ্ঠানৰ উপৰিও বিভিন্ন শিক্ষানুষ্ঠান লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ লৈ যোৱাত অনুষ্ঠান প্ৰতিষ্ঠানসমূহে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ আৰু এগৰাকী কন্যাসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# বান সমস্যা সমাধান-বানত

*তিনি পৃষ্ঠাৰ পৰা* ক্ষতিপূৰণৰ পৰিমাণ বৃদ্ধি, বানত ক্ষতিগ্ৰস্ত কৃষকক ৰবি শস্যৰ বাবে বিনামূলীয়াকৈ প্ৰয়োজনীয় বীজ, সাৰ, পানী যোগান আৰু মাটি চহাই দিয়া ব্যৱস্থা, বানত ক্ষতিগ্ৰস্ত অঞ্চলবোৰত মহামাৰী ৰোধ কৰা, মানুহ আৰু জীৱ-জন্তুৰ উপযুক্ত চিকিৎসা সেৱা আগবঢ়োৱা ব্যৱস্থা, বানত ক্ষতিগ্ৰস্ত শিক্ষানুষ্ঠানসমূহ মেৰামতিৰ বাবে বিশেষ পুঁজি আবণ্টন আৰু ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় সামগ্ৰী অনতিপলমে যোগান ধৰা ব্যৱস্থা আৰু বানত বেয়াকৈ ক্ষতিগ্ৰস্তসকলৰ ঋণ ৰেহাই দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়। অৱস্থানস্থলীত উপস্থিত থাকি চিপিআইৰ ৰাজ্যিক সম্পাদক কনক গগৈয়ে এই বিধ্বংসী বানৰ বাবে চৰকাৰৰ সহযোগত বিগত বহু বছৰ ধৰি পাহাৰত চলি থকা মুক্ত কয়লা খনন আৰু দিখৌত অবাধ গতিত খান্দি থকা শিল-বালি খননে প্ৰধানতঃ জগৰীয়া আৰু এই নীতিবৰ্হিভূত খননৰ স'তে জড়িত থকা ৰাজনৈতিক নেতা ও ব্যৱসায়ীসকলক দৃষ্টান্ত মূলক শাস্তি দিবলৈ দাবী জনায়।

আনহাতে এই দুৰ্যোগৰ সময়ত দুৰ্যোগ প্ৰশমন বিভাগ জিলা প্ৰশাসনৰ ব্যৰ্থতাক স্বীকাৰ কৰি ভৱিষ্যতে সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাই আৰু এই ব্যৰ্থতাই মূলত চৰকাৰৰ ব্যৰ্থতাকে প্ৰমাণিত কৰিলে বুলি কনক গগৈয়ে চোকা সমালোচনা কৰে। লগতে বানপীড়িত সকলো পৰিয়ালক এককালীন ১৫ হেজাৰ টকাটো স্বজন-তোষণৰ উৰ্ধ্বত গৈ শীঘ্ৰে আদায় দিবলৈ আৰু সকলো মৃত আৰু ক্ষতিগ্ৰস্ত পৰিয়ালক ক্ৰমে ন্যূনতম ৫০ লাখ আৰু ১০ লাখকৈ টকা প্ৰদান কৰিবলৈ দাবী জনায়। অৱস্থানস্থলীত জিলা সম্পাদক মণি বুঢ়াগোহাঁইয়ে দাবীসমূহৰ ব্যাখ্যা কৰি চৰকাৰ প্ৰশাসনক বানপীড়িতক লৈ তামাচা নকৰিবলৈ সকীয়াই দিয়ে।

এআইৰাইএফৰ ৰাজ্যিক সম্পাদক কৃষ্ণ গগৈয়ে দুৰ্যোগ প্ৰশমন বিভাগৰ আইন অনুসৰি দিবলগীয়া ক্ষতিপূৰণ হৰলুকি কৰিব বিচৰাসকলক সকীয়াই দি কয় যে আমি জিলা প্ৰশাসনৰ ওচৰত বঞ্চিত সকলো বানপীড়িতই আবেদন কৰিব লাগে। অসম মহিলা সংঘৰ জিলা সম্পাদিকা অনুৰাধা গোহাঁই গগৈয়ে ভুক্তভোগী সকলোৰে দল মত নিৰ্বিশেষে প্ৰথমে এককালীন ১৫ হেজাৰ টকাটো আদায় দিবলৈ দাবী জনাই বক্তব্য ৰাখে। অৱস্থানস্থলীত এআইৰাইএফৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অজয় বড়া, যুৱ নেত্ৰী নয়নমণি গগৈ, এআইটিইউচি জিলা সভাপতি প্ৰণৱ চেতিয়াকে ধৰি বহুকেইজন নেতাই অংশগ্ৰহণ কৰে।

### বিজেপিৰ কৰ্মকৰ্তাসকলক 'দালাল' আখ্যা ঃ প্ৰহাৰ কৰাৰ ভাবুকি

# শিৱসাগৰত বিজেপিৰ আঠ মৰ্চাৰ অখিল গগৈৰ বিৰুদ্ধে এজাহাৰ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৪ আগষ্ট ঃ** শিৱসাগৰত বিজেপিয়ে সৰৱ হৈ পৰিছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ বিৰুদ্ধে। শিৱসাগৰ সমষ্টিৰ বিধায়কজনৰ বিৰুদ্ধে আজি বিজেপিৰ আঠটা মৰ্চাই আঠখন এজাহাৰ দাখিল কৰে। বিজেপিৰ কৰ্মকৰ্তাসকলক সংবাদ মাধ্যমৰ যোগেদি 'দালাল' বুলি আখ্যা দিয়াৰ লগতে প্ৰহাৰৰ ভাবুকি প্ৰদানৰ অভিযোগ উত্থাপন কৰিছে দলটোৱে। শিৱসাগৰ জিলা বিজেপিৰ নেতৃত্বত দলটোৰ যুৱ মৰ্চা, চাহ মৰ্চা, মহিলা মৰ্চা, সংখ্যালঘু মৰ্চা, অনুসূচিত জাতি মৰ্চা, অনুসূচিত জনজাতি মৰ্চা, অ'বিচি মৰ্চা আদিকে ধৰি আঠটা মৰ্চাই শিৱসাগৰ সদৰ থানাত বিধায়কজনৰ বিৰুদ্ধে পৃথকে পৃথকে আঠখন এজাহাৰ দাখিল কৰে। বিজেপি নেতৃত্বই জনোৱা মতে, বানপানীকে আদি কৰি বিভিন্ন দুৰ্যোগৰ সময়ত দলৰ নিষ্ঠাবান কৰ্মীসকলে ৰাইজৰ সেৱাত নিয়োজিত হৈ থকাৰ পাছতো বিধায়ক গগৈয়ে কৰা প্ৰৰোচনামূলক মন্তব্যই কৰ্মীসকলৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে আৰু দলৰ ভাবমূৰ্তি বিনষ্ট কৰাৰ চেষ্টা চলাইছে। সেয়েহে আৰক্ষীক বিধায়কজনৰ বিৰুদ্ধে অতিশীঘ্ৰে বিহিত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনোৱা হৈছে। অখিল গগৈয়ে সংবাদ মাধ্যমৰযোগে ভাৰতীয় বিজেপিৰ কৰ্মীসকলক 'দালাল' বুলি আখ্যা দিয়াৰ লগতে পিটিম বুলি ভাবুকি প্ৰদান কৰাৰ প্ৰতিবাদত কালি বিজেপি শিৱসাগৰ জিলাই এক প্ৰতিবাদী কাৰ্যসূচী হাতত লৈছিল আৰু আজি আমি বিজেপিয়ে আঠ মৰ্চাই এজাহাৰ দাখিল কৰিছে।

# সৰবৰহী মহিলা প্ৰেমলতা বৰাৰ মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ**



**নগাঁও, ২৪ আগষ্ট ঃ** নগাঁৱৰ ৰাইদঙীয়া বৰিগাঁৱৰ সৰবৰহী মহিলা প্ৰেমলতা বৰা (৮৮)ৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। প্ৰয়াত সাংবাদিক শিৱ প্ৰসাদ বৰাৰ মাতৃ প্ৰেমলতা বৰা ৰাইদঙীয়া অঞ্চলৰ বিভিন্ন সামাজিক-সাংস্কৃতিক কাম-কাজৰ লগত জড়িত আছিল। সৰবৰহী মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰ, দুই জীয়ৰী, বোৱাৰীসহ বহু আত্মীয়-স্বজন ইহসংসাৰত এৰি গৈছে।

# ৰাজ্যত অব্যাহত অবৈধ কয়লাৰ ছিণ্ডিকেট

*তিনি পৃষ্ঠাৰ পৰা* পৰা প্ৰায় ১৫ টন কয়লা কঢ়িয়াই নিয়া হৈছিল। আৰক্ষীয়ে ট্ৰাকখন জব্দ কৰাৰ লগতে চালক আজাৰ উদ্দিনক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ পাছত তেওঁক আদালতত হাজিৰ কৰোৱাত আদালতে দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছিল। এই গোচৰৰ তদন্তৰ সময়তে কয়লা ডিপোৰ মালিক তথা লংকাৰ জিয়াবুৰ ৰহমান আৰু ছৰ্দাৰগাঁৱৰ ৰাহুল আহমেদকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ মতে, দুয়োজনেই বৰ্তমান গোচৰটোৰ তদন্তৰ আওতাত আছে। ইফালে, লংকাৰ এটা কাৰখানাৰ পৰা জিয়াবুৰ ৰহমানক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে ডবকাৰ মদাৰতলিৰ পৰা ৰাহুল আহমেদক গ্ৰেপ্তাৰ কৰা হোৱা বুলি জানিব পৰা গৈছে। কয়লাৰ উৎস, সৰবৰাহৰ পথ, ডিপোৰ ভূমিকা আৰু এই চক্ৰৰ স'তে জড়িত আন ব্যক্তিসকলৰ সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে নগাঁও জিলাৰ উৰিয়াগাঁৱত কয়লাভৰ্তি এখন বাহনে এখন বিলাসী বাহনত খুন্দা মৰাৰ ঘটনাৰ পাছতে অবৈধ কয়লা সৰবৰাহৰ বৃহৎ চক্ৰটোৰ সন্দৰ্ভত বিভিন্ন তথ্য পোহৰলৈ আহিছে। আৰক্ষীয়ে কয়লা সৰবৰাহৰ নথিপত্ৰ, বাহন, ডিপো আৰু ইয়াৰ স'তে জড়িত লোকসকলৰ ওপৰত তদন্ত অব্যাহত ৰাখিছে। ইতিমধ্যে গ্ৰেপ্তাৰ কৰা চাৰিজন অভিযুক্তক আজি শ্ৰীমন্ত শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰোৱা হয়। আদালতে শুনানি গ্ৰহণ কৰি আটাইকেইজনকে জেললৈ প্ৰেৰণ কৰে। আৰক্ষীৰ এই অভিযানৰ পাছত ৰাজ্যত সক্ৰিয় হৈ থকা অবৈধ কয়লা সৰবৰাহৰ চক্ৰটোৰ স'তে আৰু কোন কোন লোক জড়িত আছে, সেয়া তদন্তত পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

# গোৱালপাৰা জিলা সাহিত্য সভাৰ ৩৫

*তিনি পৃষ্ঠাৰ পৰা* ৮-৪৫ বজাত জিলা সাহিত্য সভাৰ সভাপতি জয়চন্দ্ৰ নাথে অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰ পাছতে সাহিত্য সভাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰে বৰদামাল শাখাৰ সভাপতি সুছাৰু ৰাভাই আৰু স্মৃতি তৰ্পণ কৰে জিলাৰ সম্পাদক শিৱপ্ৰসাদ ৰাভা হাদুৰে। গছপুলি ৰোপণ কৰে ক্ৰমে জিলা সাহিত্য সভাৰ উপ-সভাপতি ইউছুফ আলী, বৰদামাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অৰবিন্দ ৰাভা, সমাজকৰ্মী শিৱচৰণ ৰাভা, থানেশ্বৰ ৰাভা আৰু ধৰ্মানন্দ ৰাভাই। কবি কালীদাস ৰাভা হাটোৰ সঞ্চালনাত অনুষ্ঠিত সাহিত্যানুষ্ঠানত জিলাখনৰ লগতে নামনি অসমৰ ভিন্ন প্ৰান্তৰ ৪০গৰাকী কবিয়ে স্বৰচিত কবিতা পাঠেৰে আপ্লুত কৰে উপস্থিত ৰাইজক। জয়চন্দ্ৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰে বৰদামাল শাখাৰ সভাপতি সুছাৰু ৰাভাই। মুকলি সভাৰ উদ্বোধনী ভাষণত অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি জিতুমণি দাসে ১৯১৭তে গঠন হোৱা অসম সাহিত্য সভাই গোৱালপাৰাত দ্বিতীয় অধিবেশন অনুষ্ঠিত কৰি যিসকল অগ্ৰজে ভাষা সাহিত্যৰ ভেটি সুদৃঢ় কৰি থৈ গ'ল, সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰে। মুকলি সভাত ভাষণ প্ৰদান কৰি গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° সিদ্ধিনাথ শৰ্মাই কয় যে বিভিন্ন জাতি-জনগোষ্ঠীৰ এই মিলন ভূমিত প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমাজ ব্যৱস্থাৰ বিষয়ত অসম সাহিত্য সভাৰ মঞ্চত বিস্তৃতভাৱে আলোচনাৰ প্ৰয়োজন। ভৌগোলিকভাৱে অসমৰ চৌদিশৰ পাহাৰীয়া অঞ্চলসমূহৰ প্ৰাকৃতিকভাৱে সংৰক্ষণৰ ক্ষেত্ৰতো সাহিত্য সভাই পদক্ষেপ গ্ৰহণ কৰিব লাগিব। শৰ্মাই লগতে কয় যে চলিত লোকপিয়লত প্ৰতিটো জাতি জনগোষ্ঠীয়ে নিজৰ নিজৰ মাতৃভাষা অসমীয়া লিখিবলৈ অনিহা প্ৰকাশৰ ক্ষেত্ৰত অসম সাহিত্য সভাই বলিষ্ঠ পদক্ষেপেৰে সেই প্ৰৱণতা ৰোধ কৰিব নোৱৰাটো অসম সাহিত্য সভাৰ চূড়ান্ত ব্যৰ্থতা। সকলো ভাষা-ভাষীৰ জনগোষ্ঠীৰ লোকে একেখন মঞ্চত ঠিয় হৈ বৰ অসম গঢ়াৰ দায়িত্ব অসম সাহিত্য সভাই ল'ব নোৱাৰিলে ক্ষণভংগুৰতা বৃদ্ধি পাই থাকিব বুলিও প্ৰকাশ কৰে ড° শৰ্মাই। মুকলি সভাত নিখিল ৰাভা সাহিত্য সভাৰ প্ৰধান সম্পাদক ৰাজকুমাৰ ৰাভাই কয় যে ৰাভা সাহিত্যিকসকলেও অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰি অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি আহিছে। সৰু সৰু জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য-সংস্কৃতি জীয়াই ৰাখিবলৈ অসম সাহিত্য সভাই দায়বদ্ধতাৰে আগবাঢ়িব লাগিব। বিভিন্ন প্ৰজাতিৰ ফুলৰ সমাহাৰেৰে যেনেদৰে এখন সুন্দৰ ফুলনি বাগিচাৰ সৃষ্টি হয় তদ্ৰুপ অসমীয়া ভাষা, জাতি জীয়াই থাকিবলৈ প্ৰতিটো জাতি-জনগোষ্ঠীৰ ভাষা সাহিত্য সংস্কৃতি জীয়াই ৰাখিব লাগিব বুলিও কয় ৰাভাই। আনপিনে, অসম সাহিত্য সভাৰ সম্পাদক ড° সঞ্জীৱ কুমাৰ শৰ্মাই নিজৰ ভাষণত কয় যে অকল অসমতেই নহয়, বিশ্বায়নৰ গ্ৰাসত বিশ্বৰ বহু সৰু সৰু ভাষা বিলুপ্ত হোৱাৰ আশংকাত ভুগিছে বহু ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ লোকে। উত্তৰ পূৰ্বাঞ্চলত ২৭৬টা ভাষা প্ৰচলিত হৈ আছে। এই ভাষাসমূহ যাতে জীয়াই ৰাখিব পৰা যায়, তাৰ বাবে যেনেদৰে কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে তেনেদৰে অসম সাহিত্য সভায়ো প্ৰতিটো সৰু-বৰ ভাষা জীয়াই ৰখাৰ চেষ্টা চলাই গৈছে বুলি প্ৰকাশ কৰে শৰ্মাই। মুকলি সভাৰ আৰম্ভণিতে গোৱালপাৰা জিলা সাহিত্য সভাৰ আলোচনী 'বাৰ্তা' উন্মোচন কৰে গোবালপাৰা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰকাশ ৰাভাই। ইয়াৰ লগে লগে গোৱালপাৰা জিলা সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিয়ে প্ৰকাশ কৰা গ্ৰন্থ 'পথিকৃত' উন্মোচন কৰে জিলা সভাপতি জয়চন্দ্ৰ নাথে। গোৱালপাৰা জিলা কবি সন্মিলনীয়ে প্ৰকাশ কৰা কবিতৰ সংকলন 'শব্দৰ সুগন্ধি' উন্মোচন কৰে ড° সঞ্জীৱ কুমাৰ শৰ্মাই। ডাঃ জয়ন্ত দাসৰ গ্ৰন্থ 'দাত আৰু আলুৰ যতন' উন্মোচন কৰে ৰাজকুমাৰ ৰাভাই। জয়ন্তী দাসৰ গ্ৰন্থ 'সাধুৰ সঁফুৰা' উন্মোচন কৰে অনংগ কুমাৰ নাথে। ইৰা নাথৰ গ্ৰন্থ 'দেশ-বিদেশৰ সাধু' উন্মোচন কৰে বাণীকান্ত ৰাভাই আৰু ডাঃ নাট্যবীৰ দাসৰ গ্ৰন্থ 'মহাশূন্যত মোৰ দাপোন' নামৰ গ্ৰন্থখনৰ নাট্য শিল্পী ৰয়ন্তী ৰাভাই ৰাভা ভাষালৈ অনুবাদ কৰা গ্ৰন্থখনৰ উন্মোচন কৰে জিতুমণি দাসে। মুকলি সভাৰ আৰম্ভণিতে বৰদামাল দৰণীৰ সমাজকৰ্মী মতিলাল ৰাভাক পাজাৰ জাপি মানপত্ৰ আৰু স্মাৰক প্ৰদানেৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে গোৱালপাৰা জিলা সাহিত্য সভাই।

# হত্যা-বলাৎকাৰৰ ভাবুকি পোৱা

*তিনি পৃষ্ঠাৰ পৰা* ভৰাই দে। নহ'লে তোৰ দুয়োজনী ছোৱালী ধৰ্ষণৰ বলি হ'ব। বেছি চতুৰালি কৰিলে তোৰ জীৱনলৈ ভয়ংকৰ বিপদ আহিব।' এই ভয়ংকৰ মেছেজটো লাভ কৰি মহিকান্তই সেইদিনা গধূলি উপস্থিত হৈছিল মৰিগাঁও সদৰ থানাত। মহিকান্তই 'দৈনিক অগ্ৰদূত'ক জনোৱা মতে, সেই সময়ত কৰ্তব্যৰত আৰক্ষীক তেওঁ সমগ্ৰ ঘটনাটো বিবৰি কৈ মেছেজ আদিৰ স্ক্ৰিন শ্ব'ট জমা দিছিল। আৰক্ষীয়ে ম'বাইল নম্বৰ দুটা পৰীক্ষা কৰি মেছেজ দিয়া নম্বৰটোৰ স্থান তামিলনাডু আৰু যিটো নম্বৰত জিপে কৰিবৰ বাবে দিছে সেই নম্বৰটোৰ স্থান মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত বৰালিমাৰী বুলি ভুক্তভোগী মহিকান্ত দাসক জানিব দিছিল। আৰক্ষীয়ে বিষয়টো তদন্ত কৰাৰ আশ্বাস দিছিল মহিকান্তক। ঘটনাৰ পাছতে মহিকান্তই আতংকত দিন কটাইছিল। ভয় আৰু আতংকত কলেজলৈ যোৱা দুই কন্যাক ক্লাছ কৰাৰ পৰা বিৰত ৰাখিছিল। আনকি সদায় ক্ৰিকেটৰ প্ৰশিক্ষণলৈ যোৱা নিজৰ সৰু ল'ৰাটোকো ঘৰতে ৰাখিছিল। অকল ইমানেই নহয়, আতংকিত মহিকান্তৰ পৰিয়াল কে'বাদিনো নিশা ঘৰৰ পৰা আঁতৰি আছিল। আৰক্ষীৰ ওচৰৰ পৰা আহি দুষ্কৃতিকাৰীয়ে জিপে কৰিব দিয়া নম্বৰটোত মহিকান্তই নিজে ফোন কৰিছিল। ফোন কল ৰিছিভ কৰি নম্বৰটোৰ গ্ৰাহকজনে তেওঁ বৰালিমাৰীৰ আব্দুল মোটালেব বুলি পৰিচয় দিছিল। অৱশ্যে মহিকান্তই ঘটনাৰ সন্দৰ্ভত ফোন ৰিচিভ কৰা আব্দুল মোটালেবক একো সোধা নাছিল। ভাবুকি দিয়া মেছেজটোত জিপেৰ বাবে দিয়া নম্বৰটোৰ স্থান জনাৰ পাছতো আৰক্ষীয়ে বিচাৰি যোৱা নাছিল আব্দুল মোটালেবক। ইয়াৰ মাজতে পুনৰ ১৩ আগষ্টত সেই একেটা নম্বৰৰ জৰিয়তে এগৰাকী যুৱতীলৈ হোৱাটছএপত অশ্লীল মেছেজ কৰিছিল দুষ্কৃতিকাৰীজনে। সেই অশ্লীল মেছেজ দি ফোন কৰিবৰ বাবে নম্বৰ দিছিল বৰালিমাৰীৰ আব্দুল মোটালেবৰ। যিটো নম্বৰত মহিকান্তক জিপে কৰিবৰ বাবে কৈছিল। ফলত যুৱতীগৰাকীৰ অভিভাৱকে সেই নম্বৰত ফোন কৰি আব্দুল মোটালেবক গালি-গালাজ কৰিছিল। বৰালিমাৰীৰ ছাদ্দাম হুছেইন নামৰ যুৱকজনে জনোৱা মতে, এনে ঘটনাৰ পাছত আব্দুল মোটালেব তেওঁৰ ওচৰলৈ গৈছিল। ছাদ্দাম হুছেইনে যুৱতীগৰাকীৰ অভিভাৱকৰ লগত ফোনত কথা পাতি বুজাই দিছিল যে অশ্লীল মেছেজ দিয়া নম্বৰটো আব্দুল মোটালেবৰ নহয়। কোনো দুষ্কৃতিকাৰীয়ে তেনে মেছেজ দি আব্দুল মোটালেবক বিপদত পেলাবৰ বাবেহে সেই নম্বৰত ফোন কৰিব দিছে। ১৪ আগষ্টত বৰালিমাৰীৰ ছামিম নামৰ শিক্ষিত যুৱক এজনৰ সহায়ত আব্দুল মোটালেবে অসম আৰক্ষীৰ ছাইবাৰ অভিযোগৰ প'ৰ্টেলত এই সন্দৰ্ভত অভিযোগ দাখিল কৰিছিল। সেই অভিযোগৰ একনলেজমেণ্ট নম্বৰ আছিল ২০৪০৮২৬০০১৪৫০৫। অৱশ্যে এই ঘটনাৰ বিষয়ে মৰিগাঁও আৰক্ষী জ্ঞাত নাছিল। কিন্তু ১৫ আগষ্টৰ দিনা পুনৰ মুখ্যমন্ত্ৰীৰ ফেচবুক লাইভত দিয়া হ'ল হত্যাৰ ভাবুকি। হত্যাৰ ভাবুকি দিয়া ফেচবুক একাউণ্টত দেখা গৈছিল আব্দুল মোটালেবৰ নাম আৰু ফটো। লগতে হত্যাৰ যোগাযোগৰ বাবে মেছেজত দুষ্কৃতিকাৰীয়ে ৰাজহুৱা কৰিছিল আব্দুল মোটালেবৰ ফোন নম্বৰ। সেইদিনা পুৱা কথাটো ৰাজহুৱা হোৱা মাত্ৰকে বৰালিমাৰীত চাঞ্চল্যৰ সৃষ্টি কৰে। স্থানীয় লোকে প্ৰশ্ন কৰিছিল যে লেখা-পঢ়া নজনা আব্দুল মোটালেবে কেনেকৈ ইংৰাজীত মেছেজ লেখিলে। ইতিমধ্যে ঘটনাৰ এক ঘণ্টাৰ পাছতে মৰিগাঁও আৰক্ষীৰ নিৰ্দেশ অনুসৰি ভূৰাগাঁও থানাৰ আৰক্ষীৰ দল উপস্থিত হয়গৈ বৰালিমাৰীৰ আব্দুল মোটালেবৰ ঘৰত। কিন্তু ইতিমধ্যে আব্দুল মোটালেব অন্য এটি পথেৰে স্থানীয় লোকৰ স'তে উপস্থিত হৈছিলগৈ ভূৰাগাঁও থানাত। পৰৱৰ্তী সময়ত আব্দুল মোটালেবক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। দুদিনৰ পাছত তামিলনাডুৰ পৰা মৰিগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে মুকশ্বিদুল ৰহমান নামৰ এজন যুৱকক। সাত দিনৰ আৰক্ষীৰ জিম্মাত থকাৰ পাছত দেওবাৰে আব্দুল মোটালেবক জেল হাজোতলৈ প্ৰেৰণ কৰি মুকশ্বিদুলক ১০ দিনৰ জিম্মাত লৈ চলাইছে মাৰাথন জেৰা। প্ৰকৃত দোষী কোন সেয়া আৰক্ষীৰ তদন্তত ওলাই পৰিব যদিও সমগ্ৰ ঘটনাটোযে মৰিগাঁও আৰক্ষীৰ দায়িত্বহীনতাৰ বাবেই ইমানলৈ শিপালে সেয়া এশ শতাংশই সত্য। এতিয়া হত্যা ধৰ্ষণৰ দৰে ভয়ংকৰ ভাবুকিত বিনিদ্ৰ ৰজনী কটোৱা ভুক্তভোগী মহিকান্ত দাসৰ দৰে বহুতে মৰিগাঁও আৰক্ষীক লৈ প্ৰশ্ন কৰিছে। মুখ্যমন্ত্ৰীক ভাবুকি দিয়াৰ এক ঘণ্টাৰ ভিতৰত বৰালিমাৰীৰ আব্দুল মোটালেবৰ ঘৰত হাজিৰ হ'ব পৰা মৰিগাঁও আৰক্ষীয়ে বলাৎকাৰ, হত্যাৰ দৰে ভয়ংকৰ ভাবুকিৰ সন্মুখীন হোৱা মহিকান্তই এক আগষ্টতে অভিযোগ দিয়াৰ পাছতো কিয় দায়িত্বহীনতাৰ পৰিচয় দি এবাৰো আব্দুল মোটালেবক বিচাৰি নগ'ল। জনহিতাৰ্থে বুলি কোৱা অসম আৰক্ষী প্ৰকৃততে কাৰ পক্ষত। দুজনীকৈ ছোৱালীৰ জীৱনলৈ ভাবুকি অহা এজন ভুক্তভোগী পিতৃৰ মৰ্মবেদনাক গুৰুত্ব নিদি ১৪ দিনেই কিয় নাকত তেল দি শুই আছিল মৰিগাঁও আৰক্ষী। মহিকান্তৰ ক্ষেত্ৰত হোৱা ঘটনাৰ পাছতে আব্দুলক আটক কৰা হ'লে ঘটনাই এনে জটিল ৰূপ নল'লহেঁতেন। কাৰণ একেটা নম্বৰৰ সহায়তে এক আগষ্টৰ পৰা ১৫ আগষ্টলৈ দুষ্কৃতিকাৰীয়ে বিভিন্ন ভাবুকিৰে আতংক চলাইছিল। এয়াই নে জনহিতাৰ্থে উৎসৰ্গিত মৰিগাঁও আৰক্ষীৰ দায়িত্ববোধৰ নমুনা।

## ছোৱাইন ফ্লুত আক্ৰান্তৰ সংখ্যা ১,৭৭৭ লৈ বৃদ্ধি দিল্লীত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** দেশৰ ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত পুনৰ বৃদ্ধি পালে ছোৱাইন ফ্লু অৰ্থাৎ এইচ১এন১ ভাইৰাছৰ সংক্ৰমণ। নেচনেল চেণ্টাৰ ফ'ৰ ডিজিজ কন্ট্ৰ'ল (এনচিডিচি)ৰ তথ্য অনুসৰি, যোৱা ২০ আগষ্ট পৰ্যন্ত দিল্লীত ১,৭৭৭ জন লোক এইচ১এন১ ভাইৰাছত আক্ৰান্ত হৈছিল। যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত চলিত আগষ্টৰ সময়ছোৱাত দিল্লীত ছোৱাইন ফ্লুত আক্ৰান্তৰ সংখ্যা আঠগুণ অধিক হ'ল। দিল্লীৰ লগতে ইতিমধ্যে কলকাতা আৰু বাংগালুৰুৰ দৰে বৃহৎ চহৰতো এই ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছে। অৱশ্যে ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিছাৰ্চ (আইচিএমআৰ)ৰ তথ্য অনুসৰি, দেশত ছোৱাইন ফ্লুৰ কোনো নতুন প্ৰজাতিৰ সংক্ৰমণ হোৱা নাই, বৰ্তমানে সংক্ৰমণৰ কাৰণত পৰিণত হোৱা এই ভাইৰাছ পুৰণি প্ৰজাতিৰ। আইচিএমআৰে লগতে দেশবাসীক আতংকিত নহৈ ছোৱাইন ফ্লু প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় সতৰ্কতা অৱলম্বনৰ পৰামৰ্শ দিলে। এই ভাইৰাছত সংক্ৰমিত হ'লে জ্বৰ, কাহ, চৰ্দি, ডিঙিৰ বিষ, ক্লান্তি, পেশীৰ বিষ, শৰীৰৰ বিষ, কঁপনি, গোন্ধ আৰু সোৱাদ অনুভৱ নকৰাৰ দৰে উপসৰ্গই দেখা দিয়ে।

## শীঘ্ৰে ইৰানৰ বিৰুদ্ধে আৰ্থিক যুদ্ধ আৰম্ভ কৰিব আমেৰিকাই

# হৰমুজত জাহাজৰ পৰা কৰ সংগ্ৰহ কৰিব ইৰানে ঃ সংসদত প্ৰস্তাৱ গৃহীত

**নিউজ ব্যুৰ' তেহৰান, ২৪ আগষ্ট ঃ** ইৰানৰ সংসদে হৰমুজ প্ৰণালীৰে যাত্ৰা কৰা জাহাজৰ পৰা টোল অৰ্থাৎ কৰ বা মাচুল আদায় কৰাৰ প্ৰস্তাৱত অনুমোদন জনালে। ইৰানৰ মেহৰ নিউজ এজেন্সীৰ বাতৰিত উল্লেখ কৰা অনুসৰি, যিসমূহ দেশৰ জাহাজক হৰমুজেদি যাত্ৰা কৰাৰ অনুমতি দিয়া হ'ব, সেইসমূহ দেশে সমুদ্ৰ সেৱাৰ বিনিময়ত তেহৰানক শুল্ক আদায় দিব লাগিব। ইৰানৰ সংসদৰ ৰাষ্ট্ৰীয় সুৰক্ষা আৰু বিদেশ নীতি সমিতিৰ মুখপাত্ৰ হছন কাশকভিয়ে লগতে জনোৱা অনুসৰি, হৰমুজত যাতায়াতৰ ক্ষেত্ৰত মাচুলৰ বিনিময়ত ইৰানে সংশ্লিষ্ট দেশসমূহৰ জাহাজত সমুদ্ৰ সেৱা, সুৰক্ষা আৰু বীমাৰ দৰে সুবিধা আগবঢ়াব। তদুপৰি পৰিৱেশ বিষয়ক সেৱা আৰু জৰুৰীকালীন পৰিস্থিতিত ইৰানে হৰমুজেদি যাতায়াত কৰা জাহাজক ইন্ধনো যোগান ধৰিব



বুলি কাশকভিয়ে জানিবলৈ দিয়ে। ইৰানৰ এই ঘোষণাৰ পাছত আমেৰিকাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে শীঘ্ৰে ইৰানৰ বিৰুদ্ধে আমেৰিকাই আৰ্থিক যুদ্ধ আৰম্ভ কৰিব। এই মন্তব্যৰ জৰিয়তে ৱাশ্বিংটনে আজি স্পষ্ট কৰি দিয়ে যে হৰমুজত শুল্ক আৰোপ কৰিব বিচৰা ইৰানৰ বিৰুদ্ধে আমেৰিকাই একাধিক আৰ্থিক নিষেধাজ্ঞা আৰোপ কৰিব। উল্লেখ্য যে হৰমুজক লৈ বিগত কে'বামাহ ধৰি আমেৰিকাৰ স'তে ইৰানৰ ব্যাপক সংঘাত অব্যাহত আছে। একাধিক আলোচনাৰ পাছতো হৰমুজ সংকটৰ কোনো সমাধান সূত্ৰত উপনীত নহ'ল সংঘাতত লিপ্ত দুই দেশ।



## মহাৰাষ্ট্ৰৰ চৰকাৰী চিকিৎসালয়ত অগ্নিকাণ্ডত মৃত কমেও তিনি সদ্যোজাত

**নিউজ ব্যুৰ' অমৰাবতী, ২৪ আগষ্ট ঃ** মহাৰাষ্ট্ৰৰ চৰকাৰী চিকিৎসালয়ত ভয়াৱহ বিপৰ্যয় সংঘটিত। ৰাজ্যখনৰ অমৰাবতী জিলাৰ মহিলা চিকিৎসালয়ত শিশুৰ ৱাৰ্ডত সোমবাৰে পুৱতি নিশা সংঘটিত এক অগ্নিকাণ্ডৰ ঘটনাত কমেও তিনিটা সদ্যোজাতৰ মৃত্যু হ'ল। চিকিৎসালয়ৰ কৰ্তৃপক্ষই সদৰী কৰা অনুসৰি, মহিলা চিকিৎসালয়ৰ উক্ত ৱাৰ্ডত ৩৯ সদ্যোজাত শিশু চিকিৎসাধীন আছিল। হঠাতে পুৱতি নিশা ৩-৩০ বজাত শিশুৰ ৱাৰ্ডত ভেণ্টিলেটৰ বিস্ফোৰণ ঘটাত অগ্নিকাণ্ডৰ সূত্ৰপাত হৈছিল আৰু তিনিটা শিশুৰ অগ্নিদগ্ধ হৈ মৃত্যু হ'ল। ঘটনাত গুৰুতৰভাৱে আহত হ'ল আন ছয় শিশু। এই ঘটনাৰ পাছত উক্ত চিকিৎসালয়ৰ আন্তঃগাঁথনি আৰু অগ্নিনিৰ্বাপণ ব্যৱস্থাৰ ত্ৰুটিৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন হৈছে।

# পাকিস্তানী বিমানঘাটিত তুৰস্কৰ সামৰিক বিমানৰ সঘন উৰণ-অৱতৰণ, ইছলামাবাদৰ উদ্দেশ্য কি?

**নিউজ ব্যুৰ' ইছলামাবাদ, ২৪ আগষ্ট ঃ** যোৱা ৬০ ঘণ্টাত পাকিস্তানৰ দুই বিমানঘাটিত তুৰস্কৰ সামৰিক বিমানৰ অস্বাভাৱিক যাতায়াত প্ৰত্যক্ষ হৈছে। ভাৰতীয় চোৰাংচোৱাই প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, যোৱা ১৯ৰ পৰা ২১ আগষ্টৰ সময়ছোৱাত তুৰস্কৰ একাধিক চি১৩০ হাৰকিউলিছ বিমানে সঘনে পাকিস্তানলৈ অহা-যোৱা কৰিছিল। তুৰস্কৰ এই



সামৰিক বিমানৰ গন্তব্য আছিল ৰাৱালপিণ্ডিৰ কাষত থকা নুৰ খান ঘাটি আৰু কৰাচীৰ মাছৰুৰ ঘাটি। এই দুই সামৰিক ঘাটিত তুৰস্কৰ বিমানৰ যাতায়াতৰ ধৰণক অস্বাভাৱিক বুলি ভাৰতীয় চোৰাংচোৱাই প্ৰতিবেদনত দাবী কৰিছে। চোৰাংচোৱাৰ আশংকা, সামৰিক বিমানৰে তুৰস্কই পাকিস্তানলৈ বিপুল পৰিমাণৰ অস্ত্ৰ সৰবৰাহ কৰিলে। তুৰস্কৰ স'তে পূৰ্বৰে পৰা পাকিস্তানৰ সামৰিক চুক্তি আছে। সম্প্ৰতি মক্কা প্ৰতিৰক্ষা চুক্তিত আবদ্ধ হৈছিল ছৌদি আৰৱ, পাকিস্তান আৰু তুৰস্ক। এনে পৰিস্থিতিত ভাৰতীয় চোৰাংচোৱাই দাবী কৰি কয় যে এই পণ্যবাহী সামৰিক বিমানৰ জৰিয়তে তুৰস্কৰ পৰা পাকিস্তানলৈ বিপুল পৰিমাণৰ ড্ৰ'ন আৰু আন সামৰিক সৰঞ্জাম প্ৰেৰণ কৰা হ'ল। সূত্ৰৰ খবৰ অনুসৰি তুৰস্কৰ পৰা ড্ৰ'নৰ লগতে পাকিস্তানে এইচকিউ ছিৰিজৰ এয়াৰ ডিফেন্স ছিষ্টেম লাভ কৰাৰো সম্ভাৱনা আছে। 'অপাৰেচন সিন্দুৰ'ৰ পাছত পাকিস্তানে নিজৰ সামৰিক শক্তি বৃদ্ধি কৰিবলৈ তুৰস্কৰ সহায়ত এই তৎপৰতা প্ৰদৰ্শন কৰা বুলিও ভাৰতীয় চোৰাংচোৱাই প্ৰতিবেদনত উল্লেখ কৰিছে।

## মিছ ইউনিভাৰ্ছ ইণ্ডিয়া ২০২৬ নিৰ্বাচিত কাজিয়া লিজ

**নিউজ ব্যুৰ', জয়পুৰ, ২৪ আগষ্ট ঃ** কাজিয়া লিজ মেজ'ই মিছ ইউনিভাৰ্ছ ইণ্ডিয়া ২০২৬ৰ খিতাপ জয় কৰিলে। ১৯ বছৰীয়া কাজিয়াই জয়পুৰত আয়োজিত এই প্ৰতিযোগিতাৰ গ্ৰেণ্ড




ফিনালেত দেওবাৰে নিশা ৫২ প্ৰতিযোগীক পৰাভূত কৰি এই খিতাপ লাভ কৰে। এইবাৰৰ মিছ ইউনিভাৰ্ছ ইণ্ডিয়া চূড়ান্ত প্ৰতিযোগিতাত প্ৰতিযোগীক মুঠ ২০টা প্ৰশ্নৰ উত্তৰ ৯০ মিনিটৰ ভিতৰত লিখিবলৈ দিয়া হৈছিল। এইসমূহ প্ৰশ্নৰ বুদ্ধিদীপ্ত উত্তৰ প্ৰদানৰ জৰিয়তে কাজিয়াই মিছ ইউনিভাৰ্ছ ইণ্ডিয়া ২০২৬ৰ চূড়ান্ত খিতাপ জয় কৰিলে।



## আৱৰ্জনাৰ পাহাৰ খহি গিনিত কমেও ৩০ জন লোকৰ মৃত্যু, ছয় আহত

**নিউজ ব্যুৰ' ক'নাক্ৰী, ২৪ আগষ্ট ঃ** আফ্ৰিকাৰ দেশ গিনিত প্ৰৱল বৃষ্টিৰ পাছত আৱৰ্জনাৰ পাহাৰৰ এক বিশাল অংশ হঠাতে খহি পৰাত কমেও ৩০ জন লোকৰ মৃত্যু হ'ল। দেশখনৰ ৰাজধানী ক'নাক্ৰীত এই অঘটন দেওবাৰে নিশা প্ৰায় দুই বজাত সংঘটিত হৈছিল। বিগত কে'বাদিন ধৰি প্ৰৱল বৃষ্টিপাতৰ ফলত আৱৰ্জনাৰ উক্ত পাহাৰৰ ওপৰৰ অংশ তললৈ খহি পৰাত আশে-পাশে থকা বহু লোক জাৱৰৰ দ'মত আৱদ্ধ হৈছিল। ঘটনাৰ পাছত প্ৰশাসনে অভিযান চলাই ৩০টা মৃতদেহ আৰু ছজন লোকক আহত অৱস্থাত উদ্ধাৰ কৰে। উদ্ধাৰকাৰী লোকে ধ্বংসস্তূপৰ মাজত অধিক লোক আৱদ্ধ থকা বুলি সন্দেহ কৰিছে।

## ১,৯৮৩ টকা মূল্যবৃদ্ধি সোণৰ, ৰূপৰ মূল্য হ্ৰাস

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** সোণৰ মূল্য আজি পুনৰ দ্ৰুত ঊৰ্ধ্বগামী হ'ল। ইণ্ডিয়া বুলিয়ন এণ্ড জুৱেলাৰ্ছ এছ'চিয়েচন (আইবিজেএ)ৰ তথ্য অনুসৰি সোমবাৰে দেশৰ বজাৰত ১০ গ্ৰামৰ ২৪ কেৰেটৰ বিশুদ্ধ সোণৰ মূল্য ১,৯৮৩ টকা বৃদ্ধিৰে ১.৬৩ লাখ টকা হ'ল। আনহাতে, আজি প্ৰতি কিলো ৰূপৰ মূল্য ২৯৭ টকা হ্ৰাস পোৱাত ২.৪৬ টকা হ'ল। চলিত আগষ্টত ২৪ দিনত সোণৰ মূল্য ২০ হেজাৰ টকা আৰু ৰূপৰ মূল্য ২৮ হেজাৰ টকা বৃদ্ধি পালে। বিশেষজ্ঞৰ মতে, চলিত বৰ্ষৰ অন্তিম ভাগত বিশুদ্ধ সোণৰ ১০ গ্ৰামৰ মূল্য এক লাখ ৭০ হেজাৰ টকালৈকে বৃদ্ধিৰ সম্ভাৱনা আছে। ২০২৬ বৰ্ষত বৰ্তমানলৈকে স্বৰ্ণমূল্য ৩০ হেজাৰ টকা বৃদ্ধি পালে।




## তিনি মাহতে প্ৰতিশ্ৰুতি সলালে বিজয়ৰ চৰকাৰে, ছয়ৰ পৰিৱৰ্তে তিনিটা চিলিণ্ডাৰ দিব বিনামূল্যে

**নিউজ ব্যুৰ', চেন্নাই, ২৪ আগষ্ট ঃ** তামিলনাডুৰ মুখ্যমন্ত্ৰী চি যোছেফ বিজয়ে আজি বিধানসভাত একাধিক নতুন জনকল্যাণমূলক আঁচনিৰ কথা ঘোষণা কৰিলে। এনে আঁচনিৰ মাজত আছে বছৰি ২.৫ লাখ টকাৰ তলৰ উপাৰ্জনকাৰী পৰিয়ালক বাৰ্ষিক তিনিটা ৰন্ধন গেছৰ চিলিণ্ডাৰ (এলপিজি) বিনামূল্যে প্ৰদানৰ ঘোষণা। অন্নপূৰ্ণী ছুপাৰ ছিক্স নামৰে এই আঁচনি ২০২৭ৰ পুংগল উৎসৱৰ পৰা তামিলনাডুত আৰম্ভ হ'ব। চৰকাৰৰ এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব এক কোটি ৩০ লাখ পৰিয়াল। যিসমূহ হিতাধিকাৰীয়ে তিনিটা এলপিজি চিলিণ্ডাৰ ক্ৰয় কৰিব, তেওঁলোকৰ বেংক একাউণ্টত সম পৰিমাণৰ ধন চৰকাৰে জমা দিব। এই আঁচনিৰ বাবে বছৰি চাৰি হেজাৰ কোটি টকা তামিলনাডু চৰকাৰে ব্যয় কৰিব। উল্লেখ্য যে বিজয়ৰ দল টিভিকেয়ে নিৰ্বাচনৰ পূৰ্বে চৰকাৰ গঠন কৰিলে



ছটা এলপিজি চিলিণ্ডাৰ বছৰি বিনামূল্যে দিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু আজি বিজয়ে ঘোষণা কৰা অনুসৰি, তেওঁৰ চৰকাৰে ছটাৰ পৰিৱৰ্তে তিনিটাহে এলপিজি চিলিণ্ডাৰ সীমিত আয়ৰ লোকক যোগান ধৰিব। মুখ্যমন্ত্ৰীৰ এই ঘোষণাৰ পাছত বিৰোধী দলে বিজয়ে প্ৰতিশ্ৰুতি অনুসৰি, ৰাইজক গেছৰ চিলিণ্ডাৰ যোগান ধৰাত ব্যৰ্থ হোৱা বুলি অভিযোগ কৰিলে।

## কেন্দ্ৰীয় মন্ত্ৰীৰ আৱাস মেৰামতিত ৯২ কোটি টকা ব্যয়



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** ২০২৫-২৬ বিত্তীয় বৰ্ষত নতুন দিল্লীৰ লুটিয়েনছ জ'ন অঞ্চলত কেন্দ্ৰীয় মন্ত্ৰীৰ চৰকাৰী বাসভৱনৰ মেৰামতি, সাজসজ্জা আৰু সংস্কাৰৰ বাবদ ব্যয় হ'ল ৯২.৩৫ কোটি টকা। সংবাদ সংস্থা পিটিআয়ে কৰা তথ্য জনাৰ অধিকাৰ আইন (আৰটিআই)ৰ অধীনত এই তথ্য লাভ কৰিলে। কেন্দ্ৰীয় মন্ত্ৰীৰ বাসগৃহৰ মেৰামতিৰ ব্যয় ২০১৪-১৫ বিত্তীয় বৰ্ষৰ তুলনাত যোৱা বিত্তীয় বৰ্ষত তিনিগুণ বৃদ্ধি পালে। ২০১৪-১৫ত কেন্দ্ৰীয় মন্ত্ৰীৰ চৰকাৰী বাসগৃহ মেৰামতিত ব্যয় হৈছিল ২৭.৪৭ কোটি টকা। দিল্লীৰ এই ঐতিহ্যবাহী বাংলো আৰু ভৱনসমূহ প্ৰায় ৮০ৰ পৰা এশ বছৰ পুৰণি। বাসগৃহসমূহৰ ৰক্ষণাবেক্ষণত চৰকাৰে বৃহৎ পৰিমাণৰ ধন ব্যয় কৰি আহিছে। ২০১৪-১৫ৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষ পৰ্যন্ত চৰকাৰে কেন্দ্ৰীয় মন্ত্ৰীৰ চৰকাৰী বাসভৱনৰ ৰক্ষণাবেক্ষণত ৫৪৭.৬৮ কোটি টকা ব্যয় কৰিলে। ব্ৰিটিছ সামাজ্যৰ ৰাজধানী হিচাপে নতুন দিল্লী নিৰ্মাণৰ অংশ হিচাপে ১৯১২ৰ পৰা ১৯৩০ৰ সময়ছোৱাত এইসমূহ বাংলো উক্ত অঞ্চলত নিৰ্মাণ কৰা হৈছিল আৰু স্বাধীনতাৰ পাছত উচ্চপদস্থ চৰকাৰী বিষয়াৰ বাবে এই বাংলো আবাসগৃহ হিচাপে তৈয়াৰ কৰা হৈছিল।

## ছবছৰ পাছত ব্ৰিটেইনলৈ উভতি অহা হেৰী-মেগানে ভৰিব লাগিব ছয় কোটি ডলাৰৰ কৰ

**নিউজ ব্যুৰ', লণ্ডন, ২৪ আগষ্ট ঃ** ছবছৰ পূৰ্বে ব্ৰিটেইনৰ ৰাজপৰিয়ালত উদ্ভৱ হোৱা সংঘাতৰ পাছত ব্ৰিটিছ ৰাজপ্ৰাসাদ ত্যাগ কৰিছিল প্ৰিন্স হেৰী আৰু তেওঁৰ পত্নী মেগান মৰ্কেলে। 'ৰাজকীয়' স্বীকৃতিও ত্যাগ কৰিছিল হেৰী আৰু মেগানে। ব্ৰিটেইন ত্যাগ কৰি দুয়োৱে আমেৰিকাৰ কেলিফ'ৰ্ণিয়াত দুই সন্তানসহ বসবাস কৰিছিল। ছবছৰ আমেৰিকাত থকাৰ পাছত পুনৰ ব্ৰিটেইনৰ প্ৰত্যাৱৰ্তনৰ সিদ্ধান্ত ল'লে হেৰী আৰু মেগানে। দুদিন পূৰ্বে লণ্ডনত উপস্থিত হোৱাৰ পাছত এক নতুন সমস্যাৰ সন্মুখীন হ'ল হেৰী আৰু মেগান। দুয়ো বৰ্তমানে ৰাজপৰিয়ালৰ সদস্য নহয় আৰু তেওঁলোক আমেৰিকাৰ পৰা উভতি আহিছে। এই কাৰণত বিপুল পৰিমাণৰ কৰ আৰোপ কৰা হৈছে হেৰী আৰু মেগানৰ ওপৰত। তথ্য অনুসৰি, আৰোপিত কৰৰ পৰিমাণ প্ৰায় ৬০ নিযুত অৰ্থাৎ ছয় কোটি ডলাৰ হ'ব। হেৰী আমেৰিকাত থাকিলেও তেওঁ মাৰ্কিন নাগৰিকত্ব গ্ৰহণ কৰা নাছিল। সেয়েহে তেওঁ কৰৰ আওতাত নপৰে। কিন্তু হেৰীৰ পত্নী মেগান মাৰ্কিন নাগৰিক আৰু এই কাৰণত তেওঁ যাৱতীয় কৰ আদায় দিব লাগিব। মেগানে নেটফ্লিক্স আৰু স্প'টিফাইৰ ব্যৱসায়িক অংশীদাৰ হিচাপে যথেষ্ট ধন অৰ্জন কৰিছিল আৰু ব্ৰিটেইনলৈ উভতি অহাত আয়ৰ বাবদ কৰ হিচাপে প্ৰায় ছয় কোটি ডলাৰ মেগানে আদায় দিব লাগিব।



## উচ্চতম ন্যায়ালয়ে ক'লে ঃ প্ৰতি পথত অতিক্ৰমণমুক্ত পদপথ থকা জৰুৰী

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** উচ্চতম ন্যায়ালয়ে আজি কয় যে পদপথ মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ। সৰ্বোচ্চ ন্যায়ালয়ে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশক খোজকঢ়া লোকসকলৰ বাবে সঠিকভাৱে চিহ্নিত আৰু



দখলমুক্ত পদপথৰ ব্যৱস্থা কৰাৰ নিৰ্দেশ কিমানদূৰ কাৰ্যকৰী কৰিলে বুলি প্ৰশ্ন কৰি তথ্য বিচাৰিলে। ন্যায়াধীশ পিএছ নৰসিমহা আৰু আলোক অৰাধেৰ বিচাৰপীঠে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশক পথচাৰীৰ বাবে দখলমুক্ত পদপথৰ ব্যৱস্থা নিশ্চিত কৰিবলৈ পুনৰ নিৰ্দেশ দিলে। পথত খোজকঢ়া লোকসকলৰ বাবে সঠিকভাৱে চিহ্নিত পদপথৰ ব্যৱস্থা সুনিশ্চিত কৰাৰ সন্দৰ্ভত উত্থাপিত এক গোচৰৰ শুনানিত আজি সৰ্বোচ্চ ন্যায়ালয়ৰ বিচাৰপীঠে স্পষ্টভাৱে কয় যে প্ৰতি পথত অতিক্ৰমণমুক্ত পদপথ থকাটো জৰুৰী। বিচাৰপীঠখনে আদালতত অতিৰিক্ত ছলিচিটৰ জেনেৰেল কে এম নটৰাজক এইদৰে ক'লে, 'প্ৰথম পদক্ষেপটো হ'ব খোজকঢ়া লোকসকলৰ বাবে পদপথৰ স্থান সঠিকভাৱে চিহ্নিত কৰা। মানুহে পথত খোজকঢ়াৰ সময়ত নিৰাপত্তা অনুভৱ কৰিব লাগিব। য'ত পথ থাকিব, সেই স্থানত জনসাধাৰণে চিহ্নিত পথ বা পদপথত খোজকঢ়াৰ সুবিধা লাভ কৰিব লাগিব।'

## অধিকৃত কাশ্মীৰক নৰকত পৰিণত কৰিছে পাকিস্তানে ঃ ৰাষ্ট্ৰসংঘৰ হস্তক্ষেপ বিচাৰি পত্ৰ ব্ৰিটেইনৰ সাংসদৰ



**নিউজ ব্যুৰ', লণ্ডন, ২৪ আগষ্ট ঃ** অধিকৃত কাশ্মীৰত ভয়াৱহ নৃশংসতা অব্যাহত ৰাখিছে পাকিস্তানে। বিদ্ৰোহ দমনৰ নামত উক্ত অঞ্চলত পাকিস্তান চৰকাৰে চলাইছে গণহত্যা। গুৰুতৰ এই পৰিস্থিতিতে ৰাষ্ট্ৰসংঘৰ হস্তক্ষেপ বিচাৰি পত্ৰ লিখিলে ব্ৰিটেইনৰ ৭০ জনৰো অধিক সাংসদে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছলৈ লিখা উক্ত পত্ৰত আবেদন জনোৱা হৈছে যে পাকিস্তানৰ সেনাবাহিনীয়ে অধিকৃত কাশ্মীৰত যি গণহত্যা চলাইছে সেয়া অবিলম্বে বন্ধ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হওক। উক্ত অঞ্চলৰ জনগণৰ নিৰাপত্তাৰ উদ্যোগ ল'বলৈ ৰাষ্ট্ৰসংঘক ব্ৰিটিছ সাংসদৰ দলে আহ্বান জনালে। পত্ৰত অভিযোগ কৰা অনুসৰি বিগত কে'বামাহ ধৰি অধিকৃত কাশ্মীৰৰ ৰাষ্ট্ৰৰ ইন্ধনত বহু মানুহক হত্যা কৰা হৈছে, ইণ্টাৰনেট সেৱা আৰু যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন কৰি নিৰ্বিচাৰে বিক্ষোভকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। কেৱল এয়াই নহয়, অধিকৃত কাশ্মীৰত নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ সৰবৰাহ বন্ধ ৰাখিও জনসাধাৰণক নৰক সদৃশ জীৱন যাপন কৰিবলৈ বাধ্য কৰোৱা বুলিও ব্ৰিটিছ সাংসদে পত্ৰত অভিযোগ কৰিলে।

## পথৰ পৰা আকাশলৈ বৃষ্টিৰ প্ৰভাৱ ঃ দিল্লীত ১৫ বিমানৰ পথ সলনি, ডজনৰ উৰণ বাতিল




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** দিল্লী আৰু ৰাজধানীৰ আশে-পাশে থকা অঞ্চলসমূহত আজি হোৱা প্ৰৱল বৃষ্টিৰ ফলত প্ৰায়বোৰ পথ জলবদ্ধ হোৱাত যাতায়াত ব্যাপকভাৱে প্ৰভাৱিত হ'ল। ধাৰাষাৰ বৃষ্টিৰ কাৰণত দিল্লী, নয়ডা, গুৰুগ্ৰাম আৰু গাজিয়াবাদৰ প্ৰায়বোৰ পথ পানীৰে ভৰি পৰাত পৰিবহণ ব্যৱস্থা প্ৰায় অচল হয়। প্ৰতিকূল বতৰৰ কাৰণত আজি দিল্লীলৈ আহিব লগা প্ৰায় ১৫ খন বিমানৰ গতিপথ সলনি কৰা হ'ল। তদুপৰি প্ৰায় দুই ডজন বিমানৰ উৰণ আজি দিল্লী আন্তৰ্জাতিক বিমানকোঠত বাতিল কৰা হ'ল। দিল্লীলৈ আহিব লগা সৰহসংখ্যক বিমান আজি পুৱা জয়পুৰ, লক্ষ্ণৌ আৰু চণ্ডীগড় বিমানবন্দৰলৈ প্ৰেৰণ কৰা হৈছিল। একাধিক বিমানৰ চলাচলত আজি এঘণ্টালৈকে বিলম্বও হয়। ইফালে, আজি পুৱা পাটনা বিমানবন্দৰত দিল্লীৰ পৰা যোৱা এয়াৰ ইণ্ডিয়াৰ এখন বিমানত অৱতৰণৰ সময়ত পক্ষীয়ে খুন্দা মাৰে। উক্ত বিমানত ১৪৬ যাত্ৰী আছিল। অৱশ্যে এই ঘটনাত কোনো বিশেষ ক্ষতি হোৱা নাই।

## এইবাৰ ১৬ অনূৰ্ধ্ব বয়সৰ বাবে সামাজিক মাধ্যম নিষিদ্ধ হ'ব নিউজিলেণ্ডত

**নিউজ ব্যুৰ', ৱেলিংটন, ২৪ আগষ্ট ঃ** শিশু- কিশোৰৰ মানসিক স্বাস্থ্য আৰু সুৰক্ষাৰ সন্দৰ্ভত নিউজিলেণ্ডৰ চৰকাৰে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণৰ সিদ্ধান্ত ল'লে। নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লক্সনৰ দলে সংসদত এখন নতুন বিধেয়ক উত্থাপনৰ বাবে সাজু হৈছে। এই বিধেয়কৰ জৰিয়তে নিউজিলেণ্ড চৰকাৰে দেশখনত ১৬ বছৰতকৈ কম বয়সৰ লোকৰ বাবে সামাজিক মাধ্যম ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিব বিচাৰিছে। এই নিয়ম উলংঘন কৰা সামাজিক মাধ্যম প্লেটফৰ্মক তেওঁলোকৰ গোলকীয় ৰাজহৰ ১০ শতাংশলৈকে জৰিমনা বিহাৰো ব্যৱস্থা কৰা হৈছে। প্ৰধানমন্ত্ৰী লক্সনে এক বিবৃতিত কয়, 'আমি নিউজিলেণ্ডৰ শিশুৰ ক্ষতি হ'বলৈ দিব নোৱাৰো। সামাজিক মাধ্যমত শিশুৰ বাবে হানিকাৰক কণ্টেণ্ট আছে আৰু ইয়াৰ পৰা আমি দেশৰ শিশুসকলক সুৰক্ষা দিব বিচাৰিছো। এই বিধেয়কৰ জৰিয়তে নিউজিলেণ্ডত ১৬ অনূৰ্ধ্ব বয়সৰ লোকৰ বাবে সামাজিক মাধ্যম নিষিদ্ধ কৰা হ'ব।' অৱশ্যে লক্সন চৰকাৰৰ মৰ্চাৰ সহযোগী নিউজিলেণ্ড ফাৰ্ষ্ট পাৰ্টিয়ে এই বিধেয়কৰ বিৰোধিতা কৰাত সংসদত বিধেয়কখন গৃহীত হোৱাৰ ক্ষেত্ৰত সমস্যাই দেখা দিছে। উল্লেখ্য যে বিশ্বৰ ভিতৰতে অষ্ট্ৰেলিয়াই সৰ্বপ্ৰথমে শিশু-কিশোৰৰ বাবে সামাজিক মাধ্যম ব্যৱহাৰ নিষিদ্ধ কৰিছিল।



## দিল্লী বিশ্ববিদ্যালয়ত এতিয়াও খালী ১৩,৪৩৩ আসন ঃ শীৰ্ষ কলেজত নামভৰ্তিৰ সুযোগ




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ একাধিক ৰাউণ্ড পাৰ হোৱাৰ পাছতো দিল্লী বিশ্ববিদ্যালয় (ডিইউ)ত স্নাতকৰ বিভিন্ন পাঠ্যক্ৰমত প্ৰায় ১৩,৪৩৩ আসন খালী হৈ আছে। আসন খালী থকা শীৰ্ষ শিক্ষানুষ্ঠানৰ মাজত হিন্দু কলেজ, হংসৰাজ কলেজ, এছআৰচিচিৰ দৰে শিক্ষানুষ্ঠান আছে। ডিইউৰ নামভৰ্তি বিভাগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি, ২০২৬-২৭ শিক্ষা বৰ্ষৰ স্পট ৰাউণ্ডৰ বাবে বৰ্তমানে ১৩,৪৩৩ স্নাতক পাঠ্যক্ৰমৰ আসন খালী আছে। খালী থকা আসনৰ সৰহসংখ্যক হৈছে অন্যান্য পিছপৰা শ্ৰেণী (এনচিএল)ৰ। এই শ্ৰেণীত ৪,১৩৩ আসন খালী আছে। আনহাতে, অনুসূচিত জাতিৰ ২,০৩৮, অনুসূচিত জনজাতিৰ ২,৪৭৬, অসংৰক্ষিত ২,১১৩ আৰু ইডব্লিউএছৰ ১,৭৯১ আসন খালী আছে। শিখৰ ৫৬৬ আৰু খ্ৰীষ্টধৰ্মীৰ কোটাৰ ৩১৬ আসন খালী আছে। হিন্দু কলেজত ১১ পাঠ্যক্ৰমত ২৯ স্নাতকৰ আসন খালী আছে। ইক'নমিক্স, বিকম (অনাৰ্চ), ফিজিক্স, কেমিষ্ট্ৰী, ব'টানী, জুল'জি আৰু ফিল'ছফিৰ আসন হিন্দু কলেজত খালী আছে। হংসৰাজ কলেজত ১৯ পাঠ্যক্ৰমত ৭৯ আসন খালী আছে। শ্ৰীৰাম কলেজ অৱ কমাৰ্চত অৰ্থনীতিৰ দুই আসন খালী আছে। কিৰুড়ীমল কলেজ, গাৰ্গী কলেজ, দৌলতৰাম কলেজ, ইন্দ্ৰপ্ৰস্থ কলেজ ফ'ৰ অ'মেন, দয়ালসিং কলেজ, স্বামী শ্ৰদ্ধানন্দ কলেজ, শ্যামলাল কলেজ আদিতো যথেষ্টসংখ্যক পাঠ্যক্ৰমত আসন খালী আছে।

# গোলাঘাটৰ দুই নম্বৰ নেঘেৰিবিল নগালেণ্ডৰ বুলি দাবী

*এক পৃষ্ঠাৰ পৰা* ৰেঞ্জ পাব্লিক অৰ্গেনাইজেচন (এনএলআৰপিঅ')ৰ অন্তৰ্ভুত দাবীক লৈ সমগ্ৰ মেৰাপানী সীমান্তত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য মতে, এনএলআৰপিঅ' নামৰ সংগঠনৰ তৰফৰ পৰা নগালেণ্ডৰ ভাণ্ডাৰীৰ সীমান্ত দণ্ডাধীশক জৰিয়তে ৰখা জিলাৰ আয়ুক্তলৈ এই সন্দৰ্ভত ইতিমধ্যে পত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৱে দাবী কৰা অনুসৰি, দুই নম্বৰ নেঘেৰিবিলৰ সমগ্ৰ অঞ্চলটো নগালেণ্ডৰ লুংগাযান আৰু মিকিৰাং ভিলেজ কাউঞ্চিলৰ অধীনৰ। সেয়ে অসমৰ প্ৰশাসনক দুই নম্বৰ নেঘেৰিবিল অঞ্চলত প্ৰশাসনিক কাম-কাজ বন্ধ কৰিবলৈ আহ্বান জনাইছে সংগঠনটোৱে। নগালেণ্ডৰ অনুমতি অবিহনে দুই নম্বৰ নেঘেৰিবিল গাঁৱৰ ৰাজহুৱা বেদখল কৰা ৫৯টা পৰিয়ালক উচ্ছেদ নকৰিবলৈ হুংকাৰ প্ৰদান কৰিছে সংগঠনটোৱে। উল্লেখ্য যে ২০২৫ৰ আঠ আগষ্টত গাঁওখনৰ মুঠ ২০৫টা পৰিয়ালৰ ভিতৰত ১৪৬টা পৰিয়ালৰ গৃহ উচ্ছেদ চলোৱাৰ পাছত থাকি যোৱা ৫৯টা পৰিয়ালক অসম চৰকাৰে পুনৰ যাতে উচ্ছেদ চলাব নোৱাৰে তাৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি সংগঠনটোৱে দাবী জনোৱাৰ পাছতেই সীমান্তত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। নগালেণ্ডৰ এনে অদ্ভুত কাৰ্য পোৰৰে অহাত জাতুৰ খাই উঠিছে সীমান্তবাসীৰ লগতে জাতীয় সংগঠনসমূহ। দীৰ্ঘদিন ধৰি অসম চৰকাৰৰ প্ৰশাসনিক নিয়ন্ত্ৰণত থকা দুই নম্বৰ নেঘেৰিবিল অঞ্চলত পঞ্চায়তৰ জৰিয়তে বিভিন্ন উন্নয়নমূলক কাম-কাজ সম্পন্ন হোৱাৰ পাছতো অঞ্চলটোক নগালেণ্ডৰ বুলি দাবী কৰাটো কোনোপধ্যেই গ্ৰহণযোগ্য নহয় বুলি কয় জাতীয় সংগঠন আৰু সীমান্তবাসীয়ে। সংগঠনসমূহে সীমান্তবাসীৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰাৰ অপচেষ্টা চলোৱাৰ লগতে ৫৯টা পৰিয়ালক উচ্ছেদ নকৰিবলৈ দাবী জনোৱা কাৰ্যক তীব্ৰ গৰিহণা দিয়ে। সেয়ে অসম চৰকাৰক জাতীয় সংগঠন আৰু সীমান্তবাসীয়ে সীমান্তবাসীৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে অসমৰ ভূমিৰ ওপৰত কোনো ধৰণৰ অবৈধ দাবীক কঠোৰভাৱে প্ৰতিহত কৰিবলৈ দাবী জনাইছে।

# মণিপুৰত অগ্নিসংযোগ বহু গৃহত, দুই

*এক পৃষ্ঠাৰ পৰা* পুৱা প্ৰায় ৯-২০ বজাত পৰিস্থিতি অধিক উত্তপ্ত হৈ উঠে আৰু গুলিচালনাৰ ঘটনাও সংঘটিত হয়।

এই সংঘৰ্ষত ৩৬ চিআৰপিএফ বাহিনীৰ ৫৪ বছৰীয়া জোৱানজন আহত হয়। সম্প্ৰতি তেওঁ চিকিৎসাধীন হৈ আছে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ইতিমধ্যে ব্যাপক নিৰাপত্তা বাহিনী নিয়োগ কৰা হৈছে। পৰিস্থিতি অধিক শোচনীয় হোৱাৰ আশংকাত বহু স্থানীয় বাসিন্দাই ঘৰ-বাৰী এৰি পলায়ন কৰিছে। স্থানীয় বাসিন্দাৰ অভিযোগ অনুসৰি কুকিসকলৰ সশস্ত্ৰ সংগঠনে নগা অধ্যুষিত গাঁৱত প্ৰথমে আক্ৰমণ কৰে। ইয়াৰ বিপৰীতে কুকি সংগঠনসমূহে অগ্নিসংযোগৰ ঘটনাত তীব্ৰ নিন্দা কৰি দোষীক গ্ৰেপ্তাৰৰ দাবী জনাইছে। প্ৰশাসনৰ সূত্ৰ মতে, পুৱাৰ ভাগত দুষ্কৃতিকাৰীয়ে প্ৰথমতে নগা জনগোষ্ঠীৰ এজন লোকৰ ঘৰত অগ্নিসংযোগ কৰিছিল। একে সময়তে কুকি জনগোষ্ঠীৰ এজন লোকৰ ঘৰতো অগ্নিসংযোগ কৰা হয়। ইয়াকে লৈ দুয়োপক্ষৰ মাজত উত্তেজনা বিয়পে আৰু গুলিচালনাও হয়। এই গুলিচালনাৰ ঘটনাতে চিআৰপিএফৰ ৩৪ বেটেলিয়নৰ জেনেৰেল ডিউটিৰ উপ-অধীক্ষক প্ৰদীপ সিং আহত হয়। ইপিনে, সমান্তৰালভাৱে নগা সম্প্ৰদায়ৰ একাংশ লোকে ইম্ফল-ডিমাপুৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ ২ অৱৰোধ কৰে।

আনহাতে, আজি ২০২১ত অসম ৰাইফলছৰ কমাণ্ডিং বিষয়া, তেওঁৰ পত্নী আৰু সন্তানক গুলীয়াই হত্যা কৰাৰ অভিযোগত মণিপুৰৰ থৌবাল জিলাত এজন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰা হয়। চূড়াচান্দপুৰ জিলাৰ চেহকেন গাঁৱত অসম ৰাইফলছৰ কনভয়ৰ ওপৰত ২০২১ৰ ১৩ নৱেম্বৰত উগ্ৰপন্থীৰ আক্ৰমণত প্ৰাণ হেৰুৱাইছিল কৰ্ণেল বিপ্লৱ ত্ৰিপাঠি, তেওঁৰ পত্নী অনুজা আৰু সন্তান আবিৰে। ২০২১ৰ ২৬ নৱেম্বৰত এই ঘটনাৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰা হয় কেন্দ্ৰীয় তদন্তকাৰী সংস্থা এনআইএক।

# বিজেপিক ভোট নিদিয়া বাবেই

*এক পৃষ্ঠাৰ পৰা* হাথিয়াৰৰূপে এই আঁচনিক ব্যৱহাৰৰ অভিযোগ উত্থাপন কৰি আজি শ শ বঞ্চিত মহিলাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী মহিলাসকলে কয় যে বিগত বিধানসভা নিৰ্বাচনত বিজেপি প্ৰাৰ্থীক ভোট নিদিয়াসকলৰ নাম অৰুণোদয় আঁচনিৰ পৰা কৰ্তন কৰাৰ বাবে উঠি-পৰি লাগিছে একাংশ পঞ্চায়ত প্ৰতিনিধি আৰু বিধায়কৰ ঘনিষ্ঠ বিজেপি নেতা। অভিযোগ অনুসৰি শেহতীয়া বিধানসভা নিৰ্বাচনত অজাপ প্ৰাৰ্থী তথা দলটোৰ মুৰব্বী লুৰীণজ্যোতি গগৈক ভোট দিয়াটোৱেই অপৰাধ হ'ল খোৱাং সমষ্টিৰ একাংশ মহিলাৰ। প্ৰতিবাদী মহিলাই কয়, 'নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতে শ শ মহিলাৰ নাম কৰ্তন কৰা হৈছে অৰুণোদয় আঁচনিৰ পৰা। নাম কৰ্তন কৰাৰ পাছত আবেদন কৰিও কোনো সঁহাৰি পোৱা নাই।' সেয়েহে আজি খোৱাং সমজিলা আয়ুক্ত কাৰ্যালয়ত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত মহিলাসকলে। খোৱাং সমষ্টিৰ ছখন পঞ্চায়ত ক্ৰমে ধেমেছি, নাহৰণি, হালধিবাৰী, গছপুৰীয়া, কোটোহা, লেজাই পঞ্চায়তৰ অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত শতাধিক মহিলাই অভিযোগ কৰে যে লুৰীণজ্যোতিক ভোট দিয়াৰ বাবে খোৱাং সমষ্টিৰ বিজেপি বিধায়ক চক্ৰধৰ গগৈ আৰু তেওঁৰ একাংশ ঘনিষ্ঠ লোকে মহিলাসকলৰ নাম অৰুণোদয় আঁচনিৰ পৰা কৰ্তন কৰিলে। পূৰ্বে অৰুণোদয় লাভ কৰি থকা মহিলা আৰু বৃদ্ধা মহিলাৰ নাম কৰ্তন কৰি দিয়াত ক্ষোভিত হৈ পৰে মহিলাসকল। প্ৰতিবাদী এনে এগৰাকী বিধবা মহিলাই কয়, 'অসম চৰকাৰৰ আঁচনিখন দলৰ কাৰণে আহিছেনে নে সকলো দুখীয়া মহিলাৰ কাৰণে আহিছে? পঞ্চায়ত সভানেত্ৰী, বিলাসী গাড়ী থকা, চৰকাৰী চাকৰি থকা মানুহে অৰুণোদয় পায়; কিন্তু আমি দুখীয়া বিধৱা মহিলাই নাপাওঁ কিয়? নতুনকৈ গঠন হোৱা পঞ্চায়তে কাটি দিছে নাম।' তেওঁ পুনৰ ক্ষোভ উজাৰি কয়, 'পঞ্চায়ত সভানেত্ৰীয়ে জানিবলৈ দিছে যে নিৰ্বাচনৰ সময়ত লুৰীণজ্যোতি গগৈৰ স'তে ঘূৰা বাবে নাম কৰ্তন কৰা হৈছে।'

আনহাতে, মহিলাসকলৰ এই প্ৰতিবাদৰ মাজতে খোৱাং সমজিলাৰ সহকাৰী আয়ুক্তই মহিলাসকলৰ স'তে আলোচনাত মিলিত হয়। আলোচনাৰ পাছত প্ৰতিবাদ স্থগিত ৰাখে যদিও কম দিনৰ ভিতৰত অৰুণোদয় আঁচনিৰ সুবিধা লাভ নকৰিলে পুনৰ আন্দোলন কৰাৰ হুংকাৰ প্ৰদান কৰিছে। প্ৰতিবাদী মহিলাসকলে লগতে কয়, 'আঁচনিৰ পৰা বঞ্চিত কৰি মহিলাসকলৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা হৈছে।' মহিলাসকলে কয়, 'এই কাম খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ আৰু তেওঁৰ একাংশ ঘনিষ্ঠ লোকে কৰিছে।'

# পিএম কেয়াৰ পুঁজিত অব্যৱহৃত ৮,৪৫২

*এক পৃষ্ঠাৰ পৰা* ইপিনে, ২০২৪-২৫ৰ ৭১৭৩ কোটি টকাৰ ভিতৰত ৬৬৪১.৫৬ কোটি ফিক্সড ডিপ'জিট কৰি ৰখা হয় আৰু ৫৩১.৪৬ কোটি টকা বেংকৰ জমা শিতানত ৰখা হয়। ইয়াৰ ফলত লাভ কৰা সুতৰ আয়ৰ পৰিমাণ হৈছে ৪৭৫ কোটি। আনহাতে, ৩২৪ কোটি টকা বিভিন্ন ৰূপায়ণকাৰী সংস্থাই আদায় দিছে।

অৱশ্যে পিএম কেয়াৰ পুঁজি নদন-বদন ৰূপত প্ৰস্ফুটিত হ'লেও ইয়াৰ ব্যয়ৰ পৰিমাণ দেখি বিভিন্ন মহলৰ চকু কপালত উঠিছে। এই পৰ্যন্ত পুঁজিৰ কেৱল ০.০১ শতাংশহে ব্যয় কৰা হৈছে। ২০২৪-২৫ৰ এই ব্যয়ৰ হিচাপ অনুসৰি শিশুৰ আঁচনিৰ বাবদ ৮৭.৮৫ লাখ ব্যয় কৰা হৈছে। ইপিনে, ২০২৩-২৪ত ব্যয়ৰ পৰিমাণ আছিল ১৫.৩৭ কোটি টকা। ২০২৪-২৫ত মুঠ ৮৪৫২ কোটি টকাৰ ভিতৰত মাত্ৰ ৮৭.৮৫ লাখ ব্যয় হোৱাটোহে প্ৰশ্ন উত্থাপন কৰে যে কিয় এই বৃহৎ ধনৰাশি অব্যৱহৃত ৰূপত পেলাই থোৱা হ'ল। পুঁজি গঠনৰ নিৰ্ধাৰিত লক্ষ্যত এই ধন কিয় ব্যৱহাৰ কৰা নহ'ল। ২০২০ৰ ২৮ মাৰ্চত এই পুঁজি গঠন কৰা হৈছিল। বিশ্ব স্বাস্থ্য সংস্থাই ক'ভিড-১৯ক অতিমাৰী বুলি ঘোষণা কৰাৰ কিছুদিন পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই পুঁজি গঠন কৰে। প্ৰধানমন্ত্ৰীয়ে কৈছিল যে যিকোনো জৰুৰীকালীন আৰু দুৰ্দশাৰ পৰিস্থিতিৰ বাবে এই ধন ব্যয় কৰাই ইয়াৰ মূল লক্ষ্য। ক'ভিড-১৯ অতিমাৰীকে ধৰি এনে জৰুৰীকালীন দুৰ্দশাগ্ৰস্ত অৱস্থাৰ ক্ষতিগ্ৰস্তক সকাহৰ বাবে এই ধন ব্যয় কৰা হ'ব বুলি কোৱা হৈছিল যদিও সম্প্ৰতি ইয়াৰ স্বচ্ছতাক লৈ প্ৰশ্ন উত্থাপন হৈছে।

স্বচ্ছতাৰ হকে অহৰহ যুঁজ দি থকা কমোদৰ (অৱসৰপ্ৰাপ্ত) নৌ সেনা বিশেষজ্ঞ লোকেশ বাত্ৰাই যৎসামান্য পুঁজি ব্যৱহাৰৰ সন্দৰ্ভত ইয়াৰ ঘোষিত লক্ষ্যলৈ প্ৰশ্ন উত্থাপন কৰি তেওঁৰ প'ৰ্টেলত উত্থাপন কৰে। এই পুঁজিত পুঞ্জীভূত হৈ থকা হেজাৰ হেজাৰ কোটি টকাৰ ব্যৱহাৰ আৰু ইয়াৰ গোপনীয়তাক লৈ সমালোচনা মুখৰ হৈছে দেশৰ এইজন পৰিচিত তথ্যজনাৰ অধিকাৰ কৰ্মী তথা প্ৰাক্তন নৌ সেনা বিষয়াই। তেওঁ নিজস্ব প'ৰ্টেলত লিখিছে যে পুঁজিৰ লক্ষ্যৰ কথা মনত ৰাখি ই এক গুৰুত্বপূৰ্ণ প্ৰশ্ন যে কিয় আঠ হেজাৰ কোটিতকৈ অধিক ধন জমা হ'বলৈ দিয়া হ'ল। অতি সামান্য ধন কিয় ব্যয় কৰা হ'ল। তেওঁ লিখিছে, 'কিছুমান ক্ষেত্ৰত দেখা গৈছে যে এককালীন অনুদানসমূহ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিলৈ দিয়া হৈছে।' 'কমনৱেলথ হিউমেন ৰাইটছ'-ভাৰতৰ সঞ্চালক ভেংকটেশ নায়কে কয় যে হিচাপ পৰীক্ষণৰ প্ৰতিবেদন ৰাজহুৱা কৰাৰ সময় সন্দেহজনক। তেওঁ কয় যে সংসদৰ সদ্যসমাপ্ত বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে ইয়াক মোকলাই দিলে বোধ হয় বিৰোধীয়ে সংসদত এই বিষয়ক লৈ প্ৰশ্ন কৰিব পাৰিলেহেঁতেন। তেওঁ কয় যে পুঁজিৰ নামত নাগৰিক শব্দ ব্যৱহাৰ কৰা হৈছে। সেয়েহে ৰাইটছৰ প্ৰতিনিধিয়ে চৰকাৰক ২০২৪-২৫ৰ পুঁজিৰ যৎসামান্য ব্যয়ৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিলেহেঁতেন। উল্লেখ্য যে ২০২০ৰ ৩১ মাৰ্চত এই একাউণ্টটোৰ প্ৰথম প্ৰতিবেদন প্ৰকাশ কৰা হৈছিল। ইয়াত ব্যয়ৰ কোনো উল্লেখ নাছিল। কেৱল ৩০৭৬ কোটি টকা অনুদান কথাটো উল্লেখ আছিল। এই পুঁজিত ২.৫ লাখ টকা প্ৰধানমন্ত্ৰী নিজেই দান দিছিল। ২০২১-২২ত প্ৰকাশ কৰা দ্বিতীয় হিচাপ-নিকাচৰ প্ৰতিবেদন অনুসৰি আবণ্টনৰ পৰিমাণ দেখুওৱা হৈছিল ৩৯৭৬ কোটি আৰু কমপাছৰ মূল্যৰ পৰিমাণ ৭০১৩ কোটি। ২০২১-২২ত ব্যয়ৰ পৰিমাণ আছিল ৩৭১৬ কোটি আৰু সামৰণিৰ জমা ধনৰ পৰিমাণ ৫৪১৫ কোটি। ২০২২-২৩ৰ হিচাপ-নিকাচৰ প্ৰতিবেদন অনুসৰি ৪৩৯ কোটি ব্যয় কৰা হয় আৰু বছৰত বিত্তীয় বৰ্ষৰ সামৰণিৰ জমা ধনৰ পৰিমাণ ৬১৮৩ কোটি।

২০২২-২৩ বিত্তীয় বৰ্ষ পৰ্যন্ত লেনদেনৰ প্ৰতিবেদন অনুসৰি এই ধনসমূহ বিনিয়োগ কৰা হৈছিল কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত চৰকাৰী হাস্পতালত ভেণ্টিলেটৰ আদিৰ দৰে সামগ্ৰী ক্ৰয়, প্ৰব্ৰজিত শ্ৰমিকৰ কল্যাণ আৰু অস্থায়ী হাস্পতাল-পৰীক্ষাগাৰ নিৰ্মাণ তথা ক'ভিড-১৯ প্ৰতিষেধক ক্ৰয় আদিৰ বাবে। ২০২২ৰ ৩০ মে'ত প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে যে এই পুঁজিৰ ধন শিশুসকলৰ বাবে পিএম কেয়াৰ আঁচনিলৈ আবণ্টন দিয়া হ'ব। ক'ভিড-১৯ত পিতৃ-মাতৃহাৰা হোৱা সন্তান, উচ্চ শিক্ষাৰ বাবে ঋণ, দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ বাবে প্ৰতি মাহে চাৰি হেজাৰ টকা, ২৩ বছৰ বয়স প্ৰাপ্ত হ'লে ১০ লাখ টকা আদায় আৰু আয়ুষ্মান ভাৰত আঁচনিৰ বাবদ এই ধন আবণ্টন দিয়া হ'ব। এই মূল উদ্দেশ্য আঁচনিৰ বাবে ৪৬ কোটি টকা ব্যয় কৰা হয়।

এতিয়া প্ৰশ্ন উঠিছে যে ২০২৪-২৫ত বিভিন্ন সংস্থাই চৰকাৰক ঘূৰাই দিয়া ৩২৪ কোটি টকা সন্দৰ্ভত বিতং তথ্য কিয় ৰাজহুৱা কৰা প্ৰতিবেদনত দাখিল কৰা হোৱা নাই। ইয়াকে লৈ বাত্ৰাই প্ৰশ্ন কৰিছে। এই ঘূৰাই দিয়া ধন সন্দৰ্ভত কোনে এই বৃহৎ পৰিমাণৰ ধন ঘূৰাই দিলে আৰু কি উদ্দেশ্যে দিলে সেই বিষয়ে কোনো বিতং উল্লেখ নাই। তেওঁ আঙুলিয়াই দিয়ে যে হিচাপ-নিকাচ প্ৰতিবেদনত হিচাপ-নিকাচ পৰীক্ষকৰ এটা ১৬ পৃষ্ঠাৰ বিশেষ টোকাৰ কথা উল্লেখ কৰিছে। ইয়াত ধনৰ বিতৰণৰ সবিশেষ তথ্য সন্নিবিষ্ট থাকে। এই মূল পৃষ্ঠাটোহে চৰকাৰে ৰাইজৰ চকুৰ পৰা আঁতৰাই ৰাখিছে। তেওঁ প্ৰশ্ন কৰে কিয় এই প্ৰতিবেদনৰ দুখন পৃষ্ঠাহে ৰাজহুৱা কৰা হ'ব? আৰু তাক প্ৰচাৰ ৰাজহুৱা কৰা যিখিনি হিচাপ-নিকাচৰ প্ৰতিবেদনত দাখিল কৰা হয়। চৰকাৰে এই বিষয়ে প্ৰতিবেদনত উত্তৰ দিয়া হোৱা নাই বুলি বাত্ৰাই কয়। বিত্তীয় প্ৰতিবেদনৰ লগত হিচাপ-নিকাচ পৰীক্ষকৰ পৰ্যবেক্ষণ উল্লেখ থকা বিশেষ টোকা এই প্ৰতিবেদনত নাই। আনহাতে, পিএম কেয়াৰ পুঁজি প'ৰ্টেল মৰ্মে প্ৰতি তিনি বছৰৰ পৰা হিচাপ পৰীক্ষা সম্পন্ন কৰিব লাগে। কিন্তু শেষৰজন অডিটৰক চাৰিটা বিত্তীয় বৰ্ষৰ বাবে ৰখা হ'ল।

লক্ষণীয়ভাৱে পুঁজিৰ উৎস ৰাজহুৱা কৰাৰ দাবী দোহাৰি থকা হৈছে। নায়কে কয় যে কোনে কিমান টকা দান দিলে আৰু কিহৰ বাবে এই ধন ব্যয় কৰা হ'ল সেই কথা জনা ৰাইজৰ অধিকাৰ আছে। তেওঁ কয়, 'উদাহৰণস্বৰূপে এই কথা কোৱা হৈছে যে শিশুসকলৰ বাবে ৮৭ লাখ টকা ব্যয় কৰা হ'ব। হিতাধিকাৰীৰ বিতং তথ্য আৰু কিমান ধন কি হিচাপত আবণ্টন দিয়া হ'ল সেই কথাও কিয় ৰাজহুৱা কৰা হোৱা নাই।'

এই পুঁজিক লৈ বিতৰ্কৰ উদ্ভৱ হোৱাৰ মূল কাৰণ হৈছে ইয়াৰ আৰম্ভণিৰে পৰাই স্বচ্ছতাৰ অভাৱ। এই অভিযোগ স্বচ্ছতাৰ হকে কাম কৰি থকা সমাজকৰ্মীসকলে অহৰহ কৰি আহিছে। এই সন্দৰ্ভত প্ৰশ্ন উঠিছে যে কিয় পিএম কেয়াৰ পুঁজি তথ্য জনাৰ অধিকাৰ আইনৰ আওতাৰ বাহিৰত ৰখা হৈছে। চৰকাৰৰ যুক্তি হ'ল যে এই পুঁজি এক ৰাজহুৱা দাতব্য ন্যাস, ই কোনো চৰকাৰী বিভাগ বা পৰিষদ নহয়। যাৰ বাবে ইয়াক আৰটিআইৰ বাহিৰত ৰখা হৈছে। ইয়াৰ পৰিবৰ্তে এটা পক্ষৰ যুক্তি হ'ল যে ন্যাসৰ ঠিকনা প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু ইয়াৰ প্ৰশাসন চৰকাৰী আমোলাৰ হাতত। চৰকাৰী ব্যৱস্থাৰ জৰিয়তে এই পুঁজি ব্যৱহাৰ কৰা হৈছে। বিভিন্ন সক্ৰিয় কৰ্মীয়ে আঙুলিয়াই দিয়ে যে ৰাজহুৱা খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানে কৰ্পৰেট সামাজিক দায়বদ্ধতাৰ অধীনত এই পুঁজি আদায় দিছে। মনকৰিবলগীয়া যে পিএম কেয়াৰ আৰটিআইৰ অধীনলৈ আনিব লাগে নে নালাগে তাক লৈ দিল্লী উচ্চ ন্যায়ালয়ত গোচৰ বিচাৰাধীন হৈ আছে। প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত গঠন কৰা পুঁজি ২০১০ৰ বিদেশী ধন নিয়ন্ত্ৰণ আইন আৰু আয়কৰ আইনৰ আওতাৰ পৰাও ৰেহাই দিয়া হৈছে। ইয়াৰ ওপৰিও ব্যক্তিগত কোম্পানী তথা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে আগবঢ়োৱা কৰ্প'ৰেট সামাজিক দায়বদ্ধতা (চিএছআৰ) হিচাপে আগবঢ়োৱা অবদানক কোম্পানী আইন ২০১৩ৰ অধীনত এই পুঁজি বাবে আওতাৰ বাহিৰলৈ নিয়া হৈছে।

চলিত বৰ্ষৰ সংসদৰ বাজেট অধিৱেশনত এই পুঁজিক লৈ আগবঢ়োৱা দান আৰু ইয়াৰ ব্যয় তথা কাৰ্যকলাপক লৈ স্বচ্ছতাৰ অভাৱ বিষয়টো চৰ্চালৈ আহে। পিএমঅ' অৰ্থাৎ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰা এক বাৰ্তাত কয় যে সংসদত পুঁজিক লৈ কোনো ধৰণৰ প্ৰশ্ন উত্থাপন কৰিব নোৱাৰিব। সংসদৰ প্ৰক্ৰিয়া আৰু কাৰ্য বিধিৰ উদ্ধৃতি দি পিএমঅ'ই লোকসভাৰ সচিবালয়লৈ এই প্ৰেৰণ কৰা পত্ৰত বিতৰ্ক আৰু সদস্যসকলৰ প্ৰশ্ন সূচনা দিয়া। সম্প্ৰতি কংগ্ৰেছ জনতা পাৰ্টিৰ নেতৃত্বত পিএম কেয়াৰ পুঁজিক লৈ বিভিন্ন প্ৰশ্ন উত্থাপন কৰি থকাৰ সময়তে ৰাজহুৱা হৈছে শেহতীয়া হিচাপ-নিকাচৰ প্ৰতিবেদন। চিজেপিৰ অভিযোগ অনুসৰি চৰকাৰে ৰাজহুৱা কৰা হিচাপ-নিকাচৰ প্ৰতিবেদনত সম্পূৰ্ণ বিতং তথ্য ৰাজহুৱা হ'ব লাগে।' উল্লেখ্য যে অসমৰ শেহতীয়া বিধ্বংসী বানপানীকে ধৰি দেশৰ বিভিন্ন ভয়াবহ প্ৰাকৃতিক দুৰ্যোগৰ সময়ত প্ৰধানমন্ত্ৰীৰ এই জৰুৰীকালীন পুঁজিৰ ব্যৱহাৰ হোৱাক লৈ প্ৰশ্ন উত্থাপন কৰি আহিছে। এই সময়তে সমাজকৰ্মী তথা নৌসেনা বিষয়া বাত্ৰাৰ নতুন বিস্ফোৰণে পুনৰবাৰ পিএম কেয়াৰক কাঠগড়াত থিয় কৰালে।

# বুকুত দুটা গুলি লৈ মৃত্যুৰে

*এক পৃষ্ঠাৰ পৰা* বুকুত লগা দুটা গুলিৰ এটা অস্ত্ৰোপচাৰ কৰি উলিওৱা হৈছে যদিও আনটো উলিয়াবলৈ সক্ষম হোৱা নাই চিকিৎসকে। আনহাতে এটা গুলি কান্ধত লাগি ওলাই যায় ব্যৱসায়ীজনৰ। আনহাতে, যোৱা নিশাৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে জোৰদাৰ অভিযান চলাই অনুসন্ধান অব্যাহত ৰাখিছে যদিও বিশেষ তথ্য উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। নিশাৰে পৰা দুধনৈ সমজিলাৰ আৰক্ষী অধীক্ষক নূপুৰ ৰঞ্জন নেওগ আৰু দুধনৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাৰ্গৱ বৰবৰাৰ নেতৃত্বত ঘটনা সন্দৰ্ভত তদন্ত কৰি দুৰ্বৃত্তৰ বিৰুদ্ধে অভিযান চলাইছে। আজি গোৱালপাৰা জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অংশুল সিঙে ঘটনাস্থলীত উপস্থিত হৈ চৰজমিন তদন্ত কৰে।

উল্লেখ্য যে কালি সন্ধিয়া দুধনৈৰ দামৰাত দুৰ্বৃত্তৰ গুলিচালনাত গুৰুতৰভাৱে আহত হৈছিল ব্যৱসায়ী ছায়েদ। নিশা প্ৰায় আঠ বজাত ব্যৱসায়ীজনে বজাৰ কৰি ই-ৰিক্সাৰে ঘৰলৈ আহি আছিল। তেওঁ ই-ৰিক্সাৰে নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখ পোৱাৰ লগে লগে চাৰিচকীয়া বাহনৰে অহা দুৰ্বৃত্তৰ দলে নিচেই কাষৰ পৰা তেওঁক লক্ষ্য কৰি চাৰিজাঁই গুলিচালনা কৰে। ইয়াৰে তিনিটা গুলি ব্যৱসায়ীজনৰ গাত লাগি ই-ৰিক্সাৰ পৰা পথত ঢলি পৰে। ইফালে গুলিচালনা কৰিয়ে দুৰ্বৃত্তৰ দলটোৱে মেঘালয়ৰ দিশে পলায়ন কৰে। গুলিবিদ্ধ ব্যৱসায়ী ছায়েদক ততালিকে স্থানীয় লোকে দুধনৈ এফআৰইউ হাস্পতালত ভৰ্তি কৰায় যদিও আঘাত গুৰুতৰ হোৱাত সংকটজনক অৱস্থাত গোৱালপাৰা চহৰত চলেচ হাস্পতালত ভৰ্তি কৰোৱা হয়। ব্যৱসায়ীজনক কোনে কি কাৰণত গুলিচালনা কৰিলে সেয়া পোহৰলৈ অহা নাই। অৱশ্যে আৰক্ষীও এই সন্দৰ্ভত কোনো মন্তব্য প্ৰকাশ কৰা নাই। উল্লেখ্য যে কালি ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে পইণ্ট ৩২ পিষ্টলৰ চাৰিজাঁই গুলিৰ খালী কাৰ্টিজ উদ্ধাৰ কৰে।

# মুখ্য ন্যায়িক দণ্ডাধীশৰ

*এক পৃষ্ঠাৰ পৰা* স্থানান্তৰ কৰা বুলি আজি এক সংবাদমেলত সন্থাৰ নেতৃবৃন্দই চৰকাৰ-প্ৰশাসনৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। সন্থাৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ শৰ্মাই কয় যে আদালতখন ইতিমধ্যে সাধাৰণ প্ৰশাসন বিভাগৰ ভৱনলৈ স্থানান্তৰ কৰা হৈছে। অথচ তাত প্ৰয়োজনীয় সা-সুবিধা একেবাৰে নাই। শৰ্মাই কয়, 'গুদামঘৰ সদৃশ এক স্থানলৈ আমাক স্থানান্তৰিত কৰা হৈছে। আশ্চৰ্যকৰভাৱে তাৰ কোঠাবোৰত ভেণ্টিলেচন নাই, আনকি খিৰিকীও নাই। এনে স্থানলৈ ন্যায়িক ব্যৱস্থাটোক লৈ যোৱা হৈছে। কিবা যদি নহ'বলগীয়া দুৰ্ঘটনা হয় তেতিয়াও ৰক্ষা পৰাৰ পৰিৱেশ নাই। দুৰ্ভাগ্যজনকভাৱে চৰকাৰে এতিয়ালৈ আমাক স্থায়ী ঠিকনা দিব পৰা নাই। যি পৰিৱেশত আদালত চলিছে, তাত জ্যেষ্ঠ অধিবক্তা আৰু বয়োজ্যেষ্ঠ লোকসকলে উশাহ-নিশাহ লোৱাত কষ্ট হ'ব। বন্ধ এটা কোঠাত এনে হোৱাটো স্বাভাৱিক। অন্য সুৰক্ষাটো বাদেই অগ্নি নিৰ্বাপণৰ ব্যৱস্থাও তাত নাই।' স্থায়ী ঠিকনা নিদিয়ালৈকে অধিবক্তাসকলে বৰ্তমানৰ গুৱাহাটী উকীল সন্থাৰ কাৰ্যালয়ৰ পৰা কেতিয়াও আঁতৰি নাযায় বুলিও আজি স্পষ্ট কৰি দিয়ে।

সংবাদমেলত সাধাৰণ সম্পাদক শৰ্মাই এইবুলিও উল্লেখ কৰে যে ন্যায় বিচাৰি অহা লোকেও চৰকাৰৰ নতুন ব্যৱস্থাত আদালত গৈ নাপায়। ইয়াৰ এক উদাহৰণ উল্লেখ কৰি শৰ্মাই কয়, 'এনে ঘটনাও ঘটিছে যে দিব্যাংগ এগৰাকী মহিলাই আদালত গৈয়ে নাপায়। তেওঁ তলতে বহি থাকিবলগীয়া হয়। কাৰণ তেওঁলোকৰ বাবে ওপৰলৈ উঠি যোৱাৰ কোনো ব্যৱস্থা নাই। যদি এনেকুৱা হয় তেন্তে কেনেকৈ ৰাইজে ন্যায় পাব। এই মহিলাগৰাকীয়ে যদি নিজৰ কথা ক'বই নোৱাৰে কেনেকৈ ন্যায় পাব। গতিকে চৰকাৰে আমাক এটা পণবন্দী অৱস্থাত ৰখাৰ বিপৰীতে স্থায়ী ঠিকনা কেতিয়া দিব জনাওক। কিমান বছৰ, কিমান সময় লাগিব জনাওক। আমি তেতিয়ালৈকে ইয়াৰ পৰা নাযাওঁ। আমি উন্নয়নৰ বিৰোধী নহয়। কিন্তু আমাক য'তে-ত'তে থ'লে নহ'ব।'

# প্ৰতিৰোধ সত্ত্বেও বামুণীমৈদামৰ

*এক পৃষ্ঠাৰ পৰা* সহযোগত চলোৱা এই অভিযানত উচ্ছেদিতৰ প্ৰতিৰোধৰ মাজতো প্ৰায় ৪০টা ঘৰ উচ্ছেদ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে কমেও দুবছৰৰ পৰা ৰেল বিভাগৰ এই ভূমি বেদখল হৈছিল। অভিযোগ অনুসৰি বেদখল কৰা সকলো ৰেল বিভাগৰে প্ৰাক্তন কৰ্মচাৰী। তেওঁলোকক বেদখল এৰি দিবলৈ দীৰ্ঘদিনৰ পৰা ৰেল বিভাগে আহ্বান জনাই আহিছিল। শেহতীয়াকৈ উচ্ছেদৰ চূড়ান্ত ঘোষণা কৰি বেদখল স্বেচ্ছাই এৰি দিবলৈ ১০ দিন পূৰ্বে জাননী জাৰি কৰা হয়। কিন্তু এইবাৰো এনে জাননীক গুৰুত্বহীন কৰাৰ অভিযোগত আজি পুৱাৰে পৰা উচ্ছেদ কাৰ্য আৰম্ভ কৰা হয়। দুখন বুলড'জাৰৰ সহায়ত উচ্ছেদ আৰম্ভ কৰাৰ সময়তে একাংশ লোকে ইয়াত বাধা প্ৰদান কৰে। বুলড'জাৰৰ সন্মুখত বাগৰি পৰিও বাধা প্ৰদান কৰা হয়। কিন্তু আৰক্ষীয়ে লোকসকলক বলপূৰ্বক আঁতৰাই এফালৰ পৰা ঘৰবোৰ ভাঙি পেলায়। উচ্ছেদিত একাংশ লোকে সন্তানৰ পৰীক্ষাকে ধৰি বিভিন্ন কাৰণ দৰ্শাই উচ্ছেদ স্থগিত ৰখাৰো দাবী জনাইছিল। কিন্তু সেই দাবীক গুৰুত্ব নিদিলে উচ্ছেদ চলাবলৈ যোৱা দলে।

এই উচ্ছেদৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকৰ দলক অপ্ৰৰোচিতভাৱে এজন লোকে আক্ৰমণ চলোৱাৰ অভিযোগ উঠিছে। এটা বৈদ্যুতিন সংবাদ মাধ্যমৰ এজন ভিডিঅ' সাংবাদিকক ডিঙিত চেপি ধৰিও টানি লৈ যোৱাৰ ঘটনা সংঘটিত হয়। এই আক্ৰমণক কে'বাটাও সাংবাদিক সংগঠনে গৰিহণা দিয়ে। গুৱাহাটী প্ৰেছ ক্লাবে এই আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিছে। এক বিবৃতিত প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতা আৰু সাধাৰণ সম্পাদক অমৰেন্দ্ৰ ডেকাই কয় যে কৰ্তব্য পালনৰ সময়ত এজন সাংবাদিকক ডিঙি চেপি প্ৰাণে মৰাৰ চেষ্টা চলোৱা আৰু শাৰীৰিকভাৱে প্ৰহাৰ কৰি গুৰুতৰভাৱে আহত কৰা কাৰ্য গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত এক প্ৰত্যক্ষ আঘাত। প্ৰেছ ক্লাবে দোষীৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক দাবী জনাইছে। একেদৰে সংঘাতপূৰ্ণ পৰিস্থিতি আৰু উচ্ছেদ অভিযানৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকসকলৰ নিৰাপত্তা নিশ্চিত কৰিবলৈও দাবী উত্থাপন কৰিছে। দিছপুৰ প্ৰেছ ক্লাবৰ সভাপতি প্ৰণয় বৰদলৈ আৰু সাধাৰণ সম্পাদক কুঞ্জমোহন ৰায়ে কৰ্তব্যৰত সাংবাদিকক আক্ৰমণৰ গৰিহণা দি ইয়াৰ লগত জড়িতক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনায়। অসম বাৰ্তাজীৱী সংঘয়ো সাংবাদিকদ্বয় সুমন তালুকদাৰ আৰু ধনজিৎ ৰয়ক আক্ৰমণৰ ঘটনাক গৰিহণা দিয়ে আৰু আক্ৰমণকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক দাবী জনাইছে।

# চৰকাৰ-প্ৰশাসনৰ বিৰুদ্ধে ওলাই

*এক পৃষ্ঠাৰ পৰা* অৰুণাচলৰ আৰক্ষী জোৱানৰ শিবিৰ উঠাই দিয়ক', 'তেজ দিম মাটি নিদিওঁ' আদি ধ্বনিৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে সীমান্ত অঞ্চলত। উল্লেখ্য যে যোৱা ১০ আগষ্টত ১১জন লোকক অৰুণাচলী লোকে গুলীয়াই আহত কৰা ঘটনাত আঘাতপ্ৰাপ্ত প্ৰতিটো পৰিয়ালক ২০ লাখকৈ ক্ষতিপূৰণ দিয়া আদি কৰি কে'বাদফীয়া দাবীৰ সমৰ্থনত মহিলাসকলে আজিৰ এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ইফালে, অসম-অৰুণাচল সীমান্তত সংঘটিত এই ঘটনাৰ আজি ১৪ দিন অতিবাহিত হোৱাৰ পাছতো অসম চৰকাৰ আৰু ধেমাজি জিলা প্ৰশাসনে সমস্যাৰ সমাধান কৰিব নোৱাৰাত ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ। চৰকাৰে ঘটনাৰ উচিত তদন্ত কৰিব বুলি আশ্বাস প্ৰদান কৰিছিল যদিও আজিলৈকে সমাধান নোহোৱাত প্ৰতিবাদকাৰীসকলে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি 'অৰুণাচল পুলিচ হায় হায়, অপৰাধীক অসম পুলিচক গতাই দিয়ক, এই জুই জ্বলিছে, জ্বলিবই, ইনক্লাব জিন্দাবাদ, অৰুণাচলী হুঁছিয়াৰ' আদি বিভিন্ন শ্ল'গানেৰে মিংমাং বদতিৰ আকাশ-বতাহ উত্তাল কৰি তোলে। ইফালে, এই দাবীৰ সমৰ্থনত প্ৰতিবাদকাৰীসকলে পুৱা ১০-৩০ বজাৰ পৰা এক বজালৈ ৰূপায়ণ কৰা কাৰ্যসূচীত অঞ্চলটোৰ সকলো ৰাইজে ওলাই আহি যোগ দিয়ে।

উল্লেখ্য যে অসমৰ মাটি অৰুণাচলীয়ে অবৈধভাৱে দখলক লৈ যোৱা ১০ আগষ্টত সৃষ্টি হৈছিল সংঘৰ্ষৰ। অসম-অৰুণাচলৰ সীমা ৮০৪.১ কিলোমিটাৰ দীঘল। ইয়াত প্ৰায় ১২শ টা বিবাদিত স্থান আছে। ইয়াৰ মূল কাৰণ ১৮৭৩ৰ ব্ৰিটিছৰ সময়ৰ ৰেখা বুলি চিহ্নিত হৈ আহিছে। অৱশ্যে ২০২৩ৰ ২০ এপ্ৰিলত দুয়োখন ৰাজ্যই ১২৩খন গাঁৱৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছিল। কিন্তু মাটিত খুঁটা পোতা আৰু সীমা নিৰ্ধাৰণৰ কাম বহু ঠাইত আজিও আধৰুৱা হৈ আছে। যাৰ ফলত বিগত সময়ছোৱাত বহুকেইবাৰ অৰুণাচলীয়ে অসমৰ ভূমিপুত্ৰৰ লগত সংঘৰ্ষত লিপ্ত হৈ আহিছে। সম্প্ৰতি দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ে কৈছে যে এয়া স্থানীয় সংঘৰ্ষ আৰু আলোচনাৰে বিবাদ মীমাংসা কৰা হ'ব। এই ক্ষেত্ৰত অসমৰ সীমান্ত সুৰক্ষা মন্ত্ৰী অতুল বৰা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে টিএমপিকেৰ লগত আলোচনা কৰিছিল যদিও আজিও সমস্যাৰ সমাধান নহ'ল বুলি মহিলাসকলে ক্ষোভ প্ৰকাশ কৰে।

# ৰাষ্ট্ৰীয় গড় পৰিমাণতকৈ অসমত ২০

*এক পৃষ্ঠাৰ পৰা* ক'লা বেপাৰীৰ দৌৰাত্ম্য আদিৰ পৰিণামস্বৰূপে অসমত মূল্যবৃদ্ধি সদায়ে দেশৰ অন্যান্য ৰাজ্যৰ তুলনাত কে'বাগুণ অধিক হৈ আহিছে। পিঁয়াজৰ সাম্প্ৰতিক বজাৰ মূল্যও এনে কাৰণতে অসমত অধিক হৈছে। গুৰুতৰ বিষয়টো হ'ল যে অসমৰ খুচুৰা বজাৰত প্ৰতি কিলোগ্ৰাম পিঁয়াজৰ মূল্য ৰাষ্ট্ৰীয় গড় মূল্যৰ তুলনাত ২০ টকাৰো অধিক। আজিৰ দিনটোত প্ৰতি কিলোগ্ৰাম পিঁয়াজৰ ৰাষ্ট্ৰীয় গড় খুচুৰা মূল্য হ'ল ৪৩.৫৩ টকা। আনহাতে, পাইকাৰী এই পৰিমাণ ৩৫.৫৮ টকা। ইয়াৰ বিপৰীতে আজিৰ দিনটোত অসমত পিঁয়াজৰ খুচুৰা মূল্য প্ৰতি কিলোগ্ৰামত বজাৰভেদে ৬৫ টকা পৰ্যন্ত বৃদ্ধি হৈছে। মহাৰাষ্ট্ৰৰ নাছিকৰ পিঁয়াজৰ চাহিদা বজাৰত সৰ্বাধিক। নাছিকৰ টিকটিকীয়া ৰঙা পিঁয়াজৰ চাহিদা অধিক। নাছিকৰ পিঁয়াজৰে এতিয়া বজাৰত সৰ্বাধিক মূল্য। তদুপৰি দেশৰ কে'বাখনো ৰাজ্যত পিঁয়াজ উৎপাদন হয়; কিন্তু নাছিকৰ পিঁয়াজৰ চাহিদাই সৰ্বাধিক। অসমত পিঁয়াজৰ বৃহৎ পাইকাৰী ব্যৱসায়ী আনন্দ জৈনে কয় যে নাছিকৰ বাদেও আন যিবোৰ স্থানৰ পৰা পিঁয়াজৰ আমদানি অসমলৈ কৰা হয়, সেইবোৰৰো মূল্য বৃদ্ধি হৈছে। ক'বলৈ গ'লে এতিয়া খুচুৰা হিচাপত কোনো এবিধ পিঁয়াজৰ মূল্যই প্ৰতি কিলোগ্ৰামত ৬০ টকাৰ তলত নাই। এই মূল্যবৃদ্ধিৰ গতি অক্টোবৰৰ তৃতীয় সপ্তাহলৈ অব্যাহত থকাটো প্ৰায় নিশ্চিত বুলি ব্যৱসায়ীজনে সদৰী কৰে। ইপিনে, অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সূত্ৰই 'দৈনিক অগ্ৰদূত'ক কয় যে পিঁয়াজৰ বজাৰ সম্প্ৰতি নিয়ন্ত্ৰণত থকা নাই। কাৰণ চাহিদাৰ বিপৰীতে যোগান হ্ৰাস হৈছে। এই হ্ৰাসৰ কাৰণ উৎপাদনত ব্যাঘাত জন্মা বুলি বিষয়াজনে উল্লেখ কৰে। তাৰ ওপৰঞ্চি যোগান হ্ৰাসৰ সুযোগ একাংশ ব্যৱসায়ীয়ে গ্ৰহণ কৰাটো নুই কৰিব নোৱাৰি বুলি মন্তব্য কৰি সূত্ৰটোৱে দায়সৰাৰ চেষ্টা চলায়। কেন্দ্ৰীয় চৰকাৰে ফলপ্ৰসূ কোনো ব্যৱস্থা নল'লে পিঁয়াজৰ মূল্যই এইবাৰ গুৰুতৰ ৰূপ ধাৰণ কৰাটো নিশ্চিত বুলি লগতে সূত্ৰটোৱে উল্লেখ কৰে।

গুৰুতৰ বিষয়টো হ'ল যে পিঁয়াজৰ মূল্য অসমত ৰাষ্ট্ৰীয় গড় মূল্যৰ তুলনাত অত্যধিক হৈছে কিদৰে? যোগান বিভাগৰ সূত্ৰটোৱে উল্লেখ কৰে যে অসমৰ ক্ষেত্ৰত পৰিবহণ ব্যয় বৃদ্ধি হোৱাটো এটা কাৰণ। সেই বুলি ন্যূনতম ২০ টকালৈকে পৰিবহণ ব্যয় হঠাৎ বৃদ্ধি হোৱাৰ আঁৰৰ ৰহস্য কি? এই প্ৰশ্নৰ সঠিক উত্তৰ দিয়াৰ পৰা বিৰত থাকে সূত্ৰটোৱে। এনেবোৰ ঘটনাই যোগান বিভাগ আৰু ক'লা ব্যৱসায়ী চক্ৰৰ অসাধু বুজাবুজি অধিক স্পষ্ট কৰি তোলে। ফলস্বৰূপে অসমত সদায়ে নিয়ন্ত্ৰণহীন বজাৰ ব্যৱস্থা চলি আহিছে। দৰাচলতে বজাৰৰ নিয়ন্ত্ৰণ ক'লা বেপাৰীৰ হাতততহে। ইয়াৰ পৰিণামস্বৰূপে সাধাৰণ জনতাৰ বিপৰ্যয় কে'বাগুণে বৃদ্ধি পাইছে।

# ইণ্ডিয়া গেটৰ পৰা দিল্লী আৰক্ষীৰ মুখ্য

*এক পৃষ্ঠাৰ পৰা* আন্দোলন দেশজুৰি বনজুইৰ দৰে বিয়পি পৰাৰ পাছত আগন্তুক শিক্ষক দিৱসৰ দিনাই পুনৰ আন্দোলন ঘোষণা কৰিলে। যোৱা ২৫ জুলাইত দিল্লীত ছাত্ৰ আন্দোলন প্ৰত্যাহাৰৰ সময়ত কেন্দ্ৰীয় চৰকাৰে দিয়া প্ৰতিশ্ৰুতি পূৰণত ব্যৰ্থ হোৱাৰ অভিযোগ তুলিছে চিজেপিয়ে। চিজেপিৰ মুখপাত্ৰ সৌৰভ দাসে 'বিশ্বাসঘাতকতা'ৰ বিৰুদ্ধে জেন-জি আৰু ভুক্তভোগী পৰিয়ালসমূহৰ প্ৰবল প্ৰতিবাদৰ সন্মুখীন হ'ব লাগিব বুলি সকীয়াই দিছে।

সামাজিক মাধ্যম 'এক্স'ত মুখপাত্ৰ দাসে এই প্ৰতিবাদী সমদল শান্তিপূৰ্ণ হ'ব বুলি কয়। তেওঁ লগতে সকীয়াই দিয়ে যে 'তৰুণ প্ৰতিবাদী জেন-জি আৰু প্ৰাণ হেৰুওৱাসকলৰ পৰিয়ালৰ স'তে এই বিশ্বাসঘাতকতা মানি লোৱা নহ'ব।' তেওঁ কয় যে যোৱা ২৫ জুলাইত প্ৰতিবাদী ছাত্ৰক দিয়া প্ৰতিশ্ৰুতি মোদী চৰকাৰে ৰক্ষা কৰিব বুলি তেওঁলোক পতীয়ন যাব পৰা নাই। দাসে কয়, 'যোৱা ২৫ জুলাইত তৰুণ প্ৰজন্মৰ প্ৰতি প্ৰদান কৰা প্ৰতিশ্ৰুতি ভাৰত চৰকাৰে প্ৰদান কৰিবলৈ ইচ্ছুক হয় নে নহয় তাকে লৈ ৰাষ্ট্ৰীয় কাৰ্যকৰী কমিটীয়ে গভীৰ সন্দেহ প্ৰকাশ কৰিছে। সেয়েহে ইণ্ডিয়া গেটৰ পৰা নতুন দিল্লীৰ আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈ এক শান্তিপূৰ্ণ প্ৰতিবাদী সমদলৰ আহ্বান জনোৱা হৈছে। এই প্ৰতিবাদৰ নেতৃত্ব দিব ২০ জুলাইৰ আৰক্ষীৰ নৃশংসতাৰ ফলত প্ৰাণ হেৰুওৱা ভুক্তভোগী আৰু আত্মহত্যা কৰা নীট পৰীক্ষাৰ্থীৰ পৰিয়ালবৰ্গই।' চিজেপিয়ে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে তেওঁলোকৰ বিৰুদ্ধে হেতালি খেলিছে। বিশেষকৈ প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলৰ বিৰুদ্ধে আৰক্ষী থানাত ৰুজু হোৱা গোচৰ প্ৰত্যাহাৰৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি ৰক্ষা কৰা হোৱা নাই। সামাজিক মাধ্যমৰ প'ষ্টত চিজেপিয়ে কয়, 'ছাত্ৰ-ছাত্ৰী আৰু প্ৰতিবাদীৰ বিৰুদ্ধে এজাহাৰ প্ৰত্যাহাৰকে ধৰি দেশৰ তৰুণ প্ৰজন্মক যোৱা ২৫ জুলাইত প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ সন্মান ৰক্ষাত কেন্দ্ৰীয় চৰকাৰৰ ব্যৰ্থতাত তীব্ৰ গৰিহণা দিয়ে চিজেপিয়ে। চিজেপিয়ে কয় যে চৰকাৰে প্ৰতিশ্ৰুতি পালনত পলম কৰা বাবে আৰু ইয়াক পূৰণৰ বিষয়টো এৰাই চলাৰ বাবেই চিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী কমিটীয়ে শান্তিপূৰ্ণ প্ৰতিবাদ সমদলৰ সিদ্ধান্ত লৈছে। চিজেপিয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা প্ৰতিশ্ৰুতিসমূহ পালনৰ এক পুনৰীক্ষণৰ অন্তত এই আন্দোলনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তদুপৰি যোৱা ১৮ আগষ্টত উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত চলি থকা গোচৰৰ শুনানিত দেশজুৰি প্ৰতিবাদী ছাত্ৰৰ বিৰুদ্ধে দাখিল হোৱা এজাহাৰৰ এখন তালিকা বিচৰা প্ৰসংগ উল্লেখ কৰি চিজেপিয়ে উল্লেখ কৰে যে এই বিষয়টো চৰকাৰে কোনো স্পষ্ট স্থিতি প্ৰকাশ কৰা নাই। সামাজিক মাধ্যমত সংগঠনটোৱে কয়, 'এইদৰে চলি থাকিব নোৱাৰে। আমাৰ ধৈৰ্য আমাৰ দুৰ্বলতা বুলি ভুল বুজিব নালাগে। আমাৰ আন্তৰিক বিশ্বাসক চৰকাৰে আমাক প্ৰৱঞ্চনা কৰাৰ সুযোগ হ'বলৈ দিব নোৱাৰিম। চিজেপিয়ে কয় যে চৰকাৰৰ ব্যৰ্থতাৰ বাবে তেওঁলোক পুনৰ ৰাজপথলৈ উভতি যাবলৈ বাধ্য হৈছে। চৰকাৰে জেন-জিৰ স'তে বিশ্বাসঘাতকতা কৰিবলৈ বদ্ধপৰিকৰ বুলি ধাৰণা হৈছে বুলিও চিজেপিয়ে কয়। তেওঁলোকে কয়, 'আমি ৰাষ্ট্ৰজোৰা আন্দোলন আন্তৰিক বিশ্বাসৰে প্ৰত্যাহাৰ কৰিছিলো। এখন চৰকাৰে এটা প্ৰজন্মৰ বিশ্বাসক ব্যৱহাৰ কৰিব নোৱাৰিব। তেওঁলোকক ঘৰলৈ ওভতাই পঠাবলৈ আৰু তাৰ পাছত সন্তৰ্পণে নিজে দিয়া কথাৰ পৰা আঁতৰি যাব নোৱাৰিব। আমি এই প্ৰৱঞ্চনাৰ প্ৰচেষ্টা গ্ৰহণ নকৰো।' চিজেপিয়ে ছাত্ৰ-ছাত্ৰী, তৰুণ প্ৰজন্ম আৰু তৰুণ নাগৰিকসকলক পাঁচ ছেপ্টেম্বৰত ইণ্ডিয়া গেটত সমৱেত হ'বলৈ আহ্বান জনাই কয়, 'যিসকলে তেওঁলোকৰ সন্তানক হেৰুৱালে সেইসকলে সমদলৰ সন্মুখত থিয় দিব। আৰক্ষীৰ নৃশংসতাৰ বলি হোৱাসকলে তেওঁলোকৰ স'তে খোজ কাঢ়িব।'

উল্লেখ্য যে চিজেপিয়ে দেশৰ পৰীক্ষা ব্যৱস্থাত থকা অনিয়ম আৰু নীট-ইউজিৰ প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে যন্তৰ-মন্তৰত ২০ জুনত প্ৰতিবাদ আৰম্ভ কৰাৰ এমাহ পাছত ২০ জুলাইত 'সংসদ চলো' যাত্ৰাৰ সময়ত প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীয়ে আৰক্ষীৰ নৃশংসতাৰ বলি হয়। এই বৃহৎ প্ৰতিবাদৰ তীব্ৰতাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে সেও মানিবলৈ বাধ্য হয় আৰু ধৰ্মেন্দ্ৰ প্ৰধানক শিক্ষামন্ত্ৰীৰ পদৰ পৰা অপসাৰণ কৰে। ইয়াৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ স'তে হোৱা আলোচনা কালত চিজেপিয়ে একাধিক চৰ্ত বান্ধি দিয়ে আৰু মোদী চৰকাৰেও সেইসমূহ পূৰণৰ প্ৰতিশ্ৰুতি দিয়াত সাময়িকভাৱে ছাত্ৰ আন্দোলন স্থগিত ৰখা হয় দিল্লীত। অৱশ্যে দেশজুৰি এই আন্দোলন বনজুইৰ দৰে বিভিন্ন ৰাজ্যত বিয়পি পৰাৰ সময়তো ছাত্ৰসকলৰ প্ৰতি আৰক্ষীয়ে বৰ্বৰতা প্ৰদৰ্শনৰ অভিযোগ উঠিছে। এতিয়া কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে প্ৰৱঞ্চনাৰ অভিযোগ উত্থাপন কৰি আন্দোলন ঘোষণা কৰিলে চিজেপিয়ে।

ইপিনে, আজি চিজেপিৰ প্ৰতিষ্ঠাপক অভিজিত দিপকেই কয় যে চৰকাৰে অধিকাৰৰ হকে যুঁজ দিয়া মানুহৰ বিৰুদ্ধে আইনৰ অপপ্ৰয়োগ বন্ধ কৰিব লাগে। চলিত বৰ্ষৰ এপ্ৰিলত দুশ ব্যক্তিগত প্ৰতিষ্ঠানৰ প্ৰতিবাদী কৰ্মীয়ে গড়ে ৫৩ দিন কাৰাবন্দী হোৱাৰ পাছত আৰু আদালতৰ ৰায়তহে মুক্তি লাভ তথা আৰক্ষী আদালতত জবাবদিহি হোৱা সম্পৰ্কীয় বাতৰি কাকতৰ প্ৰকাশিত বাতৰি সামাজিক মাধ্যমত প'ষ্ট কৰি এই মন্তব্য কৰে দিপকেই। তেওঁ লগতে কয়, 'পাকিস্তান সংযোগ এতিয়া ক'লৈ গ'ল?' এখন ৰাষ্ট্ৰীয় কাকতৰ অনুসন্ধানমূলক বাতৰিত প্ৰকাশ পাইছে যে প্ৰতিবাদৰ পাছত উত্তৰ প্ৰদেশ চৰকাৰে মজুৰি বৃদ্ধি কৰিবলৈ বাধ্য হয় যদিও শ্ৰমিকসকলে অনাহকত কাৰাবন্দী হৈ থাকিবলগীয়া হয়। অধিকাংশ শ্ৰমিককে আদালতে জামিনত মুক্তি দিয়ে আৰু আঙুলিয়াই দিয়ে যে আৰক্ষীয়ে যথোচিত প্ৰমাণ দাখিলত ব্যৰ্থ হৈছে। ইয়াৰে দুজন প্ৰতিবাদী শ্ৰমিকৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় সুৰক্ষা আইন (এনএছএ)ও জাপি দিয়া হয়। দিপকেই লিখিছে, 'নিজ অধিকাৰৰ দাবীত যিসকলে যুঁজ দিছে সেইসকল লোকৰ বিৰুদ্ধে আইনৰ অপপ্ৰয়োগ চৰকাৰে বন্ধ কৰিব লাগিব। তেওঁলোকে নয়ডাৰ শ্ৰমিকৰ বিৰুদ্ধে যি কাম কৰিলে সেই একে কামেই এতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ বিৰুদ্ধে কৰিব বিচাৰিছে। ইয়াক কোনোপধ্যে সহ্য কৰা নহ'ব।'

# আইন হাতত লোৱাসকলৰ বিৰুদ্ধে

*এক পৃষ্ঠাৰ পৰা* অসমৰ চালক সন্থাই যোৱাবাটত তিনিদিন পথ অৱৰোধ কৰে। পাছত মেঘালয়ৰ চালক সন্থাবোৰেও অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। ফলত যাতায়াত ব্যৱস্থা ব্যাহত হোৱাই নহয়, দুয়োখন ৰাজ্যৰ চালক সন্থাৰ মাজত সংঘাতো বৃদ্ধি হয়।

ইপিনে, আজি পৰিৱেশ স্বাভাৱিক হোৱাত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই পুনৰ এনে পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ ৰাজ্যখনৰ দল-সংগঠন তথা প্ৰতিক্ৰিয়াশীল চক্ৰবোৰক সকীয়নি প্ৰদান কৰে। এক বাৰ্তাত চাংমাই কয়, 'যি ঘটনা সংঘটিত হৈ গ'ল এয়া অত্যন্ত দুৰ্ভাগ্যজনক। ইয়াৰ পাছত কোনেও এনে ধৰণৰ কাণ্ড সংঘটিত নকৰিব বুলি মই আহ্বান জনাইছো। এনে কাৰ্যত লিপ্তৰ বিৰুদ্ধে আমাৰ চৰকাৰে কেতিয়াও আপোচ নকৰে। কঠোৰ পদক্ষেপ লোৱা হ'ব। প্ৰতিবাদৰ নামত সংঘটিত কৰা কাণ্ডই আমাৰ চুবুৰীয়া ৰাজ্যতো ইয়াৰ গভীৰ প্ৰভাৱ পেলায়। ইয়াৰ ফলত দুয়োখন ৰাজ্যৰে ক্ষতি হয়। আমি সেই পৰিস্থিতিৰ পৰা ওলাই যোগাত্মকভাৱে পুনৰ আগবাঢ়িছো।' চাংমাই এইবুলিও কয় যে তেওঁৰ চৰকাৰে গণতান্ত্ৰিক প্ৰতিবাদক সন্মান কৰে। তেওঁলোকৰ চৰকাৰ অতি মুকলি মনৰ চৰকাৰ। ৰাজ্যৰ সকলো লোকে চৰকাৰৰ লগত যিকোনো কথা মুকলিমূৰীয়াকৈ পাতিব পাৰে। কিন্তু প্ৰত্যেকটো কামৰে সীমা থাকিব লাগে। চাংমাই কয়, 'সেই সীমা অতিক্ৰম কৰিব নালাগে। প্ৰতিবাদ কৰাৰ অধিকাৰ আছে। তাৰ অৰ্থ এনে হ'ব নোৱাৰে যে সীমা অতিক্ৰম কৰি প্ৰতিবাদ জনাব। যিয়ে সীমা অতিক্ৰম কৰিব আমি সেইসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিম। আমাৰ চৰকাৰখনে সকলোৰে লগত মুকলি মনেৰে কথা পতাৰ সুযোগ কোনেও ল'ব নালাগে। কোনোবাই আইন-শৃংখলা ব্যৱস্থা হাতত তুলি ল'ব, নিৰ্দোষী লোকক হাৰাশাস্তি কৰিব আৰু চৰকাৰ বহি থাকিব তেনে নহয়।' আইন ভংগ কৰাসকলৰ বিৰুদ্ধে সমাজৰ সচেতন লোকসকলো ওলাই আহিব লাগে বুলি মুখ্যমন্ত্ৰীজনে আহ্বান জনায়। যোৱা ১৯ আগষ্টত সংঘটিত ঘটনা আৰু তাকে লৈ সৃষ্টি হোৱা প্ৰতিক্ৰিয়াক লৈ আজি মুখ্যমন্ত্ৰীয়ে মেঘালয় বিধানসভাতো বিবৃতি দাঙি ধৰে।

### চতুৰ্থজন অভিযুক্তক গ্ৰেপ্তাৰ

আজি গ্ৰেপ্তাৰ কৰা হয় খাচি ছাত্ৰ সন্থাৰ সহকাৰী সাংগঠনিক সম্পাদক জেৰেলিয়া প'থমিক। পূব খাচি পাহাৰ জিলাৰ নংমেনছং অঞ্চলৰ পৰা ছাত্ৰ নেতাজনক গ্ৰেপ্তাৰ কৰা হয় বুলি সদৰী কৰে জিলাখনৰ আৰক্ষী অধীক্ষক বিবেক ছেইমে। ইয়াৰ পূৰ্বে সংগঠনটোৰ আন তিনিজন নেতাক গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁলোক হ'ল সভাপতি ৰেমণ্ড খাৰজানা, উপ-সভাপতি পানমেনলাং চানমিয়েট আৰু সাধাৰণ সম্পাদক ৰিউবেন নাজিয়াৰক। প্ৰসংগক্ৰমে উল্লেখ্য যে দাখিল কৰা এখন দাবী চনদক চৰকাৰে গুৰুত্ব নিদিয়াৰ অভিযোগ তুলি খাচি ছাত্ৰ সন্থাই ১৯ আগষ্টত প্ৰতিবাদী সমদল উলিয়াইছিল। সেই সমদলৰ সময়তে শ্বিলঙৰ কে'বাটাও স্থানত সংগঠনটোৰ সদস্যই হিংসাত্মক কাণ্ড সংঘটিত কৰে। যানবাহনৰ লগতে পথচাৰীক মাৰধৰ কৰা, স্বামী বিবেকানন্দ আৰু সুভাষ চন্দ্ৰ বসুৰ প্ৰতিমূৰ্তি ভাঙি পেলোৱা ঘটনাও সংঘটিত কৰিছিল একাংশ প্ৰতিবাদকাৰীয়ে।

### অসমৰ সংগঠন-আৰক্ষীক লৈ ক্ষোভ চালকৰ

অসমৰ টুৰিষ্ট বাহনৰ বিৰুদ্ধে অৱৰোধ প্ৰত্যাহাৰ কৰিলেও মেঘালয়ৰ চালক সন্থাই অহা ১০ ছেপ্টেম্বৰৰ পূৰ্বে তেওঁলোকৰ কে'বাটাও দাবী পূৰণ কৰাৰ সময়সীমা চৰকাৰক ধাৰ্য কৰি দিছে। ইয়াৰ লগতে আন কে'বাটাও বিষয় আজি সদৰী কৰে 'অল শ্বিলং টুৰিষ্ট টেক্সি ড্ৰাইভাৰ ইউনিয়ন'-এ। সংগঠনটোৰ সভাপতি এনথ্ৰলিয়াছ মাৰাকে কয়, 'প্ৰতিবাদৰ নামত যি ঘটনা শ্বিলঙত সংঘটিত হয়, তাক আমি সমৰ্থন নকৰো। কিন্তু তাৰ প্ৰতিক্ৰিয়া স্বৰূপে অসমৰ চালকে যোৱাবাটত যি আচৰণ প্ৰদৰ্শন কৰিলে তাকে লৈ আমাৰ আপত্তি আছে। তেওঁলোকৰ পথ অৱৰোধ কৰাৰ অধিকাৰ আছে। তাক আমি নুই নকৰো; কিন্তু অৱৰোধৰ নামত প্ৰদৰ্শন কৰা কিছুমান আচৰণ আমি বেয়া পাইছো। মই নিজে অসমৰ চালক সন্থাৰ লগত কথা পাতি কৈছিলো যে আপোনালোকে চৰকাৰী গাড়ী, যাত্ৰীবাহী গাড়ী অৱৰোধ কৰক। কিন্তু এয়াৰপ'ৰ্ট, ৰেলত যাবলগীয়া লোকসকলক ৰাস্তা এৰি দিয়ক। জৰুৰী কাৰণত যোৱা মানুহবোৰক যাবলৈ দিয়ক। সেই কথা নামানিলে। তেওঁলোকে এনেদৰেও কয় যে তেওঁলোক হেনো মেঘালয়লৈ নাহিলে শ্বিলঙৰ মানুহ হেনো ভোকত মৰিব। আমাক যদি ইমানে বেয়া পায়, আমিও অসমলৈ নাযাওঁ আৰু আপোনালোকো আহিব নালাগে। আমাক চৰকাৰে যোৱাবাটত ব্যৱস্থা কৰি দিয়ক, তাত আমি গাড়ীবোৰ ৰাখি দিম।' গতিকে যাতায়াতক লৈ সৃষ্টি হোৱা সমস্যাটোৰ সমাধান কৰাটো তেওঁলোকৰ এটা মূল দাবী বুলি মাৰাকে উল্লেখ কৰে। আন এটা দাবী হ'ল অসমত আৰক্ষীয়ে মেঘালয়ৰ বাহনক জৰিমনা বিহিলে সেই বিষয়ে লগে লগে অৱগত কৰোৱাটো। এই সন্দৰ্ভত মাৰাকে কয় যে যিকোনো কাৰণতে নহওক কিয় অসমত আৰক্ষীয়ে মেঘালয়ৰ বাহনক জৰিমনা বিহিলে লগে লগে অৱগত নকৰে। গতিকে চালক অথবা বাহনৰ গৰাকীয়ে সেই কথা গম নাপায়। বাহনৰ অনুজ্ঞাপত্ৰ নবীকৰণ কৰিবলৈ গ'লেহে জৰিমনাৰ কথা অৱগত হয় আৰু তেতিয়ালৈকে জৰিমনাৰ পৰিমাণো কে'বা হেজাৰ টকা হয়। ইয়াৰ ফলত তেওঁলোকৰ যথেষ্ট হাৰাশাস্তি হয়। গতিকে ইয়াৰো এক সমাধান লাগে।

ইপিনে, যোৱা নিশাৰ পৰা যাতায়াত স্বাভাৱিক হ'লেও ইতিপূৰ্বে পৰা প্ৰভাৱত শ্বিলঙক মুখ্য কৰি মেঘালয়ৰ সকলো পৰ্যটনস্থলী আজিও নিমাওমাও হৈ ৰয়। কাৰণ নতুনকৈ যোৱা পৰ্যটকৰ সংখ্যা আজি একেবাৰে নগণ্য হৈ ৰয়। যিসকলে মেঘালয়ত বাহৰ পাতি আছিল তেওঁলোকো সৃষ্টি হোৱা পৰিস্থিতিত আগতীয়াকৈ মেঘালয় ত্যাগ কৰিবলৈ বাধ্য হয়।

### দুষ্কৃতিকাৰীৰ দুষ্কাৰ্য

ইপিনে, কালি গুৱাহাটীৰ সমীপৰ বিজয় নগৰত পথৰ দাঁতিত ৰখাই থোৱা মেঘালয়ৰ পঞ্জীয়নভুক্ত এখন বাহনৰ দুৰ্বৃত্তই ক্ষতিসাধন কৰাৰ অভিযোগ উঠিছে। এমএল-১৩ এ-৮৭১৯ নম্বৰৰ চাৰিচকীয়া যাত্ৰীবাহী বাহনখনে যাত্ৰীক গুৱাহাটীত নমাই তুৰালৈ উভতিছিল। কে'বাখনো বাহনে একেলগে উভতি যোৱাৰ সময়তে বিজয় নগৰত মটৰ চাইকেলত অহা দুজন দুষ্কৃতিকাৰীয়ে সংশ্লিষ্ট বাহনখনৰ পিছফালৰ আইনা শিল দলিয়াই ভাঙি পেলোৱাৰ অভিযোগ উঠিছে। অল গাৰো হিলছ টেক্সি এছ'চিয়েছনে আজি এই ঘটনাক গৰিহণা দি আৰক্ষীক ক্ষিপ্ৰ তদন্তৰে দোষীক কৰায়ত্ত কৰিবলৈ দাবী জনায়।

# ডি কে ডি কলেজৰ প্ৰাক্তন অধ্যক্ষ ৰঞ্জিত বৰদলৈৰ বিৰুদ্ধে দুৰ্নীতি-অনিয়মৰ অভিযোগ

## তদন্তৰ দাবীত বিধায়কক স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**দেৰগাঁও, ২৪ আগষ্ট ঃ** দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰদলৈৰ কাৰ্যকালত চলা দুৰ্নীতি, অনিয়মৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীয়ে। উল্লেখযোগ্য যে এই গৰাকী অধ্যক্ষই তেওঁৰ কাৰ্যকালত চূড়ান্ত মইমতালিৰে কাম কাজ কৰি বিভিন্ন অনিয়ম-অনীতি সংঘটিত কৰা বুলি অভিযোগ উঠি আহিছিল। দেৰগাঁৰ ৰাইজ তথা পৰিচালনা সমিতি বা প্ৰাক্তন ছাত্ৰ সন্মিলনীকো গুৰুত্ব নিদি সম্পূৰ্ণ স্বেচ্ছাচাৰী ভাৱে কাম কৰাক লৈ ৰাইজ প্ৰতিবাদমুখৰ হৈ উঠিছিল যদিও তেওঁ এইবোৰক লৈ কৰ্ণপাত নকৰাকৈয়ে কাৰ্যকালৰ অন্ত পেলায়।শেহতীয়াকৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীয়ে তেওঁৰ বিৰুদ্ধে সৰৱ হৈ উঠি উচ্চ শিক্ষা বিভাগ আৰু মুখ্যমন্ত্ৰীৰ যোগেদি তেওঁৰ অনিয়ম-অনীতিৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবীত দেৰগাঁৰৰ বিধায়কক স্মাৰকপত্ৰ প্ৰদান কৰিছে।স্মাৰকপত্ৰত উল্লেখ কৰামতে, অধ্যক্ষ গৰাকীয়ে মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ সন্মিলনী তথা দেৰগাঁৰৰ ৰাইজক অংগুষ্ঠ প্ৰদৰ্শন কৰি ৰাজহুৱা দান বৰঙণিৰে ২০১৪ৰ ৩০ জানুৱাৰীৰ পৰা দুই ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত কৰা সোণালী জয়ন্তী উদযাপনৰ ৰাজহুৱা হিচাপ দীৰ্ঘকাল দাখিল নকৰাত বিষয়টো লৈ ৰাইজৰ মাজত সমালোচনা হোৱাত আৰু এই সম্পৰ্কত সংবাদ প্ৰচাৰ হোৱাত বহু পলমকৈ নিজ খেয়াল খুচি মতে উক্ত অনুষ্ঠানৰ আয় ব্যয়ৰ হিচাপ পৰিচালনা সমিতিত দাখিল কৰি নিজৰ দায়িত্ব সামৰে। একেদৰে, ২০২২ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ বাবেও বৃহৎ পৰিমাণৰ ৰাইজৰ বৰঙণি সংগ্ৰহ কৰি ৰাজহুৱাভাৱে হিচাপ দাখিল নকৰিলে। নিজৰ খেয়াল খুচিমতে পৰিচালনা সমিতিত হিচাপ দাখিলৰ পাছতো লক্ষাধিক টকা ৰাহিধন মজুত হৈ থকাত চতুৰ অধ্যক্ষজনে অৱসৰৰ প্ৰাকক্ষণত জমা ধনেৰে মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনৰ পৰিকল্পনা কৰে। ইয়াৰ বাবে ৰাজহুৱা সভা আহ্বান কৰি ৰাইজৰ মতামত বিচাৰে যদিও পূৰ্বৰ সোণালী জয়ন্তী বা আন অনুষ্ঠানৰ হিচাপ ৰাজহুৱা নকৰাত ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰি হীৰক জয়ন্তী তেওঁৰ কাৰ্যকালত অনুষ্ঠিত কৰাত বিৰোধিতা কৰে। অধ্যক্ষ জনে ভুলৰ মাৰ্জনা বিচাৰি অনুনয় বিনত কৰাত অনুষ্ঠানৰ পাছতে সকলো হিচাপ ৰাজহুৱাভাৱে দাখিল কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। কিন্তু তেওঁ সভাৰ অধিকাংশ সিদ্ধান্ত অৱমাননা কৰি নিজৰ পছন্দ মতে উপসমিতি গঠন কৰি ৪৩ লক্ষাধিক টকা ব্যয়েৰে হীৰক জয়ন্তী অনুষ্ঠিত কৰে। এইবাৰো ৰাইজৰ পৰিবৰ্তে পৰিচালনা সমিতিকে হিচাপ অৱগত কৰি দায়িত্ব সামৰে। ৰহস্যজনক ভাৱে পৰিচালনা সমিতিয়েও ৰাইজক দিয়া প্ৰতিশ্ৰুতি পালন নকৰি বিতৰ্কিত অধ্যক্ষজনক অৱসৰৰ দিনটোতে পেন্সন লাভৰ সুবিধাহে প্ৰদান কৰি মহাবিদ্যালয়ৰ পৰা বিদায় দিয়ে। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ প্ৰতিগৰাকী বিষয়ববীয়া সদস্যই অধ্যক্ষ জনৰ স্বেচ্ছাচাৰী ভূমিকাক ২৮ মে'ত আৰু ৩০ জুনত অনুষ্ঠিত সন্মিলনীৰ কাৰ্যনিৰ্বাহক সভাত গভীৰ অসন্তুষ্টি প্ৰকাশ কৰি তেওঁৰ কাৰ্যকালত সংঘটিত অনিয়ম, দুৰ্নীতিৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখযোগ্য যে সোণালী জয়ন্তীৰ বাবে বৃহৎ পৰিমাণৰ ৰাজহুৱা দান বৰঙণিৰ লগতে শিক্ষক শিক্ষয়িত্ৰীৰ পৰা সৰ্বমুঠ ছয় লক্ষাধিক টকা সংগ্ৰহ হৈছিল। যুৱ মহোৎসৱৰ বাবেও কেইবালাখ সংগ্ৰহ কৰি হিচাপ দাখিল কৰা নহ'ল।হীৰক জয়ন্তীৰ বাবে ৪৩ লাখ খৰচ কৰা বুলি পৰিচালনা সমিতিত হিচাপ দিয়ে যদিও সেয়াও সন্দেহৰ আৱৰ্তত বুলি সমালোচিত হৈছে। অন্যান্য শিতানৰ ধনবো ব্যাপক অনিয়ম হোৱাৰ অভিযোগ উঠি আহিছে।সেয়ে উচ্চ শিক্ষানুষ্ঠানটিৰ উজ্বল ভৱিষ্যৎ আৰু সৰ্বাংগীণ বিকাশৰ বাবে মুখ্যমন্ত্ৰী আৰু উচ্চ শিক্ষা বিভাগৰ যোগেদি উচ্চ স্তৰীয় তদন্ত বিচাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীয়ে শেহতীয়াকৈ দেৰগাঁৰৰ বিধায়ক ড° মৃদুল কুমাৰ দত্তক এখনি স্মাৰক পত্ৰ দিছে।

# কুৰুৱাত দুৰ্গা পূজাৰ মহাৰজত জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৪ আগষ্ট ঃ** দৰং জিলাৰ অন্যতম ঐতিহ্যমণ্ডিত কুৰুৱা আঞ্চলিক সাৰ্বজনীন দুৰ্গা পূজাই এইবাৰ ৭৫ বছৰত ভৰি দিয়াত পূজাৰ মহাৰজত জয়ন্তী উদ্‌যাপনৰ বাবে প্ৰস্তুতি আৰম্ভ কৰা হৈছে। ১৯৫২ত খেৰ-বাঁহৰ ৰভাৰে আৰম্ভ হোৱা এই পূজাই সুদীৰ্ঘ ৭৫ বছৰ অতিক্ৰম কৰাত বৃহত্তৰ কুৰুৱা অঞ্চলত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপনৰ উদ্দেশ্যে জুনত স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীক সভাপতি, প্ৰাক্তন প্ৰধান শিক্ষক শশীন্দ্ৰ দাসক কাৰ্যকৰী সভাপতি আৰু যুৱ সমাজকৰ্মী জিতুল দাসক প্ৰধান সম্পাদকৰূপে লৈ ৫১ জনীয়া পূজা পৰিচালনা সমিতি গঠন কৰা হয়। সমিতিৰ সিদ্ধান্ত অনুসৰি অহা ১৫ৰ পৰা ২১ অক্টোবৰলৈ বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হ'ব। পূজাৰ ধৰ্মীয় অনুষ্ঠানৰ লগতে নাগাৰা নাম, যাত্ৰাদল, ঢাক-ঢোল, ওজাপালি আদি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলিছে। মহাৰজত জয়ন্তীৰ আৰম্ভণিতে ৭৫ খন ধৰ্মধ্বজা উত্তোলন কৰাৰ লগতে পূজাৰ ৭৫ বছৰীয়া গৌৰৱোজ্জ্বল ইতিহাস প্ৰতিফলিত কৰি এক বৃহৎ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব।

# ভংগা মন্দিৰত অসম আন্দোলনৰ ছহিদ বৈজয়ন্তী দেৱীৰ প্ৰতিমূৰ্তি উন্মোচন

## ছহিদ বৈজয়ন্তী দেৱী সাহস আৰু ত্যাগৰ প্ৰতীক ঃ মন্ত্ৰী সিংহল

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ২৪ আগষ্ট ঃ** গোৰ্খা উন্নয়ন পৰিষদৰ পৃষ্ঠপোষকতাত ভংগামন্দিৰ চ'কত স্থাপন কৰা অসম আন্দোলনৰ ছহিদ বৈজয়ন্তী দেৱীৰ পূৰ্ণঅৱয়ৱ প্ৰতিমূৰ্তি দেওবাৰে উন্মোচন কৰা হয়। নবোদয় যুৱক সংঘৰ সহযোগ বিয়লি ৩-৩০ বজাত আয়োজিত উন্মোচনী অনুষ্ঠানৰ জৰিয়তে ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল আৰু গোৰ্খা সন্মিলন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে ছহিদ বৈজয়ন্তী দেৱীৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। এই উপলক্ষে ভংগামন্দিৰ চ'কৰ দধিৰাম পকোৰাল স্মৃতি প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। নবোদয় যুৱক সংঘৰ কাৰ্যকৰী সভাপতি গোপাল ছেত্ৰীৰ পৰিচালনাত অনুষ্ঠিত ৰাজহুৱা সভাত মন্ত্ৰী সিংহলে কয়, 'অসমী আইক বিদেশীমুক্ত কৰাৰ বাবে ঐতিহাসিক অসম আন্দোলন হৈছিল। অসম আন্দোলন কেৱল এটা আন্দোলন নাছিল, এই আন্দোলন আছিল অসমৰ ভূমিৰ পৰা বিদেশী খেদাৰ ঐতিহাসিক সংগ্ৰাম। তেজপুৰৰ জীয়ৰী বৈজয়ন্তী দেৱীয়ে এই আন্দোলনত যোগদান কৰি কৰুণ মৃত্যুক সাৱটি লৈছিল।' মন্ত্ৰী সিংহলে কয়, 'বৃঢ়াচাপৰিত জন্ম গ্ৰহণ কৰা বৈজয়ন্তী দেৱী ছাত্ৰ সন্থাৰ অন্যতম স্বেচ্ছাসেৱী আছিল। ১৯৮০ৰ ১৬ আগষ্টত আন্দোলনৰ শংখনাদ কাৰ্যসূচীত অংশগ্ৰহণৰ সময়ত গুৰুতৰভাৱে তেওঁ অসুস্থ হৈ মৃত্যুক সাৱটি লৈছিল।' বৈজয়ন্তী দেৱী সাহস আৰু ত্যাগৰ প্ৰতীক হৈ থাকিব বুলি মন্ত্ৰী সিংহলে ভাষণত উল্লেখ কৰে। সভাত গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে কয়, 'আমি নিজৰ পৰিচয় আৰু অস্তিত্ব ৰক্ষাৰ কাৰণে কাম কৰি আহিছো। অসমৰ গোৰ্খা সম্প্ৰদায়ৰ স্বনামধন্য প্ৰয়াত ব্যক্তিসকলৰ অৱদানক উচিত সন্মান প্ৰদৰ্শনৰ লগতে তেওঁলোকৰ কৰ্মৰাজি তথা আদৰ্শসমূহ জীয়াই ৰখাৰ কাৰণে গোৰ্খা উন্নয়ন পৰিষদে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজহুৱা স্থানত প্ৰতিমূৰ্তি স্থাপন, প্ৰেক্ষাগৃহ নিৰ্মাণ আদি পদক্ষেপ গ্ৰহণ কৰা হৈছে।' মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে অসমৰ গোৰ্খাসকলৰ উন্নয়নৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তামাঙে ভাষণত উল্লেখ কৰে। সভাত গোৰ্খা উন্নয়ন পৰিষদৰ উপাধ্যক্ষ ৰাম দাহাল, সদস্য থৰ্ক অধিকাৰী, সঞ্জীৱ ছেত্ৰী, ছহিদ বৈজয়ন্তী দেৱীৰ ভ্ৰাতৃ ৰাজেন্দ্ৰনাথ উপাধ্যায়, সমাজকৰ্মী হৰ্ক বাহাদুৰ পকোৰাল, ঢেকীয়াজুলি আঞ্চলিক পঞ্চায়তৰ সভাপতি হেমন্ত ডেকা, প্ৰাক্তন সভাপতি তিলক পকোৰাল, শোণিতপুৰ জিলা গোৰ্খা সন্মিলনৰ সভাপতি গোকুল বছনেত, আগছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক গোপাল আচাৰ্য, বৈজয়ন্তী দেৱী প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি যাদৱক কাৰ্কী, সম্পাদক মনোজ ভট্টৰাই, ঈশ্বৰ গৌতমৰ লগতে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে ছহিদ বৈজয়ন্তী দেৱীৰ পুণ্য তিথি উপলক্ষে ভংগামন্দিৰৰ খেলপথাৰত আয়োজন কৰা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত ভংগামন্দিৰ একাদশে জয়লাভ কৰিছে। প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠানত প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ বিজয়ী দল ভংগামন্দিৰ একাদশক ট্ৰফীৰ লগতে নগদ ৫০ হেজাৰ টকা আৰু বিজিত দল পি বি ৰাবিয়াৰ্ছৰ খেলুৱৈসকলক ট্ৰফী, ৩০ হেজাৰ টকাৰ চেক আদিৰে পুৰস্কৃত কৰা হয়।

# পশ্চিমবংগ অভিমুখী বাহনৰ পৰা ২০৯০ কেজি গাঞ্জা জব্দ শিমুলটাপু আৰক্ষীৰ



**অগ্ৰদূতবাৰ্তা,**

**শ্ৰীৰামপুৰ, ২৪ আগষ্টঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত থকা শিমুলটাপু আৰক্ষীচকীৰ নাকাত আৰক্ষীয়ে আজি নিশা ৮-০০ বজাত অসমৰ পৰা পশ্চিমবংগৰ দিশে যোৱা এখন বাঁহ ভৰ্তি ছয় চকীয়া ট্ৰাকত তালাচী চলাই গাঞ্জা সহ বাহনখন জব্দ কৰে। শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈৰ নেতৃত্বত আৰক্ষীয়ে নিশা আঠমান বজাত গোপন খবৰৰ ভিত্তিত ইউ পি ৫৪ বি টি- ৭৬৭৪ নম্বৰৰ বাঁহ বোজাই ছয় চকীয়া ট্ৰাকখন ৰখাই চালকক জেৰা কৰাত চালকে বাঁহৰ তলত গাঞ্জা আছে বুলিও স্বীকাৰ কৰাত ট্ৰাকখনৰ পৰা বাঁহ নমাই লুকুৱাই অনা ২০৩ পেকেট গাঞ্জা উদ্ধাৰ কৰে। শিমুলটাপু আৰক্ষীচকীৰ ইতিহাসত এখন গাড়ীৰ পৰা ইমান পৰিমাণৰ গাঞ্জা পূৰ্বে উদ্ধাৰ হোৱা নাছিল। ২০৩ টা পেকেটত প্ৰায় দুই টন ৯০ কিলোগ্ৰাম ১৮ গ্ৰাম গাঞ্জা থকা বুলি আৰক্ষী সূত্ৰত প্ৰকাশ।আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত বাঁহ বোজাই গাড়ীখন আটক কৰাৰ পাছত বাঁহবোৰ নমাই গাঞ্জাখিনি উদ্ধাৰ কৰি ওজন কৰে।আজি ৰাতিপুৱালৈ ওজনৰ কাম শেষ কৰি গাঞ্জাৰ পেকেট সমূহ বিধিমতে জব্দ কৰা হয়। কালি নিশাৰ পৰা গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া হেমন্ত বড়ো আৰু গোসাঁইগাঁও থানাৰ অক্সচি উপস্থিত আছিল। ইপিনে গাঞ্জা কঢ়িয়াই অনা ট্ৰাকখন জব্দ কৰাৰ লগতে চালকৰ লগতে আন এজন লোকক নিষিদ্ধ গাঞ্জা সৰবৰাহ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰে। গাড়ীখন তেজপুৰৰ সন্নিকটৰ কোনো অজ্ঞাত স্থানৰ পৰা বাঁহ বোজাই কৰি বিহাৰৰ মুজাফৰপুৰ লৈ গৈ আছিল বুলি চালকজনে আৰক্ষীৰ আগত প্ৰকাশ কৰে। আটকাধীন চালক আৰু সহচালকজন হৈছে ৰামলক্ষণ ৰাজভৰ (৫২) আৰু মনোজ চৌহান (৪০)। দুয়োৰে ঘৰ উত্তৰপ্ৰদেশৰ মউ জিলাৰ বীৰাত। ইপিনে আজিৰ এই অভিযান কোকৰাঝাৰ জিলা আৰক্ষীয়ে লাভ কৰা গোপন সূত্ৰৰ ভিত্তিত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে বিয়লিৰ ভাগৰ পৰা আৰক্ষীৰ নাকাত বাহৰ পাতি থাকি নিশা আঠমান বজাত বাঁহৰ তলত গাঞ্জা লুকুৱাই অনা বাহনখন আটক কৰিবলৈ সক্ষম হয় বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। শিমুলটাপু আৰক্ষী চকীত ইয়াৰ পূৰ্বে এখন গাড়ীৰ পৰা ইমান পৰিমাণৰ গাঞ্জা উদ্ধাৰ হোৱা নাছিল। এখন গাড়ীৰ পৰা দুই টনৰ অধিক গাঞ্জা জব্দ কৰাটো শিমুলটাপু আৰক্ষী চকীৰ বাবে সৰ্ববৃহৎ সাফল্য বুলি কয় আৰক্ষী বিষয়া সঞ্জীৱ সন্দিকৈয়ে।

# বান বিভীষিকা বিষয়ক চিত্ৰাংকন প্ৰতিযোগিতাৰ ফল ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ২৪ আগষ্ট ঃ** পৰেশ বৈশ্য ফাউণ্ডেছনে আয়োজন কৰা বান বিভীষিকা বিষয়ক অসম ভিত্তিক ডাকযোগে চিত্ৰাংকন প্ৰতিযোগিতাৰ ফল ঘোষণা কৰা হৈছে। সেই অনুসৰি প্ৰথম স্থান ঃ কস্তুৰী প্ৰিয়ম ওজা (দক্ষিণহাটী, বৰপেটা), দ্বিতীয় স্থান ঃ ৰোদাশী ওজা (গান্ধীনগৰ, বৰপেটা), তৃতীয় স্থান ঃ দেবাংশ নাথ (শ্ৰীমন্ত শংকৰ একাডেমী স্কুল, দিছপুৰ, গুৱাহাটী), চতুৰ্থ স্থান ঃ গীতুমণি ডেকা (নীলাচল জাতীয় বিদ্যালয়, কামাখ্যাগেট, গুৱাহাটী) আৰু পঞ্চম স্থান ঃ ৰঞ্জন ভৰালী (নীলাচল জাতীয় বিদ্যালয়, কামাখ্যাগেট, গুৱাহাটী)। বঁটাৰ বাবে নিৰ্বাচিতসকলক অহা ১৫ ছেপ্টেম্বৰত বিয়লি তিনি বজাত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেছনৰ শিক্ষা-সাংবাদিকতাৰ দিনত প্ৰদান কৰা হ'ব বুলি ন্যাসৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে। বঁটাৰ বাবে নিৰ্বাচিতসকলক সেইদিনা নিৰ্ধাৰিত সময়ত অনুষ্ঠানত উপস্থিত থাকি বঁটা গ্ৰহণ কৰিবলৈ জনোৱা হৈছে।

# সতীৰ্থ-'৮৬ৰ শিক্ষাগুৰু হৰিদেৱ ভট্টাচাৰ্য আৰু ৰাজেন দাসক সম্বৰ্ধনা




**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৪ আগষ্ট ঃ** নলবাৰী জিলাৰ শতবৰ্ষ অতিক্ৰম কৰা বৰখালাস্থিত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৮৬ৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ উমৈহতীয়া মঞ্চ সতীৰ্থ-'৮৬ৰ তৰফৰ পৰা দেওবাৰে আবেলি বিদ্যালয়খনৰ সংস্কৃত বিষয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, বিশিষ্ট সমাজসেৱী হৰিদেৱ ভট্টাচাৰ্যৰ বৰখালাৰ বাসগৃহলৈ গৈ আন্তৰিক সম্বৰ্ধনা জনায়। সতীৰ্থ-'৮৬ৰ বিষয়ববীয়া ভাস্কৰ শৰ্মা আৰু মণ্টু শৰ্মাই আঁতধৰা সম্বৰ্ধনা অনুষ্ঠানত একালৰ শিক্ষাগুৰুজনক অসমীয়াৰ জাতীয় বস্ত্ৰ ফুলাম গামোচা, থলুৱা ফুলাম জাপি, মানপত্ৰ আদিৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি শিক্ষাগুৰুজনে একালৰ প্ৰিয় ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ দি তেওঁ অতি আনন্দিত আৰু সুখী হোৱা বুলি কয়। তেওঁ সতীৰ্থ-'৮৬ৰ এনে আন্তৰিক প্ৰয়াসৰ শলাগ লৈ শিক্ষকৰ গৃহলৈ গৈ খা-খবৰ লোৱা আৰু সন্মান যচা বাবে ধন্যবাদ জনায়। উক্ত অনুষ্ঠানৰ পাছতে সন্ধিয়া সতীৰ্থ-'৮৬ৰ সদস্যসকল তেওঁলোকৰ হাইস্কুলীয়া ছাত্ৰ জীৱনৰ প্ৰথম খোজতে পঞ্চম শ্ৰেণীত অংক শিকোৱা শিক্ষাগুৰু ৰাজেন দাসৰ আমৰাস্থিত বাসগৃহলৈ গৈ সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি শিক্ষাগুৰুজনে তেওঁৰ শিক্ষক জীৱনৰ প্ৰথম দিনটোতে লগ পোৱা শিক্ষাৰ্থীসকলৰ শিক্ষকৰ গৃহলৈ গৈ সন্মান জনোৱাৰ এয়া এক ব্যতিক্ৰমী প্ৰয়াস বুলি কয়। একালৰ ছাত্ৰসকলে তেওঁৰ ঘৰলৈ আহি তেওঁৰ পৰিয়ালৰ সকলোৰে উপস্থিতিত এনেদৰে সন্মান জনোৱাত তেওঁ অত্যন্ত সুখ আৰু গৌৰৱ বোধ কৰা বুলি কৈ ইয়াৰ বাবে সতীৰ্থ-'৮৬ক ধন্যবাদ জনায়। দুয়োটা অনুষ্ঠানতে সতীৰ্থ-'৮৬ৰ হৈ শিক্ষাগুৰু দুজনৰ সহজ-সৰল জীৱন-যাপন, পৰিশীলিত আৰু মনোগ্ৰাহী শিকন-শৈলীৰ শলাগ লৈ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি ভাস্কৰ শৰ্মা, ৰূপেন শৰ্মা, কল্যাণ দাস, মণ্টু শৰ্মা, মীনা দেৱী আদিয়ে চমু বক্তব্য আগবঢ়ায়। শিক্ষাগুৰুৰ সম্বৰ্ধনা অনুষ্ঠান দুটাত সতীৰ্থ-'৮৬ৰ হৈ উপস্থিত থাকে বিপুল বুজৰবৰুৱা, দিলীপ ভৰালী, সৰলা ডেকা, অঞ্জন ভট্টাচাৰ্য, শৈলেন শৰ্মা, মীৰা দাস, কমলেশ্বৰ ভূঞা, প্ৰবীণ দাস, কল্যাণ দাস, ভাস্কৰ শৰ্মা, মণ্টু শৰ্মা, পংকজ শৰ্মা, মীনা দেৱী, ধীৰেন ডেকা, ৰূপেন শৰ্মাকে ধৰি কে'বাজনো সতীৰ্থ।

# কানৈ মহাবিদ্যালয়ত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ-স্বাস্থ্য সজাগতা সভা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড় ২৪ আগষ্ট ঃ** 'মানুহৰ জীৱনৰ প্ৰকৃত ধন-সম্পদ হ'ল স্বাস্থ্য, সোণ-ৰূপ বা টকা-পইচা নহয়। সেয়ে শৰীৰটোক সুস্থ কৰি ৰখাটো সকলোৰে কৰ্তব্য হোৱা উচিত। শৰীৰ সুস্থ নহ'লে মনটোক সবল আৰু শক্তিশালী কৰি ৰাখিব নোৱাৰে। শৰীৰ সুস্থ হৈ থাকিবলৈ হ'লে ৰোগ প্ৰতিৰোধ কৰাতো আটাইতকৈ শ্ৰেষ্ঠ কাম।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৰুক্মিণী দেৱী কানৈ আৰু নতুন ছাত্ৰীনিৱাসত অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু স্বাস্থ্য সজাগতা সভাত বক্তব্য প্ৰদান কৰি বিং ব্লিচৰ ডিব্ৰুগড় জিলাৰ সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। ডিএইছএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) আৰু স্বেচ্ছাসেৱী সংগঠন বিং ব্লিচৰ যৌথ উদ্যোগত দেওবাৰে পুৱা অনুষ্ঠিত অনুষ্ঠানত অধ্যক্ষ ড° শইকীয়াই কয় যে শিক্ষাৰ প্ৰকৃত অৰ্থ কেৱল পুথিগত জ্ঞান বা শ্ৰেণীকোঠাৰ ভিতৰত নম্বৰ সংগ্ৰহ কৰাই নহয়, সুস্থ শৰীৰ আৰু সুদৃঢ় মানসিক শক্তি অবিহনে জ্ঞানৰ সাধনা আধৰুৱা। তেওঁ ছাত্ৰীনিৱাসৰ স্বাস্থ্য পৰীক্ষা শিবিৰ আয়োজন কৰাটো এক



উত্তম চিন্তা বুলি উল্লেখ কৰি কয় যে এগৰাকী নাৰীক সুস্থ কৰি ৰখা বা স্বাস্থ্য সচেতন কৰি ৰখা মানে এটা প্ৰজন্মক সুস্থ কৰি ৰখা। অধ্যক্ষজনে ছাত্ৰীনিৱাসৰ আৱাসীসকলক উদ্দেশি স্বাস্থ্যৰ যতন ল'বলৈ আহ্বান জনাই কয় যে শাৰীৰিক আৰু মানসিক স্বাস্থ্য ভালে থাকিলেহে পঢ়া-শুনাকে ধৰি অন্যান্য সৃষ্টিশীল তথা গঠনমূলক কামসমূহ সুচাৰুৰূপে সম্পাদন কৰাত সহায় হয়। ছাত্ৰীনিৱাসৰ অধীক্ষিকা অধ্যাপিকা কৰিশ্মা জে কে বৈষ্ণৱীয়ে আঁত ধৰা অনুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰসূতি বিভাগৰ প্ৰাক্তন অধ্যাপিকা ডাঃ বিজয়া লক্ষ্মী পাঠকে কয় যে দৈনন্দিন ব্যস্ততাপূৰ্ণ জীৱনত সুস্বাস্থ্যৰ গৰাকী হৈ থাকিবলৈ হ'লে নিয়মিত শৰীৰ চৰ্চাৰ নিতান্তই প্ৰয়োজন। নিয়মিত শৰীৰ চৰ্চাৰ জৰিয়তে সু-স্বাস্থ্যৰ গৰাকী হোৱাৰ লগতে শৃংখলিতভাৱে কাম কৰাৰ অধিক শক্তি লাভ কৰা হয়। ডাঃ পাঠকে ছাত্ৰীনিৱাসৰ আৱাসীসকলক স্বাস্থ্যৱান তথা নিৰোগী হৈ থাকিবলৈ হ'লে ল'বলগীয়া বহুখিনি পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত বিং ব্লিচৰ কেন্দ্ৰীয় অধ্যক্ষ চন্দন মজুমদাৰ, সম্পাদক আব্দুল ৰচিদ, মুখ্য আহ্বায়ক ড° ৰুণুমা শৰ্মা, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকনে মননশীল বক্তব্য প্ৰদান কৰে। স্বাস্থ্য পৰীক্ষা শিবিৰত উপস্থিত থাকি ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ তথা বিশিষ্ট চিকিৎসক ডাঃ সৈকত পাত্ৰ, ডাঃ বিজয়া লক্ষ্মী পাঠক, ডাঃ ইনতিকাবুৰ ৰহমান, ডাঃ ৰীতেশ মজুমদাৰে ছাত্ৰীনিৱাসৰ প্ৰায় এশগৰাকী আৱাসীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰে।

# বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত সাহিত্যমূলক প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৪ আগষ্ট ঃ** বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ উদ্যোগত পৰ্যায়ক্ৰমে বিভিন্ন সাহিত্যমূলক প্ৰতিযোগিতা কাইলৈৰ পৰা অনুষ্ঠিত কৰা হৈছে। সেই মৰ্মে কুঁহি উপ-সমিতিৰ তত্ত্বাৱধানত বিদ্যাৱতী দেৱী ন্যাসৰ আধাৰত মজিবৰ ৰহমান সোঁৱৰণী সাধু কোৱা প্ৰতিযোগিতা বাইহাটা চাৰিআলি বি এড মহাবিদ্যালয়ত যোৱা ২৩ আগষ্টত অনুষ্ঠিত হৈ যায়। পঞ্চম, ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ তিনি হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ দুহেজাৰ টকা, তৃতীয় পুৰস্কাৰ এহেজাৰ টকা। আনহাতে, একে ঠাইতে পৰৱৰ্তী পৰ্যায়ত মফিজুদ্দিন আহমেদ ন্যাসৰ আধাৰত আজিজুল (বাবজান) ইছলাম সোঁৱৰণী প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত হ'ব অহা ২৫ অক্টোবৰত। প্ৰথম পুৰস্কাৰ তিনি হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ দুহেজাৰ টকা, তৃতীয় পুৰস্কাৰ এহেজাৰ টকা কেৱল দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব।

আকাশ উপ-সমিতিৰ তত্ত্বাৱধানত সদৌ অসম ভিত্তিত ভবেন্দ্ৰ নাথ কাকতি আৰু শৈলবালা কাকতি সোঁৱৰণী উপন্যাস পাণ্ডুলিপি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ১০ হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ সাত হেজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ পাঁচ হেজাৰ টকা। কেৱল মহিলাৰ বাবে মুকলি থাকিব এই প্ৰতিযোগিতা। ২৫ বছৰৰ পৰা ৪৫ বছৰৰ ভিতৰৰ লেখিকাই এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। পাণ্ডুলিপি জমা দিয়াৰ শেষ তাৰিখ ৩১ অক্টোবৰ। ৰামধেনু উপ-সমিতিৰ তত্ত্বাৱধানত অমূল্য বৰুৱা ন্যাসৰ আধাৰত সদৌ অসম ভিত্তিত ৰজনীকান্ত ৰয় সোঁৱৰণী কবিতা প্ৰতিযোগিতা আৰু মনকুল হক ন্যাসৰ আধাৰত সদৌ অসম ভিত্তিত কৃষ্ণকান্ত কাকতি সোঁৱৰণী গল্প প্ৰতিযোগিতা। এই প্ৰতিযোগিতা সকলো বয়সৰ লেখক-লেখিকাৰ বাবে মুকলি থাকিব। প্ৰতিটো প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ তিনি হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ দুহেজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ এহেজাৰ টকা। সদৌ অসম ভিত্তিত ড° খগেন সেন ডেকা সোঁৱৰণী উপন্যাসৰ পাণ্ডুলিপি প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ১০ হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ সাত হেজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ পাঁচ হেজাৰ টকা। কেৱল ২৫ বছৰৰ পৰা ৪৫ বছৰৰ ভিতৰৰ পুৰুষ লেখকে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। পাণ্ডুলিপি জমা দিয়াৰ শেষ তাৰিখ ৩১ অক্টোবৰ, ২০২৬ খ্ৰীষ্টাব্দ। সবিশেষ জানিবলৈ ৯৪৩৫১১৬৮২২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে বাইহাটা চাৰিআলি শতদল সাহিত্য সভাই।

# পিএমশ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মত বিনিময় অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৪ আগষ্ট ঃ** হাজো-শুৱালকুছি সমষ্টিৰ ঐতিহ্যমণ্ডিত পিএমশ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপস্থিতিত সংশ্লিষ্ট অভিভাৱকৰ লগত মত বিনিময়ৰ এক অনুষ্ঠানৰ আয়োজন কৰা হয়। দশম শ্ৰেণী আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগন্তুক শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ কথা আগত ৰাখি অভিভাৱকসকলৰ অভিযোগ আৰু পৰামৰ্শ গ্ৰহণ কৰাৰ উদ্দেশ্যে এই মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ মনৰ কথাবোৰ শুনি তৎকালীন কাৰ্যব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ লোৱা হয়। প্ৰতিগৰাকী শিক্ষকক ১০ৰ পৰা ২০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ তত্ত্বাৱধান কৰিবলৈ দিয়া, ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰলৈ গৈ খবৰ লোৱাৰ সিদ্ধান্ত কৰা হয়, প্ৰয়োজনত অতিৰিক্ত বিশেষ পাঠদানৰ ব্যৱস্থা কৰা হ'ব, সংশ্লিষ্ট শিক্ষকে নিজৰ বিষয়ত মাহেকীয়া পৰীক্ষা ল'ব ইত্যাদি। আলোচনাচক্ৰখন পৰিচালনা কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা অসম চৰকাৰৰ প্ৰাক্তন আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষ সূৰ্যকুমাৰ ভট্টাচাৰ্যই। পৰিচালনা সমিতিৰ উপ-সভাপতি তথা বিশিষ্ট কবি বাবুল চন্দ্ৰ দাসেও আলোচনাত অংশগ্ৰহণ কৰে। আজিৰ অনুষ্ঠানৰ বাবে বিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জনাই অভিভাৱকসকলে এনে ধৰণৰ মত বিনিময় প্ৰতি তিনি মাহত এবাৰকৈ হ'ব লাগে বুলি পৰামৰ্শ আগবঢ়ায়। এনে আলোচনাই ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব বুলিও তেওঁলোকে অভিমত প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বিদ্যালয়খনৰ প্ৰস্তাৱিত 'ছাত্ৰী জিৰণি কোঠা' আৰু 'চাইকেল আস্থান'ৰ আধাৰশিলা স্থাপন কৰি সভাপতি থানেশ্বৰ মালাকাৰে কয় যে প্ৰতিখন বিদ্যালয়ত বিশেষকৈ ছাত্ৰীৰ বাবে জিৰণি কোঠাৰ খুবেই প্ৰয়োজন। চৰকাৰে বিদ্যালয়খনত এটি আহল-বহল আৰু সা-সুবিধা থকা প্ৰেক্ষাগৃহ প্ৰদান কৰিব বুলি মালাকাৰে আশা প্ৰকাশ কৰে। এই ক্ষেত্ৰত চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে বুলিও মালাকাৰে জনায়।

# এতিয়াৰে পৰা ৰাজ্যৰ সকলো বিভাগে চলাব পাৰিব উন্নয়নমূলক কাম-কাজ

## বন ভূমিত উঠিল চৰকাৰী বাধা ঃ সদৰী কৰিলে শোণিতপুৰৰ অভিভাৱক মন্ত্ৰী দৈমাৰীয়ে

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৪ আগষ্টঃ** দীৰ্ঘদিন ধৰি চৰকাৰী নীতি-নিয়ম আৰু বাধা-নিষেধৰ বাবে উন্নয়নৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ থকা ঢেকিয়াজুলিৰ উত্তৰ অঞ্চলৰ বনভূমি অঞ্চলবাসীৰ বাবে আহিছে এক সুখবৰ। এতিয়াৰে পৰা ঢেকিয়াজুলিৰ এই বিশেষ ভূমিসমূহ বনাঞ্চলৰ ভূমি হিচাপে গণ্য কৰা নহ'ব। ইয়াৰ ফলত অঞ্চলটোত জাপি দিয়া সকলো চৰকাৰী আইনী বাধা আঁতৰি পৰিল। আজি ঢেকিয়াজুলিৰ ছহিদ স্মাৰকত শোণিতপুৰ জিলা প্ৰশাসন, জিলাখনৰ অভিভাৱক মন্ত্ৰী বিশ্বজিত দৈমাৰী আৰু সমষ্টিটোৰ বিধায়ক তথা মন্ত্ৰী অশোক সিংহালৰ উপস্থিতিত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাৰ অন্তত সংবাদ মাধ্যমৰ আগত এই গুৰুপূৰ্ণ সিদ্ধান্তৰ কথা সদৰি কৰে অভিভাৱক মন্ত্ৰী বিশ্বজিত দৈমাৰীয়ে। মন্ত্ৰী দৈমাৰীয়ে জানিবলৈ দিয়ে যে যিহেতু এই ভূমিসমূহ আৰু বনাঞ্চলৰ অধীনত নাথাকে, গতিকে এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ সকলো বিভাগে এই অঞ্চলসমূহত কোনো বাধা নোহোৱাকৈ পথ, খোৱা পানী, শিক্ষা, স্বাস্থ্যকে ধৰি বিভিন্ন উন্নয়নমূলক কাম-কাজ চলাই নিব পাৰিব। ইয়াৰ উপৰি, সমগ্ৰ অঞ্চলটোক অতি সোনকালে পঞ্চায়ত ব্যৱস্থাৰ অধীনত অন্তৰ্ভুক্ত কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। চৰকাৰৰ এই পদক্ষেপে দীৰ্ঘদিনৰ পৰা বঞ্চিত ঢেকিয়াজুলিত এই অঞ্চলত এক নতুন উন্নয়নৰ যাত্ৰা আৰম্ভ কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে। উক্ত গুৰুত্বপূৰ্ণ বৈঠকত শোণিতপুৰ জিলাৰ আয়ুক্ত আনন্দ কুমাৰ দাস, ঢেকিয়াজুলি সম জিলাৰ আয়ুক্ত দ্যোতিভা বৰা আৰু ৰাজহ চক্ৰ বিষয়া নয়নজ্যোতি পাঠকে ধৰি বহুকেইজন উচ্চপদস্থ বিষয়া উপস্থিত থাকে। উল্লেখ্য ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিশ্বজিত দৈমাৰী আৰু মন্ত্ৰী অশোক সিংহালে ঢেকিয়াজুলিত দিনজোৰা বিস্তৃত কাৰ্যসূচীত অংশগ্ৰহণ কৰে। দিনটোৰ আৰম্ভণিতে মন্ত্ৰীদ্বয়ে ঢেকিয়াজুলিৰ ভোটপাৰা ষ্টেডিয়ামত উপস্থিত হৈ সেনা বাহিনীৰ ভৰ্তি পৰীক্ষাৰ বাবে মন্ত্ৰী অশোক সিংহালৰ উদ্যোগত চলি থকা প্ৰশিক্ষণ শিবিৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁলোকে প্ৰশিক্ষাৰ্থীসকলৰ স'তে মত বিনিময় কৰি তেওঁলোকৰ মনোবল বৃদ্ধি কৰে। ইয়াৰ পাছতেই মন্ত্ৰী বিশ্বজিত দৈমাৰীয়ে ঢেকিয়াজুলিৰ পানবাৰী হিন্দু বৈদিক ক্ষেত্ৰত উপস্থিত হৈ সেৱা-অৰ্চনা আগবঢ়ায়। ধাৰ্মিক অনুষ্ঠানটো সমাপন কৰি তেওঁ ঢেকিয়াজুলি ক্ৰীড়া সন্থাৰ খেলপথাৰত উপস্থিত হয়। ইয়াত তেওঁ ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ স'তে এক গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয় আৰু খেলপথাৰখনৰ সৰ্বাংগীণ উন্নয়ন তথা আধুনিকীকৰণৰ বিষয়ে আলোচনা কৰে।

# মহানন্দ শইকীয়াৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ২৪ আগষ্ট ঃ** চতিয়া কছাৰীগাঁৱৰ অন্যতম বিশিষ্ট সাংস্কৃতিক ব্যক্তিত্ব, সমাজ সংগঠক তথা বিশিষ্ট নাট্যকাৰ মহানন্দ শইকীয়া (৮১)ৰ নিজ বাসগৃহত কালি আকস্মিক মৃত্যু হয়। তেওঁ চতিয়াৰ ইতিহাসৰ অনন্য সংগীত সাধক 'গানমাষ্টৰ' প্ৰয়াত গোলোক শইকীয়াৰ সুযোগ্য সন্তান আছিল।


শইকীয়া আছিল কছাৰীগাঁও অঞ্চলৰ সাংস্কৃতিক জগতখনৰ এক প্ৰেৰণাদায়ী নাম। বিশেষকৈ গাঁওখনৰ ঐতিহাসিক ৰাস মহোৎসৱ আৰু ভাওনা সংস্কৃতিলৈ তেওঁৰ অনবদ্য অৱদান চিৰযুগমীয়া হৈ ৰ'ব। ৰাস উৎসৱত 'গোপী'ৰ চৰিত্ৰত অভিনয় কৰি তেওঁ পৰিৱেশন কৰা মনপৰশা 'দিহানাম' আৰু গীত-মাতে সমগ্ৰ গাঁওখনকে সদায় মুখৰিত আৰু সুৰীয়া কৰি ৰাখিছিল। সংস্কৃতিৰ উপৰি তেওঁ সামাজিক ক্ষেত্ৰতো সক্ৰিয় ভূমিকা পালন কৰিছিল। তিনি নম্বৰ চতিয়া পঞ্চায়তৰ সম্পাদক হিচাপে সফলতাৰে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা শইকীয়াৰ পাৰদৰ্শিতা দেখি সেই সময়ৰ অফিচাৰসকলেও তেওঁক সমীহ কৰি চলিছিল। তেওঁ এজন সফল নাট্যকাৰো আছিল। ১৯৭৩ৰ পৰাই শইকীয়া প্ৰতীকধৰ্মী নাটক ৰচনাৰে নিজৰ নাট্যযাত্ৰা অব্যাহত ৰাখিছিল। তেওঁ ৰচনা কৰা উল্লেখযোগ্য নাটকসমূহৰ ভিতৰত 'ইণ্টাৰভিউ', 'সভানেত্ৰী', 'ল'ৰাৰজা' আদি অন্যতম। উল্লেখ্য যে তেওঁৰ নাটকসমূহত বিশিষ্ট নাট পৰিচালক অভিনেতা ভৱানী ভূঞা আৰু ড° অঞ্জন কুমাৰ ওজাৰ দৰে গুণী শিল্পীয়ে বিভিন্ন সময়ত অভিনয় কৰিছিল।

শইকীয়াৰ অকাল বিয়োগত সমগ্ৰ চতিয়া অঞ্চলৰ লগতে সাংস্কৃতিক জগতখনত গভীৰ শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত নদুৱাৰৰ বিধায়ক পদ্ম হাজৰিকা, চতিয়া পৌৰসভাৰ পৌৰপতি দীপশিখা সন্দিকৈ, তিনি নম্বৰ চতিয়া গাঁও পঞ্চায়তৰ সভাপতি উদয় শংকৰ শইকীয়া, কছাৰী গাঁও সংগঠন, যুৱক সংঘকে ধৰি বহু গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী দুই পুত্ৰ-জীয়ৰী আৰু নাতি-নাতিনী এৰি যায়।

# আমগুৰি সামূহিক চিকিৎসালয়ৰ চিকিৎসা সামগ্ৰী, যন্ত্ৰ-পাতিৰ বাবে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ২৪ আগষ্টঃ** যোৱা ১৯ জুলাইত অভাৱনীয়ভাৱে হোৱা ভয়ংকৰ জলপ্ৰলয়ে অধুনালুপ্ত আমগুৰি সমষ্টিৰ তথা বৰ্তমানৰ নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত আমগুৰি পৌৰসভা এলেকাধীন,



আমগুৰিৰ ৩০খন বিচনাযুক্ত সামূহিক চিকিৎসালয়খন বিধ্বস্ত কৰি থৈ যায়। এই প্ৰচণ্ড জলপ্ৰলয়ত হস্পিতেলখনৰ এক্সৰে মেচিন, আলট্ৰাচাউণ্ড মেচিন, পৰীক্ষাগাৰকে ধৰি সকলো সা-সামগ্ৰী পানীত ডুবি নষ্ট হয়। ফলত বৃহত্তৰ আমগুৰি অঞ্চলৰ বানাক্ৰান্ত অঞ্চলৰ ৰাইজৰ এতিয়া প্ৰাথমিক চিকিৎসাৰ বাবেও হাহাকাৰ হৈছে। যিহেতু আমগুৰি পৌৰ এলেকাকে ধৰি উপকণ্ঠ অঞ্চলসমূহ ৰাইজ এইখন চৰকাৰী চিকিৎসালয়ৰ ওপৰতে নিৰ্ভৰশীল। অঞ্চলটোত প্ৰথমবাৰৰ বাবে হোৱা বিধ্বংসী জলপ্ৰলয়ে সাধাৰণ মানুহৰ কঁকাল পোনাব নোৱাৰা অৱস্থা কৰি এমুঠি অন্নৰ বাবে হাহাকাৰ কৰি দিলে। এনে অৱস্থাত সাধাৰণ মানুহখিনিয়ে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত উচ্চ হাৰত চিকিৎসা কৰাটো অসম্ভৱ। আমগুৰিবাসীৰ চিকিৎসাৰ বাবে একমাত্ৰ আশা-ভৰসাৰ থল আমগুৰি সামূহিক চিকিৎসালয়খন। অন্যান্য সমস্যাৰ লগতে হস্পিতেলখনৰ কোৱাৰ্টাৰ, অক্সটি আদিও জৰাজীৰ্ণ। চিকিৎসক, চিকিৎসা কৰ্মীও পৰ্যাপ্ত নহয়। থকা কেইজনকো বদলি কৰি কৰি নি আছে। দীৰ্ঘদিন ধৰি চিকিৎসালয়খনত চনগ্ৰাফী কৰা চিকিৎসক এজনো নাই। গতিকে চিকিৎসালয়খনৰ নষ্ট হোৱা যন্ত্ৰ-পাতি, পৰীক্ষাগাৰৰ সামগ্ৰী যোগান ধৰাৰ লগতে আন্তঃগাঁঠনি নিৰ্মাণ কৰি আৰু দুজনমান চিকিৎসক আৰু নাৰ্চ, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তি দিবলৈ অনুৰোধ জনাই আমগুৰি লেখিকা সমাৰোহ সমিতিৰ হৈ মুখ্য উপদেষ্টা দিপালী শইকীয়া বৰুৱা, সভাপতি ৰাণী শৰ্মা , সম্পাদিকা বুলুআৰা বেগম , ৰজিতা শইকীয়া, মণিমালা দত্ত আৰু জুৰি শইকীয়াৰ স্বাক্ষৰিত এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে ।। ইয়াৰ প্ৰতিলিপি জিলা আয়ুক্তলৈও প্ৰেৰণ কৰা হয় ।



# অসম দাপোণ

দৈনিক অগ্ৰদূত



## ইলোৰা বিজ্ঞান মঞ্চৰ বিজ্ঞানী এম পি পৰমেশ্বৰণৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**গুৱাহাটী, ২৪ আগষ্ট ঃ** জনবিজ্ঞান আন্দোলনৰ অন্যতম গুৰি ধৰোতা তথা অলপতে মৃত্যু হোৱা বিশিষ্ট বিজ্ঞানী ড° এম পি পৰমেশ্বৰণৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান কালি ইলোৰা বিজ্ঞান মঞ্চৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। ড° মনোৰঞ্জন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে শোকপ্ৰস্তাৱ গ্ৰহণ কৰি তেওঁৰ সান্নিধ্য লাভ কৰা বিভিন্ন বক্তাই স্মৃতি সোঁৱৰণৰ জৰিয়তে তেওঁৰ কৰ্মৰাজি বিশ্লেষণ কৰে। অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি ড° বাৰীন্দ্ৰ কুমাৰ শৰ্মাই ড° পৰমেশ্বৰণৰ অসম আগমন আৰু অসমত জনবিজ্ঞান আন্দোলন তথা ৮০ৰ দশকত হোৱা স্বাক্ষৰতা অভিযানত লোৱা ভূমিকা শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ড° মৌচম হাজৰিকা আৰু ড° প্ৰিয়ব্ৰত লহকৰেও নিজস্ব অভিজ্ঞতা স্মৰণ কৰি তেওঁৰ ব্যক্তিত্বৰ সৰু-বৰ দিশ সামৰি এক সম্যক আভাস দিয়ে। ড° কালীপ্ৰসাদ শৰ্মাই বৰ্তমানৰ প্ৰসংগ টানি প্ৰকৃতি ধ্বংসৰ স'তে জড়িত বিজ্ঞান যে সাধাৰণ জনতাই জনাৰ প্ৰয়োজন তাক ব্যাখ্যা কৰে। অনুষ্ঠানত ইচফাকুৰ ৰহমান, ড° ৰাজলক্ষ্মী দেৱী, নজিব আহমেদ আৰু তপন কুমাৰ শৰ্মায়ো ড° পৰমেশ্বৰণৰ উল্লেখযোগ্য কিছু দিশত আলোকপাত কৰাৰ লগতে জনবিজ্ঞান আন্দোলনৰ বিষয়ে বক্তব্য আগবঢ়ায়।

উল্লেখ্য যে প্ৰায় ১৮ বছৰীয়া ভাবা পাৰমাণৱিক গৱেষণা কেন্দ্ৰৰ বৈজ্ঞানিক কেৰিয়াৰ এৰি জনসাধাৰণৰ মাজত বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে জীৱন উছৰ্গা কৰা ড° পৰমেশ্বৰণৰ বাবে বিজ্ঞান কেৱল গৱেষণাগাৰত আবদ্ধ নহয়। বিজ্ঞানক ব্যৱহাৰ কৰিব বিচাৰিছিল জনগণৰ চেতনা বৃদ্ধি কৰা আৰু এইসকলৰ জৰিয়তে যুক্তিবাদী গণতান্ত্ৰিক আৰু বহনক্ষম সমাজ গঢ়া তেওঁৰ মূল লক্ষ্য আছিল।

■ নামভৰ্তি সম্পূৰ্ণ হোৱাৰ পাছত নতুন মাচুলৰ নিৰ্দেশক লৈ অসন্তুষ্টি ■ সমজিলা আয়ুক্তক স্মাৰকপত্ৰ প্ৰদান

## তিতাবৰত নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**বৰহোলা/তিতাবৰ ২৪ আগষ্ট ঃ** বানবিধ্বস্ত জিলাসমূহৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নামভৰ্তি বিনামূলীয়া বুলি চৰকাৰে ঘোষণা কৰাৰ পাছত পুনৰ 'বেকলগ'ৰ ছাত্ৰ-ছাত্ৰীসকলক নামভৰ্তিৰ মাচুল আদায়ৰ নিৰ্দেশক কেন্দ্ৰ কৰি আজি তিতাবৰত শিক্ষা বিভাগৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বিৰুদ্ধেও ক্ষোভ প্ৰকাশ কৰি সোমবাৰে ৰাজপথলৈ ওলাই আহে শিক্ষাৰ্থীসকল। উল্লেখ্য যে বানবিধ্বস্ত জিলাসমূহৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি বিনামূলীয়াকৈ সম্পন্ন কৰাৰ কথা চৰকাৰে ঘোষণা কৰিছিল। সেই অনুসৰি নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ তৃতীয়, পঞ্চম আৰু সপ্তম ষাণ্মাসিকৰ বহু ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি ইতিমধ্যে সম্পূৰ্ণ হৈছে। কিন্তু যোৱা ২১ আগষ্টত 'বেকলগ'ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত নামভৰ্তিৰ মাচুলৰ ৫০ শতাংশ পৰিশোধ কৰিব লাগিব

### ২৬ আগষ্টৰ ভিতৰত ইতিবাচক সিদ্ধান্তৰ দাবী

বুলি নতুন নিৰ্দেশনা জাৰি হোৱাত শিক্ষাৰ্থীসকলৰ মাজত সৃষ্টি হৈছে তীব্ৰ অসন্তুষ্টি আৰু বিভ্ৰান্তি। এই নতুন নিৰ্দেশনাৰ বিৰুদ্ধে নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তিতাবৰ তিনিআলিৰ তিতাবৰ-গোলাঘাট সংযোগী ধোদৰ আলি পথত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে ইতিমধ্যে নামভৰ্তি সম্পূৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ ওপৰত পুনৰ অতিৰিক্ত ধনৰাশি আৰোপ নকৰিবলৈ দাবী জনোৱাৰ লগতে বিষয়টো শীঘ্ৰে সমাধান কৰিবলৈ শিক্ষা বিভাগ আৰু প্ৰশাসনৰ ওচৰত আহ্বান জনায়।

ইফালে, নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ সংঘৰ তৰফৰ পৰা তিতাবৰ সমজিলা আয়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয়। স্মাৰকপত্ৰখনত উল্লেখ কৰা হয় যে নামভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত নতুনকৈ ধনৰাশি আদায়ৰ নিৰ্দেশ জাৰি কৰাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভ্ৰান্তি, অনিশ্চয়তা আৰু আৰ্থিক অসুবিধাৰ সৃষ্টি হৈছে। ইতিমধ্যে নামভৰ্তি সম্পূৰ্ণ কৰা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত নতুনকৈ কোনো অতিৰিক্ত ধনৰাশি আৰোপ নকৰিবলৈ আৰু বিষয়টো সহানুভূতিৰে পুনৰ বিবেচনা কৰিবলৈ ছাত্ৰ সংঘই আহ্বান জনায়। লগতে ছাত্ৰ-ছাত্ৰীৰ ন্যায্য অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত কৰি গ্ৰহণযোগ্য সিদ্ধান্ত গ্ৰহণ কৰিবলৈও দাবী জনোৱা হয়। অহা ২৬ আগষ্টৰ ভিতৰত বিষয়টোত ইতিবাচক ফলাফল প্ৰদান কৰিবলৈ অনুৰোধ জনায় ছাত্ৰ সংঘই। অন্যথা পুনৰ গণতান্ত্ৰিক পদ্ধতিৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সকীয়াই ছাত্ৰ সংঘই। ইয়াৰ বাবে শিক্ষা মন্ত্ৰী, চৰকাৰ আৰু প্ৰশাসন জগৰীয়া হ'ব বুলিও স্মাৰকপত্ৰত ছাত্ৰ সংঘই উল্লেখ কৰে।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ

## চাতক-তেজপুৰ বিশ্ববিদ্যালয়ৰ উদ্যোগত কুইজ প্ৰতিযোগিতা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৪ আগষ্টঃ** তেজপুৰৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান 'চাতক'-এ ড° ভূপেন হাজৰিকাৰ জন্ম-শতবাৰ্ষিকী উদযাপনৰ অংশ হিচাপে আন্তঃবিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাখন অহা আঠ ছেপ্টেম্বৰত 'চাতক' আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি এই সন্দৰ্ভত চাতকৰ তৰফৰ পৰা প্ৰকাশিত এক বিবৃতিত কোৱা হৈছে যে ড° ভূপেন হাজৰিকাৰ জীৱন, কৰ্ম, সংগীত, গীত, সুৰ সৃষ্টি, গীতিকাৰ, সাহিত্য-ৰচনা, চলচ্চিত্ৰ-তথ্যচিত্ৰ, সমাজ দৰ্শন আদি বিষয়ৰ আধাৰত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসমৰ স্বীকৃতি প্ৰাপ্ত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ ইচ্ছুক প্ৰতিষ্ঠানে দুজন নিয়মীয়া শিক্ষাৰ্থীৰ এটি দল নিজা প্ৰতিষ্ঠানৰ বৈধ পৰিচয়পত্ৰ আৰু আনুষ্ঠানিক অনুমতিপত্ৰসহ প্ৰতিযোগিতাত যোগদানৰ বাবে প্ৰেৰণ কৰিব পাৰিব। অহা পাঁচ ছেপ্টেম্বৰৰ ভিতৰত ইচ্ছুক প্ৰতিযোগী দলসমূহে তলত উল্লেখ কৰা ই-মেইল যোগে অথবা কুইজ সমন্বয়কৰ স'তে ম'বাইল ফোনযোগে প্ৰতিযোগিতাত যোগদান নিশ্চিত কৰিব লাগিব বুলি উল্লেখ কৰি বিবৃতিটোত লগতে কুইজ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰা দললৈ ক্ৰমে 'নন্দেশ্বৰ শইকীয়া সোঁৱৰণী বঁটা' আৰু নগদ ১২ হেজাৰ টকা, ভূপেন শইকীয়া- বৰদা শইকীয়া সোঁৱৰণী বঁটা আৰু নগদ ১০ হেজাৰ টকা আৰু ইন্দ্ৰেশ্বৰ বাইলুং-পদ্মা বাইলুং সোঁৱৰণী বঁটাসহ আৰু নগদ আঠ হেজাৰ টকা আগবঢ়োৱা হ'ব। প্ৰতিযোগিতাৰ দিনা তেজপুৰ বিশ্ববিদ্যালয়ৰ কাউন্সিল হলত দুপৰীয়া ১১ বজাত পঞ্জীয়ন আৰু এক বজাৰ পৰা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ অন্তত সন্ধ্যা ছবজাৰ পৰা তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত সুৰ আৰু সুৰৰ এটি সন্ধিয়া শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। কুইজৰ বাবে প্ৰতিযোগীসকলে chaataktezpur@gmail.com আৰু কুইজ সমন্বয়ক ড° কস্তুৰী শৰ্মাৰ ম'বাইল ফোন নম্বৰ ৮৪৮৬০৫৬৮৬৬ত যোগাযোগ কৰিব পাৰিব।

## ব্ৰহ্মপুত্ৰত উদ্ধাৰ জামুগুৰিহাটৰ মনোজ ছেত্ৰীৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৪ আগষ্ট ঃ** অৱশেষত তিনিদিনৰ অন্তত আজি ব্ৰহ্মপুত্ৰৰ বুকুত উদ্ধাৰ হ'ল জামুগুৰিহাটৰ কুসুমটোলাৰ দীপাটোলাৰ সম্ভাৱনাপূৰ্ণ তথা সৰবৰহী যুৱক মনোজ ছেত্ৰী (২৭)ৰ মৃতদেহ। যোৱা ২১ আগষ্টৰ সন্ধিয়াৰ পৰা নিৰুদ্দেশ হৈ থকা মনোজৰ মৃতদেহ আজি জামুগুৰিহাট আৰু তেজপুৰৰ মধ্যস্থান কলিয়াভোমোৰা দলঙৰ নাতিদূৰৰ এটা টাপুত উদ্ধাৰ হয়। উল্লেখ্য যে অঞ্চলটোৰ দীপাটোলাৰ মনোজৰ নিৰুদ্দেশ হোৱাৰ পাছত অঞ্চলটোৰ জীয়াভৰলী নৈৰ চকীঘাট দলঙৰ সমীপৰ গাইড বান্ধৰ ওপৰত তেওঁ ব্যৱহাৰ কৰা স্কুটী, ডিঙিৰ এডাল চেইন আৰু মানিবেগটো উদ্ধাৰ হয়। ইয়াৰ পাছতে মনোজ নিখোঁজ হোৱাৰ ঘটনাই ৰহস্যৰ আৱৰ্তত সোমাই পৰে। সেইদিনাৰ পৰাই জীয়াভৰলী নৈ আৰু নাতিদূৰৈৰ ব্ৰহ্মপুত্ৰ নৈত এনডিআৰএফ আৰু এছডিআৰএফে যুটীয়া অভিযান চলাই আজি যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

## লেংটিছিঙাত চিলনী চোৰে থপিয়াই নিলে তিনি লাখ টকা

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৪ আগষ্টঃ** বঙাইগাঁও জিলাৰ লেংটিছিঙাত আজি দিন দুপৰতে এগৰাকী লোকৰ পৰা চিলনী চোৰে থপিয়াই নিয়ে তিনি লাখ টকা। জানিব পৰা মতে, লেংটিছিঙাৰ নিকটৱৰ্তী ভাদাইপাৰাৰ খলিলুৰ ৰহমান নামৰ লোকজনে ভাৰতীয় ষ্টেটবেংকৰ লেংটিছিঙা শাখাত থকা নিজৰ একাউণ্টৰ পৰা তিনি লাখ টকা সংগ্ৰহ কৰি লেংটিছিঙা বজাৰ অভিমুখে ৰাওনা হয়। পূৰ্বৰ পৰা খাপ পিটি থকা চিলনী চোৰে নম্বৰবিহীন মটৰ চাইকেল এখনেৰে পাছফালৰ পৰা খলিলুৰ ৰহমানৰ টকাৰ বেগখন মুহূৰ্ততে কাঢ়ি উধাও হয়। ঘটনাৰ পাছতে লেংটিছিঙা আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

## বিহপুৰীয়াত বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ ঃ নামঘৰতো চোৰৰ লুটপাট

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২৪ আগষ্টঃ** বিহপুৰীয়া নগৰৰ লগতে দাঁতিকাষৰীয়া অঞ্চলসমূহত দিনক দিনে বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ। আজি কিছুদিন পূৰ্বে বিহপুৰীয়া নগৰৰ আৰক্ষী থানাৰ নিচেই সমীপৰ বিপি এণ্টাৰপ্ৰাইজৰ পৰা চোৰে প্ৰায় তিনি লাখ টকাৰ বিভিন্ন সা-সামগ্ৰী লুট কৰি নিয়াৰ লগতে ৰাজবাৰীস্থিত এখন সুৰাৰ বিপণীৰ পৰাও কে'বালক্ষাধিক টকাৰ সুৰা চুৰি কৰি নিছিল চোৰে। শেহতীয়াকৈ বিহপুৰীয়াৰ দক্ষিণ প্ৰান্তৰ বহুকেইটা ধৰ্মীয় অনুষ্ঠানৰ পৰা চোৰে লুট কৰি নিয়ে বৰ তাল, বাচন-বৰ্তন আদি। ৰঘুগুৰি থান, হমৰা থান, জাপজুপ নামঘৰৰ পৰা চোৰে বহু সামগ্ৰী লুট কৰি নিয়ে। সম্প্ৰতি চোৰৰ উপদ্ৰৱত বিহপুৰীয়াবাসীয়ে ত্ৰাহিমধুসূদন সুঁৱৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। বিগত সময়ছোৱাত চোৰে গৃহস্থৰ ঘৰত মানুহ নথকাৰ সুযোগ গ্ৰহণ কৰি ধন-সোণ লুট কৰি আহিছিল যদিও শেহতীয়াকৈ চোৰে ধৰ্মীয় অনুষ্ঠানসমূহ লক্ষ্য কৰি লোৱাত ৰাইজে ধৰ্মীয় অনুষ্ঠানসমূহৰ সুৰক্ষা নিশ্চিত কৰিবৰ বাবে আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

## অৰুণাচলত পাহাৰৰ শিল খহি প্ৰাণ হেৰুৱালে দেৰগাঁৱৰ অসম আৰক্ষীৰ জোৱান ৰাজুমণি হাজৰিকাই

**অগ্ৰদূত বাৰ্তা**
**দেৰগাঁও, ২৪ আগষ্টঃ** অৰুণাচল প্ৰদেশত সংঘটিত এক মৰ্মান্তিক দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে দেৰগাঁৱৰ মলাইকুমাৰ নিবাসী অসম আৰক্ষীৰ কৰ্মৰত জোৱান ৰাজুমণি হাজৰিকাই। দেৰগাঁওস্থিত লাচিত বৰফুকন পুলিচ একাডেমীত কাৰ্যনিৰ্বাহ কৰি থকা ৰাজুমণি হাজৰিকাই পত্নী, কনমানি কন্যা আৰু পুত্ৰ সন্তানসহ পৰিয়ালবৰ্গক লৈ শনিবাৰে অৰুণাচল প্ৰদেশলৈ ফুৰিবলৈ গৈছিল। কিন্তু দেওবাৰে যাত্ৰাপথত

### নিশাই ঘৰ পালেহি নশ্বৰদেহ

হঠাতে পাহাৰৰ পৰা খহি পৰা এটা বৃহৎ শিল তেওঁলোকৰ চলন্ত বাহনখনৰ ওপৰত পৰেহি, যাৰ ফলত ঘটনাস্থলীতে জোৱানগৰাকীৰ মৃত্যু হয় যদিও কথমপি প্ৰাণ ৰক্ষা পৰে তেওঁৰ পত্নী, কন্যা আৰু পুত্ৰ। এই দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে পৰিয়ালৰ লোকসকলে ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ নিশাই এম্বুলেন্সযোগে ৰাজুমণি হাজৰিকাৰ নশ্বৰ দেহ নিজ গৃহলৈ কঢ়িয়াই আনে। নিশা নিজ গৃহত মৃতদেহ আহি পোৱাৰ লগে লগে মলাইকুমাৰ গাঁৱত শ শ লোকে ভিৰ কৰেহি আৰু এক শোকাকুল পৰিৱেশে বিৰাজ কৰে। এজন আৰক্ষী জোৱানৰ এনে অকাল মৃত্যুত সমগ্ৰ দেৰগাঁৱতে গভীৰ শোকৰ ছাঁ পৰিছে।

■ অভিযুক্তক গ্ৰেপ্তাৰ নকৰাত তীব্ৰ ক্ষোভ ■ প্ৰতিবাদী কাৰ্যসূচীৰে নগাঁৱৰ ৰাজপথ কঁপালে জনজাতি ছাত্ৰই

## স্বাধীনতা দিৱসৰ নিশা নগাঁৱৰ জনজাতি জিৰণি চ'ৰাত ছাত্ৰক আক্ৰমণ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**নগাঁও, ২৪ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ দিনা নিশা নগাঁও চহৰৰ দক্ষিণ হয়বৰগাঁওস্থিত জনজাতি জিৰণি চ'ৰাৰ ছাত্ৰাৱাসৰ চৌহদত একাংশ দুষ্কৃতিকাৰীয়ে জনজাতি ছাত্ৰক আক্ৰমণ কৰা দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰৰ দাবীত আজি নগাঁও জিলা ট্ৰাইবেল সংঘৰ নেতৃত্বত কে'বাটাও জনজাতি ছাত্ৰ সংগঠনে বিশাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও জিলা ট্ৰাইবেল সংঘৰ লগতে সদৌ তিৱা ছাত্ৰ সন্থা, তিৱা যুৱ-ছাত্ৰ পৰিষদ, নগাঁও জিলা বড়ো ছাত্ৰ সন্থা, নগাঁও জিলা ৰাভা ছাত্ৰ সন্থা, নগাঁও জিলা কাৰ্বি ছাত্ৰ সন্থা, নগাঁও জিলা ডিমাছা ছাত্ৰ সন্থাৰ সদস্যসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই সংগঠনসমূহে তেওঁলোকৰ দাবীৰ সমৰ্থনত জনজাতি জিৰণি চ'ৰাৰ পৰা নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়লৈ সমদল কৰি আহে যদিও চহৰখনৰ মৰিগাঁও বাছ আস্থানৰ ওচৰত প্ৰশাসন আৰু আৰক্ষীয়ে প্ৰতিবাদকাৰী দলটোক বাধা প্ৰদান কৰে। প্ৰতিবাদকাৰীসকলে দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰৰ দাবী জনাই বিভিন্ন ধ্বনি দি নগাঁৱৰ ৰাজপথ উত্তাল কৰি তোলে। পছত জিলা প্ৰশাসনৰ হৈ নগাঁও সদৰ ৰাজহ চক্ৰ বিষয়া প্ৰতিবাদস্থলীত উপস্থিত হয়। প্ৰতিবাদকাৰী সংগঠনসমূহে জনজাতি ছাত্ৰক আক্ৰমণ কৰা দুস্কৃতিকাৰীক গ্ৰেপ্তাৰৰ দাবীত চক্ৰ বিষয়া গৰাকীৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী আৰু জিলা আয়ুক্তলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত জনজাতি ছাত্ৰ সংগঠন কেইটাই দুষ্কৃতিকাৰীক তিনিদিনৰ ভিতৰত গ্ৰেপ্তাৰ কৰিবলৈ প্ৰশাসনক দাবী জনায়। অন্যথা ৰাজ্যজুৰি ব্যাপক আন্দোলন গঢ়ি তুলিব বুলি চৰকাৰক সতৰ্ক কৰি দিয়ে। প্ৰতিবাদকাৰী সকলে অতি ক্ষোভেৰে কয়, 'ঘটনাৰ নটা দিন অতিক্ৰম কৰাৰ পাছতো নগাঁও আৰক্ষীয়ে মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰিব নোৱৰাটোক আমি সহজভাৱে ল'ব পৰা নাই। এয়া আৰক্ষীৰ ব্যৰ্থতা নে অভিযুক্তৰ প্ৰতি বিশেষ দৰদ? তদন্তকাৰী বিষয়াৰ ভূমিকাও মুঠেই ইতিবাচক নহয়!'



## উপযুক্ত সা-সুবিধা-চিকিৎসা কৰ্মীৰ অভাৱত ৰোগীৰ হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৪ আগষ্ট ঃ** নামতহে চলি আছে বিশ্বনাথ জিলা চিকিৎসালয়। জিলাখনৰ সৰ্বসাধাৰণ ৰাইজৰ চিকিৎসাৰ একমাত্ৰ ভৰসাস্থলী বিশ্বনাথ জিলা চিকিৎসালয়ত ৰোগীৰ অনুপাতে নাই চিকিৎসক। তদুপৰি চিকিৎসালয়খনৰ প্ৰতিটো বিভাগ আজিও পূৰ্ণাংগ ৰূপত নথকাৰ বাবে দৰিদ্ৰ ৰোগীসকলে চিকিৎসা সেৱাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। পৰ্যাপ্ত চিকিৎসকৰ অভাৱৰ বাবে ২০২৩তে উদ্বোধন কৰা ১০ খনকৈ আইচিইউ বিছনা আজিলৈকে কাৰ্যক্ষম হৈ নুঠিল। আইচিইউৰ কোঠাৰ সন্মুখত সদায় ওলমি থাকে তলা। স্থায়ী ৰেডিঅ'লজিষ্ট নথকাৰ বাবে আলট্ৰাছাউণ্ডৰ পৰা বঞ্চিত হৈছে দৰিদ্ৰ ৰোগী। চতিয়া অসামৰিক চিকিৎসালয়ত নিযুক্তি দিয়া চিকিৎসকগৰাকীয়ে সপ্তাহত তিনিদিনে বিশ্বনাথলৈ আহিব লাগে যদিও চতিয়াত দায়িত্বত বেছি থকাৰ বাবে আহিব নোৱাৰে। ইফালে এক্সৰেৰ মাত্ৰ তিনি ঘণ্টা সেৱাহে কাৰিকৰী ব্যক্তিৰ অভাৱত লাভ কৰে ৰোগীয়ে। চিকিৎসালয়খনত এজন উপ-অধীক্ষক, এজন স্বাস্থ্য বিষয়া, ১৪ গৰাকী নাৰ্ছ, এজন চালক, দুজন চাফাই কৰ্মী, এজন ৰেডিঅ'গ্ৰাফাৰকে ধৰি বহু পদ খালী হৈ আছে। মেডিচিন চিকিৎসক নথকাৰ বাবেও ৰোগীসকল চিকিৎসা সেৱাৰ পৰা বঞ্চিত হৈ আহিছে। আনহাতে, ৱাৰ্ডবয় আৰু চাফাই কৰ্মীৰ অভাৱে চিকিৎসালয়খনত এক কদৰ্যময় পৰিৱেশৰ সৃষ্টি কৰিছে। মুঠৰ ওপৰত বিশ্বনাথ জিলা চিকিৎসালয়খন একপ্ৰকাৰ নামতহে চলি আহিছে বুলি অভিযোগ উঠিছে।

## খাৰজাৰা আশ্ৰমৰ মহামৃত্যুঞ্জয় যজ্ঞত পূজা-অৰ্চনা, আৰতি প্ৰদান সাংসদ শইকীয়াৰ



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৪ আগষ্ট ঃ** নলবাৰীৰ শ্ৰীশ্ৰী দুধনাথ বিগ্ৰহ ঃ খাৰজাৰা আশ্ৰমত চলি থকা এমাহজোৰা মহামৃত্যুঞ্জয় যজ্ঞ আৰু শিৱ মহাপুৰাণ তথা অনুষ্ঠানত আজি ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই উপস্থিত হৈ আশিষ গ্ৰহণ কৰে। কাশী-বাৰানসীৰ বেদজ্ঞ পণ্ডিতসকলৰ দ্বাৰা পূজা-অৰ্চনা কৰি থকা এই অনুষ্ঠানত সাংসদ শইকীয়াই যজ্ঞ-আহুতিত অংশ লোৱাৰ লগতে আৰতি প্ৰদান কৰে। এই সন্দৰ্ভত তেওঁ কয়, 'খাৰজাৰা আশ্ৰমত চলি থকা পবিত্ৰ শ্ৰীশ্ৰীমৃত্যুঞ্জয় যজ্ঞত আজি উপস্থিত হৈ দেবাদিদেৱ মহাদেৱসহ সৰ্বদেৱ-দেৱীৰ শ্ৰীচৰণত ভক্তিভৰা পূজা-অৰ্চনা আৰু আৰতি আগবঢ়োৱাৰ লগতে যজ্ঞ অনুষ্ঠানত অংশগ্ৰহণ কৰি আধ্যাত্মিক সন্তুষ্টি লাভ কৰিলেও এই পবিত্ৰ যজ্ঞ অনুষ্ঠানে সমগ্ৰ সনাতনী সমাজৰ মাজত আধ্যাত্মিক ভাব জাগ্ৰত কৰাৰ লগতে সমাজখনত সমৰসত্ত্বা, ভ্ৰাতৃত্ববোধ আৰু আধ্যাত্মিক চেতনা অধিক সুদৃঢ় কৰাত সফল হওক। এয়ে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা। বাবা ভোলানাথে সকলোৰে জীৱনলৈ সুখ, শান্তি, সমৃদ্ধি আৰু মংগল কঢ়িয়াই আনক।' উল্লেখ্য যে যোৱা ২২ আগষ্টৰ পৰা প্ৰতিদিনে বিয়লি তিনি বজাৰ পৰা অনুষ্ঠিত হৈ আহিছে শিৱপুৰাণ কথা। এই অনুষ্ঠানৰ কথাবাচকৰূপে বাৰানসীৰ বেদ বিভূষণ বৈদিক শিৱকেষ ডুবে জী মহাৰাজে অংশ লৈছে। ইয়াতো পূজা-অৰ্চনা কৰে সাংসদ শইকীয়াই। অহা ২৮ আগষ্টত এমাহজোৰা পূৰ্ণাহুতি আৰু বিশাল ভাণ্ডাৰেৰে ইয়াৰ সামৰণি পৰিব। কাৰ্যসূচীত সকলো ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যাপন সমিতিয়ে।

## দেশ স্বাধীন হোৱাৰ ৮০ বছৰ পাছত চিকিৎসালয় পালে ভূটান সীমান্তৰ লোকে



**অগ্ৰদূত বাৰ্তা**
**বাসুগাঁও/কাজলগাঁও, ২৪ আগষ্ট ঃ** দেশৰ স্বাধীনতা লাভ কৰাৰ ৮০ বছৰ পাছত চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ দাদগিৰি হাতীসাৰ অঞ্চলত প্ৰথমবাৰৰ বাবে স্থাপন হ'বলৈ গৈ আছে ১০খন বিছনাযুক্ত এখন চৰকাৰী চিকিৎসালয়। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনত প্ৰায় আঢ়ৈ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া দাদগিৰিৰ এই ১০ খন বিছনাযুক্ত চিকিৎসালয়ৰ আজি আধাৰশিলা স্থাপন কৰে বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীয়ে। ইমান বছৰে উন্নত স্বাস্থ্য সেৱাৰ পৰা একপ্ৰকাৰ বঞ্চিত হৈ থকাৰ পাছত আজি এই ১০ খন বিছনাযুক্ত চিকিৎসালয়ৰ আধাৰশিলা স্থাপনক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা দেখিবলৈ পোৱা যায়। ইমান বছৰে চিৰাঙৰ ভাৰত-ভূটান আন্তৰ্জাতিক সীমান্ত অঞ্চলত উন্নত চৰকাৰী স্বাস্থ্য সেৱাৰ ব্যৱস্থা নথকাত সীমান্ত অঞ্চলৰ বিশেষকৈ প্ৰসূতিসকলক লৈ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল। কিন্তু এই ১০খন বিছনাযুক্ত চিকিৎসালয়খন সম্পূৰ্ণ হ'লে ভাৰত-ভূটান সীমান্ত অঞ্চলৰ ৰাইজৰ স্বাস্থ্য সম্পৰ্কীয় সমস্যা দূৰ হ'ব বুলি মন্তব্য কৰে উদ্বোধক বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীয়ে। উল্লেখ্য যে আজি চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঔগুৰীতো এটা এমপিএইছচি চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰে। আজিৰ এই আধাৰশিলা স্থাপন অনুষ্ঠানত চিদলী বিধানসভা সমষ্টিৰ বিধায়ক পানীৰাম ব্ৰহ্ম, বিটিচিৰ পাৰিষদ খাম্ফা বৰগয়াৰী, শুকুৰ সিং মুছাহাৰী, নন্দলাল মগৰ প্ৰমুখ্যে জিলা স্বাস্থ্য বিভাগৰ বিষয়াবৰ্গসকল উপস্থিত থাকে।

## ২৭ আগষ্টত দৰং মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ স'তে কথা পাতিব প্ৰধানমন্ত্ৰী মোদীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৪ আগষ্টঃ** ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস ২৯ আগষ্টৰ লগত সংগতি ৰাখি ভাৰত চৰকাৰৰ ক্ৰীড়া মন্ত্ৰণালয়ৰ উদ্যোগত অহা ২৭ আগষ্টৰ দিনা পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া খেল'ইণ্ডিয়া ডায়েলগৰ বাবে শোণিতপুৰৰ দৰং মহাবিদ্যালয় আৰু ৰঙাপৰা মহাবিদ্যালয় নিৰ্বাচিত কৰা হৈছে। উক্ত দিনা পুৱা ১১ বজাৰ পৰা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগত কেনেকৈ দেশৰ যুৱ প্ৰজন্মক আগুৱাই নিবি পাৰি সেই বিষয়ে ভাৰ্চুৱেলী কথা পাতিব বুলি আজি দৰং মহাবিদ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত সদৰী কৰিছে মাই ভাৰত ইণ্ডিয়া তেজপুৰ কেন্দ্ৰৰ



ভাৰপ্ৰাপ্ত বিষয়া আব্দুলা আহমেদ আৰু দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়াই। ভাৰতৰ যুৱ শক্তিক খেলৰ মাধমেৰে আগবঢ়াই নিয়াৰ লক্ষ্যৰে সমগ্ৰ দেশৰ লগতে শোণিতপুৰ জিলাতো মাই ভাৰত ইণ্ডিয়াৰ শোণিতপুৰ জিলা কেন্দ্ৰ আৰু দৰং মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া উক্ত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ লগতে ক্ৰীড়াবিদ আৰু বিশিষ্ট লোক সকলকো আমন্ত্ৰণ কৰা হ'ব বুলি সংবাদমেলত দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়াই সদৰী কৰে। সংবাদমেলত অধ্যক্ষজনে এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ থিম একঘণ্টা খেলপথাৰত অধীনত ২৯ আগষ্টৰ বিয়লি দৰং মহাবিদ্যালয় খেলপথাৰত বিয়লি চাৰি বজাৰ পৰা দৰং মহাবিদ্যালয় আৰু ৰঙাপৰা মহাবিদ্যালয়ৰ মাজত ফুটবল খেল অনুষ্ঠিত হ'ব বুলি ব্যক্ত কৰে। সংবাদমেলত দৰং মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ভাৰপ্ৰাপ্ত অধ্যাপক সদ্যতদীপ গোৱালা আৰু মাই ভাৰত ইণ্ডিয়াৰ শোণিতপুৰৰ আঁচনি সমন্বয়ক ড° শংকৰ চক্ৰৱৰ্তীয়েও অংশগ্ৰহণ কৰে।

## ধেমাজিৰ লায়ন্স ক্লাবৰ নৱ-গঠিত সমিতিৰ দায়িত্বভাৰ গ্ৰহণ-সম্বৰ্ধনা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ২৪ আগষ্টঃ** লায়ন্স ক্লাব অৱ ধেমাজিৰ ২০২৬-২৭ৰ নৱগঠিত সমিতিৰ দায়িত্বভাৰ অৰ্পণ আৰু সম্বৰ্ধনা অনুষ্ঠানটি আজি উলহ-মালহেৰে অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আঁত ধৰে লায়ন অৱনী নাথে। অনুষ্ঠানত লায়ন্স ক্লাবৰ ৰিজিঅ'ন চেয়াৰপাৰ্ছন লায়ন ৰক্তিম গগৈয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি নৱ-নিৰ্বাচিত পদাধিকাৰীসকলক শপতবাক্য পাঠ কৰোৱায়। ইয়াৰ পাছতে পূৰ্বৰ সমিতিখন ভংগ কৰি নৱ-গঠিত সমিতিখনক আনুষ্ঠানিকভাৱে দায়িত্বভাৰ অৰ্পণ কৰা হয়। নতুন সমিতিৰ সভাপতি হিচাপে ড° আতাওৰ ৰহমান আৰু সম্পাদক হিচাপে দীপক কলিতাক নিৰ্বাচিত কৰা হয়। নৱ-নিৰ্বাচিত বিষয়ববীয়াসকলক দেশ তথা সমাজৰ হকে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনোৱা হয়। অনুষ্ঠানত আমন্ত্ৰিত মুখ্য অতিথি ধেমাজি জিলাৰ শিক্ষা বিষয়া দেৱজিৎ গগৈয়ে লায়ন্স ক্লাবৰ সমাজ সেৱামূলক যাত্ৰাৰ শলাগ লয়। ভাষণত তেওঁ লায়ন্স ক্লাবে ইতিমধ্যে এটা দশকৰ সফল যাত্ৰা সম্পূৰ্ণ কৰি গৌৰৱময় ইতিহাস ৰচনা কৰা বুলি উল্লেখ কৰে। অসম সাহিত্য সভাৰ স'তে একে সময়তে জন্মলাভ কৰা লায়ন্স ক্লাবৰ সমাজসেৱামূলক অৱদানৰ কথাও তেওঁ সশ্ৰদ্ধাৰে স্মৰণ কৰে। অনুষ্ঠানত মেধাৱী তথা প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। লায়ন্স ক্লাবৰ দুগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰী তুলন ফুকন আৰু হৰ্ষিতা নন্দীক বিগত পৰীক্ষাসমূহত দেখুওৱা কৃতিত্বপূৰ্ণ ফলাফলৰ বাবে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত লায়ন হেইকী, ৰশ্মিৰেখা শইকীয়া আদিয়ে মনোমোহা গীত পৰিৱেশন কৰি সভাৰ পৰিৱেশ জীপাল কৰি তোলে।



# জুৰেলৰ শতকৰে চালকৰ আসনত ভাৰত

## আঠ ৰাণতে দুই উইকেট হেৰুৱাই বিপদত শ্রীলংকা ঃ পন্টৰ অৰ্ধশতক



**নিউজ ব্যুৰ'**
**কলম্বো, ২৪ আগষ্ট ঃ** দেৱদত্ত পাড়িক্কালৰ পাছত ধ্রুৱ জুৰেলৰ শতৰাণৰ সহায়ত শ্রীলংকাৰ বিপক্ষে দ্বিতীয় টেষ্টত শক্তিশালী স্থিতিত উপনীত হৈছে ভাৰত। আজি দ্বিতীয় দিনাৰ খেলত ভাৰতে ন উইকেটত ৫০৩ ৰাণ সংগ্ৰহ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। জুৰেলে ১১৫ ৰাণত অপৰাজিত হৈ ৰয়। ইপিনে, শ্রীলংকাই প্ৰথম ইনিংছ মুকলি কৰিয়েই গভীৰ বিপদত পৰিছে। খেল সমাপ্তিলৈ শ্রীলংকাই দলীয় আঠ ৰাণতে লাহিৰু উদাৰা (১) আৰু নৈশপ্ৰহৰী প্ৰভাত জয়সূৰ্য (২)ৰ উইকেট হেৰুৱায়। উইকেট দুটা দখল কৰে ক্ৰমে প্ৰসিদ্ধ কৃষ্ণ আৰু মানৱ সুথাৰে।

ভাৰতে আজি পাঁচ উইকেটত ৩০০ ৰাণৰ পৰা খেল আৰম্ভ কৰি সোনকালেই অভিষেককাৰী সাৰাংশ জৈন (৬)ৰ উইকেট হেৰুৱায়। ইয়াৰ পাছতে জুৰেলৰ সংগী হয় কালি আঘাতৰ বাবে তিনি ৰাণতে অৱসৰ লোৱা ঋষভ পন্টে। দুয়ো সপ্তম উইকেটত ১১২ ৰাণ যোগ দি ভাৰতক শক্তিশালী স্থিতিলৈ নিয়ে। পন্টে ব্যক্তিগত ৬৩ ৰাণত বিদায় লোৱাৰ পাছত মানৱে জুৰেলৰ স'তে যুটি বন্ধাৰ লগতে ব্যক্তিগতভাৱে ১৮ ৰাণৰ মূল্যবান অৰিহণা যোগায়। ইয়াৰ মাজতে জুৰেলে নিজৰ দ্বিতীয় টেষ্ট শতৰাণ সম্পূৰ্ণ কৰে। তেওঁৰ ১৭৭টা বলৰ অপৰাজিত ইনিংছটোত আছিল নটা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ। আনহাতে, পন্টে স্বভাৱসিদ্ধ বেটিঙেৰে ৮৯টা বলত ছটা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ মাৰে।

## নগাঁও জিলা ছোৱালী ক্রিকেট দল ঘোষণা

**অগ্রদূত বাৰ্তা**
**বেবেজীয়া, ২৪ আগষ্ট ঃ** গোৱালপাৰাত আয়োজিত অনূৰ্ধ্ব-১৯ ছোৱালী আন্তঃজিলা ক্রিকেট প্রতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে নগাঁও ক্রীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে ঘোষণা কৰা নগাঁও জিলা দলটো। দলৰ খেলুৱৈসকল হ'ল— ববিতা দাস (অধিনায়ক, উইকেট ৰক্ষক), চয়নিকা শইকীয়া (সহঃ অধিনায়ক), সুনীতা ডেকা, হিমাক্ষী ডেকা, দীপশিখা বৰদলৈ, আয়ুসী দাস, দিশানী ভৌমিক, পাপৰি দাস, ৰিম্পী কোঁৱৰ, সুমিত্রা বসুমতাৰী, শুবাশ্ৰী দত্ত (উইকট ৰক্ষক), অঞ্জলি খাখলাৰী, শ্ৰীয়াশ্ৰী দাস, সুদৰ্শনা মিথি আৰু উৰ্মিলা থাপা। ষ্টেণ্ড বাই— প্ৰিয়াংশী দাস, বৃষ্টি কোঁৱৰ, স্নেহা বৰা আৰু গায়ত্ৰী লস্কৰ। দলত য়াছিনুল হক প্ৰশিক্ষক আৰু ৰীতা বৈদ্য কাকতি মেনেজাৰৰূপে আছে।



*মহিলা হকী বিশ্বকাপত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ খেলখনৰ এটি উত্তেজনাপূৰ্ণ মুহূৰ্ত, আমষ্টেলভীনত দেওবাৰে।*

## 'বি' ডিভিজন ফুটবলৰ ছেমি ফাইনেলত যোৰহাট ক্লাব

**অগ্রদূত ক্রীড়া বাৰ্তা**
**যোৰহাট, ২৪ আগষ্ট ঃ** যোৰহাট জিলা ক্রীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত চলি থকা 'বি' ডিভিজন ফুটবল লীগ প্রতিযোগিতাৰ লীগৰ আজি 'বি' গ্ৰুপৰ এখন গুৰুত্বপূৰ্ণ খেলত যোৰহাট ক্লাবে ৰঞ্জিত ক্লাবক ১-০ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ লগতে গ্ৰুপৰ পৰা ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। আক্ৰমণ-প্ৰত্যাক্ৰমণেৰে ভৰপূৰ খেলখনৰ প্ৰথমাৰ্ধৰ আঠ মিনিটত যোৰহাট ক্লাবৰ ঋজম বৰকটকীয়ে সুন্দৰভাৱে গ'ল দি দললৈ ১-০ৰ অগ্ৰগতি আনে। ইয়াৰ পাছত ৰঞ্জিত ক্লাবে গ'ল দিয়াৰ চেষ্টা অব্যাহত ৰাখিছিল যদিও ফৰৱাৰ্ডৰ দুৰ্বলতাৰ বাবে ব্যৰ্থ হয়। যাৰ পৰিপ্ৰেক্ষিতত যোৰহাট ক্লাব জয়ী হোৱাৰ লগতে ছেমি ফাইনেলৰ পথ প্ৰশস্ত কৰে। উল্লেখ্য যে 'বি' গ্ৰুপত যোৰহাট ক্লাবে দুখন খেলত জয়ী হোৱাৰ সূত্ৰে মুঠ ছয় পইন্ট অৰ্জন কৰি গ্ৰুপৰ শীৰ্ষ স্থান দখল কৰে। অহা ২৬ আগষ্টত প্ৰথমখন ছেমি ফাইনেলত যোৰহাট ক্লাবে উত্তৰ যোৰহাট উপ-ক্রীড়া সন্থাৰ বিৰুদ্ধে খেলিব। আজিৰ খেলৰ ৰেফাৰী আছিল প্ৰাঞ্জল গাটাক।

# ৰাষ্ট্ৰীয় ক্রীড়া দিৱসত তৰুণ প্রজন্মক 'খেলো ইণ্ডিয়া'ৰ বাৰ্তা দিব মোদীয়ে

## উৎসাহিত কৰিব বাইচুং-ছাইনা-মেৰী কম আদিয়ে



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ আগষ্ট ঃ** অহা ২৯ আগষ্টত কিংবদন্তি হকী খেলুৱৈ ধ্যানচান্দৰ জন্মদিন উপলক্ষে পালন কৰা হ'ব ৰাষ্ট্ৰীয় ক্রীড়া দিৱস। এই ক্রীড়া দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশৰ তৰুণ তথা উদীয়মান ক্রীড়াবিদৰ উদ্দেশ্য ভাষণ ৰাখিব। 'খেলো ইণ্ডিয়া ডায়লগ-খেল কি বাত, প্ৰধানমন্ত্ৰী মোদী কে ছাথ' শীৰ্ষক অনুষ্ঠান মোদীৰ ভাৰ্চুৱেল কাৰ্যসূচীৰে আৰম্ভ হ'ব। তাৰ পাছত সমগ্ৰ দেশৰ ১৫০০ৰো অধিক শিক্ষানুষ্ঠানত বৃহৎ কাৰ্যসূচী পালন কৰা হ'ব।

নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে প্ৰধানকৈ চাৰিটা বিষয়ত জোৰ দিব। একেবাৰে তৃণমূল স্তৰত আন্তঃগাঁথনি নিৰ্মাণ, বৈজ্ঞানিক সুযোগ-সুবিধা প্ৰদান, ভাৰতৰ সামগ্ৰিক ক্রীড়া পৰিমণ্ডলৰ মান উন্নয়ন আৰু ২০৩৬ৰ অলিম্পিকৰ বাবে উপযুক্ত প্ৰতিভা আৱিষ্কাৰ কৰা। ২০৩৬ৰ অলিম্পিক ভাৰতত আয়োজন কৰিব বিচাৰে মোদী চৰকাৰে। তদুপৰি তৰুণ প্রজন্মক ক্রীড়ানুৰাগী কৰি তুলিবলৈ উন্নততৰ জাতি গঠনৰ চেষ্টাৰ উদ্দেশ্যেৰেও প্ৰধানমন্ত্ৰীয়ে ভাষণ ৰাখিব।

এই কাৰ্যসূচীত অংশগ্ৰহণকাৰী শিক্ষা প্রতিষ্ঠানসমূহৰ ভিতৰত থাকিব আইআইটি, আইআইএম, এনআইটি, এইমছ্ তথা শীৰ্ষস্থানীয় চিকিৎসা মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহ। এই কাৰ্যসূচীসমূহত কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্যসমূহৰ ক্রীড়ামন্ত্ৰী, সাংসদ আৰু বিভিন্ন ৰাজ্যৰ বিধায়কসকল উপস্থিত থাকিব। ইয়াৰ সমান্তৰালকৈ দীপা কৰ্মকাৰ, ছাইনা নেহৱাল, পিটি ঊষা, মেৰী কম, বাইচুং ভূটীয়া, গগন নাৰংগ, শ্ৰীজেশ, মীৰাবাই চানুৰ দৰে তাৰকা ক্রীড়াবিদসকলে অংশগ্ৰহণ কৰিব। তেওঁলোকে তৰুণ অংশগ্ৰহণকাৰীসকলৰ স'তে নিজৰ ক্রীড়াজীৱন, অভিজ্ঞতা আৰু সমস্যাৰ কথা ভাগ কৰিব।

উল্লেখ্য যে ৮০সংখ্যক স্বাধীনতা দিৱসতো লালকিল্লাৰ পৰা দিয়া ভাষণত মোদীয়ে অলিম্পিকক লৈ 'জেন আলফা'লৈ বাৰ্তা দিছিল। অলিম্পিকত যিমান প্ৰকাৰৰ খেল হয়, তাৰ প্ৰায় তিনি-চতুৰ্থাংশতে ভাৰতীয় ক্রীড়াবিদে প্রতিদ্বন্দ্বিতা নকৰে। সেই 'দুৰ্বলতা' দূৰ কৰিবলৈকে এতিয়াৰ পৰাই চেষ্টা কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে তৰুণ প্রজন্মক আহ্বান জনায়। এতিয়া পাঁচৰ পৰা ১৬ বছৰ বয়সৰ খেলুৱৈসকলক প্ৰস্তুত হ'বলৈ তেওঁ আহ্বান জনায়, যাতে ২০৩৬ৰ ভিতৰত তেওঁলোকে অলিম্পিকত খেলাৰ বাবে যোগ্য হৈ উঠে।

# হকী বিশ্বকাপৰ পৰা বিদায় ল'লে ভাৰতে

## মহিলাৰ পাছত ছেমি ফাইনেলত প্ৰৱেশৰ আশা ভংগ হ'ল পুৰুষ দলৰ



**নিউজ ব্যুৰ'**
**আমষ্টেলভীন, ২৪ আগষ্ট ঃ** নেদাৰলেণ্ডত চলি থকা হকী বিশ্বকাপৰ পৰা বিদায় ল'লে ভাৰতৰ পুৰুষ আৰু মহিলা দলে। যোৱা নিশা দ্বিতীয় ৰাউণ্ডৰ খেলত ভাৰতৰ মহিলা দলে অষ্ট্ৰেলিয়াৰ স'তে ড্ৰ খেলাত ছেমি ফাইনেলত প্ৰৱেশৰ আশা মষিমূৰ হয়। আনহাতে, পুৰুষৰ বিভাগত আজি আৰ্জেণ্টিনাই ভাৰতক ৫-৩ গ'লত পৰাস্ত কৰে। ফলত চতুৰ্থ দলৰূপে দ্বিতীয় ৰাউণ্ড শেষ কৰা ভাৰতৰ পুৰুষ দলে এতিয়া পঞ্চম-ষষ্ঠ স্থানৰ বাবে যুঁজিব লাগিব।

ছেমি ফাইনেলত প্ৰৱেশৰ বাবে দ্বিতীয় ৰাউণ্ডৰ অন্তিম মেচৰ পূৰ্বে ভাৰতৰ সন্মুখত আছিল কঠিন অংক। প্ৰথমে ভাৰতে আৰ্জেণ্টিনাক কমেও ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিব লাগিব। তাৰ পাছত দ্বিতীয় ৰাউণ্ডৰ অন্তিম গ্ৰুপ মেচত নেদাৰলেণ্ডে ইংলণ্ডক কমেও ৩-০ গ'লত পৰাস্ত কৰিব লাগিব। অথচ আজিৰ খেলখনত ভাৰতীয় দল পৰাস্ত হোৱাত হৰমনপ্ৰীত সিঙৰ দলৰ বাবে ইংলণ্ড-নেদাৰলেণ্ড মেচৰ কোনো গুৰুত্ব নাথাকিল।

উল্লেখ্য যে ছেমি ফাইনেলৰ পথত ভাৰতৰ মহিলা দলৰ বাবেও কঠিন অংক আছিল। খেলখনত ভাৰতৰ বাবে জয়ৰ গত্যন্তৰ নাছিল। আনহাতে, অষ্ট্ৰেলিয়াৰ বাবে ড্ৰয়েই যথেষ্ট আছিল। খেলখন অৱশেষত গ'ল শূন্যভাৱে সমাপ্ত হোৱাত ভাৰতৰ ছেমি ফাইনেলৰ আশা নিৰ্বাপিত হয়। বিপৰীতে, ড্ৰৰ সূত্ৰে ছেমি ফাইনেলত প্ৰৱেশ কৰে অষ্ট্ৰেলিয়াই। গ্ৰুপত ভাৰতে তৃতীয় স্থান লাভ কৰাত পঞ্চম-ষষ্ঠ স্থানৰ বাবে যুঁজ দিব। উক্ত গ্ৰুপৰ পৰা ছেমি ফাইনেলত প্ৰৱেশ কৰা আনটো দল হৈছে নেদাৰলেণ্ড।

# জুনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰত অসমৰ চাৰি স্বৰ্ণসহ নটা পদক অৰ্জন

## যোৰহাটৰ দুই খেলুৱৈৰ সফলতাত আনন্দ প্ৰকাশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী/যোৰহাট, ২৩ আগষ্ট ঃ** ওড়িছাৰ ভুবনেশ্বৰত কালি সামৰণি পৰা জুনিয়ৰ ৰাষ্ট্ৰীয় একুৱেটিক চেম্পিয়নশ্বিপত অসমৰ সাঁতোৰবিদসকলে চাৰিটা স্বৰ্ণসহ মুঠ নটা পদক লাভ কৰিছে। প্রতিযোগিতাখনত অসমৰ সুদক্ষ সাঁতোৰবিদ তীৰ্থাংক পেগুৱে তিনিটা স্বৰ্ণ আৰু এটা ৰূপৰ পদকসহ মুঠ চাৰিটা পদকেৰে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। তীৰ্থাংকই গ্ৰুপ এক (এ)ত ২০০ মিটাৰ বাটাৰফ্লাই, ৪০০ মিটাৰ ব্যক্তিগত মেডলী আৰু ১০০ মিটাৰ বাটাৰফ্লাইত সোণৰ পদক অৰ্জন কৰে। তেওঁ ৫০ মিটাৰ বাটাৰফ্লাইত লাভ কৰে ৰূপৰ পদক। আনহাতে, প্ৰতিভাৱান সাঁতোৰবিদ জাহ্নৱী চাংমায়ে প্রতিযোগিতাখনৰ প্ৰথম দিনাই ছোৱালীৰ গ্ৰুপ 'এ'ত ৫০ মিটাৰ বাটাৰফ্লাইত স্বৰ্ণপদক অৰ্জন কৰে। আনহাতে, জাহ্নৱীয়ে ৫০ মিটাৰ ফ্ৰীষ্টাইল ইভেণ্টত দখল কৰে ব্ৰঞ্জৰ পদক। প্রতিযোগিতাখনত অসমৰ আনগৰাকী সুদক্ষ খেলুৱৈ শুভ্ৰাংশিনী প্ৰিয়দৰ্শিনীয়ে দুটা ৰূপ আৰু এটা ব্ৰঞ্জসহ তিনিটা পদক লাভ কৰে। শুভ্ৰাংশিনীয়ে ছোৱালীৰ গ্ৰুপ এক (এ)ত ৮০০ মিটাৰ ফ্ৰীষ্টাইল আৰু ৪০০ মিটাৰ ফ্ৰীষ্টাইল ইভেণ্টত ৰূপ আৰু ৮০০ মিটাৰ ফ্ৰীষ্টাইলত লাভ কৰে ব্ৰঞ্জৰ পদক। খেলুৱৈ কেইগৰাকীক অসম সাঁতোৰ সন্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাস আৰু প্ৰশিক্ষক বাবুল গুৰুঙে শুভেচ্ছা জনাইছে।





উল্লেখ্য যে যোৰহাটৰ খেলুৱৈ তীৰ্থাংক আৰু শুভ্ৰাংশিনীয়ে এই সাফল্যেৰে ৰাজ্যৰ লগতে যোৰহাটলৈ গৌৰৱ কঢ়িয়াই আনে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই সফলতাই যোৰহাটৰ সাঁতোৰ ক্ষেত্ৰখনৰ সম্ভাৱনাকো উজলাই তুলিছে। প্রতিযোগিতাখনত অসমৰ হৈ অংশগ্ৰহণ কৰা সকলো খেলুৱৈকে যোৰহাট ছুইমিং ছ'চাইটিৰ পৰিয়ালবৰ্গৰ হৈ সভাপতি ৰক্তিম শইকীয়াই আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ খেলুৱৈসকলৰ এই সফলতাই আগন্তুক দিনত ৰাজ্যখনৰ সাঁতোৰ খেলক অধিক আগুৱাই নিয়াৰ ক্ষেত্ৰত উৎসাহ যোগাব বুলি আশা প্ৰকাশ কৰে।

## গুৱাহাটীত ৱৰ্ল্ড মাষ্টাৰ্ছ এমটি ২০০ টেনিছ আৰম্ভ

**গুৱাহাটী, ২৪ আগষ্ট ঃ** সদৌ অসম টেনিছ সন্থাৰ গুৱাহাটীৰ চচলস্থিত কমপ্লেক্সত আজিৰে পৰা আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেছন (আইটিএফ)ৰ স্বীকৃত বাৰ্ষিক ক্রীড়া প্রতিযোগিতা ৱৰ্ল্ড টেনিছ মাষ্টাৰ্ছ এমটি ২০০ আৰম্ভ হৈছে। আজি প্ৰথমদিনা অনুষ্ঠিত পুৰুষৰ ৩৫ বছৰ ঊৰ্দ্ধৰ একক শাখাত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে সিদ্ধাৰ্থ শংকৰ, ৰূপজিৎ ভৰালী, ইন্দ্ৰকুমাৰ খাংগেমবাম সিং, অসীম জ্যোতি দত্ত, পাৰ্থ প্ৰতিম দত্ত, নিংথৌজাম প্ৰেমজিৎ সিং, সম্ৰাট মহন্ত আৰু সম্বিত প্ৰধানে। ইফালে, পুৰুষৰ ৪৫ বছৰ ঊৰ্দ্ধৰ একক শাখাৰ এতিয়ালৈকে হোৱা কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি ছেমি ফাইনেললৈ অগ্ৰসৰ হৈছে ৰোহিত লালা আৰু নীতেশ ৰুংটাই। ৰোহিতে অসমৰ ৰাজীৱ বৰাৰ বিৰুদ্ধে ৰাকঅভাৰ লাভ কৰাৰ বিপৰীতে নীতেশে অলকেশ শইকীয়াক পৰাস্ত কৰে। ইফালে, এই শাখাতে কৃষ্ণ কুমাৰ দেৱবৰ্মাই সমীক বক্সীক হৰুৱায়।

## ধোনি-শুভমনক অতিক্রম পন্টৰ

**নিউজ ব্যুৰ'**
**কলম্বো, ২৪ আগষ্ট ঃ** আজি শ্রীলংকাৰ বিপক্ষে অৰ্ধশতৰাণ কৰে ভাৰতৰ উইকেট কীপাৰ-বেটাৰ ঋষভ পন্টে। ৬৩ ৰাণৰ সেই ইনিংছটোতে তেওঁ ভাৰতৰ দুই অধিনায়কৰ অভিলেখ ভংগ কৰিলে। অতিক্রম কৰিলে বৰ্তমানৰ অধিনায়ক শুভমন গিল আৰু প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনিক।

বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত সৰ্বাধিক ৰাণ কৰা ভাৰতীয় বেটাৰত পৰিগণিত হ'ল পন্ট। আজিৰ ইনিংছটোৰ পাছত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত মুঠ ৪২খন টেষ্ট খেলি পন্টে ২৯৪৮ ৰাণ সংগ্ৰহ কৰিছে। তেওঁ শুভমনৰ ৪২খন টেষ্টত ২৯১৭ ৰাণৰ অভিলেখ ভংগ কৰে। এই তালিকাত ভাৰতীয় বেটাৰৰ ভিতৰত তৃতীয় স্থানত আছে ৰোহিত শৰ্মা। তেওঁ ৪০খন টেষ্টত ২৭১৬ ৰাণ কৰিছে। পৰৱৰ্তী তিনিটা স্থানত আছে ক্ৰমে ৰবীন্দ্ৰ জাদেজা (৫০খন টেষ্টত ২৬৭৫), বিৰাট কোহলি (৪৬খন টেষ্টত ২৬১৭) আৰু যশস্বী জয়ছোৱাল (৩০খন টেষ্টত ২৫৮৮)।

ইফালে, পন্ট ভাৰতীয় উইকেট কীপাৰৰূপে বিদেশত অনুষ্ঠিত টেষ্টত সৰ্বাধিক ৰাণৰো অধিকাৰী হ'ল। ইমানদিনে এই অভিলেখ আছিল ধোনিৰ দখলত। ধোনিয়ে বিদেশত ৪৮খন টেষ্ট খেলি ২৪৯৬ ৰাণ কৰিছিল। আনহাতে, পন্টে এই পৰ্যন্ত ৩৬খন টেষ্টত ২৫৩৪ ৰাণ সংগ্ৰহ কৰিছে। উল্লেখ্য যে পন্টেই ভাৰতৰ একমাত্ৰ উইকেট কীপাৰ, যি বিদেশত অনুষ্ঠিত টেষ্টত ২৫০০ৰ অধিক ৰাণ কৰিছে।

# গুৰুতৰ শাস্তিৰ পৰা ৰেহাই যশস্বীক

**নিউজ ব্যুৰ'**
**কলম্বো, ২৪ আগষ্ট ঃ** গুৰুতৰ শাস্তিৰ পৰা ৰেহাই পালে যশস্বী জয়ছোৱালে। শ্রীলংকাৰ খেলুৱৈক শাৰীৰিকভাৱে আঘাত কৰাৰ পাছতো সামান্য শাস্তিহে হ'ল ভাৰতীয় অপেনাৰজনৰ। অথচ আইচিচিৰ নিয়ম অনুসৰি, যশস্বীয়ে যি ধৰণৰ অপৰাধ কৰিছিল, তাৰ ফলত তেওঁৰ পাঁচখনৰ টেষ্টৰ পৰা আৰম্ভ কৰি আজীৱন নিৰ্বাসন পৰ্যন্ত হ'ব পাৰিলেহেঁতেন।

উল্লেখ্য যে দ্বিতীয় টেষ্টৰ প্ৰথম দিনা যশস্বীয়ে আউট হোৱাৰ পাছতে শ্রীলংকাৰ বলাৰ অছিথা ফাৰ্ণাণ্ডোৰ স'তে বিবাদত লিপ্ত হয়। যশস্বীক আউট কৰি ফাৰ্ণাণ্ডোৱে তেওঁক উদ্দেশ্য কৰি কোনো মন্তব্য কৰিছিল। তাতেই খৰ্গহস্ত হয় যশস্বী আৰু দুয়োৰে মাজত বাক-বিতণ্ডা হয়। তেতিয়াই যশস্বীয়ে হেলমেট পৰিহিত অৱস্থাতে মূৰেৰে ফাৰ্ণাণ্ডোৰ মূৰত খুন্দা মাৰে। উল্লেখ্য যে আইচিচিৰ নিয়ম অনুসৰি খেলপথাৰত ক্রিকেটাৰক শাৰীৰিকভাৱে আঘাত কৰিলে সেয়া 'লেবেল ৪' অপৰাধৰূপ্য ধৰা হয়। এই ক্ষেত্ৰত পাঁচখন টেষ্ট বা ১০খন এদিনীয়া মেচ বা আজীৱন নিৰ্বাসন পৰ্যন্ত হ'ব পাৰে। অৱশ্যে ক্রিকেটাৰজনে অনিচ্ছাকৃতভাৱে কাৰোবাক আঘাত কৰা বুলি মেচ ৰেফাৰীয়ে গণ্য কৰিলে সেই ঘটনাক 'লেবেল ১' অপৰাধ বুলি গণ্য কৰি সংশ্লিষ্ট ক্রিকেটাৰৰ মেচ ফী ২৫ৰ পৰা ৫০ শতাংশ পৰ্যন্ত কৰ্তন কৰিব পাৰে। আজি আইচিচিৰ তৰফৰ পৰা যশস্বীক ২৫ শতাংশ মেচ ফী কৰ্তনৰ নিৰ্দেশ দিয়ে। একে জৰিমনা বিহা হৈছে ফাৰ্ণাণ্ডোকো। লগতে দুয়োকে এটাকৈ ডি-মেৰিট পইণ্ট দিয়া হৈছে। অৰ্থাৎ দুয়োকে সমানে দোষী সাব্যস্ত কৰিছে আইচিচিৰ মেচ ৰেফাৰীয়ে।



*প্ৰথম আছাম প্ৰিমিয়াৰ লীগৰ খিতাপ জয়ৰ পাছত বিচিচিআইৰ সচিব দেৱজিত শইকীয়াৰ হাতৰ পৰা ট্ৰফী লৈছে বৰপেটা ব্ৰেভছৰ অধিনায়ক কুনাল শৰ্মাই, দেওবাৰে নিশা।*

# ছিক্সাৰ মাৰি বিদ্যুতৰ সৌৰ পেনেল ভাঙিলে পন্টে ঃ হেৰুৱালে বল

**নিউজ ব্যুৰ'**
**কলম্বো, ২৪ আগষ্ট ঃ** আজি অৰ্ধশতৰাণ কৰাৰ পথত দীৰ্ঘ সময় ধৰি ধৈৰ্যসহকাৰে খেলিছিল ঋষভ পন্টে। কাৰণ কালি এটা বাউন্সাৰ চম্ভালিব নোৱাৰি তেওঁ হাতত আঘাত পাই খেলপথাৰ ত্যাগ কৰিবলগীয়া হৈছিল। লগতে দলৰ শীৰ্ষস্থানৰ কে'বাজনো বেটাৰ আউট হৈছিল। সেই সুযোগ গ্ৰহণ কৰি আজি শ্রীলংকাৰ পেচবলাৰ দুজনে ৰাউণ্ড দ্য উইকেটৰ পৰা পন্টলৈ অনৰ্গলভাৱে বাউন্সাৰ দি গৈছিল। অৱশ্যে দীৰ্ঘ সময় ধৰি স্বভাৱবিৰোধী বেটিং কৰাৰ পাছত হঠাৎ পন্টে স্বমূৰ্তি ধাৰণ কৰে। শ্রীলংকাৰ পেচবলাৰ লাহিৰু কুমাৰাই দিয়া এটা বাউন্সাৰত তেওঁ ফাইন লেগৰ দিশে প্ৰৱল জোৰত শ্বট মাৰে। বলৰ গতি আছিল যথেষ্ট, তাৰ ওপৰতে পন্টৰ সবল বাহুৰ শ্বট। ফলত বলটো গৈ প্ৰথমে কলম্বোৰ ষ্টেডিয়ামৰ ছাদত পৰে। তাৰ পাছত ষ্টেডিয়ামৰ বাহিৰলৈ গুচি যায়। কলম্বোৰ ষ্টেডিয়ামৰ ছাদত বিদ্যুতৰ সৌৰ পেনেল লগোৱা আছে। বল গৈ তাতে পৰাত সৌৰ পেনেল ফাটি যায়।



আনহাতে, ষ্টেডিয়ামৰ বাহিৰত পৰাৰ বাব বলটোও হেৰাই যায়। ফলত বেলেগ বলেৰে খেল চলাবলগীয়া হয়। পন্টৰ ছিক্সাৰ দেখি ভাৰতৰ প্ৰশিক্ষক গৌতম গম্ভীৰেও আশ্চৰ্য প্ৰকাশ কৰে। বলটো ইমান দূৰলৈ যাব বুলি তেওঁ হয়তো কল্পনাই কৰা নাছিল। খেলপথাৰত থকা শ্রীলংকাৰ খেলুৱৈসকলো অবাক হৈ পৰে। অৱশ্যে সেই সময়তো পন্টক নিৰুদ্বেগভাৱত দেখা গৈছিল।


## বৃহৎ জয়েৰে ছিজন আৰম্ভ বাৰ্চিলোনাৰ

**নিউজ ব্যুৰ'**
**বাৰ্চিলোনা, ২৪ আগষ্ট ঃ** বৃহৎ জয়েৰে স্পেনিছ লা লিগাৰ নতুন ছিজন আৰম্ভ কৰিলে যোৱাবাৰৰ চেম্পিয়ন বাৰ্চিলোনাই। যোৱা নিশা অনুষ্ঠিত ছিজনৰ প্ৰথম মেচত বাৰ্চিলোনাই এলচেক ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। দুটাকৈ গ'ল দিয়ে ৰাফিনহা আৰু ফাৰ্মিন লোপেজে। আনহাতে, বাৰ্চিলোনাৰ হৈ অভিষেক ঘটোৱা কৰিম আদেয়েমিয়ে এটা গ'ল দিয়ে। আনহাতে, বিশ্বকাপত দৃষ্টি আকৰ্ষণ কৰা ইংলণ্ডৰ মিডফিল্ডাৰ এন্থনী গৰ্ডনেও বাৰ্চিলোনাৰ হৈ প্ৰথম মেচত নিজৰ প্ৰতিভাৰ পৰিচয় দিলে। দলৰ দুটা গ'লত তেওঁ সহযোগ কৰে।


# ইমৰানৰ স্বাস্থ্যৰ যত্ন ল'বলৈ পাক প্ৰধানমন্ত্ৰীলৈ আহ্বান

## পুনৰ পত্ৰ প্ৰেৰণ কৰিলে ২১ জন প্ৰাক্তন অধিনায়কে

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ আগষ্ট ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰিফলৈ পুনৰ পত্ৰ প্ৰেৰণ কৰিলে সুনীল গাভাস্কাৰ, কপিল দেৱসহ বিশ্বৰ ২১জন প্ৰাক্তন ক্রিকেট অধিনায়কে। পাকিস্তানৰ প্ৰাক্তন অধিনায়ক তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ 'মানৱীয় চিকিৎসা আৰু যথাযথ যত্ন' ল'বলৈ তেওঁলোকে দাবী জনাইছে। কালি প্ৰাক্তন ক্রিকেটাৰসকলৰ এই পত্ৰৰ কথা পোহৰলৈ আহে। এই পত্ৰত তেওঁলোকে ইমৰানৰ স্বাস্থ্যক লৈ উদ্বেগ প্ৰকাশ কৰিছে। এই প্ৰাক্তন অধিনায়কসকলে পূৰ্বেও একে দাবীত পাকিস্তানৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছিল। সম্প্ৰতি কাৰাগাৰৰ পৰা ইমৰানক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। তেতিয়াই আদালতৰ হস্তক্ষেপত ইমৰানক তেওঁৰ পত্নী আৰু ভগ্নীয়ে সাক্ষাৎ কৰাৰ অনুমতি পাইছিল। হাস্পতালৰ পৰা পাকিস্তানৰ বিশ্বকাপ জয়ী অধিনায়কজনক পুনৰ কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে। ইয়াতে উদ্বেগ প্ৰকাশ কৰি প্ৰাক্তন অধিনায়কসকলে ইমৰানৰ যথাযথ চিকিৎসা কৰাবলৈ আহ্বান জনাইছে।



প্ৰাক্তন অধিনায়কসকলে পাক প্ৰধানমন্ত্ৰীক জনাইছে যে ৰাজনীতি নহয়, বৰঞ্চ খেলপথাৰত ইমৰানৰ স'তে হোৱা বন্ধুত্বৰ ইতিহাস মনত ৰাখিয়েই তেওঁলোকে এই পত্ৰ প্ৰেৰণ কৰিছে। গাভাস্কাৰ আৰু কপিলৰ উপৰি পত্ৰত স্বাক্ষৰ কৰা প্ৰাক্তন অধিনায়কসকলৰ ভিতৰত আছে ভাৰতৰ দিলীপ ভেংচৰকাৰ, ইংলণ্ডৰ মাইক আথাৰটন, মাইক ব্ৰিয়েৰলী, এলিষ্টেয়াৰ কুক, ডেভিদ গাৱাৰ, নাছেৰ হুছেইন, এণ্ড্ৰু ষ্ট্ৰছ, অষ্ট্ৰেলিয়াৰ এলেন ব'ৰ্ডাৰ, গ্ৰেগ চেপেল, ইয়ান চেপেল, কিম হিউজ, ষ্টি ৱ', ৱেষ্ট ইণ্ডিজৰ ক্লাইভ লয়ড, শ্রীলংকাৰ অৰ্জুনা ৰাণাতুংগা, নিউ জিলেণ্ডৰ জন ৰাইট আদি।



## কিয় পথভ্ৰষ্ট হ'ল মহাকাশ যান ঃ কি কি ঘটিল বিস্ফোৰণত

সম্ভাৱনা আগতেই প্ৰকাশ কৰা হৈছিল, সম্প্ৰতি সেয়া সংঘটিত হ'ল। ইলন মাস্কৰ সংস্থা স্পেচএক্সৰ ৰকেট ফেলকন-৯য়ে চন্দ্ৰত স্থায়ীভাৱে এটা বিৰাট গাঁতৰ সৃষ্টি কৰিছে। প্ৰায় ৬০ ফুট বহল সেই গাঁত এতিয়া মহাকাশ বিজ্ঞানীসকলৰ কৌতূহলৰ কেন্দ্ৰত পৰিণত হৈছে। যোৱা পাঁচ আগষ্টত ৰকেটৰ ওপৰৰ অংশটো চন্দ্ৰৰ মাটিত আছাৰ খাই পৰে। সংঘৰ্ষৰ সময়ত ইয়াৰ গতিবেগ আছিল ঘণ্টাত প্ৰায় ৫৪০০ মাইল, যি শব্দৰ গতিতকৈও কে'বা গুণ বেছি।

# ইলন মাস্কৰ ৰকেটৰ আঘাতত ৬০ ফুটৰ গাঁত চন্দ্ৰপৃষ্ঠত

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ আগষ্ট ঃ** সম্ভাৱনা আগতেই প্ৰকাশ কৰা হৈছিল, সম্প্ৰতি সেয়া সংঘটিত হ'ল। ইলন মাস্কৰ সংস্থা স্পেচএক্সৰ ৰকেট ফেলকন-৯য়ে চন্দ্ৰত স্থায়ীভাৱে এটা বিৰাট গাঁতৰ সৃষ্টি কৰিছে। প্ৰায় ৬০ ফুট বহল সেই গাঁত এতিয়া মহাকাশ বিজ্ঞানীসকলৰ কৌতূহলৰ কেন্দ্ৰত পৰিণত হৈছে। যোৱা পাঁচ আগষ্টত ৰকেটৰ ওপৰৰ অংশটো চন্দ্ৰৰ মাটিত আছাৰ খাই পৰে। সংঘৰ্ষৰ সময়ত ইয়াৰ গতিবেগ আছিল ঘণ্টাত প্ৰায় ৫৪০০ মাইল, যি শব্দৰ গতিতকৈও কে'বা গুণ বেছি। বিৰল সেই মুহূৰ্তৰ সাক্ষী হৈছে পৃথিৱী। বহু দেশৰ পৰাই বিজ্ঞানীসকলে এই সংঘৰ্ষ প্ৰত্যক্ষ কৰাৰ বাবে চন্দ্ৰৰ দিশে কেমেৰা পোন কৰি ৰাখিছিল। গাঁতটো সম্প্ৰতি কেনে অৱস্থাত আছে, চন্দ্ৰৰ স'তে ৰকেটৰ সংঘৰ্ষৰ পাছত কি কি ঘটিছে, সেইবোৰক লৈ পৰ্যবেক্ষণ আৰু গৱেষণা অব্যাহত আছে।

ফেলকন-৯ৰ ওজন প্ৰায় চাৰি হেজাৰ কিলোগ্ৰাম। ২০২৫ৰ জানুৱাৰীত স্পেচএক্সৰ তৰফৰ পৰা এই ৰকেট উৎক্ষেপণ কৰা হৈছিল। উদ্দেশ্য আছিল দুটা বাণিজ্যিক লুনাৰ লেণ্ডাৰক চন্দ্ৰৰ দিশে পঠোৱা। সেই কাম ৰকেটটোৱে সঠিকভাৱেই কৰে; কিন্তু তাৰ পাছতহে গণ্ডগোল হয়। কথা আছিল যে ৰকেটটোৱে পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ কৰিব আৰু পুৰি ছাই হৈ যাব; কিন্তু বিজ্ঞানীসকলৰ সকলো হিচাপ নিমিলিল। পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশৰ পৰিৱৰ্তে ৰকেটটোৱে পৃথিৱীৰ চাৰিওফালে ঘূৰিবলৈ ধৰে। চন্দ্ৰৰ কক্ষপথৰ সমীপলৈকে উপস্থিত হোৱা পৃথিৱীক প্ৰদক্ষিণকাৰী ৰকেটৰ কক্ষপথত আছিল মাস্কৰ ৰকেটটো। ফলত সংঘৰ্ষ অনিবাৰ্য হৈ পৰিছিল।

মহাকাশত ফেলকন-৯ৰ গতিবিধি পৰ্যালোচনা কৰিয়েই চন্দ্ৰৰ মাটিত ই আছাৰ খাই পৰাৰ সম্ভাব্য সময় বিজ্ঞানীসকলে হিচাপ কৰিছিল। ১১-১২ আগষ্টত আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাৰ লুনাৰ ৰিকনাইছেন্স অৰ্বিটাৰ (এলআৰঅ')-এ চন্দ্ৰপৃষ্ঠত নতুন গাঁতটো চিহ্নিত কৰে। অৰ্বিটাৰটো আছিল চন্দ্ৰৰ মাটিৰ পৰা প্ৰায় ৬০ মাইল উচ্চতাত। দেখা যায় যে ফেলকন-৯য়ে চন্দ্ৰৰ মাটিত ৬০ ফুট বহল গাঁতৰ সৃষ্টি কৰিছে।ইয়াৰ গভীৰতা ১০ ফুটৰ কম। গাঁতৰ একাধিক ফটো বিজ্ঞানীসকলৰ হাতলৈ আহিছে। নাছাৰ উপৰি ইউৰোপৰ মহাকাশ গৱেষণা সংস্থাৰ তৰফৰ পৰাও চন্দ্ৰপত ৰকেটৰ সংঘৰ্ষ আৰু তাৰ পৰৱৰ্তী প্ৰভাৱ পৰ্যবেক্ষণ কৰা হয়। ইউৰোপীয় ছাউদাৰ্ণ অবজাৰভেটৰিৰ বিশাল টেলিস্কোপত এই সংঘৰ্ষৰ ফলত সৃষ্টি হোৱা ধ্বংসস্তূপৰ মাজত লিথিয়াম আৰু ছ'ডিয়ামৰ উপস্থিতিৰ উমান পাইছে। গাঁতটো চিহ্নিত কৰিছে দক্ষিণ কোৰিয়াৰ এটা চন্দ্ৰ প্ৰদক্ষিণকাৰী যন্ত্ৰয়ো।

নাছাই তোলা ফটোত বিশেষ কিছু দৃশ্য ধৰা পৰিছে। তাত বিস্ফোৰণৰ ইংগিতো আছে। দেখা গৈছে যে ফেলকন-৯ৰ আঘাতত চন্দ্ৰত সৃষ্টি হোৱা গাঁতৰ পাৰৰ পৰা উজ্জ্বল ৰশ্মিৰ দৰে ৰেখা বিয়পি পৰিছে। বিজ্ঞানীসকলে দাবী কৰিছে যে ৰকেটটোৱে চন্দ্ৰৰ বুকুত আঘাত কৰাত চন্দ্ৰপৃষ্ঠৰ অনেক গভীৰৰ পৰা উপাদান ছিটিকি বাহিৰ ওলাই আহিছে। সেই সকলোবোৰ চন্দ্ৰগৰ্ভস্থ পদাৰ্থই এই ৰশ্মিৰ উৎস বুলি একাংশ বিশেষজ্ঞই মত প্ৰকাশ কৰিছে। অৱশ্যে এতিয়াও ভালদৰে পৰ্যবেক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে বুলিও তেওঁলোকে মন্তব্য কৰিছে।

চন্দ্ৰত পৃথিৱীৰ দৰে বায়ুমণ্ডল নাই। ফলত চন্দ্ৰপৃষ্ঠত কোনো দাগ সৃষ্টি হ'লে সেয়া বিলীন হৈ নাযায়। প্ৰায় ৫০ বছৰৰ পূৰ্বৰ চন্দ্ৰত নাছাৰ এপ'ল' অভিযানৰ চিহ্ন আজিও অক্ষত আছে। ডাঙৰ কিবা নঘটিলে পৰৱৰ্তী হেজাৰ হেজাৰ বছৰলৈ সেয়া ৰৈ যাব। একেদৰেই থাকিব যাব ফেলকন-৯ৰ আঘাতত সৃষ্টি হোৱা গাঁতটোও।



# বিকাশ সদায় বহনক্ষম হ'ব লাগিব ঃ ডেকা

## শিৱসাগৰ-চৰাইদেউৰ বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষা সামগ্ৰী পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ গিল্ড, নৰ্থ-ইষ্টৰ ঃ প্ৰথম পৰ্যায়ত সামৰি ল'ব পাঁচ হেজাৰ শিক্ষাৰ্থীক

**গুৱাহাটী, ২৪ আগষ্ট ঃ** বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া শিক্ষা সামগ্ৰী বিতৰণৰ বাবে কাইলৈ শিৱসাগৰলৈ ৰাওনা হ'ব পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ গিল্ড, নৰ্থ-ইষ্টৰ এটি দল। ৰাইজৰ দান-বৰঙণিৰে সংগৃহীত শিক্ষা সামগ্ৰীসমূহৰ যথোচিত বিতৰণ ব্যৱস্থা সম্পৰ্কে পৰামৰ্শ গ্ৰহণৰ বাবে গিল্ডৰ তৰফৰ পৰা আজি বিয়লি তিনি বজাত এখন সভাৰ আয়োজন কৰা হয়। মহানগৰীৰ কলেজ হোষ্টেল ৰোডত থকা কুবেৰ বুক ষ্টলৰ প্ৰাংগণত অনুষ্ঠিত হোৱা সভাখনত ছত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰাৰ লগতে সাহায্য প্ৰদানকাৰীসকলো ইয়াত উপস্থিত থাকে। সাহায্য যাত্ৰা মুকলি কৰি ৰাজ্যপাল ডেকাই কয় যে বানপ্ৰলয়ে এইবাৰ উজনি অসমক বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছে। শিৱসাগৰ-চৰাইদেউৰ লগতে বিভিন্ন ঠাইত অৰ্থনৈতিক আৰু শৈক্ষিক পৰিকাঠামো ভাঙি পেলাইছে। এনে সময়ত সেই বানপীড়িতসকলক সহায়ৰ হাত আগবঢ়োৱাটো অত্যন্ত জৰুৰী। বিভিন্ন সংস্থা-সংগঠনৰ লগতে পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ গিল্ড, নৰ্থ-ইষ্টৰ তৰফৰ পৰাও সহায়ৰ হাত আগবঢ়াই মানৱতাৰ নিদৰ্শন দাঙি ধৰিছে। তেওঁ লগতে কয় যে বিকাশ সদায় বহনক্ষম হ'ব লাগিব। প্ৰকৃতি আৰু বিকাশৰ সন্তুলন নাথাকিলে দুৰ্যোগ হ'বই।

অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট লেখক-গ্ৰন্থকাৰ ড° দয়ানন্দ পাঠক, ড° ভৱেন্দ্ৰ নাথ শইকীয়া শিশু কল্যাণ ন্যাস আৰোহণৰ মুখ্য ন্যাসৰক্ষী প্ৰীতি শইকীয়া, পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ গিল্ড, নৰ্থ-ইষ্টৰ মুখ্য উপদেষ্টা অজিত কুমাৰ বৰ্মন তথা গিল্ডৰ অন্যান্য বিষয়ববীয়াসকল। উল্লেখ্য যে প্ৰথম পৰ্যায়ত বানাক্ৰান্ত শিৱসাগৰ-চৰাইদেউৰ প্ৰায় পাঁচ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুল বেগ, ছাতি, ছেণ্ডেল, বহী, কিতাপ তথা বিভিন্ন শিক্ষা সামগ্ৰী বিতৰণ কৰা হ'ব। এই সামগ্ৰীসমূহ প্ৰদান কৰিছে ফেডাৰেছন অৱ পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ, নতুন দিল্লী, পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্চ গিল্ড, কলকাতা, ফেডাৰেছন অৱ এডুকেছন অৱ ইণ্ডিয়া, অসম তথা উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বিভিন্ন প্ৰকাশক আৰু বিক্ৰেতা, এমবিডি গ্ৰুপ অৱ পাব্লিকেছন, ড° ভৱেন্দ্ৰনাথ শইকীয়া শিশুকল্যাণ ন্যাস 'আৰোহণ', তথা নতুন দিল্লী, কলকাতা, বাংগালুৰু, জলন্ধৰ, পাটনা, মিৰাট, মুম্বাইৰ বিভিন্ন পুথি প্ৰকাশক আৰু বিক্ৰেতা আৰু ব্যক্তি বিশেষে। এই সন্দৰ্ভত পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ গিল্ড, নৰ্থ-ইষ্টৰ সম্পাদক, বিশিষ্ট প্ৰকাশক ধীৰাজ গোস্বামীয়ে কয়, 'বিভিন্ন ভাৰতবৰ্ষৰ প্ৰকাশক-বিক্ৰেতা, সংস্থাৰ লগতে ব্যক্তি বিশেষে এই সহায়ৰ হাত আগবঢ়াইছে। এশ টকাৰ পৰা এক-দুই লক্ষাধিক টকা পৰ্যন্ত বিশ্বাসেৰে দিছে। সেয়ে আজি এই সভাখনৰ জৰিয়তে এই কথা ৰাজহুৱা কৰি সংশ্লিষ্ট সকলো পক্ষলৈ ধন্যবাদ জ্ঞাপন কৰিছো।' পৰৱৰ্তী পৰ্যায়তো সাহায্য প্ৰক্ৰিয়া অব্যাহত থাকিব বুলি তেওঁ সদৰী কৰে।

বৰফ কমিছে, প্ৰতিফলনকাৰী মেঘ কমিছে, লগতে উন্মুক্ত হৈছে মহাসাগৰ আৰু স্থলভাগৰ অন্ধকাৰাচ্ছন্ন অংশ। সাধাৰণ দৃষ্টিত এইবোৰ পৰিৱৰ্তনক পৃথক আৰু সৰু যেন লাগিলেও এইবোৰে কিন্তু সামগ্ৰিকভাৱে মহাশূন্যত সূৰ্যৰ পোহৰ প্ৰতিফলিত কৰাৰ ক্ষমতা কমাই দিছে। ফলত পৃথিৱীয়ে অধিক পৰিমাণৰ তাপ ধৰি ৰাখিছে, যি জলবায়ু সংকটক আৰু জটিল কৰি তুলিছে। ইয়াতে গুৰুত্বপূৰ্ণ হৈ পৰিছে এলবেডো।

# বগা বৰফ হেৰুৱাই অন্ধকাৰ হৈছে পৃথিৱী!



## গোলকীয় উষ্ণতাৰ বিপজ্জনক চক্ৰ বৃদ্ধিত শংকিত বিজ্ঞানী মহল

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ আগষ্ট ঃ** বৰফ কমিছে, প্ৰতিফলনকাৰী মেঘ কমিছে, লগতে উন্মুক্ত হৈছে মহাসাগৰ আৰু স্থলভাগৰ অন্ধকাৰাচ্ছন্ন অংশ। সাধাৰণ দৃষ্টিত এইবোৰ পৰিৱৰ্তনক পৃথক আৰু সৰু যেন লাগিলেও এইবোৰে কিন্তু সামগ্ৰিকভাৱে মহাশূন্যত সূৰ্যৰ পোহৰ প্ৰতিফলিত কৰাৰ ক্ষমতা কমাই দিছে। ফলত পৃথিৱীয়ে অধিক পৰিমাণৰ তাপ ধৰি ৰাখিছে, যি জলবায়ু সংকটক আৰু জটিল কৰি তুলিছে। ইয়াতে গুৰুত্বপূৰ্ণ হৈ পৰিছে এলবেডো।

**এলবেডো কি আৰু কিয় গুৰুত্বপূৰ্ণ?**

এলবোডো হৈছে কোনো বস্তু বা পৃষ্ঠৰ পোহৰ প্ৰতিফলিত কৰাৰ পৰিমাণ। নতুন বৰফ বা তুষাৰে সূৰ্যৰ প্ৰায় ৯০ শতাংশ পোহৰ মহাশূন্যলৈ ঘূৰাই পঠায়। আনহাতে, সাগৰৰ জলভাগ বা খালী ভূমিত ১০ শতাংশৰো কম পোহৰ প্ৰতিফলিত কৰে, বাকী পোহৰখিনি শোষণ কৰি লয়।

যেতিয়া বগা বৰফ গলিবলৈ আৰম্ভ কৰে, তেতিয়া তাৰ তলত থকা অন্ধকাৰ পৃষ্ঠ উন্মুক্ত হৈ পৰে। ই এক বিপজ্জনক চক্ৰ সৃষ্টি কৰে।

২০০০ৰ পৰাই নাছাৰ পৰ্যবেক্ষণত দেখা গৈছে যে পৃথিৱীৰ এলবোডো ধাৰাবাহিকভাৱে হ্ৰাস পাইছে। গৱেষকসকলৰ মতে, এই এলবোডো হ্ৰাসৰ কাৰণে সাম্প্ৰতিক বছৰসমূহত পৃথিৱীৰ গড় তাপমাত্ৰা প্ৰায় ০.২ ডিগ্ৰী চেলচিয়াছ বৃদ্ধি পাইছে।

**এলবেডো হ্ৰাসৰ ক্ষতিকাৰক প্ৰভাৱ**

পৃথিৱীয়ে নিজৰ শীতলীকৰণ ব্যৱস্থা হেৰুওৱাৰ প্ৰভাৱ পৰিৱেশৰ প্ৰতিটো ক্ষেত্ৰতে বিয়পি পৰিছে। সেই সমস্যাবোৰ হৈছে—

**মানৱস্বাস্থ্যলৈ আশংকা ঃ** তীব্ৰ তাপে পোনপটীয়াকৈ মানুহৰ শৰীৰ, কামৰ ক্ষমতা আৰু স্বাস্থ্যত চাপ সৃষ্টি কৰে। প্ৰবীণ আৰু শিশুসকল সবাতোকৈ বেছি বিপজ্জনক স্থিতিত থাকে।

**খাদ্য নিৰাপত্তা সংকট ঃ** তাপমাত্ৰা বৃদ্ধি আৰু অনিয়মিত বৃষ্টিপাতে শস্যৰ ফলত হ্ৰাস কৰে আৰু পোহনীয়া জন্তুৰ স্বাস্থ্য নষ্ট কৰে, যি বিশ্বব্যাপী খাদ্য সংকটৰ সৃষ্টি কৰিব পাৰে।

**সামুদ্ৰিক বাস্তুতন্ত্ৰৰ বিনাশ ঃ** সমুদ্ৰই অতিৰিক্ত তাপ শোষণ কৰাৰ ফলত ক'ৰেল ব্লিছিং বা প্ৰবাল ক্ষয় হৈছে আৰু সামুদ্ৰিক জীৱ-বৈচিত্ৰ্য ব্যাহত হৈছে।

**বন্যপ্ৰাণীৰ বাসস্থানৰ বিলুপ্তি ঃ** দ্ৰুত পৰিৱৰ্তনশীল তাপমাত্ৰাৰ স'তে স্বাভাৱিক হ'ব নোৱাৰি বহু প্ৰাণীয়ে বাসস্থান হেৰুৱাইছে। লগতে বহু প্ৰাণী আৰু উদ্ভিদ প্ৰজাতি বিলুপ্তিৰ পথলৈ ধাৱমান হৈছে।

**দাবানল আৰু শুষ্কতা ঃ** তাপমাত্ৰা বৃদ্ধিৰ ফলত বনভূমি শুকাই গৈছে, যি সঘন দাবানলৰ আশংকা বৃদ্ধি কৰিছে।

**খোৱাপানীৰ অভাৱ ঃ** মেৰু অঞ্চলৰ বাহিৰেও পাহাৰৰ হিমবাহ শুকাই যোৱাত কোটি কোটি মানুহৰ সুস্বাদু পানীৰ উৎস ক্ষতিগ্ৰস্ত হৈছে।

**আমি এইবোৰ পৰিৱৰ্তন ৰোধ কৰিব পাৰোনে?**

চহৰাঞ্চলত বগা বা পাতল ৰঙৰ ছাদ আৰু ৰাস্তা নিৰ্মাণ কৰি কিছু পৰিমাণে স্থানীয় স্বস্তি পোৱাটো সম্ভৱ। তদুপৰি বিজ্ঞানীসকলে কৃত্ৰিমভাৱে মেঘ তৈয়াৰ কৰি বা এৰ'ছল স্প্ৰে' কৰি পৃথিৱীৰ প্ৰতিফলন ক্ষমতা বৃদ্ধিৰ প্ৰযুক্তিক লৈ গৱেষণা কৰিছে; কিন্তু এইবোৰ বিপদশংকুল আৰু মূল সমস্যাৰ সমাধান নহয়।

জলবায়ু পৰিৱৰ্তন কেৱল তাপমাত্ৰা বৃদ্ধিৰ বিষয় নহয়, ই প্ৰত্যেক জীৱসত্তাৰ অস্তিত্বৰ স'তে সম্পৰ্কিত।

গ্ৰীণহাউছ গেছ নিৰ্গমন হ্ৰাসেই পৃথিৱীৰ এলবোডো ৰক্ষা কৰা আৰু এই ধ্বংসাত্মক চক্ৰ ৰোধ কৰাৰ একমাত্ৰী দীৰ্ঘম্যাদী সমাধান।

# ব্ৰহ্মপুত্ৰ নৈত ঘূৰ্ণীয়মান জলস্তৰ

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৪ আগষ্ট ঃ** বৰপেটা জিলাৰ বাঘবৰৰ পাহাৰপুৰ অঞ্চলত ব্ৰহ্মপুত্ৰ নৈত এক বিৰল দৃশ্যই অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। বৰপেটাৰ বাঘবৰৰ পাহাৰপুৰ অঞ্চলত নদীৰ বুকুৰ ওপৰত দেখা গ'ল ৱাটাৰ স্পাউট সদৃশ এক ঘূৰ্ণীয়মান জলস্তৰ। যোৱা কালিৰে পৰাই এই দৃশ্য অগণন লোকে দৰ্শন কৰে। ব্ৰহ্মপুত্ৰৰ বুকুৰ পৰা ওপৰলৈ উঠি যোৱা এক ঘূৰ্ণীয়মান জলস্তম্ভই সকলোৰে স্তম্ভিত হৈছে। বৰপেটা জিলাৰ চেঙা সমষ্টিৰ পাহাৰপুৰ অঞ্চল দেখা পোৱা এই ব্যতিক্ৰমী দৃশ্যই স্থানীয় লোকৰ মাজত সৃষ্টি কৰিছে কৌতূহল। স্থানীয় একাংশৰ মতে, এয়া হয়তো কোনো প্ৰাকৃতিক দুৰ্যোগৰ আগজাননী। অৱশ্যে এনে জলস্তম্ভক ভূকিম্পৰ আগজাননী বুলি দাবী কৰাৰ কোনো নিশ্চিত বৈজ্ঞানিক ভিত্তি নাই। ব্ৰহ্মপুত্ৰৰ বুকুত দেখা এই বিৰল দৃশ্যই এতিয়া অঞ্চলজুৰি সৃষ্টি কৰিছে ব্যাপক চৰ্চা।



# বাদুলীপাৰৰ গুলুংটেমেৰাত উদ্ধাৰ বিৰল প্ৰজাতিৰ কাছ

**অগ্ৰদূত বাৰ্তা**
**খুমটাই, ২৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ বাদুলীপাৰৰ গুলুংটেমেৰা অঞ্চলত উদ্ধাৰ হৈছে এটা বিৰল প্ৰজাতিৰ কাছ। অঞ্চলটোৰ এজন লোকৰ মাছধৰা জালত পৰে কাছটো। ইয়াৰ পাছতেই স্থানীয় ৰাইজৰ মাজত সৃষ্টি হয় তীব্ৰ কৌতূহল। সচৰাচৰ নেদেখা এই কাছটো দেখি বহু স্থানীয় লোক হতবাক হৈ পৰে। উল্লেখ্য যে বিৰল প্ৰজাতিৰ কাছটো উদ্ধাৰৰ পাছত ওচৰ-চুবুৰীয়াৰ স'তে আলোচনা কৰি গৃহস্থই বিষয়টো সন্দৰ্ভত তৎকালীনভাৱে নুমলীগড় বন বিভাগৰ কাৰ্যালয়ত খবৰ দিয়ে। খবৰ লাভ কৰি বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ কাছটো উদ্ধাৰ কৰি পুনৰ ধনশিৰি নদীত এৰি দিয়ে। বন বিভাগে সদৰী কৰা অনুসৰি উদ্ধাৰ হোৱা কাছবিধৰ নাম 'বেং বগিয়া'। ই এক বিৰল প্ৰজাতিৰ কাছ আৰু সচৰাচৰ এই প্ৰজাতিৰ কাছ সহজে দেখা পোৱা নাযায় বুলি বন বিভাগে জানিবলৈ দিয়ে। নুমলীগড় খণ্ড বন বিষয়াজনে সদৰী কৰে যে এই বিৰল প্ৰজাতিৰ কাছবিধৰ ঠেং পাখিৰ দৰে আৰু ই জঁপিয়ায়ো চলাচল কৰিব পাৰে। লগতে এই প্ৰজাতিৰ কাছ তুলনামূলকভাৱে খঙাল স্বভাৱৰ বুলিও উল্লেখ কৰে।

# দেওৰজাৰ ধেনুচোচা গাঁৱত অলৌকিক ঘটনা ঃ বসুমতি ভেদি ওলাল মহাদেৱৰ মূৰ্তি

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ২৪ আগষ্ট ঃ** ঐতিহাসিক দেওৰজা মৈদামৰ সমীপৱৰ্তী ধেনুচোচা গাঁৱৰ এটি পৰিয়ালৰ বাৰীত হঠাৎ বসুমতী ভেদি ওলোৱা এটি মহাদেৱ শিৱৰ মূৰ্তিক লৈ ৰাইজৰ মাজত কৌতূহল আৰু ব্যস্ততা সমানেই বৃদ্ধি পাব ধৰিছে। যোৱা ১৯ আগষ্টত গাঁওখনৰ সাংস্কৃতিক কৰ্মী তথা ভাওনা শিল্পী প্ৰশান্ত দত্ত ওৰফে বাছা নামৰ এজন ভাওনা শিল্পীৰ পদূলিমুখত এজোপা কল গছৰ গুৰিত আবিৰ্ভাৱ হোৱা এটি সৰু মহাদেৱৰ মূৰ্তিৰ সন্মুখত এতিয়া ধূপ-চাকি জ্বলাই একাংশ শিৱ ভক্তই দিনে-নিশাই ভক্তি নিবেদন কৰাৰ এই অলৌকিক ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ হৈছে বিশেষ চৰ্চা।

**কেনেকৈ উদ্ভৱ হ'ল উক্ত অলৌকিক ঘটনা**

গাঁওখনৰ প্ৰখ্যাত ভাওনা শিল্পী প্ৰশান্ত দত্ত ওৰফে বাছা নামৰ ব্যক্তিজনে জনোৱা মতে, যোৱা বৃহস্পতিবাৰৰ নিশা সপোনত তিনিভাগ মহাদেৱৰ মূৰ্তি দেখিছিল তেওঁৰ বাৰীৰ চৌহদৰ পদূলিমুখৰ সমীপৰ এজোপা নতুনকৈ ৰোৱা কল গছৰ গুৰিত। এভাগ ভাওনাত ওলোৱা মহাদেৱৰ দৰে, এভাগ এবেগেত উচ্চতাৰ আৰু আনভাগ সোণৰ। চকুত চাট মাৰি ধৰা মূৰ্তি ভাগৰ সৰু মূৰ্তি ভাগ পদূলিমুখৰ নতুনকৈ ৰোৱা কল গছজোপাৰ গুৰিত আছে আৰু মহাদেৱ মন্দিৰ নিৰ্মাণ কৰাৰ আহ্বান জনাই অন্তৰ্ধান হয়। ইয়াৰ পাছতে দত্তই তেওঁৰ পত্নীসহ গৈ মূৰ্তি ভাগ প্ৰত্যক্ষ কৰে। লগে লগে মহাদেৱৰ মূৰ্তি আবিৰ্ভাৱৰ খবৰটো বিয়পি পৰাৰ পাছতে জনসাধাৰণৰ সোঁত বয় আৰু একাংশ শিৱভক্তৰ সহযোগত মূৰ্তি ভাগ মাংগলিক কৰ্মৰ মাজেৰে চৈতন্য ৰূপ দিয়ে।

**বাস্তৱ নে অন্ধবিশ্বাস**

হৰ হৰ মহাদেৱৰ মূৰ্তি ভাগ দৰ্শন কৰিবলৈ কালিৰে পৰা ধেনুচোচা গাঁৱলৈ বিভিন্ন অঞ্চলৰ ভক্তৰ আগমন ঘটিছে। কিন্তু মূৰ্তি ভাগৰ থাপনাস্থলীত নিতৌ বিভিন্নজনে ধূপ-বন্তি জ্বলাই আশিস বিচাৰি সেৱা কৰিছে যদিও সাক্ষাৎ মহাদেৱ তুল্য প্ৰশান্ত ওৰফে বাছাই শৰাই অৰ্পনৰ বাবে এতিয়ালৈকে অনুমতি প্ৰদান কৰা নাই। ইফালে, সমগ্ৰ বিষয়টো এতিয়া সচেতন সমাজে নেতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰিছে। প্ৰশ্ন উঠিছে এয়া বাস্তৱ নে অন্ধবিশ্বাস। বজাৰত এনে আৰ্হিৰ মূৰ্তি সহজতে উপলব্ধ হোৱাৰ সময়তো একে আৰ্হিৰ মূৰ্তিও মাটি ফালি আবিৰ্ভাৱ হ'ব পাৰেনে? মূৰ্তি ভাগৰ কাষত উদ্ধাৰ হোৱা ৰুদ্ৰাক্ষ মালাধাৰো বজাৰত উপলব্ধ সামগ্ৰীৰ লগত সম্পূৰ্ণ সাদৃশ্য থকাৰ অভিযোগ উঠিছে। বিজ্ঞান প্ৰযুক্তিৰ চূড়ান্ত উত্তৰণৰ সময়তো এচাম মানুহৰ চিন্তাধাৰা অন্ধবিশ্বাসৰ গ্ৰাসৰ পৰা মুক্ত হ'ব পৰা নাই।









## ৫৬ বছৰত

ভাৰতৰ অন্যতম সৰ্বাধিক প্ৰচলিত আৰু শক্তিশালী কাকত

অগ্ৰদূত

।। এই সংখ্যাৰ বিশেষ লেখা।। তিনিদিনীয়া

- দবাৰ গুটি সাধাৰণ মানুহ ঃ আঁচনিৰ আশাতে জলাঞ্জলি দিছে বৃহৎ স্বাৰ্থক — *প্ৰশান্ত বৰা*
- ২০২৭ৰ লোকপিয়ল স্থগিত ৰখাৰ দাবী নাগৰিক সমাজৰ ঃ মণিপুৰত ন' এনআৰচি, ন' লোকপিয়ল আন্দোলনৰ নতুন গতি— *ভূপেন গোস্বামী*
- বিনন্দীয়া পৃথিৱী আৰু মানুহৰ সংগী —*কন্দৰ্প কুমাৰ শৰ্মা*
- ধ্ৰুপদী ধাৰা ঃ মহাকবি কালিদাসৰ মেঘদূত— *ড° পৰাগ কুমাৰ ভট্টাচাৰ্য*
- শিশুৰ শিক্ষা প্ৰদানত অভিভাৱকৰ ভূমিকা— *ভাৰত চন্দ্ৰ দাস*
- নিষ্কৰ্মা মানুহেই পৃথিৱীৰ আটাইতকৈ দুৰ্ভগীয়া —*নৱনীতা ভট্টাচাৰ্য*
- শৈক্ষিক বিকাশত পুথিভঁৰালৰ ভূমিকা—*জিণ্টু দাস*
- স্বাধীনতা আৰু সংযমী আচৰণ বিলুপ্তিৰ কাৰণ...!—*ৰক্তিমা ডেকা বৰুৱা*
- কাজিৰঙা জিন্দাবাদ—*চামচুল বাৰিক*
- নিজক শেষ কৰি দিয়াৰ মানসিকতা কিয় গঢ় লয়?—*ইনু শৰ্মা*
- সেউজী ধৰণী ধুনীয়া—*মছফিকা বেগম*

২৬ আগষ্ট সংখ্যা 'অগ্ৰদূত' সজাইছে বহুকেইগৰাকী বিশিষ্ট লেখক-লেখিকাই

আপোনাৰ কপিটোৰ বাবে ওচৰৰ এজেণ্ট-বিতৰকৰ লগত যোগাযোগ কৰক।


অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ৯১০১২৩৮০০৩ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com